## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Hemonto kumar Sarmah | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saahityaa Sabhaa Patrikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha, Jorhat |
| Year: 1973 | Edition: |
| Size: 23 1/2 cms. 4+96+3+95+3+94+3+96+87+104+3+79+3+47+3+64 | Genre: Magazine |
| Volumes: 30 - 9 issues | Condition of the original: Not good |
| Remarks: [illegible]: 1st volume published in 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

ত্ৰিংশ বছৰ
১৮৯৫ শক

প্ৰথম সংখ্যা
বহাগ

ইং ১৯৭৩ চন

॥ সম্পাদক ॥

হেমন্তকুমাৰ শৰ্মা

# সূচীপত্ৰ


| | | | |
|---|---|---|---|
| ১। | নিবেদন ... | ॥ •১ ॥ | শ্ৰীগিৰিধৰ শৰ্মা |
| ২। | পূব ভাৰতৰ শাসনাৱলী-অধ্যয়নৰ তাৎপৰ্য ... | ॥ ১ ॥ | ডক্টৰ মহেশ্বৰ নেওগ |
| ৩। | শ্ৰীঅৰবিন্দৰ দৰ্শনত জড়পদাৰ্থ সম্পৰ্কে ধাৰণা ... | ॥ ১০ ॥ | ডক্টৰ কালীচৰণ দাস |
| ৪। | কলা আৰু জীৱন ... | ॥ ১৭ ॥ | শ্ৰীনাৰায়ণ বেজবৰুৱা |
| ৫। | বৈষ্ণৱ আন্দোলন ... | ॥ ২০ ॥ | ডক্টৰ সত্যেন্দ্ৰ নাথ শৰ্মা |
| ৬। | অসমীয়া উপন্যাস আৰু বিৰিঞ্চি বৰুৱা ... | ॥ ২৪ ॥ | শ্ৰীযোগেশ দাস |
| ৭। | কালিদাস, ভৱভূতি আৰু শূদ্ৰকৰ নাট্য সাহিত্যত প্ৰেমৰ স্বৰূপ | ॥ ৩২ ॥ | শ্ৰীঅপূৰ্বচন্দ্ৰ বৰঠাকুৰীয়া |
| ৮। | বিদ্যাসাগৰ ... | ॥ ৩৭ ॥ | ডক্টৰ প্ৰফুল্ল দত্ত গোস্বামী |
| ৯। | অসমত চৈতন্য সত্ৰ : আলিবাৰী | ॥ ৪১ ॥ | শ্ৰীদুৰ্গেশ্বৰ শৰ্মা |
| | | | (মূল ৰচনা) এণ্টন চেকভ (অনুবাদক) |
| ১০। | ভেশচন | ॥ ৪৫ ॥ | শ্ৰীগোলোক চন্দ্ৰ দত্ত |
| ১১। | নগা পৰ্বতৰ কথা | ॥ ৫০ ॥ | শ্ৰীহৰিপ্ৰসাদ ৰাই |
| ১২। | অসম সাহিত্য সভা পত্ৰিকাৰ নতুন ৰূপ ... | ॥ ৫৫ ॥ | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী |
| ১৩। | অসম সাহিত্য সভাৰ ৰঙিয়া অধিবেশন ... | ॥ ৫৮ ॥ | শ্ৰীডিম্বেশ্বৰ শৰ্মা |
| ১৪। | গোহালি দেও ... | ॥ ৬৪ ॥ | শ্ৰীজ্ঞানশঙ্কৰ খাখলাৰী |
| ১৫। | বাল্মীকি ৰামায়ণৰ বিভিন্ন পাঠ আৰু কন্দলি ৰামায়ণৰ মূল | ॥ ৬২ ॥ | শ্ৰীৰামচৰণ ঠাকুৰীয়া |
| ১৬। | সাহিত্য-সংবাদ | | |
| | (ক) পাৰ্ল এছ বাক | ॥ ৭২ ॥ | শ্ৰীনাৰায়ণ শৰ্মা |
| | (খ) ডঃ বিশ্বনাথ সত্যনাৰায়ণ | ॥ ৭৪ ॥ | শ্ৰীকমলেশ্বৰ শৰ্মা |
| ১৭। | এৰা বাটলা যৎকিঞ্চিৎ | ॥ ৭৫ ॥ | শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা |
| ১৮। | উপনিষদ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ | ॥ ৮২ ॥ | শ্ৰীসুধেন্দু মোহন ভদ্ৰ |
| ১৯। | পোৱা পুথিৰ চিনাকি | ॥ ৮৭ ॥ | |
| ২০। | সম্পাদকৰ চ'ৰা ... | ॥ ৯৩ ॥ | |

# নিবেদন

অসম সাহিত্য সভাৰ চত্বাৰিংশ বছৰীয়া অধিবেশন হৈ যোৱাৰ দুমাহ পূৰ হ'ল। যোৱা দুই মাহে তেজপুৰ, উত্তৰ লক্ষীমপুৰ, ধেমাজি, ডিব্ৰুগড়, গোৱালপাৰা এই পাঁচটি মহকুমাৰ প্ৰায় বোৰ ঠাইৰ আৰু মঙ্গলদৈ আৰু কামৰূপৰ দুই চাৰি ঠাইৰ ৰাইজৰ ওচৰ চাপি পোৱা সাহস আৰু সহায় সহানুভূতিৰ বলেৰেই আজি আমাৰ বাৰদফীয়া আঁচনিৰ কৃতকাৰ্য্যতাৰ প্ৰথম পদক্ষেপ হিচাপে অসম সাহিত্য সভা পত্ৰিকাৰ মাহেকীয়া ৰূপৰ প্ৰথম বহাগ (বঙালী বিহু) সংখ্যা ৰাইজৰ ওচৰত নিবেদন কৰিলোঁ। ৰাইজৰ পৰা আশানুৰূপ সহায় সহযোগ পাই থাকিলে প্ৰতিমাহৰ পাহিলা তাৰিখেই মাহেকীয়া পত্ৰিকা ওলাব বুলি আশা কৰিছোঁ। পত্ৰিকা সম্পাদনা কাৰ্য্যত আমি নিজে কোনো সহায় কৰিব পৰা নাই ৰাইজৰ মাজত ঘূৰিয়ে আছোঁ। ৰাইজৰ মাজত ঘূৰি আমাৰ বিশ্বাস হৈছে যে ভালদৰে প্ৰচাৰ কাৰ্য্য চলাব পাৰিলে আৰু বিতৰণৰ সুব্যৱস্থা কৰিব পাৰিলে মাহেকীয়া পত্ৰিকা কমেও পাঁচ হাজাৰ খনলৈ বিক্ৰী কৰিব পৰা হব। ৰাইজৰ পৰামৰ্শ পাইছো পত্ৰিকাখনত বিভিন্ন ৰুচিৰ ভাল প্ৰবন্ধ থাকিব লাগে, সম্পাদনা সমিতিয়েও তাকেই ঠিক কৰিছে। আমাৰ দেশত শিক্ষিত লোকৰ সংখ্যা বাঢ়িছে, শিক্ষা প্ৰতিষ্ঠান আৰু অন্য প্ৰতিষ্ঠানৰ সংখ্যা বাঢ়িছে, পঢ়াৰ উপযোগী পত্ৰিকাৰ যোগেৰেই এতিয়া পঢ়ুৱৈ সমাজৰ সৃষ্টি কৰিব লাগে। এই পত্ৰিকা সম্পাদনা ক্ষেত্ৰত পত্ৰিকা সম্পাদক অধ্যাপক হেমন্তকুমাৰ শৰ্মা আৰু আদৰ্শ সাহিত্য সেৱক আমাৰ সকলোৰে শ্ৰদ্ধাভাজন অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা দেৱে অশেষ কষ্ট স্বীকাৰ কৰিছে। এই সুযোগতে তেখেত সকলৰ যোগেৰেই সম্পাদনা সমিতিৰ সদস্য আৰু সহযোগী সকলৰ শলাগ লৈছোঁ। পূৰ্বদেশ মুদ্ৰণৰ কৰ্মকৰ্তা আৰু কৰ্মী সকলে দিনে ৰাতি কাম কৰিও নিৰ্দিষ্ট সময়তে পত্ৰিকাৰ প্ৰথম মাহেকীয়া সংখ্যা উলিয়াই দিলে-তেওঁলোকৰো শলাগ লৈছোঁ।

ৰাইজৰ অৱগতি আৰু আশীৰ্বাদৰ আশাৰে বাৰদফীয়া আঁচনিৰ বাকীখিনিৰ কাৰণে কিদৰে আগবঢ়াইছে তাৰ বিষয়েও সামান্য আভাস দিলোঁ। এই আঁচনিবোৰক বাস্তৱৰূপ দিবলৈ ইচ্ছা কৰি কাৰ্য্যনিৰ্বাহক সমিতিয়ে ন জনীয়া স্থায়ী প্ৰকাশন সমিতিখন গঠন কৰিছে। এই সমিতিৰ প্ৰতিজন সদস্যক মুখ্য সদস্য হিচাপে লৈ বিভিন্ন ৯টা সাতজনীয়া উপসমিতিও গঠন কৰা হৈছে আৰু প্ৰতিটো উপসমিতিয়ে ইতিমধ্যে নিজ নিজ বিভাগৰ বিতং আঁচনি প্ৰস্তুত কৰি কামত আগবাঢ়িছে। প্ৰতিটো উপসমিতিৰ আঁচনিবোৰ এনেধৰণৰ :

(১) ব্যাকৰণ আৰু অভিধান সমিতি

আমাৰ ভাষাৰ ব্যাকৰণ লৈ নানা আলোচনা বিলোচনা চলি আছে আৰু বিজ্ঞান সম্মত অসমীয়া ব্যাকৰণ এখনৰ অভাৱ সকলোৱে অনুভৱ কৰি আহিছে। সেই অভাৱ পূৰণৰ অৰ্থে অসম সাহিত্য সভাই এই সমিতিৰ যোগেৰে এখন আদৰ্শ ব্যাকৰণ ৰচনাৰ কাম হাতত লৈছে, আৰু ইয়াৰ প্ৰস্তুতিৰ কাম আগ বাঢ়িছে।

অসমীয়া ভাষাত বৰ্তমান অৱস্থাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন বিষয়ক অনুবাদ আৰু মৌলিক গ্ৰন্থ প্ৰণয়নৰ কাৰণে যথেষ্ট সংখ্যক শব্দৰ আৱশ্যক হৈছে। সেই উদ্দেশ্যে এখন পূৰ্ণাঙ্গ অভিধান প্ৰস্তুত কৰাৰ কাৰণে প্ৰথম অৱস্থাত সম্ভৱস্থলত অসমৰ বিভিন্ন অঞ্চলৰ উপভাষাৰ আৰু আৱশ্যক ক্ষেত্ৰত অন্য ভাষাৰ অৰ্থব্যঞ্জক শব্দ সংগ্ৰহৰ কামো শাখা সভাবোৰৰ জৰিয়তে এই সমিতিয়ে কৰিবলৈ হাতত লৈছে।

(২) **মৌলিক সাহিত্য প্ৰণয়ন সমিতি।**

এই সমিতিয়ে পাঁচবছৰীয়া বিতং আঁচনি প্ৰস্তুত কৰিছে আৰু বৰ্ত্তমানে এখন পূৰ্ণাঙ্গ আলোচনা সাহিত্য আৰু জনজাতি-চাহমজদুৰ সকলৰ সাধু আৰু জীৱন বৃত্তান্ত সম্বন্ধে সৰু সৰু পুতিকা কেইখনমানৰ কাম হাতত লৈছে।

(৩) **অনুবাদ সাহিত্য প্ৰণয়ন সমিতি।**

এই সমিতিয়েও পাঁচবছৰীয়া বিতং আঁচনি প্ৰস্তুত কৰি বৰ্তমানে একোখন অসমীয়া গ্ৰন্থ হিন্দী, উৰিয়া আৰু ইংৰাজীলৈ অনুবাদ আৰু সংস্কৃত, হিন্দী, উৰিয়া আৰু ইংৰাজী ভাষাত লিখা একোখন মূল্যবান গ্ৰন্থৰ অসমীয়া অনুবাদৰ কাম হাতত লৈছে।

(৪) **অসমীয়া জাতিৰ ইতিবৃত্ত নিৰ্ম্মাণ সমিতি।**

এই সমিতিয়েও, ভৌগোলিক অৱস্থান, জন গোষ্ঠী, লোককলা, লোক সংস্কৃতি, লোক সাহিত্য, লোক উৎসৱ, লোকাচাৰ, পুৰাতত্ত্ব আদি তথ্য সম্বলিত অসমীয়া জাতিৰ এখন ইতিহাস বিভিন্ন বিশেষজ্ঞ হতুৱাই প্ৰণয়ন কৰা কাম হাতত লৈছে। এই গ্ৰন্থখনি আদি, মধ্য আৰু বৰ্ত্তমান এই তিনি যুগত বিভক্ত কৰি তিনি খণ্ডত প্ৰকাশ কৰিবলৈ স্থিৰ কৰিছে।

(৫) **গ্ৰন্থাগাৰ নিৰ্ম্মাণ আৰু প্ৰাচীন গ্ৰন্থ সংগ্ৰহ সমিতি**

এই সমিতিয়ে প্ৰাচীন গ্ৰন্থ সংকলন, বৰ্ণনামূলক তালিকাকৰণ আৰু যোৰহাট, গুৱাহাটী দুই দুটা বৃহৎ কাৰ্যালয়ত গ্ৰন্থাগাৰ নিৰ্মাণৰ বিস্তৃত আঁচনি গ্ৰহণ কৰি প্ৰথম অৱস্থাৰ কাম হাতত লৈছে।

(৬) **পত্ৰিকা সম্পাদনা সমিতি**

এই সমিতিয়ে সাহিত্য সভা পত্ৰিকা মাহেকীয়া কৰিবলৈ স্থিৰ কৰি প্ৰথম প্ৰকাশ বহাগ সংখ্যা ৰাইজৰ ওচৰত নিবেদন কৰিলে।

(৭) **প্ৰচাৰ সংগঠন আৰু সমন্বয় কেন্দ্ৰ স্থাপন সমিতি**

আমাৰ ৰাজ্যত ভাষা সংস্কৃতিৰ প্ৰচাৰৰ অভাব আৰু জাতীয় সংহতিৰ কাৰণে সংগঠনৰ অভাৱ সকলোৱে অনুভৱ কৰিছে। ইয়াৰ অভাৱতেই আমি নানা অৱমাননা ভোগ কৰিবলগীয়া হৈছে; আৰু বিভিন্ন জাতি-উপজাতি, গোষ্ঠী-উপগোষ্ঠীৰ মাজত সমন্বয় স্থাপনৰ চেষ্টা নোহোৱা বাবে আমাৰ মাজত আজি নানা বিভাজন আৰম্ভ হৈছে। এই প্ৰচাৰ সংগঠন আৰু সমন্বয় কেন্দ্ৰ স্থাপনৰ কাৰণে এই সমিতিয়ে বিস্তৃত আঁচনি কৰি কাম আৰম্ভ কৰিছে।

(৮) **ভাষাজ্ঞান পৰীক্ষা সংস্কাৰ আৰু লেখক শিবিৰ স্থাপন সমিতি**

অসম সাহিত্য সভাই চলাই থকা ভাষাজ্ঞান পৰীক্ষাৰ সংস্কাৰ কৰি এই সমিতিয়ে প্ৰথমা, মধ্যমা আৰু উপাধি তিনিটা পৰীক্ষাৰ কাৰণে পাঠ্যক্ৰম কৰিবলৈ স্থিৰ কৰিছে। এই পৰীক্ষাই যাতে চৰকাৰ নাইবা সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা স্বীকৃতি পায়, তাৰ বাবেও বিহিত ব্যৱস্থা লবলৈ স্থিৰ কৰিছে আৰু লগতে প্ৰতি-বছৰে অন্ততঃ এটাকৈ হলেও লেখক শিবিৰ পাতিবলৈও আঁচনি কৰিছে।



(৯) **অৰ্থ সংগ্ৰহ সমিতি**

প্ৰচাৰ সংগঠন আৰু লগতে অৰ্থ সংগ্ৰহৰ কাৰণে ইতিমধ্যে অসমৰ কিছু ঠাইত ভ্ৰমণ কৰা হল। অদূৰ ভবিষ্যতে বাকী ঠাইবোৰলৈকেও যোৱাৰ আঁচনি লোৱা হৈছে। যিবোৰ ঠাইলৈ যোৱা হৈছে সেই ঠাইবোৰৰ ৰাইজৰ পৰা সহায় সহযোগ আৰু বৰঙনিৰ আশাও পোৱা হৈছে। আমি ভাবো, প্ৰকৃত কাম হোৱা দেখিলে ৰাইজে মুক্ত হস্তে দান বৰঙণি আগ বঢ়াব।

শাখা সভাৰ সংখ্যা বঢ়োৱা, সাধাৰণ সদস্যৰ সংখ্যা বঢ়োৱা আৰু আজীৱন সভ্যৰ সংখ্যা বঢ়োৱাৰ উপৰিও এইবাৰ সৰ্বসাধাৰণৰ পৰা কমেও ৫ পাঁচ টকা বৰঙণি লোৱা আৰু ৫০০ টকাৰ ওপৰৰ এককালীন দান সংগ্ৰহৰ আঁচনি লৈ কামত আগ বঢ়া হৈছে। সৰ্বসাধাৰণৰ পৰা বৰঙণি লোৱা কথাই ৰাইজৰ সমাদৰ পাইছে। ওপৰৰ আঁচনি বোৰ কাৰ্য্যত পৰিণত কৰিবলৈ প্ৰচুৰ অৰ্থৰ প্ৰয়োজন হব। সহৃদয় দেশ-প্ৰাণ ৰাইজে মুক্তহস্তে দান বৰঙণি আগবঢ়াই অসমীয়া জাতিৰ আত্ম-প্ৰতিষ্ঠালাভত সহায় কৰিব বুলি আশা কৰিলো।

২৩ [illegible] ২৪০৭

**প্ৰকাশন সমিতি**

১। শ্ৰীৰজনীকান্ত দেৱশৰ্মা
২। শ্ৰীযোগেশ দাস
৩। শ্ৰীছগনলাল জৈন
৪ ডঃ হৰিশচন্দ্ৰ ভট্টাচাৰ্য্য
৫। ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য
৬। শ্ৰীহেমন্তকুমাৰ শৰ্মা
৭। শ্ৰীপ্ৰসন্ন ৰাম দাস
শ্ৰীগোবিন্দ চন্দ্ৰ মহন্ত
৮। শ্ৰীনগেন শইকীয়া
৯। শ্ৰীগিৰিধৰ শৰ্মা

এই সমিতিৰ প্ৰতিজন সদস্যক মুখ্য সদস্য হিচাপে লৈ প্ৰতিটো বিভাগৰ কাৰণে একো একোটা উপ-সমিতিও গঠন কৰা হৈছে; আৰু ইয়াৰ সদস্য সকলৰ পূৰ্ণ সহযোগত এই প্ৰতিটো সমিতিয়ে নিজৰ নিজৰ কামত আগ বাঢ়িছে। এই সদস্য সকলৰ কাম পিছত প্ৰকাশ কৰা হব।

শ্ৰীগিৰিধৰ শৰ্ম্মা
সভাপতি

সুৰুচি পূৰ্ণ বিভিন্ন বিষয়ক সামৰা
মাহেকীয়া আলোচনী

**নতুন প্ৰৱাহ**

[ নিয়মীয়াকৈ ওলাই এতিয়া দ্বিতীয় বছৰ পাইছেহি ]

বছৰেকীয়া বৰঙনি—১২'০০ টকা
প্ৰতি সংখ্যা—১'০০ টকা
এবছৰৰ কমত গ্ৰাহক কৰা নহয়।

আপোনাৰ ওচৰৰ এজেণ্টৰ ওচৰত
খবৰ কৰক
নতুবা
বাৰ টকা আগধন পঠিয়াই
বছৰেকীয়া গ্ৰাহক হওক

নতুন প্ৰৱাহ'ৰ বছৰেকীয়া গ্ৰাহক হোৱা মানেই
আপুনি আৰু আপোনাৰ পৰিয়ালৰ দিনটোত
এনেয়ে হোৱা অলাগতীয়াল খৰছৰ
তিনি দশমিক তেত্ৰিশ পইচা
সংকামত লগোৱা

যোগাযোগৰ ঠিকনা—

পৰিচালক : 'নতুন প্ৰৱাহ'
জয়া প্ৰেছ
কমাচল ৰোড
গুৱাহাটী-৩


# পূৰ্ব ভাৰতৰ শাসনাৱলী-অধ্যয়নৰ তাৎপৰ্য্য

ডক্টৰ মহেশ্বৰ নেওগ

অসম সাহিত্য সভাৰ আঁচনিমতে 'পবিত্ৰ অসম' গ্ৰন্থ-প্ৰণয়নৰ সময়ৰেপৰা মহামহোপাধ্যায় পদ্মনাথ ভট্টাচাৰ্য বিদ্যাবিনোদৰ 'কামৰূপ-শাসনাৱলী'ৰ আহিৰে পুষ্যবৰ্মা, শালস্তম্ভ আৰু ধৰ্মপাল বংশৰ ৰজাসকলৰ ৰাজত্বৰ অৱসানৰ পিছৰ যুগৰ তাম্ৰশাসন, প্ৰস্তৰশাসন আৰু আন লেখাসমূহ সংগ্ৰহ কৰি প্ৰকাশ কৰিবৰ অৰ্থে মানস কৰা হৈছিল। এই বিষয়ত সোণাৰাম চৌধুৰী, হেমচন্দ্ৰ গোস্বামী, সূৰ্যকুমাৰ ভূঞা, সৰ্বেশ্বৰ শৰ্মা কটকী, সৰ্বেশ্বৰ বৰুৱা, হৰিনাৰায়ণ দত্ত বৰুৱা আদিয়ে বহুতো কাম কৰি থৈ গ'লেও সেই মহান তত্ত্বানুসন্ধানকাৰীসকলৰ সংগৃহীত শাসনৰ পাঠসমূহ বিবিধ আলোচনীত বিক্ষিপ্ত হৈ পৰি আছে। সেইখিনি সংগ্ৰহ কৰি এটি সংকলনৰূপে সম্পাদন কৰি প্ৰকাশ কৰিলেও এই পিছৰ যুগটোৰ ইতিহাসৰ বহুতোখিনি প্ৰথম শ্ৰেণীৰ প্ৰামাণ্য এখনি লাগতিয়াল পুথি হয়। চৰকাৰৰ কাছাৰীবিলাকৰ মহাফেজখানাবোৰত অনেক শাসনৰ নকল সংগৃহীত আছে। এইবিলাকৰ ব্যৱহাৰ আজিও ৰাজস্ব-বিভাগে কৰি আছে। ইয়াৰ উপৰি ব্যক্তিগত জিম্মাত দুই-এখনি ফলিৰ সন্ধান পোৱা যাব। দুই-এখনি ফলি আকৌ যোৱা কিছু দিনৰ ভিতৰত মাটিৰ তলৰ পৰা ওলাইছে। ডিব্ৰুগড়ৰ ওচৰৰ লেপেটকটা বাগিচাৰ ভিতৰত মাটি খানোতে পোৱা ৰুদ্ৰসিংহৰ দিনৰ ফলিখনিৰ কথা এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি। এনেভাৱে সিঁচৰতি হৈ পৰি থকা শাসন-সমূহৰ সংগ্ৰহ ঐতিহাসিক অধ্যয়নৰ বাবে নিতান্ত আৱশ্যকীয় হৈ আছে।

১১২৭ শকত মহম্মদ-ইব্‌ন-বখতিয়াৰৰ যৱন সৈন্য ধ্বংস হোৱাৰ কথাৰে উত্তৰ গুৱাহাটীৰ কানাই-বৰশী-বোৱা শিলৰপৰা চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱে আইভেটি নসত্ৰৰ বাবে ১৭৪৪ শকত দান কৰা ধৰ্মোত্তৰ-পত্ৰলৈকে এক বিশদ ইতিহাস। অসম, কামৰূপ, কোচবেহাৰ এই 'তিনি ৰাজ্য'ৰ উপৰি হেড়ম্ব, জয়ন্তীয়া আদিৰ ফলিও যথেষ্ট পোৱা যায়। আহোম, কোচ, কছাৰী আদি বিভিন্ন ৰাজ-সম্প্ৰদায়ৰ শাসনৰ অঙ্গৰ ইঙ্গিত এই ফলিবোৰে দিব। ভাৰতৰ সমস্ত প্ৰাচ্যৰ ৰাজ্য-শাসন আৰু ৰাজনীতি, ন্যায়-বিচাৰ, ৰাজস্ব-শাসন, কৰাৰোপণ-ব্যৱস্থা, শাসকসকলৰ ধৰ্ম-সংক্ৰান্ত নীতি আৰু শাসন আদিৰ বিষয়ে এই ফলিবোৰে চমুকৈ হ'লেও অতি স্পষ্ট ইঙ্গিত দিব। অনেকখনি ফলি গড় আৰু খাবৈ, দুৰ্গ আৰু পৰিখা, মন্দিৰ আদিৰ নিৰ্মাণৰ ইতিহাসৰ স্বৰূপ সাক্ষী হৈ থিয় হৈ আছে। ১১২৭, ১৫৩৮, ১৫৮৯ চন আদিৰ ফলিত যুদ্ধৰ শেষত বিজয়ী বীৰে গৌৰৱেৰে ৰণ-জয় ঘোষণা কৰিছে। এখনি কাকতে কমলেশ্বৰসিংহ ৰজাৰ দিনত মানুহ বেচা-কিনাৰ প্ৰমাণ দাঙি ধৰিছে। এক শিলৰ লেখা আহোম ৰজাৰ দিনৰ মাটি বেচা-কিনাৰ নথিৰ দৰে থিয় দিছে। শাক্ত, শৈৱ, বৈষ্ণৱ মন্দিৰ আৰু নৱবৈষ্ণৱ সত্ৰ, সংসঙ্গী

(সচঙ্গী) মঠ বা সত্র, বৈষ্ণৱ মন্দিৰৰ দৌল আৰু অখণ্ড-প্ৰদীপৰ হে ভূমিদান আৰু পাইকৰ নিবন্ধন বহুতো খিনি ফলিৰ দ্বাৰা কৰা হৈছে। এখনি ফলিয়ে স্ৰগ্ধৰা আৰু শাৰ্দুলবিক্ৰীড়িত ছন্দত কামাখ্যা দেৱীলৈ আগ বঢ়োৱা এক লাখ বলিৰ কাহিনী কৈছে।

বিশেষকৈ কামৰূপত অনেক সংসঙ্গী মঠ বা সত্ৰৰ হকে তেনে অনুষ্ঠানৰ মেধিক মাটি-বৃত্তি দি হৰি-মন্দিৰ কৰি শ্ৰৱণ-কীৰ্তন ধৰ্ম প্ৰৱৰ্তাই তেল বন্তি জ্বলাই থাকিবলৈ দিয়া হৈছিল। সংসঙ্গী সত্ৰ বা সচঙ্গৰ বিষয়ে 'পবিত্ৰ অসম' গ্ৰন্থৰ 'কামৰূপ' অধ্যায়ত কিছু কথা সন্নিৱিষ্ট হৈছে। সাধাৰণতে সত্ৰবিলাকক ধৰ্মোত্তৰ কৰি মাটি-বৃত্তি দিয়া হৈছিল। কেতিয়াবা সত্ৰৰ বিগ্ৰহৰ নামত দেৱোত্তৰ দিয়াও দেখা যায়। ব্ৰাহ্মণক দিয়া কৰ-বিহীন ভূমি হ'ল ব্ৰহ্মোত্তৰ। এই 'ধৰ্মোত্তৰ', 'দেৱোত্তৰ', 'ব্ৰহ্মোত্তৰ', শব্দকেইটা বহলভাৱে ব্যৱহাৰ কৰা হয় আৰু সংস্কৃত ভাষাৰ ফলিৰ মাজতো পোৱা যায় যদিও, সিহঁত শুদ্ধ সংস্কৃত নহয়, 'ধৰ্মত্ৰ', 'দেৱত্ৰ', 'ব্ৰহ্মত্ৰ', এনেহে হ'ব লাগে। কোনো ফলিত আমি 'ধৰ্মত্তৰ' ৰূপটি পাইছোঁ। আন ফলিত ব্ৰহ্মোত্তৰ অৰ্থত 'ব্ৰাহ্মণ-বৃত্তি', 'দ্বিজবৃত্তি' আৰু 'বিপ্ৰোত্তৰ' শব্দ ব্যৱহৃত হৈছে। প্ৰতাপসিংহ বুঢ়া ৰজাৰ দিনৰ বৰ্ণনাত কাশীনাথ তামুলী-ফুকনৰ বুৰঞ্জীত আছে: 'এবং দেৱৰগাঁও দেৱালয়ৰ দৌল কৰি মাটি মানুহ উচৰ্গ কৰি দিলে। সেই দিনৰেপৰা দেৱোত্তৰ ব্ৰহ্মত্তৰ চলে' (পিঠি ৩৩)। নানকাৰ হ'ল শূদ্ৰক দিয়া কৰ-ৰহিত ভূমি। এখন ফলি যোগে লক্ষ্মী-সিংহ স্বৰ্গদেৱে গুৱাহাটীয়া আনোৱাৰ ফকিৰক মাটি আৰু কেইঘৰমান 'চেলা' দিছে আৰু তেওঁৰ বংশৰ নামে বাউসী পৰগণাৰ চাহ মদাৰ, বৰনগৰৰ চাহ ফকিৰ আৰু ক্ষেত্ৰিৰ পাচ পীৰৰ দৰগাহৰ উপৰিও হাজোৰ পোৱামক্কাৰ ভাগ নিবন্ধ কৰা হৈছে। এখন ফলিত ৰাজেশ্বৰসিংহই দুজন বেজক মাটি-বৃত্তি দিছে। এখন ফলি যোগে ৰেখাৰাম তামুলীফুকন বৰফুকনে চন্দ্ৰকান্তসিংহ, তেওঁৰ পৰৱৰ্তীয়া কুঁৱৰী পদ্মাৱতী আৰু তেওঁলোকৰ পুত্ৰৰ হৈ হয়গ্ৰীৱ-মাধৱৰ 'প্ৰাক্-প্ৰবৃত্ত-সত্ৰোৎসৱ-স্থানীয়-হৰি-কীৰ্ত্তনোৎসৱাৰ্থং' অৰ্থাৎ 'মাঘ মাহত দশমি তিথিত পূৰ্বে দ্বাদশ যাত্ৰা আছিল সেয়ে লোপ পালত সম্প্ৰতি নবিনকৈ বৎসৰি সভাযাত্ৰা কৰিবৰ নিমিত্তে' ব্যৱস্থা কৰি দিছে। এক ফলিত ভাল বামুণৰ ল'ৰাৰ বিয়াত ৰজাই যৌতুক কৰি মাটি দিয়া কথাটি বৰ আহ্লাদদায়ক। এখন ফলিত বাউসী পৰগণাৰ চৌধাৰী-পটোৱাৰী-নিয়োগৰ পত্ৰ এখনো পোৱা গৈছে। এক ফলিত মন্দিৰৰ বাবে পূজাৰি, চামৰ-ধৰোঁতা আৰু গীতা-পাঠক নিয়োগ কৰা হৈছে। আন এখনত এখন বিচাৰৰ ৰায় লিপিবদ্ধ কৰা হৈছে। এইবিলাকৰ উপৰি ৰাজেশ্বৰসিংহ ৰজাই দীৰ্ঘেশ্বৰী মন্দিৰৰ দেৱীপীঠৰ বাবে দান কৰা ৰূপৰ জাপিৰ ওপৰত লেখা, এজন বুঢ়াগোহাঁইয়ে নৰোৱা সত্ৰত দিয়া বৰকাঁহৰ লেখা, এজন ভক্তই সুন্দৰীদিয়া সত্ৰত দিয়া পিতলৰ দুৱাৰৰ লেখা আদিয়ে পুৰণি লিপিৰ বিস্তৃতিৰ পৰিচয় দিব।

হাজোৰ হয়গ্ৰীৱ-মাধৱৰ পূজা-অৰ্চনাৰ বাবে ৰুদ্ৰসিংহ স্বৰ্গদেৱে ১৬৩৩ শকৰ চ'তত দিয়া ৰূপৰ সামগ্ৰীৰ ভিতৰত এটা ৰূপৰ কলহত ৰজাৰ নাম আৰু তাৰিখ খোদিত আছে (ধৰণীকান্ত দেৱ শৰ্ম্মা, কামাখ্যা তীৰ্থ, পিঠি ৮১)। অলপতে বেণুধৰ শৰ্মাদেৱে উদ্ধাৰ কৰি ধাক্কাক সংগ্ৰহালয়ত জমা দিয়া এখন ফলি হ'ল ভাগৱত পুথিৰ বাকচৰ ওপৰত লগোৱা নাম-পাত বা 'লেবেল্' মাথোন; তাৰ চাৰিটা চুকত গজাল মাৰিব পৰা বিন্ধা আছে। তাৰ পাঠঃ

> ও বাজিগ্ৰীৱবপুভৃতে ভগৱতে শ্ৰীমাধৱায়াদৰাৎ শ্ৰীমান্
> শ্ৰীহৰিদেৱ ইত্যভিহিতো গোৱিন্দ-সত্ৰাধিপঃ॥
> শ্ৰীমদ্ভাগৱতং সটীকমদদাৎ সুমুক্তিপীঠস্থিতং শাকে
> দিগ্ গজতৰ্কৰণ্ খযুপৈণাঙ্কে ৰবৌ সিংহগে॥
> হৰিদেৱনিযুক্তেন বিদ্যাবাগীশশৰ্ম্মণা।
> গৌৰবাদিদমানীয় মাধৱাগ্ৰে সমৰ্পিতং॥ ১৬৬৮॥



দেখা যায় সটীক ভাগৱত শাস্ত্ৰখনি গোৱিন্দ-সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীহৰিদেৱৰ হৈ বিদ্যাবাগীশ শৰ্মাই হয়গ্ৰীৱ-মাধৱৰ মন্দিৰত অৰ্পণ কৰিছিলহি।

শাসন শব্দই ৰাজ-শাসন অৰ্থাৎ ৰজাই দিয়া ফলি বা তাম্ৰশাসন অৰ্থাৎ ৰজাই দিয়া তামৰ ফলি বুজায়। পূৰ্বাঞ্চলৰ শাসনবোৰে কামৰূপ-অসম-কোচবেহাৰৰ সমসাময়িক ৰাজনৈতিক আৰু সামাজিক বুৰঞ্জীৰ উৎকৃষ্ট সমল যোগায়। কোচ-আহোম ৰজাসকলৰ ফলিত ৰজাৰ প্ৰশংসা থাকিলেও অতিৰঞ্জিত ধৰণৰ স্তুতি অতি কম। ডাঙৰ ডাঙৰ ৰাজ্যৰ ৰজাক বশ কৰি কৰতলীয়া কৰা হৈছে, এনে ধৰণৰ উক্তি নায়েই। এখন ফলিত মাথোঁ গদাধৰসিংহ স্বৰ্গদেৱে বঙ্গ, কলিঙ্গ, তৈলঙ্গ, সৌৰাষ্ট্ৰ, মগধ আদি অশেষ দেশত 'কুপ্যাকুপ্য-বিতৰণ'ৰ দ্বাৰা সন্তোষ লগোৱাৰ কথা আছে; আন কোনো ফলিতে বিদেশৰ উল্লেখ নাই।

পূৰ্ব্বতে শ্বাহজাহান বাদশ্বাই কামৰূপত দিয়া মাটি-বৃত্তি ৰাজেশ্বৰসিংহ ৰজাৰ আদেশত এক ফলিৰে পুনৰ বাহাল ৰখা হৈছে। 'বঙ্গালৰ দিনৰপৰা' অৰ্থাৎ কামৰূপ মোগলৰ অধীনত থকা সময়ৰপৰা বাউসী পৰগণাৰ চৌধাৰী বিষয়-বাব খোৱা বংশৰ লোকক চন্দ্ৰকান্তসিংহই পুনৰ চৌধাৰী-পটোৱাৰী দুই বাবত নিয়োগ কৰিছে আন এক ফলিৰে। হাজোৰ হয়গ্ৰীৱ-মাধৱ, গুৱাহাটীৰ শুক্ৰেশ্বৰ-জনাৰ্দন আদি মন্দিৰৰ নামতো পূৰ্বতে মোগল সম্ৰাটে মাটি-বৃত্তি আদি দিছিল।

কেতিয়াবা পূৰ্বৰ ফলি নষ্ট হ'লে বা হেৰালে পূৰ্বৰ বৃত্তি উদ্ধাৰ কৰি পুনৰ তাম্ৰপট্ট কৰি দিয়া হয়। কেতিয়াবা আগৰ কাগজত দিয়া 'পত্ৰ মোহৰ···চিৰস্থায়ী নেদেখি চিৰকাল থাকিবৰ নিমিত্তে পত্ৰ গুচাই তাম্ৰপত্ৰ কৰি দিয়া' হয়। কেতিয়াবা তেনে পত্ৰ-মোহৰ জীৰ্ণ হোৱা কাৰণেও তাম্ৰ-পত্ৰ কৰি দিয়া হৈছিল বা 'পূৰ্ব্বৰ পত্ৰিকা জি আছিল সি গৃহদাহত দগ্ধ হৈলা কাৰণ' বা পূৰ্বৰ 'তাম্ৰপত্ৰিকা···চৌৰাপহৃত হৈল কাৰণ'তো পুনৰ তাম্ৰপট্টক কৰি দিয়া হৈছিল। 'ভোজ ভাত খাই বাটা পিন্ধি' ধৰ্মোত্তৰ আদি পত্ৰ লেখি দিয়াৰ উল্লেখ এটিও চকুত লগা বিধৰ।

আহোম ৰজাৰ দিনত মাজে মাজে মাটি আৰু পাইকৰ পিয়ল হৈছিল। সেই পিয়ল অনুসৰি পেৰা-কাগজ বা পঞ্জী ৰখা হৈছিল আৰু মাটি আদিৰ বাবদ ধন ধাৰ্য কৰা হৈছিল। শিৱসিংহ ৰজাৰ দিনৰ পেৰা-কাগজ ব্ৰিটিছে দেশ লোৱা সময়লৈকে আছিল বুলি গেইটে লেখিছে। দুই-এখন ফলিত পেৰা আৰু পেৰাৰ ধনৰ উল্লেখ আছে। কামৰূপত মোগল শাসনৰ সময়ত 'ফাচ্চিৰ মহজৰ' ৰেকৰ্ডৰূপে চলিছিল। মন কৰিব লগীয়া যে উৰিষ্যা অঞ্চলৰ ফলিবিলাকত ৰেকৰ্ড ৰাখোঁতাক পেটপাল, পেট্টপাল, পেড়াপাল আদি বোলা হৈছিল; এওঁতকৈ ওপৰৰ বিষয়া হ'ল পুস্তপাল বা পুস্তকপাল (D. C. Sircar, *Indian Epigraphy*, p.99)। উল্লেখ কৰিব লগীয়া যে শঙ্কৰদেৱৰ লেখাত 'পেৰাপাত্ৰ'ৰ কথা আছে।

মাটি-বৃত্তি দিয়াৰ আগতে সকলো প্ৰাথমিক অনুসন্ধান আদি কৰা হৈছিল। ব্ৰহ্মচাৰী-সত্ৰৰ ব্ৰহ্মচাৰী বাপুক লক্ষ্মীসিংহই মাটি দিয়াৰ আগতে 'কুৱৈৰগঞা শ্ৰীৰাজমন্ত্ৰি পূৰ্ণানন্দ বুঢ়াগোহাঞি···ডাঙ্গৰীয়াই ধনৰৰ বড়াৰ মুখে বুজি শ্ৰীশ্ৰী৺লৈ জনালত'হে তাম্ৰপত্ৰ কৰি মাটি-মানুহ দিয়া হয়। চন্দ্ৰকান্তসিংহই অতিৰামক চৌধাৰী-পটোৱাৰী পতাৰ আগতে 'পূৰ্ব্বৰ ফাচ্চিৰ মহজৰ' চাই লোৱা হৈছিল।

গেইট ছাহাবে লেখিছে যে গদাধৰসিংহ ৰজা হোৱাৰ আগতে নামনি অঞ্চলত লুকাই ফুৰোঁতে মুছলমানসকলৰ মাটি জৰিপ কৰা পদ্ধতি দেখি ৰজা হোৱাৰ পিছৰ যুদ্ধ-বিগ্ৰহৰ পিছত কোচবেহাৰ আৰু বঙ্গৰপৰা জৰিপ কৰা মানুহ অনাই শিৱসাগৰত জৰিপ আৰম্ভ কৰে, কিন্তু তেওঁৰ মৃত্যুৰ পিছলৈকে সেই কাম সম্পূৰ্ণ হোৱা নাছিল। গেইটে লেখিছে, "The method of survey adopted is nowhere described, but it was probably the same as that

which was in vogue when Assam was first occupied by the British, i. e., the area of each field was calculated by measuring the four sides with a *nal* or bamboo pole, 12 feet long, and multiplying the mean length by the breadth. The unit of area was the *pura*, which contained four standard Bengali *bighas* or 14,400 square feet" ( pp. 170-71 ) পুৰাৰ হিছাপ অনেকখনি ফলিতে আছে ; তদুপৰি আমি সধয়াপুৰীৰ ফলি গুখনত 'পুটি' আৰু মাধদেৱৰ নীলাচল তাম্ৰশাসনত আৰু ৰুদ্ৰসিংহৰ কেশৱ-ৰাই মন্দিৰৰ হকে দানৰ ফলিত 'পুটক' শব্দ পাওঁ। জয়ন্তীয়াপুৰৰ ফলিত মাটিৰ পৰিমাণ হলৰ হিছাপত দিয়া হৈছে, কিন্তু এই হলৰ পৰিমাণ কিমান, স্পষ্টকৈ জনা নগ'ল। এই ফলিত আন এটা জোখ হ'ল 'কেদাৰ'। ফলিবোৰত 'বস্তু-হস্ত প্ৰমাণ-মানদণ্ড'ৰ উল্লেখ মন কৰিব লগীয়া। শিৱসিংহ ৰজাৰ তিনিখন ফলিত (১২৮, ১২৯) 'সাৰ্দ্ধসপ্তহস্ত মান-দণ্ড'ৰ কথা কোৱা হৈছে। বেলতলাৰ ফলিত 'উক্ত প্ৰমাণ ৭।৪ সাত হাত এক বিগত চাৰি আঙুল' দিয়া হৈছে। আনফালে বৰদোৱা সত্ৰৰ বিবাদৰ সিদ্ধান্তৰ তামৰ ফলিত 'মাটিৰ জোখ ৭ হতিয়া টাৰেৰে দীৰ্ঘে ১৯ বেং প্ৰস্থে ৯ দা আতে মাটি এক বিঘা চাৰি কঠা পোৰ্দ্ধৰ লেচা পুং' হিছাপ দিয়া হৈছে আৰু ব্ৰহ্মচাৰী সত্ৰৰ ফলিত 'দীৰ্ঘে ৬২০ বেও প্ৰস্থে ৮০ আতে হয় মাটি ১২৪ পুং' আৰু 'দীৰ্ঘে ৮০ বেও প্ৰস্থে ৮০ আতে মাটি হই ১৬ পুৰা' হিছাপ আছে। সধয়াপুৰীখৰৰ ফলিত '[ দ্বি ] কুণ্ডাৱল-নৌ হলী'ৰ উল্লেখ আছে ; এই 'কুণ্ডাৱল' কি জোখ বুজা নগ'ল। তদুপৰি, মাটিৰ পৰিমাণ বুজাওঁতে 'চলিত দৰে,' 'তিনি গুণিৰ দৰে,' 'তৃগুণিকৈ,' 'দ্বিনিৰ দৰে,' 'দ্বই গুনিয়া দৰে,' দ্বিনিৰকাতে, এনে খণ্ডবাক্য ব্যৱহাৰ কৰা হৈছে ; এইবোৰে কি বুজাইছে বুজা নগ'ল।

মাটিৰ শ্ৰেণীবিভাগো এটি প্ৰণিধানযোগ্য বিষয়। মাধৱদেৱৰ তাম্ৰশাসনত বাটী বা বাস্তু-ভূং ( বাস্তু-ভূমি ), পোখৰী-বাড়ী, মুণ্ডা-বাটী, চাষ-ভূমি, গোপ্ৰচাৰ-ভূ (ভূমি) ( ধৰ্ম পালৰ শুভঙ্কৰপাটক ফলি, শাৰী ৩৫ চাওক ) শা ( শালি ) ভূমি, তি-খা ( ? ), শি-খা ( ? ) আদি প্ৰকাৰ দেখা পোৱা যায়। শিৱসিংহৰ ফলিত আমি 'ফৰিঙতি চোঙঙ্গি ( ? ) মাটী ২৩ পুড়া বৰিমাটী ৭ পুড়া' 'ফৰিঙতি হাবি মাটি ধাকা ১২ পুৰা মিম্লিক ( ? ) জমি ১২ পুৰা...বাড়ি মাটি ৭ পুৰা', 'ৰূপিত ললে (লাল ?) ১২ বাৰ পুৰা কঠিয়াতলী ৬ পুৰা...ফৰিঙতী তিনি গুণৰ দৰে ( ? ) ৮ পুৰা', 'ভিঠি' আৰু 'উধাৰ'ৰ উল্লেখ পাওঁ। ৰাজেশ্বৰসিংহৰ দিনৰ ফলিত ৰোৱাতি, বাড়ি, বেঙ্গেনা-তলি, বাওতলি আৰু কঠিয়াতলি ; বড়ি, বাড়ি বিল আৰু ওবাৰ হাবি মাটি ; হাবি মাটি, বাড়ি, বাওতলি, দলনি মাটি, জমি মাটি ; লাল, বাৰী ; লক্ষ্মীসিংহৰ দিনৰ ফলিত ৰূপিত, ফৰিঙতি, বাওতলি, বাৰি বৰি, হাবি দলনি মাটি ; লাল মাটি, বাৰী ; গৌৰীনাথসিংহৰ দিনৰ ফলিত নীল মাটি, বাড়ী মাটি, দলনি মাটি ; ৰোপিত, বাৰি, জমি, বৰি, দলনি মাটি ; চন্দ্ৰকান্তসিংহৰ পত্ৰত উবাৰ মাটি, বড়ি, উবাৰ বিল—এইবিলাক শ্ৰেণীৰ উল্লেখ আছে। ইয়াৰ উপৰি, তাঙনা ভূমি, বাকৰি মাটি, অজ্জঙ্গলা, হাচিলা জঙ্গলা, বিহি জমি, এইবোৰ শ্ৰেণীৰ নাম পাওঁ। শিৱসিংহ ৰজাৰ দিনৰ ফলিতেই আমি প্ৰথম আহোম ৰাজ্যৰ কৰ-কাটলৰ উল্লেখ পাওঁ। তাৰ পিছত অনেকখনি ফলিত ৰজাঘৰীয়া কৰ আৰু বাববোৰৰ উল্লেখ আছে আৰু ৰজাই দান কৰা মাটি আৰু পাইকক সিবোৰৰপৰা অব্যাহতি দিয়া বুলি উল্লেখ কৰা হৈছে। ডক্টৰ সূৰ্যকুমাৰ ভূঞাৰ 'আহোমৰ দিন' ( ১৯১৮, পিঠি ৫১-৫২ ) ৰ পৰা কৰ-কাটল আদিৰ বিৱৰণ তলত তুলি দিয়া হ'ল।

কৰ – মাটি খোৱা বাবে ৰজাক দিব লগীয়া বস্তু বা ধন।
কাটল—পাইকে মাটি খোৱা বাবে ৰজাঘৰত খাটিব লাগিছিল ; নোৱাৰিলে খাটনিৰ সলনি দিয়া ধন।



পদ—পাইকে বিষয় পালে দিব লগীয়া ধন।
পঞ্চক—বৰঙণি বা পচা।
বেঠ—ৰজাঘৰীয়া হাতী, ম'হ আদি জন্তুবোৰ ধৰা বাব।
বেগাৰ—ৰজাৰ প্ৰয়োজনমতে বন কৰি দিয়া বাব।
জলকৰ—নৈ, বিল আদিৰ মাছ ধৰা কৰ।
ঘৰঙ্কাৰ—হিলৈৰ খাৰ তৈয়াৰ কৰাৰৰ নিমিত্তে ঘৰে পতি ঘৰখাৰ দিব লগা বাব।
চোৰ—সৰু-সুৰা চুৰিৰ শাস্তি।
ছিনলা—ব্যভিচাৰ দোষৰ শাস্তি।
ধুমছি—নিৰ্বংশ মানুহৰ সম্পত্তি ৰজাই পোৱা বাব।
ঘামেশা—ছোৱালী বিয়া দিলে ৰজাৰ প্ৰাপ্যকেৰি।
দান—বেচিবলৈ অনা বস্তুৰ বাবে ৰজাক দিয়া কৰ ; পাৰ হোৱা কৰ।
খুত—মাটিত বাজে আন বস্তুৰ ওপৰত লগোৱা ৰাজহ।
দণ্ড—জগৰৰ নিমিত্তে দিয়া পীড়ন।
বন্ধ—জগৰৰ নিমিত্তে বন্ধা।
হাট—নিৰূপিত সময়ত বা দিনত অনেক মানুহে গোট খাই কিনা-বেচা কৰা ঠাই ; তাৰ কৰ।
চকী—ৰজাৰ নগৰৰ বা গড়ৰপৰা দিয়া ঠাই; তাৰ কৰ।
ফাট—নাৱেৰে বা বামে বেহা কৰা বেপাৰী একত্ৰ হোৱা আৰু ৰাজহ দিয়া ঠাই, তাৰ কৰ।

ইয়াৰ বাহিৰে লীলা গগৈয়ে এখন পুৰণি বুৰঞ্জীত পাই দিয়া তালিকাত মাৰেছা (মাৰেশা) হ'ল বিয়াত হোম দি পোৱা মাটিৰ বাবে দিব লগা কৰ। নাৱেৰে বেহা কৰোঁতাসকলে ৰজাঘৰক দান নামৰ কৰ দিব লাগিছিল ; কেতিয়াবা কোনো নাৱৰ দান ৰহিত কৰি অদানী কৰা হৈছিল। আমাৰ 'হেদাডি মেলা' কথাটো ইয়াৰেপৰা ওলাইছে। কাশীনাথ তামুলীফুকনৰ বুৰঞ্জীত আছে, প্ৰতাপসিংহ বুঢ়া ৰজাৰ দিনত 'ৰৌমুৰিয়া গণক ভৰালি বৰুআই জনাই, হাট ফাটৰ দান পহাৰে পতি মাহে ৪ কৰা দৰে লগালে।' কৌৱৰ, ডাঙৰীয়া, পুৰোহিত আৰু ওপৰ শ্ৰেণীৰ লোক আৰু সিসকলৰ বন্দীবোৰক এৰি দেশৰ সমস্ত প্ৰজাই ৰজা ঘৰত খাটি দিব লাগিছিল। এই সকলো হ'ল পাইক। পাইকে খাটনিৰ বাবে দুপুৰা ৰোৱতি মাটি বিনাকৰে পাইছিল ; কিন্তু ৰজাঘৰত খাটিব লগা নহ'লে তাৰ সলনি দু-টকাকৈ ৰূপ কৰ হিছাপে দিব লাগিছিল। সকলো পাইকক খেল অনুসৰি ভাগকৈ পতা হৈছিল। কুৰি পাইক এজন বৰাৰ অধীনত, শয়েক এজন শইকীয়াৰ অধীনত, হাজাৰ এজন হাজৰিকাৰ তলে, তিনি হাজাৰ এজন ৰাজখোৱা, আৰু ছহাজাৰ এজন ফুকনৰ তলে দিয়া হৈছিল। খেলবোৰ ডাঙৰীয়া-বিষয়াৰ অধীনত পৰিচালিত হৈছিল। মন্দিৰ, সত্ৰ, ব্ৰাহ্মণ আদিক বেলেগ বেলেগ খেল আৰু বিনয়াৰ অধীনৰ পৰা আনি পাইক দিয়া হৈছিল। বেঙেনাআটি সত্ৰৰ ফলি আৰু ব্ৰহ্মচাৰী সত্ৰৰ ফলি চালে এই কথা বুজা যাব। দ্বিতীয়খন ফলিত 'শুমুয়া-কাৰি' হ'ল উচ্চ থাপৰ আৰু তল থাপৰ চমুৱা আৰু কাঁড়ী।

আহোম ৰাজ্যৰ ভিতৰত হ'লেও কামৰূপ অঞ্চলক পৰগণা অনুসৰি ভাগ কৰি কৰ আদি তাত তোলাৰ নিয়ম আছিল। কামৰূপৰ ফলিবিলাকত বৰুৱা, বৰ-কায়স্থ, চৌধাৰী, পটোৱাৰী, তাল্‌ৰুদাৰ, ঠাকুৰীয়া—এইসকলক সম্বোধন কৰা হৈছে। দৰং দেশৰ ফলিত আকৌ ৰজা, ৰাজপুত্ৰ, হাজৰিকা, শইকীয়া, বৰা আৰু বুকক বা ৰজা, ৰাজপুত্ৰ, দুৱাৰদাৰ, হাজৰিকা, শইকীয়া, বৰা আৰু বৰুৱাক সম্বোধন কৰা পাওঁ। দৰঙৰ কৰ-প্ৰথা উজনি অঞ্চলৰপৰা অলপ পৃথক আছিল (Gait, p. 240 )। দেখা যায়, সেই সময়ত (অষ্টাদশ-উনবিংশ শতিকা) আহোম ৰাজ্যত 'নাৰানি ৰূপ' ( নাৰায়ণী ৰূপ ) অৰ্থাৎ কোচবেহাৰৰ ৰাজকীয় মুদ্ৰাৰ চল্‌তি আছিল। 'কথা-গুৰু-চৰিত'ৰপৰা আমি জানো শঙ্কৰদেৱৰ দিনত 'নাৰেঙ্গি আধলি' (নাৰায়ণী আধলি) আদি চলিছিল। সমস্ত পূৰ্ব ভাৰতত ব্ৰিটিশৰ আগমনলৈকে কোচ ৰজাৰ মুদ্ৰা বহলভাৱে চলাৰ প্ৰমাণ পোৱা যায়।

বেলতলাৰ ফলিত 'দাতিয়লিয়া ৰঙ্গাপোৱালিহঁত'কো সামৰা হৈছে।

বহুতো ফলিত কিছুমান শব্দৰ সংক্ষিপ্ত ৰূপ ব্যৱহাৰ কৰা হৈছে। মাধৱদেৱৰ নীলাচল তাম্ৰশাসনত বিশেষকৈ এনে সংক্ষিপ্ত ৰূপ ভৰি আছে। *Journal of the University of Gauhati*-ত এই ফলি-বিষয়ক প্ৰবন্ধত আমি তাৰে কেইটামানৰ ব্যাখ্যা দিছিলোঁ।ঃ লেঃ= লেখা; পু=পুটক (পুৰা), ভূ=ভূমি; শা (সা)-ভূ= শালি-ভূমি; বৃ=বৃক্ষ; স=সৰ্মা(শৰ্মা); সং=সম্বৎসৰ, সাং =সাকল্যেন। দ্বা-ভূ, হি আদিৰ আমি অৰ্থ উলিয়াব পৰা নাছিলোঁ।। ডক্টৰ দীনেশচন্দ্ৰ সৰকাৰে 'হি' মানে হিৰণ্য (সোণ, কৰ) আৰু 'সং' মানে সম্বন্ধ অৰ্থ দিছে *Indian Epigraphy*-ত। এই 'সং' ৰূপ সম্ভুক্ত, সম্ভোগ্য (শাৰী ১৩) সংলগ্ন (শাৰী ২৪), সংস্তম্ভ, সমম্ আদিৰো সংক্ষেপ হ'ব পাৰে। তেওঁ *Journal of Ancient Indian History*-ত (Vol. II.) প্ৰকাশিত মাধৱদেৱৰ শাসন-সম্পৰ্কীয় প্ৰবন্ধত কেইটামান সংক্ষিপ্ত ৰূপৰ কৌতুহলজনক ব্যাখ্যা দিছেঃ দ্বা=দ্বাভ্যাম্; প্ৰমা= প্ৰমাণেন, কা=কায়স্থ (কাকতী), সূত্ৰ=সূত্ৰধাৰ, ল-গু-বৃ=লম্ব-গুৱাক-বৃক্ষ ; প্ৰ-বৃ-গং=প্ৰতি-বৃক্ষ-গণ্ডকানি। আমি ওপৰত মাটিৰ শ্ৰেণী বুলি সন্দেহ কৰা 'শি-থা' আৰু 'তি-থা' কি, সৰকাৰেও ধৰিব পৰা নাই। তেওঁ 'ৰাটী' শব্দটো 'ৰাস্তু-টীকৰ (টিকৰ)'ৰ সংক্ষিপ্ত ৰূপ (অৰ্থ ঘৰ-বাৰী সাজিব পৰা টিকা-মাটি) বুলি লৈছে। কিন্তু ৰাটী শব্দটো সংক্ষিপ্ত ৰূপ নহৈ পূৰা ৰূপো হ'ব পাৰে; তেতিয়া তাক Prakritism বুলি গণ্য কৰা হ'ব। ফলিখনৰ প্ৰথম শাৰীত (এই শাৰীটো কিন্তু আনবোৰ শাৰী কটাৰ পিছত লেখা যেনহে লাগে) থকা 'ন' ছটা সৰকাৰে 'নি' বুলি ধৰি 'নিবদ্ধ' (পঞ্জীবদ্ধ) বা 'নিৰীক্ষিত'ৰ (অনুমোদিত) সংক্ষেপ বুলি ধৰিব খুজিছে; কিন্তু এই 'ন' অতি স্পষ্ট, সি 'নৱীকৃত' বা তেনে আন শব্দৰ সংক্ষেপ হ'ব পাৰে, নতুবা সি মাথোন 'নমো নমঃ' বুজাব পাৰে।

আহোম শাসনৰ ফলিবিলাকৰ ভিতৰতো কেইবা-খনতো শব্দৰ সংক্ষিপ্ত ৰূপ দেখা পোৱা যায়। কমাং (কমাৰ?); ক (কলিতা, কমাৰ, কছাৰী?), চৌ (চৌধাৰী?), সাং (?); কিঃ (?), কোঃ (কোচ), কৈঃ (কৈৱৰ্ত), গুঃ (?); গ্ৰাং (গ্ৰাম), তুং (তুৰুক= মুছলমান?), কাঃ (কায়স্থ), পুং (পুত্ৰ), ভা° (ভাই) পু (পুৰা); কেং (কেওট), ছুং (?); ব্ৰাং (ব্ৰাহ্মণ) কচা (কছাৰী); কু° (কুৰি, কুমাৰ)।

ৰজাসকলে দান দিয়া ভূমি আৰু পাইকৰ ব্যৱস্থাৰ যাতে অন্যথা নহয়, সেই বিষয়ে দাতাসকলক সদায় সচেতন দেখা যায়। ৰুদ্ৰসিংহ ৰজাৰ দিনৰ ৰৰবৰুৱাই মাটিৰ দান-বিধান কৰি কৈছে—'অতোঽন্যৈৰৱৰাজ্ঞাঃ।' সেইজনা ৰজাই জয়সাগৰৰ শিৱ আৰু বিষ্ণু-দ'লত পূজাৰি, চামৰধৰোঁতা, গীতাপাঠক নিয়োগ কৰি কৈছে—'তাননাত্ৰ কৰ্ম্মণি যে ভূপা নিয়োজিষ্যন্তি তেষাং কৰগ্ৰাহীষ্যন্তি, তে পাতকিনো ভৱিষ্যন্তীতি॥' জয়ন্তীয়াপুৰৰ কালিকা-মঠৰ ফলিত একে ধৰণেই কোৱা হৈছে—"এতৎ-দানজনাং যোহপহৰণকৰ্ত্তা স চণ্ডালো ভৱতি।" গদাধৰসিংহ আদি ৰজাসকলে ভৱিষ্যতৰ ৰজাসকলক দত্ত বৃত্তিৰক্ষাৰ অৰ্থে প্ৰাৰ্থনা জনাইছে। ৰুদ্ৰসিংহৰ ফলিত 'উৎসৃজ্য আৱন্নাস্তম্' কথাটিয়ে ভাৰতৰ অন্যত্ৰ ফলিত থকা 'আচন্দ্ৰাদিত্য-কালীয়,' 'আচন্দ্ৰাৰ্কাৰ্ণৱ-ক্ষিতি-সৰিৎ-পৰ্ব্বত-সম-কালীন' আদি খণ্ডবাক্যৰ কথা সোঁৱৰায় (Sircar, *Indian Epigraphical Glossary*, p. 388)।

মন কৰিব লগীয়া যে পূৰ্বাঞ্চলৰ কলিবোৰত একমাত্ৰ শকাব্দ ব্যৱহাৰ কৰা হৈছে। মাথোন মাধৱদেৱৰ নীলাচল তাম্ৰশাসনত 'সং ২৫,' অৰ্থাৎ সম্ভৱতঃ ৰজা মাধৱৰ বা তেওঁৰ বংশৰ ৰাজত্বৰ ২৫ অব্দ লেখা আছে। গেইটে উল্লেখ কৰিছে যে চুহুম্মুং দিহিঙীয়া ৰজাৰ দিনতে (১৪৯৭-১৫৩৯) আহোমসকলে লাক্ৰিৰ ঠাইত শকাব্দ চলাবলৈ ধৰে। বৰ্তমান সংগ্ৰহৰ ভিতৰত গদাধৰসিংহ ৰজাৰ দিনৰ ১৬১৬ শকৰ ফলিতে প্ৰথমে আহোম



ৰজাৰ নামৰ আগত 'সৌমাৰেশ্বৰ' আখ্যাৰ প্ৰয়োগ হৈছে। সম্ভৱতঃ হয়গ্ৰীৱ-মাধৱৰ মন্দিৰৰ পুনৰ্নিৰ্মাণৰ সময়ত ৰচিত 'যোগিনী-তন্ত্ৰ'তে পোনতে আহোমসকল আৰু আহোম ৰাজ্যক সৌমাৰ নাম দিয়া হয়। প্ৰতাপসিংহ বুঢ়া ৰজাৰ [১৬০৩-৪১] দিনত 'যোগিনী-তন্ত্ৰ'ৰ 'অষ্টকোণঞ্চ সৌমাৰং যত্ৰ দিক্কৰবাসিনী' আদি কথা বিচাৰ কৰি স্বৰ্গদেও আঠচুকিয়া সৌমাৰৰ অধিপতি হৈছে' বুলি বুজি আঠচুকীয়া 'হিন্দু আথকআ মোহৰ' মাৰিবলৈ থিৰাং কৰা হয় [তামুলীফুকন, পিঠি ২৮-২৯]।

দ্বাদশ শতিকামানলৈকে কামৰূপত ৰাজত্ব কৰা হিন্দু ৰজা-সকলৰ সকলো ফলিতে সংস্কৃত ভাষা ব্যৱহাৰ কৰা হৈছিল আৰু সেই ফলিবিলাকৰ লিপি হ'ল অসমীয়াৰ প্ৰত্নৰূপ। সেই ৰজাসকলৰ ফলিৰ পিছৰপৰাই অসমীয়া লিপি স্পষ্ট হৈ ওলাইছে। কানাই-বৰশীবোৱা শিলৰ ফলি ১১২৭ শক বা ১২০৫ ছনৰ; তাৰ আখৰ সুন্দৰ অসমীয়া। অলপতে গুৱাহাটীৰ আমবাৰী বোলা ঠাইত টেক্সটাইল ইনষ্টিটিউটৰ ভেটি খানোতে মাটিৰ তলত পোৱা এটা শিল বৰ্তমান ৰাজ্যিক সংগ্ৰহালয়ত ৰক্ষিত হৈছে। তাৰ অৱস্থা অতি জীৰ্ণ। সেই অৱস্থাৰপৰা ডক্টৰ প্ৰতাপ-চন্দ্ৰ চৌধুৰীয়ে তলত দিয়া ধৰণে সচ্ছহতে পাঠ উদ্ধাৰ কৰি *Journal of Indian History*-ত (Vol. XLVIII pt. 1, April 1970) 'Significance of the stone inscriptions at the Assam State Museum, Gauhati' প্ৰবন্ধৰ মাজত প্ৰকাশ কৰিছিল ঃ

আদিত্য-সম-শ্ৰীসমুদ্ৰপাল-
ৰাজ্যে। প্ৰবল-সবাসিক-
সত্ৰ সগুণ-কৃয়া সন্নাসীন
বোলে দান পুণ্ৰন সঙ্ক।
যোগীহাটী। সক ঈশ বাণ চক্ৰ
মূঢ় ভণতি॥

সক ঈশ বাণ চক্ৰ=১১৫৪ শক, ১২৩২ ছন। ফলিৰ ভাষা মিহলি, কিন্তু অসমীয়া গঢ় সামান্য অলপ আছে।

এতিয়ালৈকে আৱিষ্কৃত শিলৰ ফলিৰ ভিতৰত ১৫৩৮ শকৰ চামধৰা গড়ৰ ফলিতে স্পষ্ট অসমীয়া ভাষা দেখা পোৱা যায়। বহুত দিনৰ আগতে ডক্টৰ বিৰিঞ্চি কুমাৰ বৰুৱাই নগাঁৱৰ গছতল বোলা ঠাইৰপৰা উদ্ধাৰ কৰি অনা এটা স্তম্ভৰ গাৰ লেখাই পণ্ডিতসকলক বিমো-ৰত পেলাই আছে। ৰাজমোহন নাথে 'অসম সাহিত্য সভা পত্ৰিকা'ত প্ৰকাশিত এটা প্ৰবন্ধত ফলিখন ১১৪৫ শকৰ আৰু বিশ্বসুন্দৰ নামে এজন ৰজাৰ বুলি ঠিক কৰিছিল। বৰ্তমান ডক্টৰ প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে *Vishveshvaranand Indological Journal*-অত (March 1971, IX. i) ওলোৱা এটা প্ৰবন্ধত ফলিৰ পাঠ এইদৰে নিৰ্ণয় কৰিবলৈ বিচাৰিছে ঃ

সীমা এৰিয়া ভৰাকত্ত গয়ত [শক] ১২৮(৪) বেদাষ্ট-
ৰাশি-গণন
শ্ৰীবিষ্ণু বাসধৰ শৈলকাৰ শকত ম্লেচ্ছ ইথান উয়াসা
দেখহ শতত্ৰিশ বৈৰ বঙ্গাল বহুকাৰ্য্য[ত] ইহাত ফগু
বহাথ জল তোসৰ সঙ্গাত যাব জলশ্ৰী পঞ্চ্যকাথ্য
ৰাছবোল জলসেনাই বৈৰীক ভাথি-জলান্তশেষ
খেদাৰি

এই পাঠৰ ভাষা স্পষ্ট অসমীয়া নহয়। কিন্তু ১২৮৪ শক বা ১৩৬২ ছন হ'ল চতুৰ্দশ শতিকাৰ শেষ ভাগ। তেতিয়া অসমীয়া ভাষা পুৰঠ হৈ ওলাইছিল; মাধৱ কন্দলি হেম সৰস্বতী আদি কৱিক কোনোৱে ইয়াতকৈ আগৰ বুলিও অনুমান কৰে। ফলিৰ ওপৰৰ পাঠ ঠিক হ'লে যৱন, ম্লেচ্ছ, বঙ্গাল শব্দ তিনিটা একে অৰ্থত ব্যৱহাৰ কৰাটো বুজা যাব। "বাঙ্গাল-পদাতীনাং ভূ-সীমা" কথাটো থকা মাধৱ ৰজাৰ নীলাচল তাম্ৰশাসন ডক্টৰ দীনেশচন্দ্ৰ সৰকাৰে পঞ্চদশ শতিকাৰ বুলি ল'ব খোজে। ভাস্কৰবৰ্মা আদিৰ সংস্কৃত ফলিত অসংস্কৃত ৰূপ (Prakritism) থকাৰ দৰে এই নীলাচল ফলিতো বহুতো তেনে ৰূপ আছেঃ একক্ৰশিতি

(=একবিংশতি), ৰাটী (=অ. বাড়ী; বাৰী), চিৰ (=অ. চিৰা, চিটা), কোঞ্চী (=অ. কুছি), পোখৰী-ৰাড়ী (স. *পুষ্কৰী), ৰাট্টালি (স ৰত্ম+আলি), চাস (স. কৰ্ষ, অ. চাহ), চাসালি, মাঝী (মাজি), চসাত (স. *কৰ্ষত), শুথ (শুক্ক), মহাএৱ (মহাদেৱ)। আহোম ৰজাৰ দিনৰ সংস্কৃত ফলিত বা ফলিৰ সংস্কৃত অংশতো এনে ৰূপ পৰিলক্ষিত হয়। চুতাবৰ্গবিলাৰ শিলৰ ফলিত সংস্কৃত 'প্ৰাচীৰ' শব্দ ব্যৱহাৰ নকৰি বুৰঞ্জীবোৰত আমি সততে লগ পোৱা 'প্ৰাঞ্চী' শব্দ প্ৰয়োগ কৰা হৈছে। কদ্ৰসিংহৰ দিনৰ ৰৰককৰাৰ ভূমি-দানৰ ফলিত 'বাটী' (বাৰী, মাটি) পাওঁ। অনেক ফলিত 'শ্ৰীযুদমুজ' (শ্ৰীযুত+অনুজ) আৰু 'শ্ৰীযুত্তৰুণ' (শ্ৰীযুত+তৰুণ) পাঠ দেখা পোৱা যায়। 'ত্ৰুপ্তাম্বুধিহৰিসনুখিত' আদিৰ সন্ধি মন কৰিব লগীয়া। আনকালে কামাখ্যাৰ গাত্ৰলিপিত 'শশভৃংশাকে' আদিত 'ৎ' আৰু 'শ'ৰ সন্ধি স্থাপন নকৰি সহাৱস্থান মাত্ৰ কৰোৱা হৈছে। ভূমি অৰ্থত সংস্কৃততো, অসমীয়াতো, 'মৃত্তিকা' শব্দৰ প্ৰয়োগ চকুত লগা।

এই সকলোখিনি লৈও ক'ব লাগিব ৰজাদিনীয়া পণ্ডিতসকলে সংস্কৃত-চৰ্চাৰ ঐতিহ্য সযতনে ৰক্ষা কৰিছিল। অনেক ফলিত ছন্দ আৰু গদ্য উভয়তে সংস্কৃত শৈলীৰ সৌন্দৰ্য প্ৰকাশ পাইছে। ছন্দৰ ভিতৰত শাৰ্দূলবিক্ৰী-ড়িতৰ প্ৰচুৰ প্ৰয়োগ দেখা পোৱা যায়। ইয়াৰ বাহিৰেও স্ৰগ্ধৰা, মালিনী আদিৰ সুবিনিয়োগো আমি দেখা পাওঁ।

পূব ভাৰতৰ শাসনবিলাকত আদিতে মাঙ্গলিক চিহ্নৰূপে চন্দ্ৰবিন্দু আৰু '৭' অঙ্কটোৰ নিচিনা এটা চিন দিয়া হয়; এই চিনটোক আঞ্জী বোলা হয়। কোনো কোনো পণ্ডিতে এই চিনক প্ৰণৱৰ (ওঁ) বিকৃতি বুলিও ভাবিছিল; কিন্তু আনসকলৰ মতে ই 'সৰ্পাকৃতি কুণ্ড-লিনীৰ মধ্যমাভাবাপন্ন চিত্ৰপ্ৰতিকৃতি।' পদ্মনাথ বিদ্যা-বিনোদে তেওঁৰ 'কামৰূপ-শাসনাৱলী'ত (পিঠি ৫৫-৫৬) আৰু *Journal of Assam Research Society* (Vol. I)-ৰ এটি প্ৰবন্ধত এই বিষয়ে বহলাই আলোচনা কৰিছে।

আহোম ৰজাসকলৰ কোনো কোনো সংস্কৃত-অসমীয়া ফলিৰ আনটো লুটিত আহোম ভাষাত আহোম আখৰেৰে ফলিৰ কথাখিনিৰ সাৰমৰ্ম লেখা থাকে; আৰু এনে স্থলত অসমীয়া কথাখিনিৰ তলত 'এতদৰ্থ-বিজ্ঞাপকমাচামাক্ষৰেণাপৰপৃষ্ঠে', 'এতদৰ্থকমাসামাক্ষৰমেতদপৰপৃষ্ঠে', বা 'অস্যাৰ্থো অশমাক্ষৰে' 'এতদৰ্থকমাশামাক্ষৰে' বুলি ইঙ্গিত দিয়া, থাকে। ইয়াত আচামাক্ষৰ, আসামাক্ষৰ, অশমাক্ষৰ, আশামাক্ষৰ মানে অসমীয়া আখৰ নহয়, আহোম লিপিহে।

ফলিবোৰত আৰবী-ফাৰ্চী-তুৰ্কী-মূলীয় শব্দৰ ব্যৱহাৰ এটা মন কৰিব লগীয়া বিষয়। 'কতপা' (চাব) শব্দটো [আ, কতবঃ লেখা] স্বয়ং শঙ্কৰদেৱেই ব্যৱহাৰ কৰিছিল: 'নাবদে দিলন্ত তিনি কতপা।' বিশেষকৈ কামৰূপ অঞ্চলত মুছলমানী ৰাজস্ব-বিভাগীয় প্ৰশাসন প্ৰচলিত হোৱাত আৰু পিছত আহোমসকলেও সেই প্ৰথা গ্ৰহণ কৰাত সেই অঞ্চলৰ ফলিতে এই ধাৰাৰ শব্দৰ প্ৰয়োগ দেখা পোৱা যায়। 'গম্বৰহ,' 'ওগয়ৰহ' (ইত্যাদি) [আ. রগইৰহ] শব্দ গ্ৰহণ কৰাৰ আগতে 'আনোসকলে' দি তাৰ অৰ্থ বুজুওৱা হৈছিল। 'চুকনী' (খন্দুৱা) [তু, চুকা, পৰিশোধ কৰ্] 'জংলা' [হি' জঙ্গল], মাটিৰ বিষয়ৰ এই শব্দ দুটা হিন্দুস্থানীৰপৰাই অসমীয়াত প্ৰৱেশ কৰিছে। 'জমা' [আ জমত্], 'জমি' [ফা° জমীন] সোনকালেই অসমীয়াত সাধাৰণ শব্দ হৈ পৰিছিল। 'ডাগ' (মানুহৰ শ্ৰেণী, খেল) <ফা° দাগ (চিন)। তালুক-দাৰ (আ° তঅল্লুক+ফা° দাৰ) আদি বিষয়া পছিমীয়া ৰাজস্ব-শাসনেৰে সংশ্লিষ্ট। 'দপদৰ' শব্দ (আ° দফ্তৰ) গুৰুচৰিতবোৰত 'দোপদৰ' ৰূপত পাওঁ। মন কৰিব লগীয়া, 'দৰবাৰ' (ফা°) আৰু 'নানকাৰ' (ফা°) শব্দ দুটা ফলিৰ সংস্কৃত ভাষাতো ব্যৱহাৰ কৰা হৈছে। একেটি গৃহকে দৰবাৰ-মন্দিৰ, সভা-মন্দিৰ আৰু মঞ্চ-ভৱন



বোলা হৈছে তিনিপন সুকীয়া সুকীয়া ফলিত। 'দৰোবস্ত' (সমস্ত, যাৱতীয়)=ফা° দৰবস্ত। সাধাৰণ 'তোপ' (বৰতোপ, বন্দুক) শব্দ হিন্দুস্থানীৰ যোগে তুৰ্কী ভাষাৰ-পৰা আহিছে। 'পৰঙনা', 'পৰগণা' আহিছে ফাৰ্চী 'পৰগনা,' 'পৰগনহ'ৰপৰা; কিন্তু 'পৰগনহ' সংস্কৃত 'প্ৰগণঃ' শব্দৰ ফাৰ্চীকৰণ বুলিহে ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ে কৈছে। 'পঞ্জা' (ফা° পঞ্জহ্) চহী বা মোহৰৰ সলনি হাতৰ তলুৱাৰ চাব। 'পাস্বা' (ফা° বাদশাহ, উৰ্দু পাদশাহ্) মোগল সম্ৰাট। 'পিয়ল' (census) ফাৰ্চী 'পিয়াল'ৰপৰা অহা বুলি অভিধানত দেখুওৱা হৈছে। 'পীৰ' ফাৰ্চী, 'ফকিৰ,' 'ফকীৰ' আৰবী (ফকীৰ)। পীৰৰ থান 'মকাম' সেইদৰে আৰবী (তুলনীয় জতুৱা খণ্ডবাক্য 'চিন-মোকাম'), 'মহজৰ' (লেখা; নথি; record) আৰবী (ঘোষণা-পত্ৰ)। 'লাল' (মাটিৰ প্ৰকাৰভেদ), [ফা° লঅল (চুনি পাথৰ), লালী (ৰঙা, ৰং)], হদ (সীমা) [আ হদ্দ্] (চতুহদ চাওক), হাজাৰ [আ° হজাৰ], 'হাজী' [আ°], হিন্দুস্থানীৰপৰা অহা 'চেলা' (শিষ্য) আদি শব্দ এই ফলিবোৰতে প্ৰথম দেখা যায়।

ফলি সম্পৰ্কে এটি বিশেষ কৌতূহলৰ বস্তু হ'ল সংস্কৃতত বিশেষকৈ সংস্কৃতৰ শ্লোকত তাৰিখ দিওঁতে অঙ্ককেইটা বিবিধ শব্দৰ সহায়েৰে প্ৰকাশ কৰাটো। এনেকৈ কৰাৰ কাৰণ ডক্টৰ সৰকাৰে এইদৰে নিৰ্দেশ কৰিছে: 'Since the repeated mention of a word in the same sense was regarded as a bad style of composition, and such a word would often not fit in the metre of a stanza, the authors required a large number of words that can somehow be associated with particular numbers were used to imply those numbers' (*The Indian Epigraphy*, p. 228). উদাহৰণ স্বৰূপে, সূৰ্যৰ ৰথৰ ঘোঁৰা হ'ল সাতোটা, গতিকে ঘোঁৰা বুজুওৱা শব্দবোৰে ৭ সংখ্যাটো বুজায়, যুগ্ম মানে হ'ল ২, আৰু ৰুদ্ৰ বা ঈশ্বৰ (শিৱ) হ'ল ১১জন গতিকে 'ঈশ'ই বুজায় ১১। তদুপৰি 'অঙ্কানাং বামতো গতিঃ' নীতি এই বিষয়ত মনা হয়। সেই গতিকে কানাই-বৰশী-বোৱা ফলিৰ 'শাকে তুৰগ-যুগেশে'ৰ অৰ্থ হ'ল ১১২৭ শকত। অঙ্কৰ বামা গতিৰ নিয়মৰ কেতিয়াবা ব্যতিক্ৰমো দেখা যায়; উদাহৰণ স্বৰূপে ওপৰত উদ্ধৃত আমবাৰী ফলি। এটা কথা মন কৰিব কৰিব লগীয়া যে সধ্যাপুৰীৰ ফলিত ১৩১৪ শক বুজাবলৈ মণোন '৪১৩১॥' লেখা হৈছে, যেন ইয়াতো 'অঙ্কানাং বামতো গতিঃ' হৈছে। তলত এই ফলিবিলাকত অঙ্ক বুজাবলৈ ব্যৱহৃত শব্দবোৰৰ এখন নিৰ্ঘণ্ট কৰি দিয়া হ'ল।

০=অম্বৰ; আকাশ; গগন; বিয়ৎ; ব্যোমন্; [শূন্য]
১=অজ; অৰ্ক (?); অৱনি; ইন্দু; ইলা; ক্ষপাকৰ; ক্ষমা; ক্ষিতি; ক্ষোণি; চন্দ্ৰ; ত্ৰিনয়ন(?); দ্বিজ-ৰাজ; ধৰণী নিশাকৰ; ব্ৰহ্মন্; ভূ; ভূমি; মহী; যামিনীপতি; ৰূপক; বিধু; শশধৰ; শশভৃৎ; শশাঙ্ক; শশী; শুভ্ৰাংশু; সুধাংশু; হিমজ্যোতি
২=অক্ষি; কৰ; [দ্বি], নেত্ৰ; পক্ষ; ভুজ; যুগ্ম
৩=অগ্নি; ঐশাক্ষি; ত্ৰিনয়ন-নয়ন; ৰাম; বহ্নি; বীতিহোত্ৰ; হুতাশ
৪=অব্ধি; ব্ৰহ্মমুখ; যুগ; বৰ্ণ; বেদ; সেনা
৫=মাৰ্গণ; বাণ; বিশিখ; শৰ; হৰাস্ত
৬=অলিপাদ; ঋতু; গুণ; গুহানন; তৰ্ক; যুগ (? এইটো সন্দেহজনক; যুগৰ অৰ্থ ২ হ'ব পাৰে, তেতিয়া 'ৰসযুগ'=দুটা ৰস=৬৬ হ'ব), ৰস; বেদাঙ্গ
৭=অদ্ৰি; ঋষি; গিৰি; গোত্ৰ; তুৰগ; তুৰঙ্গ; তুৰঙ্গম; নগ; মুনি; বাৰ; বিধু (?); সিন্ধু; স্বৰ; হয়; [সপ্ত]
৮=দন্তাবল; নাগ; নিধি (?); বজ্ৰ; বসু;
৯=গ্ৰহ; নিধি; মুনি; ৰন্ধ্ৰ; বিবৰ; [নৱ]
১১=ঈশ, ৰুদ্ৰ; ১৫=তিথি; ১৬=ভূপ, নৰেশ; ১৭=মৈত্ৰ, মৈত্ৰক; ৬৪=কলা। *

* লেখকৰ "প্ৰাচ্য-শাসনাৱলী" গ্ৰন্থৰ ভূমিকাৰ অংশ-বিশেষ।

# শ্ৰীঅৰবিন্দৰ দৰ্শনত জড়পদাৰ্থ সম্পৰ্কে ধাৰণা

ডক্টৰ কালীচৰণ দাস

পাশ্চাত্য দৰ্শনত জড়, জীৱন আৰু মনৰ বিৰোধী লক্ষণ, সিহঁতৰ উৎপত্তি আৰু পাৰস্পৰিক সম্পৰ্ক সম্বন্ধে নানা আলোচনা আৰু অনেক অভিমতৰ সৃষ্টি হৈছে। বিশ্বজগতৰ উৎপত্তি আৰু বিকাশ সম্বন্ধে ব্যাখ্যা দিবলৈ চেষ্টা কৰি যিবোৰ ক্ৰমবিকাশ সম্পৰ্কে মতবাদ প্ৰচলিত আছে, সেইবোৰেও জড়পদাৰ্থৰ পৰা জীৱন, চৈতন্য, মন আদি কেনেকৈ উদ্ভৱ হ'ব পাৰে, তাৰো সৰ্বজন গ্ৰাহ্য সন্তোষজনক সমিধান দিব পৰা নাই। আধুনিক বিজ্ঞানৰ অভিনৱ প্ৰগতি আৰু বিস্ময়জনক আবিষ্কাৰবোৰৰ নতুন পোহৰত বিজ্ঞানীসকলেও তথাকথিত স্থূল জড়পদাৰ্থৰ অস্তিত্ব সমূলি লুপ্ত কৰিছে। চাৰ আৰ্থাৰ এডিংটনে বহিৰ্জগতৰ স্বৰূপ সম্বন্ধে আলোচনা কৰোঁতে আৰম্ভণিতেই যি আকৰ্ষণীয় বৰ্ণনা দিছে তাৰ পৰা এইটো সুস্পষ্ট হয় যে আধুনিক বিজ্ঞানী সকলেও দুখন জগতৰ কথাকেহে বিশ্বাস কৰে। সাধাৰণ লোকৰ যিখন জগত নানা জড়পদাৰ্থ নিৰ্মিত সামগ্ৰীৰে পৰিপূৰ্ণ তাৰ অস্তিত্ব কেৱল দৃশ্য আৰু ব্যৱহাৰিকহে, সিবিলাকৰ যথাৰ্থ বাস্তৱতা নাই। সেই কাৰণেই বিজ্ঞানীৰ চকুত ব্যৱহাৰিক সকলো বস্তুৰেই সত্তা দুবিধ—এটা ব্যৱহাৰিক আৰু ইন্দ্ৰিয়গ্ৰাহ্য, আনটো বৈজ্ঞানিক আৰু জ্ঞানলব্ধ। ব্যৱহাৰিক জগতৰ পদাৰ্থনিৰ্মিত বস্তুবোৰ দেশ-কালৰ নিচিনা নিৰৱয়ৱ নহয় যদিও সিহঁতে বৈজ্ঞানিকৰ দৃষ্টি-লব্ধ আৰু মনেভৰা জগতৰ বস্তুৰ প্ৰকৃত স্বৰূপ বুজাব নোৱাৰে। সাধাৰণ দৃশ্য জগতত ব্যৱহাৰ কৰি থকা মেজখন, চকীখন বা কলমটো ব্যৱহাৰিক জগতত যিদৰে স্থূল পদাৰ্থৰ নিৰ্মিত বস্তু হিচাবে আমি চাওঁ আৰু বিশ্বাস কৰোঁ, বিজ্ঞানীৰ দৃষ্টিৰ অতীন্দ্ৰিয় জগতত তাৰ স্বৰূপ সম্পূৰ্ণ পৃথক আৰু স্বতন্ত্ৰ। এই স্থূল বস্তুবোৰ মানুহে সাধাৰণ দৃষ্টিত সিহঁতৰ আয়তন, ৰং আৰু নানা গুণ থকা অনুভৱ কৰে। কিন্তু এই সকলো গুণ আৰু স্বৰূপবোৰ প্ৰকৃততে মানুহৰ ইন্দ্ৰিয়নিষ্ঠ মনৰেই সৃষ্টি। বিজ্ঞানীসকলে ইন্দ্ৰিয়গ্ৰাহ্য জগতৰ বাস্তৱতাক সমৰ্থন কৰা নাই। পোনতে বস্তুৰ আৱৰণতেই খামুচি বিজ্ঞানৰ সহায়ত জ্ঞান-গ্ৰাহ্য জগতৰ স্বৰূপ জানিবলৈ আশা কৰিব পাৰি। যেতিয়া বিজ্ঞানে জড়পদাৰ্থ কেৱল একপ্ৰকাৰ শক্তিৰেই ৰূপান্তৰ বুলি কয়, তেতিয়াই বিজ্ঞানে এক প্ৰকাৰ মৌলিক আৰু সাৰ্বত্ৰিক সত্যকেই প্ৰকাশ কৰিছে ; কিন্তু আনহাতে দৰ্শনে যেতিয়া জড় বস্তুক চৈতন্যৰ এটি যথাৰ্থ দৃশ্যভাৱহে আৰু প্ৰকৃত সংবস্তু কেৱল এক শুদ্ধ চৈতন্য বা চিৎ বুলি কয়, তেতিয়া বুজিব পাৰি দৰ্শনৰ এই সত্য বৃহত্তৰ, গভীৰতৰ আৰু অধিক মৌলিক। এই হেতুকে এক অৰ্থত আমাৰ জ্ঞান, ধাৰণা আৰু অভিজ্ঞতাৰ ক্ষেত্ৰত জড়পদাৰ্থ অবাস্তৱ আৰু অস্তিত্বশূন্য, ইয়াৰ প্ৰকৃত কোনো অস্তিত্ব নাই আৰু তথাকথিত যি




বস্তুজগতৰ পৰিবেশত আমি চলা-ফুৰা কৰিছোঁ, সেই বিলাকৰ লগত আমাৰ ইন্দ্ৰিয় সমূহৰ সংযোগৰ পৰা হোৱা এক বিশেষ সম্পৰ্কৰ দৃশ্য-স্বৰূপ মাথোন। আমাৰ চিন্তাশীল মনে পোনপটীয়াভাৱে বাহ্য জগতৰ বস্তুবোৰৰ দৃশ্য আকাৰবোৰ সৃষ্টিও নকৰে অথবা উপলব্ধিও নকৰে, কিন্তু সেইবোৰৰ সৃষ্টি হয় ইন্দ্ৰিয়বোৰৰ সংবেদনৰ পৰাহে, এই বাহ্যবস্তুবোৰ ইন্দ্ৰিয়নিষ্ঠ মনৰ পৰাই সৃষ্ট আৰু উপলব্ধ হয়, আৰু চিন্তা-প্ৰৱণ মনে সিহঁতক ভেটি কৰিয়েই নানা চিন্তা আৰু ইচ্ছাৰ উদ্ভৱ কৰে। জাৰ্মান দাৰ্শনিক 'ইমানুৱেল কাণ্ট' তেওঁৰ দৰ্শনত এই বিষয়টো ধাৰাবাহিক আলোচনাৰে সম্যক ৰূপে প্ৰতিপন্ন কৰিছে।

শ্ৰীঅৰবিন্দই যি দাৰ্শনিক তথ্য আৰু চিন্তাধাৰা পৰিপোষণ কৰিছিল তাৰ ভেটি তেওঁৰ ক্ৰমবিকাশ মতবাদ। তেওঁৰ ক্ৰমবিকাশ মতানুসাৰে বিশ্বব্ৰহ্মাণ্ডৰ ক্ৰমবিকাশৰ চক্ৰ আঠোটা বিশেষ স্তৰত প্ৰতিষ্ঠিত। বিকাশৰ উৎস আৰু শীৰ্ষ-স্তৰত শুদ্ধ সৎ আৰু নিম্নতম স্তৰত জড়পদাৰ্থ। এই দুই স্তৰৰ মাজত ক্ৰমে চিৎশক্তি, আনন্দ, পৰামন, মন, চিত্ত, প্ৰাণ অৱস্থিত। শুদ্ধ সৎ অৱলীলা ক্ৰমে কূটস্থ সত্তাৰ কেৱলাৱস্থাৰ পৰা অনেকত্ব বিকাশৰ কাৰণে চিৎশক্তি, আনন্দ আৰু সৃষ্টিকামী পৰামনৰ যোগেদি ক্ৰমাৎ জাগতিক সত্তাৰ পৰ্যায়লৈ অৱৰোহণ কৰে। এই উচ্চতৰ গোলাৰ্ধৰ পৰা নিম্নতৰ গোলাৰ্ধৰ মাজত পৰা মন আৰু মনৰ সন্ধিস্থলত মায়াৰ আৱৰণ অধিষ্ঠিত। এই আৱৰণ ভেদ কৰিব পাৰিলেই মনুষ্যত্বৰ মাজত দিব্যজীৱন প্ৰতিষ্ঠিত হোৱাৰ আগন্তুক হয়। শ্ৰীঅৰবিন্দৰ মতে জড়বাদীয়ে যেনেকৈ জড়পদাৰ্থকেই যথাৰ্থ বস্তু বুলি লৈ পাৰমাৰ্থিক বা আধ্যাত্মিক সত্যক অস্বীকাৰ কৰি ভ্ৰমাত্মক সিদ্ধান্তত উপনীত হয়, সন্ন্যাসবাদীয়েও তেনেকৈ আধ্যাত্মিক আৰু দিব্য-জীৱনকে খামুচি ধৰি দৃশ্য জগতক সম্পূৰ্ণ অসত্য বুলি ভবাটো সমানেই অলীক কল্পনা। মৰ্ত্য জগতত দিব্য জীৱন আৰু নশ্বৰ অস্তিত্বৰ মাজত অমৃতত্বৰ সাৰ্থকতা বুজিবলৈ হলে ভৌতিক দেহৰ পুৰীত চিৰন্তন পুৰুষৰ নিবাস, পৰিবৰ্তনশীল ভূষণেৰে বিভূষিত চিৰন্তন শক্তিক স্বীকাৰ কৰিব লাগিব আৰু যি উপযোগী আৰু পবিত্ৰ বস্তুৰ জড়পদাৰ্থৰ দ্বাৰা এই বিভূষণ নিৰ্মিত হৈছে আৰু পুনঃ পুনঃ নিৰ্মাণ কৰা হয়, তাৰ অস্তিত্বও কেতিয়াও লুপ্ত কৰিব নোৱাৰি। 'ঈশাবাস্যং যৎ কিঞ্চ জগত্যাং জগৎ'—জগতৰ সকলো বস্তুতেই সৰ্বত্ৰ ঈশ্বৰৰ নিবাস-এই শ্ৰুতি বাক্য সমৰ্থন কৰি শ্ৰীঅৰবিন্দই প্ৰকৃত বৈদান্তিক হিচাবে বেদান্ত-দৰ্শনৰ বিজ্ঞানসম্মতভাৱে যুক্তি-সংগত ব্যাখ্যা দিবলৈ চেষ্টা কৰিছে। জাগতিক সকলো বস্তুৰ অস্তিত্বই প্ৰকাৰান্তৰে বিৰাট দিব্য শক্তিৰ এক প্ৰকাৰ প্ৰতিফলন মাথোন।

ক্ৰমবিকাশৰ নিম্নতম স্তৰ জড়পদাৰ্থৰ পৰা যিদৰে আৰোহী ক্ৰমত ক্ৰমে প্ৰাণ, চিৎ, মন আদিৰ উদ্ভৱ হয়, আৰু পৰামনৰ জেউতি লাভ কৰি ক্ৰমে দিব্য পৰম সত্তাৰ সন্নিধিলৈ উধাব পাৰি, বিপৰীত অৱৰোহী ক্ৰমত সেইদৰেই সৎ-চিৎ-আনন্দই পৰামনৰ যোগেদি অৱতৰণ কৰি নিম্নতম স্তৰৰ জড়পদাৰ্থৰ সৈতে জীৱন্ত সম্বন্ধ ৰক্ষা কৰি বিশ্বব্ৰহ্মাণ্ডক অনন্ত শক্তি, চৈতন্য আৰু আনন্দৰ পূৰ্ণ সম্ভাৱনাৰে সংৰক্ষণ আৰু প্ৰৱৰ্তন কৰিছে। এই অৱৰোহী লীলাৰেই বিৰাট ভূমা শক্তিয়ে জাগতিক ক্ষুদ্ৰাতি ক্ষুদ্ৰ অস্তিত্বৰে সৈতে আৰু মাজত অন্তৰ্যামী-ৰূপে সংশ্লিষ্ট হৈছে। এই প্ৰসংগতে আধুনিক বৈজ্ঞানিক জগতৰো জড়বাদৰ সম্পৰ্কে কেনে ধাৰণা তালৈ মন কৰা উচিত। ঊনবিংশ শতিকাত বৈজ্ঞানিকৰ জড়পদাৰ্থ সম্বন্ধে ধাৰণা আছিল এনে যে ই স্থানগত বিস্তৃতি-বিশিষ্ট কিছুমান একেপ্ৰকাৰৰ কঠিন অণুৰেই গঠিত যাক পৰিশেষত বিশ্লেষণ কৰিও ল'ব পাৰি ; এনে ধাৰণাই সাধাৰণলোকৰ স্বাভাৱিক বিশ্বাসকো সমৰ্থন কৰিছিল, আৰু তেনে ধাৰণাৰ ওপৰতেই নিৰ্ভৰ কৰি পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰো গৱেষণাও চলি আছিল। কিন্তু আধুনিক বিজ্ঞানৰ প্ৰগতিৰ লগে লগে বিজ্ঞানীৰ মনলৈ এনে ভাব আহিছে যে পদাৰ্থ বিজ্ঞানীৰ

ভৌতিক জগতখন কেতবোৰ সংকেত বা প্ৰতীকৰ দ্বাৰা গঠিত; আৰু ইয়াৰ গভীৰতৰ স্তৰত প্ৰৱেশ কৰিবলৈ কোনো বিশেষ উপায়ো সম্প্ৰতি নাই। সুবিখ্যাত বিজ্ঞানী এডিংটন আৰু জেমছ জিন্সৰ মতে দাৰ্শনিক কাণ্টে কোৱাৰ দৰে ভৌতিক বাহ্য জগতৰ সম্বন্ধে আমি যিবোৰ লক্ষণ উপলব্ধি কৰোঁ, সেই সকলো কেৱল মনে-গঢ়া। এহাতে মনস্তাত্ত্বিকসকলে মনৰ অস্তিত্ব সম্বন্ধে ঘোৰ সন্দিহান হৈ মানসিক ঘটনাসমূহৰ ব্যাখ্যা দিবলৈ ভৌতিক কাৰণৰ ওপৰত গুৰুত্ব দিবলৈ বিচাৰে, আনহাতে আধুনিক পদাৰ্থ বিজ্ঞানীসকলে জড়পদাৰ্থৰ সাধাৰণ লক্ষণ সম্পৰ্কে অজ্ঞতাবাদৰ অনুকূল মতহে পোষণ কৰিছে। সম্প্ৰতি কোনো পদাৰ্থ বিজ্ঞানীক 'ইথাৰ' বা 'ইলেক্ট্ৰন' সম্পৰ্কে তেওঁৰ শেষ তথ্য কি বুলি প্ৰশ্ন কৰিলে হয়তো সমিধানত পোৱা যাব পাৰে কেতবোৰ প্ৰতীক আৰু সেইবোৰ সন্নিবিষ্ট কিছুমান গণিতীয় সমীকৰণহে; তেওঁলোকে কেতিয়াও কোনো ভৌতিক বস্তুৰ যোগেদি বৰ্ণনাও দিব নোৱাৰে। আধুনিক আপেক্ষিকতা সম্পৰ্কীয় গণিতীয় মতবাদে বহিৰ্জগতৰ যি প্ৰতিচ্ছবি দাঙি ধৰিছে, সি একপ্ৰকাৰ জড়পদাৰ্থ বিহীন ঘটনা বিন্দুৰ ৰচনা মাত্ৰ। এডিংটনৰ কথাৰে কবলৈ হলে সমগ্ৰ জড়জগত ব্যাপি মূলতে কোনো অজ্ঞাত বস্তুহে আছে, যি প্ৰকৃতপক্ষে আমাৰ স্বকীয় চৈতন্য পদাৰ্থৰেই ৰচিত। চাৰ জেমছ জিন্সে ১৯৩৪ চনত বৃটিছ বিজ্ঞানী সন্মিলনত দিয়া ভাষণ প্ৰসংগত এই মৰ্মে মন্তব্য দি কৈছিল—"ভিক্টোৰিয়া যুগৰ বিজ্ঞানীসকলৰ তথাকথিত জড়বাদৰ এতিয়া অৱশেষ একেবাৰেই নাই। আধুনিক পদাৰ্থ বিজ্ঞানে বৰং দাৰ্শনিক ভাববাদৰ পিনেহে অগ্ৰসৰ হৈছে।" এডিংটনৰ কাব্যিক ভাষাত কবলৈ হলে সময় বালিত যি খোজৰ চিন পাওঁ, সিবোৰ আমাৰ নিজৰেই। আমাৰ মনোৰাজ্যত যুক্তি-বিচাৰ প্ৰসংগত আমি যিবোৰ মৌলিক নীতি অনুসৰণ কৰোঁ, আচৰিত ভাৱে বহিৰ্জগতৰ মাজতো আমি তেনেবোৰ নীতিকেই বিচাৰি পাওঁ। এই বিস্ময়জনক কথাটো বুজাবলৈ গৈ জেমছ জিন্সে প্ৰসংগক্ৰমে মন্তব্য কৰিছে যে জাগতিক ছায়া খেলাত যিবোৰ নায়কে ভাওনা দিছে, যিসকল বিশুদ্ধ গতিনীয় ধাৰণাত সম্পূৰ্ণ অৱগত, কিয়নো আপেল এটি মাটিত সৰি পৰা, জোঁৱাৰ-ভাটা সংঘটিত হোৱা, অণু এটিৰ মাজত পৰমাণুৰ গতি এইবোৰ যি নীতিত সংঘটিত হয়, সেইবোৰৰ ব্যাখ্যাই ইয়াৰ সত্যতা প্ৰতিপন্ন কৰে। এই নিয়মবোৰ আবিষ্কাৰ কৰাৰ ইতিপূৰ্বেই দবা (Chess) খেলত যিবোৰ নিয়ম পালন কৰা হয়, তেনে ধৰণৰ নিয়মবোৰ বেৰত প্ৰতিকলিত ছায়াবোৰৰ সদৃশ তথাকথিত পৃথিবীৰ জড়পদাৰ্থ সমূহেও অনুসৰণ কৰি প্ৰৱৰ্তিত হৈছে।"

প্ৰচলিত ক্ৰমবিকাশ সম্পৰ্কীয় মতবোৰৰ ওপৰত মন্তব্য কৰি শ্ৰীঅৰবিন্দই তেওঁৰ 'দিব্য জীৱন' নামক দ্বিতীয় খণ্ড গ্ৰন্থত লিখিছে যে ক্ৰমোন্নতিনিষ্ঠা প্ৰকৃতিয়ে জড়পদাৰ্থৰ পৰা প্ৰাণ, প্ৰাণৰ পৰা মনৰ উদ্ভৱ কৰিলে; কিন্তু এই কথা মানি ললেও জড়পদাৰ্থৰ পৰা প্ৰাণ বা প্ৰাণ-শক্তিৰ পৰা চিৎ-শক্তি বা চিত্ত কিদৰে উদ্ভৱ হ'ল তাৰ বিশেষ প্ৰমাণ নাই। অকল এই মানেই গ্ৰহণযোগ্য হব পাৰে যে জড়ৰ পৰাই প্ৰাণৰ বিকাশ হৈছে নাইবা সজীৱ বস্তুৰ পৰাই ক্ৰমে মনৰ উদ্ভৱ হৈছে। কিয়নো কোনো উদ্ভিদ জাতীয় বস্তুৰ পৰাই পশুজাতীয় কোনো প্ৰাণী উৎপন্ন কৰা অথবা জড়পদাৰ্থৰ বিশেষ ধৰণৰ আয়োজন আৰু সংগঠন হৈ জীৱৰ উৎপত্তি হব পৰা কথাৰো কোনো গ্ৰহণযোগ্য প্ৰমাণ নাই। আনকি ইয়াৰ পিছলৈ যদি প্ৰমাণো হয় যে কোনো ৰাসায়নিক বা আন অৱস্থাৰ কাৰণে জড়পদাৰ্থৰ পৰা প্ৰাণৰ উৎপত্তি হব পাৰে, তেতিয়াও এইটোৱেহে প্ৰতিপন্ন হব যে কিছুমান ভৌতিক অৱস্থাৰ ক্ষেত্ৰতো প্ৰাণৰ উপস্থিতি পৰিলক্ষিত হয়, কিন্তু যি এইটো নিষ্পন্ন নকৰে যে প্ৰাণৰ সামগ্ৰী কেতবোৰ ৰাসায়নিক চৰ্ত নাইবা সিইঁতৰ প্ৰাণৰ উপাদান অথবা জড়পদাৰ্থক সচেতন পদাৰ্থলৈ ৰূপান্তৰ হোৱাৰ কাৰণে সি ক্ৰমবিকাশ



সম্পৰ্কীয় কাৰণ। এই প্ৰসংগত অথবা আন প্ৰসংগতো প্ৰত্যেক স্তৰৰ জীৱেই স্বতন্ত্ৰ ভাৱে আৰু স্বীয় প্ৰকৃতিৰেই নিজৰ অস্তিত্ব প্ৰৱৰ্তন কৰে। আৰু এনেদৰে ক্ৰমে বিকাশ হবলৈ যাওঁতেও নিজৰ যথাশক্তিৰে স্বধৰ্ম ৰক্ষা কৰে, কিন্তু ইয়াৰ অনুবৰ্তী অথবা অধিবৰ্তী যি ক্ৰম-বিকাশমূলক পৰ্যায় আছে, সিইঁতৰ কোনোটোৱে ইয়াৰ উৎপত্তিস্থল বা ই তাৰ পৰিণাম বুলি গ্ৰহণ কৰিব নোৱাৰি। তেন্তে যদি প্ৰশ্ন কৰা হয় যে এই নানা তৰহৰ পৰ্যায়বোৰ আৰু নানা প্ৰকাৰৰ জাগতিক বস্তু-বোৰৰ কি দৰে উৎপত্তি হব পাৰে? তাৰ সমিধানত কব পাৰি যে সিইঁতৰ অন্তৰ্নিহিত চিৎ-শক্তিয়ে মূলতঃ জড়পদাৰ্থৰ পৰাই বিকশিত কৰে, অন্তৰ্যামী এই শক্তিয়ে জাগতিক অস্তিত্বৰ যথানুৰূপ বাস্তৱ ধাৰণাৰ উপযোগী আকাৰ-প্ৰকাৰৰ সৃষ্টি কৰে। এই বিকাশৰ কাৰ্য সাধনত ব্যৱহাৰিক আৰু ভৌতিক প্ৰণালীৰ যথেষ্ট পাৰ্থক্য থাকিলেও সিইঁতৰ মৌলিক সাদৃশ্য পৰিলক্ষিত হয়। আন্তৰ্নিহিত সৃজনী শক্তিয়ে নানা পদ্ধতি নাইবা নানা শক্তিক একত্ৰিত ভাৱে কাৰ্য সাধন কৰাব পাৰে। জড়ৰ পৰা মৌলিক ভূতসমূহৰ সৃষ্টি কৰোঁতে যেনে, মাটি, পানী, খনিজ, ধাতব পদাৰ্থ আৰু সমগ্ৰ ভৌতিক জগতৰ বিকাশ হওঁতে অনন্ত তৰহৰ সৃষ্টিৰ উদ্দেশ্যে সেই শক্তিয়ে সিইঁতৰ সংহতি আৰু একত্ৰীকৰণৰ বাবে জড়ৰ ভিতৰত অসীম শক্তিৰ সঞ্চাৰ কৰে। সেই দৰেই এই অন্তৰ্নিহিত চিৎশক্তিয়ে অসংখ্য উদ্ভিদ আৰু জন্তুৰ প্ৰকাৰ আৰু বৈশিষ্ট্য বিকাশৰ অৰ্থে সংখ্যা আৰু নমুনালৈ লক্ষ্য ৰাখি বিকাশ কৰোঁতেই নানা প্ৰকাৰৰ উদ্ভিদ আৰু জীৱ-জন্তুৰ উৎপত্তি হৈছে; ই পোনতে নানা তৰহৰ জীৱদেহৰ সৃষ্টি কৰিবলৈ যি মৌলিক জীৱ-কোষ ৰচনা কৰে তাৰ বৃদ্ধি কৰি পৰিণামত বীজ বা 'জিন'ৰ পৰা বিবিধ জীৱজগতৰ সৃষ্টি কৰিছে।

জীৱনৰ জড়ৰ সৈতে চিৰকাল সংগ্ৰাম চলিছে, আৰু দৃশ্যভাৱে জীৱনেই পৰাভূত হৈ অৱশেষত জড়-পদাৰ্থৰ নিয়মলৈ নামি সি মৃত্যু নামক ধ্বংস হয়। মনৰ বিকাশৰ লগে লগে এই জীৱন-সংগ্ৰাম গভীৰতৰ হয়, কিয়নো তেতিয়া মনৰ প্ৰাণ আৰু জড়পদাৰ্থ উভয়ৰে সৈতে যুঁজিব লগীয়া হয়; এই কন্দলৰ কাৰণ প্ৰাণ আৰু জড়পদাৰ্থৰ দুৰ্বলতাবোৰ, এটাৰ স্থূলতা আৰু জড়তা, আৰু আনটোৰ কামনা আৰু দুখবোৰে মনক হয় পৰাজিত কৰে নতুবা বিদ্ৰোহী কৰি তোলে। এই সংগ্ৰামতেই মনৰ জীৱনৰ প্ৰতি অসহিষ্ণুতা, দেহৰ প্ৰতি বিৰক্তি হৈ মনে বিমুখ হৈ বিশুদ্ধ মানসিক আৰু নৈতিক অস্তিত্বত প্ৰতিষ্ঠিত হয় বা হবলৈ বিচাৰে। যেতিয়া মানুহ অতিমানস স্তৰলৈ ধাবিত হয়, তেতিয়াও এই বিৰোধ নীতিৰ অৱকাশ নহয়। এই অতিমানসী স্তৰৰ যাত্ৰীয়ে মন, দেহ আৰু প্ৰাণক জাগতিক ত্ৰিশক্তি বুলি উপেক্ষা কৰি জগত, দেহ আৰু অসুৰ বুলি পৰিহাৰ কৰে। তথাপিতো জীৱন ৰসস্বময় সপোনো নহয় নাইবা দুখজনক অসম্ভৱ বাস্তৱ বুলি ভবাৰো যুক্তি নাই; কিয়নো ইয়াৰ মাজতো দিব্য বিৰাট সত্তাৰ স্পন্দন আছে। আমি ইয়াৰ ভেটি আৰু নিয়মৰ কথা অলপ বুজোঁ; কিন্তু আন হাতে আমি ইয়াত উচ্চ সম্ভাৱনা আৰু পৰিবেশত দিব্য ফলৰ সম্পৰ্কেও লক্ষ্য ৰাখোঁ। জীৱনৰ এই সকলো সম্ভৱনাৰ মূল ভেটি জড়পদাৰ্থ যি জীৱনৰ ভূমি, যাৰ পৰাই সুবদ্ধ বীজৰ পৰাই বহু শাখাযুক্ত বৃক্ষস্বৰূপ নানা জাগতিক বস্তুৰ উদ্ভৱ হৈছে। মানুহৰ মন, প্ৰাণ, দেহ এই সকলো নৈসৰ্গিক নীতিৰ ওপৰত নিৰ্ভৰশীল আৰু চিৎশক্তিয়েই মনৰ উৎস আৰু শক্তি হিচাবে অগ্ৰসৰ হৈ অতিমান-সিক সত্তা লাভ কৰি প্ৰকৃত সত্যৰ পম খেদিবলৈ উৎসুক হয়, তেতিয়া তাৰ সেই পথৰ অন্তৰায় হয় দেহ আৰু মৌলিক জড়তা। তথাপিতো দেহৰ প্ৰয়োজনীয়তাও সুস্পষ্ট, কিয়নো মানুহৰ যি দেহ আৰু মস্তিষ্ক আছে, সিইঁতৰ শক্তি আৰু সহায়তেই মানুহে পশু-জগতৰ পৰা উৰ্ধতৰ পৰ্যায়লৈ উঠাব পাৰিছে। একে ভাৱেই মানৱতাৰ পৰা উচ্চতৰ প্ৰজ্ঞান মূৰ্খৰিত দিব্য মনুষ্যত্ব পাবলৈ হলেও এই ভৌতিক পদাৰ্থ আৰু

কৰণসমূহৰ সমুচিত সহযোগিতা আৰু কাৰ্য আমাৰ আৱশ্যক। মানৱতাৰ ভিতৰত সচেতন উন্নতিকামী শক্তি নথাকিলে মনুষ্যত্বক নিম্নৰ পৰ্যায়ৰ প্ৰাণীয়ে পৰাভূত কৰিলেহেঁতেন আৰু মানৱতাৰ বিভূতিৰ অনৰ্থক অপচয় হ'লহেঁতেন। শ্ৰীঅৰবিন্দৰ মতে যি ধৰ্মই শৰীৰক আত্মাৰ শিলাময় প্ৰতিবন্ধক আৰু দুৰ্বাৰ অনিষ্ট বুলি সংসাৰৰ প্ৰতি বিৰাগ আৰু দেহৰ প্ৰতি নিষেধ আৰোপ কৰে, সেইবোৰৰ জাগতিক বাস্তৱতাৰ প্ৰতি তেনে উদাসীনতা অমূলক আৰু যুক্তিবিৰোধী।

এই চিৰন্তন সংগ্ৰামত হোৱা জয়-পৰাজয় তেনেই দৃশ্যহে বাস্তৱ নহয়, আৰু এনে সমাধানো প্ৰকৃত সমাধানো নহয়, ই কেৱল প্ৰকৃত সমস্যাৰ পৰা ফালৰি কাটি যোৱাহে। জীৱন জড়পদাৰ্থৰ হাতত' যেতিয়া পৰাজিত হয়, তেতিয়া প্ৰকৃতপক্ষে জীৱন-মৰণৰ সন্ধি হৈ মৰণে পুনৰ জীৱনক ক্ৰমিকভাৱে চলিবলৈ সুযোগহে দিয়ে। সেইদৰেই মনে প্ৰাণ আৰু জড়ৰ বিপক্ষে জয়ী নহয়, তেতিয়া মনে মাথোন কিছুমান অপূৰ্ণ সম্ভাৱনা সাৰ্থক কৰি আন কেতবোৰ হেৰায় আৰু মনে প্ৰাণ আৰু জড়পদাৰ্থক ভৱিষ্যতে সাৰ্থকভাৱে কাৰ্যত ব্যৱহাৰ কৰাৰ সুযোগ লাভ কৰে। ব্যক্তিগত আত্মাই নিম্নতৰ পৰ্যায়ৰ ত্ৰিশক্তি মন, প্ৰাণ আৰু জড়ক পৰাভূত নকৰে, কেৱল পৃথিৱীত অৱতীৰ্ণ হৈ মন, প্ৰাণ আৰু দেহৰ দাবীবোৰ অগ্ৰাহ্য কৰি সিহঁতৰ সহযোগত নিজ অভীষ্ট সাধনত ব্ৰতী হয়। যিহেতু ভগৱানৰ কাৰ্য জগতত চলিয়েই আছে, সেই দেখিয়েই জীৱনৰ দুৰ্যোৰ সংগ্ৰামৰো বিৰতি নহয়। যিহেতু সচ্চিদানন্দই আদি, মধ্য আৰু অন্ত, আৰু যিহেতু তেওঁৰ ভিতৰত সংগ্ৰাম বা বিৰোধ থাকিবও নোৱাৰে; কিন্তু সিহঁত বৰ্তমান থকা কাৰণেই সংগ্ৰাম আৰু বিৰোধৰ সম্যক সিদ্ধান্ত আৰু পূৰ্ণ বিজয় অৱশ্যম্ভাৱী। এই কাৰণে জাগতিক অস্তিত্বত প্ৰাণশক্তিয়ে দেহক পূৰ্ণ আৰু স্বতন্ত্ৰভাৱে শৰীৰক প্ৰয়োগ কৰিব লাগে, তেনেকৈ মনে প্ৰাণ আৰু শৰীৰৰ ওপৰত আধিপত্য কৰি প্ৰাণ আৰু দেহক স্বকীয় অভীষ্ট সাধনত সম্পূৰ্ণ আৰু স্বতন্ত্ৰভাৱে ব্যৱহাৰ কৰিব লাগে, আৰু আত্মাই নিম্নতৰ ত্ৰিশক্তিৰ ওপৰত জয় লাভ কৰি নিজৰ পুৰুষাৰ্থ সাধনৰ কাৰণে মন, দেহ আৰু প্ৰাণক পূৰ্ণৰূপে আৰু স্বকীয় স্বাধীনভাৱে কৰ্মত নিয়োগ কৰিব লাগে। এনে সংগ্ৰাম আৰু বিজয়ৰ মাজেদিহে মন, প্ৰাণ, দেহ আৰু আত্মাৰ পাৰস্পৰিক সম্পৰ্ক আৰু প্ৰত্যেকৰেই বাস্তৱতা সম্যকৰূপে উপলব্ধি কৰিব পাৰি।

ওপৰৰ কথাৰ পৰা এইটো সুস্পষ্ট হয় যে মানসিক শক্তিৰ সাৰ্বত্ৰিক বিভাজন আৰু আত্ম-সংশ্লেষণ কাৰ্যৰ ফলতে বিশ্বৰ সৃষ্টিৰ পাতনি, আৰু ইয়াৰ কাৰণেই জড়পদাৰ্থৰ অজ্ঞতা, জড়তা আৰু অণুবিলাকৰ বিভাজন ক্ৰিয়াৰ আৰম্ভণিৰ মূল। যিদৰে পৰামনৰ সৃজনী শক্তি আৰু স্বীয় বিকাশৰ অধঃক্ৰমত মনেই শেষ পৰিণতি মনৰ অৱতৰণ ক্ৰমত অজ্ঞতাজনিত অৱস্থাত চিৎশক্তিৰ পৰাই প্ৰাণৰ উৎপত্তি, সেইদৰেই চেতন সত্তাৰ অৱৰোহী ক্ৰমত নিম্নতম স্তৰত জড়পদাৰ্থৰ উৎপত্তি হৈছে। মনেই বিস্তৃতাৰ্থত পৰামনৰ নিচেই কাষৰীয়া চিৎশক্তি আৰু সত্যনিষ্ঠ চিৎশক্তিৰ পৰিণামত মনৰ সৃষ্টিৰ লগে লগেই অজ্ঞানতাৰ উদ্ভৱ হৈছে। সৰ্বব্যাপী মনৰ প্ৰক্ৰিয়াৰ ফলত সৎ-চিৎ সত্তাই দৃশ্যভাৱে বিভক্ত হৈ যি দ্ৰব্য উৎপন্ন কৰিলে সিয়েই জড়পদাৰ্থ। এই বিভাজন প্ৰক্ৰিয়াৰ মনৰ ভিতৰত পুনৰাবৃত্তি আৰু অন্তৰ্নিহিত হয়, কিন্তু মনৰ এই বিভাজনমুখী ক্ৰিয়াই অধ্যাত্মিক জীৱনৰ ঐক্য, শক্তিৰ ঐক্য অথবা জড়পদাৰ্থৰ ঐক্যও বিকৃত কৰিব নোৱাৰে। কিন্তু এক অখণ্ড সত্তাৰ এনে দৃশ্য আৰু ব্যৱহাৰিক বিভাজনৰ প্ৰয়োজনীয়তাই বা কি? মন অনৈক্যকামী আৰু বিভাজননিষ্ঠ কাৰণে ইয়াৰ কাৰ্যৰ মৌলিক নীতি হ'ল পৃথকীকৰণ আৰু বিভাজন। অৱৰোহী মনে প্ৰাণলৈ অৱৰূঢ় হৈ প্ৰাণৰ ক্ৰিয়াৰে বহুত্বৰ প্ৰকাৰ সৃষ্টি কৰে আৰু নিম্নতম স্তৰত সূক্ষ্ম আৰু শুদ্ধ দ্ৰব্য সৃজন নকৰি দৃশ্য স্থূল আৰু ভৌতিক পদাৰ্থৰ



অনৈক্যৰ উৎপত্তি কৰে। এই দ্ৰব্যাই দৃশ্য ভাৱে অপৰিৱৰ্তিত বা অপৰিণামী যেন নানা বস্তুৰ সৃষ্টি কৰি মনক বহুত্বৰ উপলব্ধিৰ যোগান ধৰে, কিন্তু আধ্যাত্মিক জ্ঞানলব্ধ চেতন সত্তাৰেই বিকাশ বুলি জানিবৰ কাৰণে কোনো দ্ৰব্য হিচাবে প্ৰকাশিত নহয়। বাহ্য জগতৰ এই দৃশ্য বস্তুবোৰৰ মনৰ সৈতে সন্নিধি আৰু সংযোগ হলে বহিৰিন্দ্ৰিয়সমূহৰ উৎপত্তি হয়, আৰু সিহঁতৰ সহায়ত বহিৰ্জগত সম্পৰ্কে যি সংবেদন হয়, তাৰ যথাৰ্থও মনেহে প্ৰদান কৰে। অৰবিন্দই বিকাশ আৰু জ্ঞান সম্পৰ্কীয় এই নীতিও তেওঁৰ মৌলিক ক্ৰমবিকাশ বাদৰ সৈতে সংহতি ৰাখি কয় যে অৱৰোহী ক্ৰমত অপৰিহাৰ্যভাৱে সচ্চিদানন্দ শুদ্ধ সত্তাই পৰামনৰ যোগেদি মন আৰু প্ৰাণলৈ অৱৰূঢ় হৈ জাগতিক নানা প্ৰকাৰ আৰু দৃশ্য বহুত্বৰ কাৰণ হয়। আমি আন হাতে লক্ষ্য কৰিলে বুজিবলৈ পাৰিম যে এই অনৈক্যমূলক দৃশ্য জগতৰ বস্তুবোৰ এক ইচ্ছাশক্তিৰেই বস্তুৰ বহুত্ব সৃষ্টিৰ ফলস্বৰূপ আৰু পৃথক চিৎ কেন্দ্ৰবোৰৰ উপলব্ধিৰ ক্ষেত্ৰত অনেক স্বৰূপে প্ৰতিভাত হয়। বস্তুবোৰৰ আধ্যাত্মিক ভিত্তিলৈ ঘূৰাই চালে, বিশুদ্ধ দ্ৰব্যৰ প্ৰকৃত স্বৰূপত কেৱল স্বতন্ত্ৰ বিশুদ্ধ চেতন সত্তাত উপনীত হওঁহে'ক, যি অভেদ ভাৱেই আত্মচেতন আৰু যাৰ আত্মজ্ঞানৰ কাৰণে দ্বিতীয় কোনো বস্তুৰেই প্ৰয়োজন নাই।

এইদৰেই সৃষ্টিকামী বিৰাট মনৰ ক্ৰিয়া অনুযায়ী আণবিক সত্তাসমূহৰো সৃষ্টি হৈছে, আৰু জড় বস্তুৰ উৎপত্তিৰ হেতু হিচাপে কোনো চিৰন্তন আৰু মৌলিক নীতি বিশিষ্ট শাশ্বত আৰু মূল-ৰূপে জড়পদাৰ্থ জগতত নাই। জড়পদাৰ্থও একপ্ৰকাৰ ক্ৰমবিকাশজনিত অসীমাত্মক সৃষ্টি, ই এক প্ৰকাৰ অসীমৰেই চৰম বিভাজন প্ৰক্ৰিয়াৰ ফল, আৰু ইয়াৰ প্ৰয়োজন প্ৰাৰম্ভিক পৰ্যায়ৰূপে। বাহ্য জগতত 'ইথাৰ' জড়পদাৰ্থৰেই আধাৰ ৰূপে থাকিলেও ই অস্পৃশ্য আৰু জড়পদাৰ্থৰ আধ্যাত্মিক ভূমি হিচাপে সম্প্ৰতিলৈয়ে অনিধাৰ্য। এনেবোৰ সূক্ষ্ম আণবিক সত্তাই দৃশ্য জড়পদাৰ্থৰ সত্তা প্ৰতিষ্ঠিত কৰিছে, আমি স্থূল দৃষ্টিত যি জড়পদাৰ্থৰ ধাৰণা কৰোঁ, তাৰ কোনো বাস্তৱ অস্তিত্ব নাই। গতিকে জড়পদাৰ্থ সম্পৰ্কে আমি এই সত্যতেই উপনীত হওঁ যে এই বিৰাট বিশুদ্ধ সত্তাই ভাৱগত আত্মব্যাপ্তিৰ প্ৰক্ৰিয়াৰ ফলত যি বিশ্ব-ব্ৰহ্মাণ্ডৰ দৃশ্য ৰূপ প্ৰবৰ্তিত হৈছে, সেই সৃষ্টিকামী মন-প্ৰাণৰ ক্ৰিয়াৰ প্ৰতিৰূপ হিচাপে আণবিক বিভাজন আৰু সংযোজনৰ ফলকেই আমি দৃশ্য জড়পদাৰ্থ বুলি অভিহিত কৰোঁ। তথাপিতো মন, প্ৰাণ, জড়পদাৰ্থ সকলো ব্ৰহ্মৰ আত্ম-বিকাশৰ প্ৰচেষ্টাতেই সৃষ্ট কাৰণে ইহঁতো সৎ বা ব্ৰহ্মস্বৰূপ। এই সকলো আত্মচেতন সত্তাৰ শক্তিৰ স্বৰূপ, যি আকাৰ মনৰ সৃজন আৰু প্ৰাণে তাক উপলব্ধি কৰিছে। জাগতিক সকলো সত্তাৰ ভিতৰত যি আত্মবিস্মৃতি নিহিত আছে, আৰু জ্ঞান গূঢ়াৱস্থাত আছে, সেই সকলো আত্ম-সৃষ্টিৰ প্ৰক্ৰিয়াৰ ফলতেই অন্তৰ্নিহিত আৰু মগ্নাৱস্থাত আছে। সচ্চিদানন্দৰ প্ৰক্ষিপ্ত প্ৰতিচ্ছবি স্বৰূপে তেওঁ সকলো সত্তাকে জ্ঞান, কৰ্ম আৰু আনন্দৰ আকাৰিক আধাৰ হিচাপে আপোন মনত সম্যক উপলব্ধি কৰিছে। জগত এখন বিৰোধী শক্তিৰ চিৰন্তন সংগ্ৰাম নহয়, ই প্ৰকাৰান্তৰে বিভেদকৃত ঐক্য, বহুমূৰ্ত ঐক্য।

অৱৰোহী আৰু আৰোহী ক্ৰমবিশিষ্ট ক্ৰমবিকাশৰ জখলাৰ এমূৰে শুদ্ধ চৈতন্য আৰু আনমূৰে দৃশ্য জড়পদাৰ্থ একে শক্তি আৰু চৈতন্যৰেই স্বতঃপ্ৰকাশ। দুয়ো এক— শুদ্ধ চৈতন্যৰ জাগতিক বিকাশৰ নিম্নতম স্তৰক আমি ইন্দ্ৰিয়জনিত জ্ঞানেৰে জড়পদাৰ্থ বুলি কওঁ। সমগ্ৰ বিকাশৰ আত্মা শুদ্ধ চেতন সৎ আৰু ইন্দ্ৰিয়জনিত জ্ঞানত পোৱা জড়পদাৰ্থ তাৰ আকৰগত ৰূপ বা অৱয়ব। এই জড়পদাৰ্থই অজ্ঞানতা আৰু জড়তাৰ চৰম সীমা। সেই কাৰণে মানসিক আৰু আধ্যাত্মিক প্ৰগতিৰ পথত জড়তা আৰু তাৰ যান্ত্ৰিক নীতিয়ে বিৰাট প্ৰতিবন্ধকৰ সৃষ্টি কৰে। মানুহে প্ৰাণময় আৰু মনোময়

পৰ্যায়ত প্ৰবৰ্তন কৰিবলৈ চেষ্টা কৰে, শৰীৰৰ জড়মূলকতাৰ হেতুকে জড়পদাৰ্থই বিভাজন, জড়তা আৰু অজ্ঞতাৰ নীতিৰে দুখ-যাতনাৰ কঠোৰ প্ৰতিবন্ধক প্ৰতিষ্ঠাপিত কৰে। তথাপিতো জড়পদাৰ্থৰ ওপৰতেই খোপনি দি মানুহে প্ৰগতিৰ ৰুদ্ধ আবৰণ ভেদ কৰি পৰামানস পৰ্যায়ত প্ৰবেশ কৰি মানসিক জ্ঞানৰ প্ৰসাৰতা আৰু গভীৰতা বৃদ্ধি কৰিব পাৰে। এই পৰামানসিক পৰ্যায়কেই 'তুৰীয়' অৱস্থা বোলা হৈছে। অৰবিন্দৰ দাৰ্শনিক চিন্তাধাৰাত সন্ন্যাসৰ স্থান নাই। তেওঁৰ মতে পাৰ্থিব বস্তু মাত্ৰেই সাৰ্থক আৰু সেইবোৰৰ সমুচিত ব্যৱহাৰৰ মাজেদিয়ে পৰমাৰ্থ লাভ কৰিব পাৰি। তেওঁৰ দৰ্শনে মায়ামুগ্ধ জগতক ত্যাগ কৰি দিব্য জীৱন লাভ কৰিবলৈ যত্ন কৰাতকৈ পাৰ্থিব সত্তাৰ সুযোগ সংযোগ অতিশয় কাৰ্যকৰী কৰিবলৈ প্ৰেৰণা দিয়ে। সেই একে প্ৰসংগত শ্ৰুতিবাক্য—'পন্থ্যাং পৃথ্বীঃ'—সাৰোগত কৰি ভৰি দুখনেৰে ধৰাৰ ওপৰত খোপনি পুতিও মানৱ সত্তাই অতিমানস আধ্যাত্মিক প্ৰগতি লাভ কৰিব পাৰি বুলি তেওঁ দৃঢ়ভাৱে ব্যক্ত কৰিছে।

---

**অসম সাহিত্য সভা পত্ৰিকাৰ**

৩০শ বছৰৰ ২য় ( জেঠ ) সংখ্যাটি

অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ৺হৰিপ্ৰসাদ নেওগ-দেৱৰ পবিত্ৰ আত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে

**নেওগ সোঁৱৰণী সংখ্যা**

ৰূপে উলিওৱা হ'ব। এই সংখ্যাত অসম সাহিত্য সভাৰ কেইবাগৰাকী প্ৰাক্তন সভাপতিৰ ৺নেওগ সম্পৰ্কীয় স্মৃতি-লেখাৰ উপৰিও ভালেমান গুণমুগ্ধ লিখকৰ লেখনীনিসৃত ৺নেওগৰ জীৱন আৰু কৰ্ম সম্পৰ্কীয় ৰচনাৱলী, আন বিষয়ৰ প্ৰবন্ধ, সাহিত্য-সংবাদ, গ্ৰন্থ-পঞ্জী আদি প্ৰকাশ পাব।

ওচৰৰ কিতাপৰ দোকান বা এজেণ্টৰ ওচৰত খবৰ কৰক নতুবা আমালৈ লিখক।

সহকাৰী সম্পাদক

**অসম সাহিত্য সভা,**

ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১

---

# কলা আৰু জীৱন

শ্ৰীনাৰায়ণ বেজবৰুৱা

মহামানৱৰ মহাসমুদ্ৰৰে আবৃত জগতত মানৱে মানৱক পুনৰাৱিষ্কাৰ কৰাৰ যোগ্যতা অৰ্জন কৰিলেহে প্ৰকৃত মানৱ বুলি নিজকে পৰিচয় দিব পাৰে। যেতিয়ালৈকে মানৱৰ এই আত্ম আৱিষ্কাৰৰ যাত্ৰা শেষ নহয়, তেতিয়ালৈকে মানৱাত্মাই সংস্কাৰ আৱৰণৰ পৰা মুক্তি লাভ কৰিব নোৱাৰে। এই মুক্তি পথৰ যাত্ৰাই মনুষ্যত্ব বিকাশ সাধনৰ সৰ্বোৎকৃষ্ট পন্থা।

এই মুক্তিপথৰ স্বৰূপ কি ? আৰু কেনে হোৱা উচিত ? এই সম্পৰ্কে প্ৰত্যেক মানৱে নিজৰ ৰুচি-অভিৰুচি, বিদ্যাবুদ্ধি আৰু সত্যাসত্য বিচাৰৰ জ্ঞান অনুপাতে নিজপথ নিজে নিজে ঠিক কৰি লব পৰা-নোৱাৰাৰ ওপৰতে তেওঁৰ জীৱনৰ সাৰ্থকতা বা বিফলতা প্ৰধানকৈ নিৰ্ভৰ কৰে।

জাগতিক সাৰ্থকতাৰ শিখৰত উঠিও মানৱ অজ্ঞ, মূৰ্খ আৰু অন্ধ হৈ থাকিব পাৰে; ইফালে আকৌ, দেখাত জাগতিক বিফলতাৰ দুৰ্বহ বোজা বৈও, আনজনে আত্মোপলব্ধিৰ আনন্দত আত্মহাৰা হৈ, সচ্চিদানন্দৰ আলোকৰশ্মিত স্নান কৰি, সৰ্বতে স্বস্তি লাভ কৰি, সত্য-সুন্দৰৰ সন্ধান পাব পাৰে। সেয়েহে মানৱৰ জীৱনটোৱেই এটা সাৰ্থক ৰহস্য। এই ৰহস্যভেদৰ ওপৰতে নিৰ্ভৰ কৰে মানৱ জীৱনৰ চৰম সাৰ্থকতা।

সাহিত্য জীৱনৰ প্ৰতিফলক। মানৱ জীৱনৰ চৰম ব্যৰ্থতা আৰু সাৰ্থকতা যথাৰ্থভাৱে ৰূপায়িত হোৱা সাহিত্যই বিশ্ব সাহিত্য। উচ্চতম স্তৰত উপনীত হোৱা সাহিত্যত আপোনা আপুনি ফুটি উঠে ৰহস্য বিভূতিময় সাৰ্থক ৰহস্য। এই ৰহস্য ৰসত যিমানেই গভীৰ ভাৱে আপ্লুত, সিমানেই গভীৰতাৰ বিশ্বজনীন আবেদন।

বিশ্বজনীন আবেদনৰ চৰম স্তৰতহে মহৎ সৃষ্টিৰ আলোকৰশ্মিৰ বৰ্ণালীৰ ৰতোৱালী ৰং ৰূপায়িত হোৱা দেখা যায়। এই ৰঙৰ আঁচোৰ নপৰা কলা-সাহিত্য সৃষ্টি যিমানেই জাকজমক নহওক লাগিলে, সি কোনোকালেই মহৎ সিংহাসনত আৰোহণ কৰি, কাল-জয়িত্বৰ দাবী কৰিব নোৱাৰে। সত্য-সুন্দৰৰ সাধনাত সিদ্ধি লাভ নকৰালৈকে কোনো কলা-সাহিত্যিকেই মহৎ সাহিত্য সৃষ্টি কৰিব নোৱাৰে। সেয়েহে, সত্য সুন্দৰৰ সাধনাত আত্মোৎসৰ্গ কৰি নিঃশেষ হৈ যোৱাৰ আনন্দত আত্মহাৰা হবলৈ প্ৰকৃত শিল্পীৰ ইমান হাবিয়াস।

সত্যোপলব্ধিৰ সূক্ষ্মতম পৰ্যায়ত সৃষ্টি হোৱা কলা সাহিত্যৰ মাজতহে সুন্দৰৰ ৰূপ ৰূপায়িত হব পাৰে। এনে ৰূপস্ৰষ্টা শিল্পীকহে সত্য-সুন্দৰৰ সাৰ্থক সাধক, উপাসক বা পূজাৰী আখ্যা দিব পাৰি। সত্যোপলব্ধি আৰু সৌন্দৰ্যসৃষ্টিৰ ওপৰতে শিল্পীৰ মহত্ত্বৰ মাপকাঠি নিহিত হৈ থাকে।

মৌলিক সৃষ্টিৰ আনন্দই শিল্পীৰ একমাত্ৰ কাম্য। জগতৰ উক্তি—কটূক্তিলৈ কাণ দিয়াৰ অৱসৰ প্ৰকৃত শিল্পীৰ নাই ; থাকিব নোৱাৰে।

জগতৰ উক্তি কট্‌ক্তিৰ তিক্ততাত তীব্ৰ হয় মাথো সত্যৰ আলোক জগত, জগৎ, যদি সত্য হয় আমাৰ জীৱন ॥

জীৱনৰ সত্যোপলব্ধিৰ আনন্দই সৰ্বশ্ৰেষ্ঠ আনন্দ। সেই সৰ্ব্বশ্ৰেষ্ঠ আনন্দৰ স্তৰ ভেদ নকৰালৈকে দ্ব্যৰ্থক ৰহস্য ৰসামৃত পান কৰাৰ যোগ্যতা কোনেও অৰ্জন কৰিব নোৱাৰে। গভীৰতম বেদনাৰ খাঁউসীৰ অন্ধকাৰতহে উচ্চতম আনন্দৰ পূৰ্ণশশধৰে জুমুকি মাৰি দ্ব্যৰ্থক ৰহস্য-ৰস সৃষ্টি কৰে। এই ৰহস্য-ৰস লাভৰ ধ্যানত শিল্পী চিৰমগ্ন, চিৰতন্ময়। এনে তন্ময়াৱস্থাৰ যি কোনো মুহূৰ্ততে সত্য-সুন্দৰৰ প্ৰত্যক্ষ দৰ্শন শিল্পীৰ ভাগ্যত ঘটিব পাৰে। অচল-অটল-অচঞ্চল শিল্পী নহলে, সত্য-সুন্দৰক হাততে পায়ো হেৰুওৱাৰ সম্ভাৱনা থাকি যায়। কলা-স্বৰ্গৰ দুৱাৰ দলিত ভৰি দিও, সামান্য অসাৱধানতা বা চঞ্চলতাৰ কাৰণে যদি পুনৰ কলা-মৰ্ত্যৰ পলসুৱা বোকাত পৰি কৰ্দ্দমাক্ত লগীয়া হয়হি, তাতকৈ দুৰ্ভাগ্যৰ কথা আৰু কি হ'ব পাৰে? এনে দুৰ্ভাগ্য-ৰাহুৰ পূৰ্ণগ্ৰাসৰ প্ৰভাৱত পৰাৰ কাৰণেই বহুতো প্ৰতিভাৱান পূৰ্ণচন্দ্ৰক পৃথিৱীয়ে আজিও দেখা নাই বা দেখিও নেদেখা ভাও জুৰিব লগীয়া হৈছে। সেই বুলি পূৰ্ণচন্দ্ৰ পূৰ্ণচন্দ্ৰ নোহোৱাকৈ থাকিব পাৰে নে?

পৃথিৱীৰ সৰহভাগ লোকে নেদেখিলেও, মেৰু প্ৰদেশত ভ্ৰমণ বা বাস কৰা লোকে মাজৰাতিও সূৰ্য্যৰ পোহৰ উপভোগ কৰাৰ দৰে, কলা-সাহিত্য জগতৰ মেৰুপ্ৰদেশতো মাজনিশা কলা সূৰ্য উদয় হোৱা একো অসম্ভৱ নহয়। কিন্তু সম-সাময়িক জগতৰ মেৰুভ্ৰমণৰ যোগ্যতা বা ধৈৰ্য আছে জানো?

সম-সাময়িকতাতকৈ ডাঙৰ ৰাহু শিল্প-সাহিত্যৰ আকাশত আন আৰু একো নাই! এই কথা জানিও যদি কোনো পূৰ্ণ শশধৰে সমসাময়িকতা ৰাহুৰ গ্ৰাসৰ পৰা মুক্ত নোহোৱালৈকে ধৈৰ্য ধৰিব নোৱাৰে, তেনেহলে পূৰ্ণশশধৰৰ যোগ্যতা দাবী কৰাৰো তেওঁৰ কোনো অধিকাৰ নাই। ইও এক দ্ব্যৰ্থক ৰহস্য।

দ্ব্যৰ্থক······দ্ব্যৰ্থক—এয়েই মহৎ কলা-সাহিত্যৰ কলিজাত স্পন্দিত অনাহূত ধ্বনি। এই ৰহস্যভেদৰ আকাঙ্ক্ষাৰ মূলতেই মহত্বৰ অঙ্কুৰ নিহিত হৈ থাকে। মহৎ শিল্পী সেই কাৰণেই যি এই ৰহস্য ভেদ কৰিব পাৰিছে। মহামানৱৰ মহাসমুদ্ৰত বুৰ দি, সেই সমুদ্ৰ কক্ষত লুকাই থকা শ্ৰেষ্ঠ মণি-মুক্তা আহৰণ কৰি আনি, তাৰেই শ্ৰেষ্ঠ নৈবেদ্য সজাই সেই সমুদ্ৰতে পুনৰ পূৰ্ণাহুতি দিব পাৰিলেহে সত্য-সুন্দৰৰ সন্ধান পোৱা বুলি শিল্পী-সাহিত্যিকে দাবী কৰিব পাৰে। মানৱ-সাগৰ-ৰহস্যভেদ পিয়াসী কবি-শিল্পীয়ে সেয়েহে গায়:

সাগৰত দিগন্ত বিচাৰি থাকোঁ হাবাথুৰি,
দিগন্তৰ শেষ নাই।
সাগৰৰ পাৰ পোৱা-নোপোৱাৰ মাজতেই
মানৱৰ ৰহস্যৰ খেলা।
সেই খেলা খেলাৰ যোগ্যতা দিব কোনে,
নিদিলে মানৱে মানৱক নিজে নিজে যোগ্যজন বুলি?

সেই একেজন কবি-শিল্পীয়েই সকলো কবি-শিল্পীকে নিজৰ নিজৰ গাত চিকুটি চাবলৈ আহ্বান জনাই কয়:

সাগৰৰ পাৰ পায়ো সাঁতুৰিব খুজিলে তাত'
অথবা, পাৰতে নামি কক্‌বক্ কৰি বৈ গ'লে,
অথবা, পাৰৰ পৰা উভতি আহিলে,
সাগৰেতো মানৱক যোগ্য বুলি নকৰে স্বীকাৰ!
তেন্তে উপায়?······
উপায়—একমাত্ৰ মানসিক দিগন্ত বঢ়াই
সাগৰত জঁাপ দি, সাঁতুৰি সাঁতুৰি,
সামগ্ৰীক দৃষ্টি ভঙ্গীৰে
সাংস্কৃতিক তিমিমাছ হৈ সাগৰ মন্থন কৰা।

সংস্কৃতি-মহাসমুদ্ৰৰ গভীৰতম প্ৰদেশত প্ৰৱেশ কৰিলেহে সমুদ্ৰ মন্থন কৰা সম্ভৱ। কিন্তু সাৱধান। কলাৰ ছলাহী ৰূপত ভোল গ'লে, অমৃত হাততে পায়ো হেৰুৱাব লাগিব।

মহামানৱৰ মহাসাগৰৰ দিগন্তৰ পথ খেদি, সাংস্কৃতিক দৃষ্টিভঙ্গীৰে উদ্ঘাটন কৰা সত্যৰ আলমত মানৱক পুনৰাবিষ্কাৰ কৰি প্ৰতিষ্ঠা কৰাৰ যি প্ৰচেষ্টা বা ধ্যান তাৰ নামেই হৈছে শৈল্পিক সাধনা—তাৰ নামেই হৈছে শৈল্পিক বিশ্বঅধ্যয়ন। শৈল্পিকসত্যৰ পূৰ্ণ আলোক নিক্ষেপিত নোহোৱালৈকে শিল্পীৰ সৃষ্টিত সৌন্দৰ্য উৰাই সহাঁৰি নিদিয়ে। সাধনাৰ তমসাৰ অৱসান নোহোৱালৈকে বুজিব লাগিব সত্যৰ আলোক পূৰ্ণ ৰূপে নিক্ষেপণ কৰাৰ যোগ্যতা শিল্পীৰ হোৱা নাই। ধৈৰ্য···ধৈৰ্য···ধৈৰ্যই সাধনাৰ পথত শিল্পীৰ একমাত্ৰ ধৰণী। প্ৰতিভাৰ চৰম স্তৰ ভেদ কৰাৰ আগমুহূৰ্ততে চৰম হতাশাই শিল্পীৰ পদস্খলন ঘটাব পাৰে। অথচ শিল্প সাধনাৰ চৰম হতাশাৰ মুহূৰ্ততহে জন্ম হয় যুগে যুগে কালজয়ী কলা-সাহিত্য। এই দ্ব্যৰ্থক ৰহস্যৰ স্তৰত উপনীত হব পৰা কলা-শিল্পীয়েই চৰম ভাগ্যৰ অধিকাৰী, উত্তৰাধিকাৰী আৰু মৃত্যুঞ্জয়ী।

শিল্পী! শিল্পী!······

সৌন্দৰ্য সৃষ্টিৰ মাজেৰে সত্যক যি প্ৰতিষ্ঠা কৰে, তেওঁ শিল্পী? নে সত্যৰ অন্বেষণত যি সৌন্দৰ্যৰ সন্ধান পায় তেওঁ!! এইখিনিতে প্ৰশ্ন উঠে—শিল্পী কোন? যোগী কোন?? যোগীয়েই জানো শিল্পী? আৰু শিল্পীয়েই জানো যোগী?? এই প্ৰশ্নৰ সমাধান হ'ব পাৰে একমাত্ৰ আত্মাবিষ্কাৰৰ পথত আগুৱাই আত্মজ্ঞান লাভ কৰিলেহে। আত্মানং বিদ্ধি। এই বীজমন্ত্ৰ ফাকি আওৰালেই আত্মজ্ঞান নহয়। আত্ম-আৱিষ্কাৰৰ ধ্যানত তন্ময়তা আহিলেহে এই সত্য আপোনা-আপুনি উদ্ঘাটিত হৈ সাধকৰ প্ৰাণ মতলীয়া কৰি তোলে। এজন হৈ যায় যোগী আৰু আনজন হৈ যায় শিল্পী। দুয়ো সত্য-সুন্দৰৰ পূজাৰী। অথচ দুয়োৰে পথ সম্পূৰ্ণ স্বকীয়া। শিল্পীৰ আলম সৌন্দৰ্য। ইফালে আকৌ যোগীৰ আলম সত্য। সাধনাৰ চৰম মুহূৰ্তত উভয়ৰে দৃষ্টিত সত্য-সুন্দৰ এক হৈ পৰে। এই চৰম স্তৰত উভয়ৰে ক্ষেত্ৰত সত্য আৰু সুন্দৰ একেটা বিন্দুতে মিলিত হয়। এই চৰম বিন্দুত সুন্দৰক সত্যৰ পৰা, বা সত্যক সুন্দৰৰ পৰা বিচ্ছিন্ন কৰিবলৈ গ'লে



সত্যও নেথাকে, সুন্দৰো নেথাকে। বিন্দুত কেন্দ্ৰীভূত অবিচ্ছেদ্য সত্য সুন্দৰক লাভ কৰাই শিল্পী-যোগী উভয়ৰে কাম্য। বিন্দু-ৰৰ লাভ কৰাৰ পিছত যোগী-শিল্পী উভয়ৰে মানসিক দিগন্তত একেটা সূৰ্য্যই চিৰবিৰাজমান হৈ উভয়কে সমানে সচ্চিদানন্দৰ মাদকতা উপলব্ধি কৰিবলৈ সক্ষম কৰে। তথাপিও কিন্তু যোগী-শিল্পীৰ দৃষ্টিভঙ্গীৰ সাৰ্থকতা থাকি যায়। যোগীয়ে বিচাৰে মুক্তি। শিল্পীয়ে বিচাৰে বন্ধন। মুক্তিৰ মাজেৰে বন্ধন কামনা কৰাই শিল্পীৰ ধৰ্ম। ইফালে আকৌ যোগীৰ কাম্য নিৰ্বিকাৰত্ব লাভ! কি-ই-যে ৰহস্যময় এই দুই দৃষ্টি ভঙ্গী?? সেয়েহে বিন্দুৰ সাধক কবিয়ে মুক্ত কণ্ঠে স্বীকাৰ কৰে:

সুন্দৰৰ সান্নিধ্য বিচাৰি অতিষ্ঠ অন্তৰ মোৰ
কৰে হাঁহাকাৰ! ক'ত? ক'ত সেই সুন্দৰ?
ধ্যান···ধ্যান···তপস্যা··· তন্ময়তা···
সত্যৰ মাজত সুন্দৰক আবিষ্কাৰ কৰিবৰ বাবে।
অন্তদৃষ্টিৰে দেখাপাওঁ:
শিল্পীৰ বক্ৰ দৃষ্টি নিক্ষেপণতহে সত্য-সুন্দৰৰ
হয় আৱিৰ্ভাৱ, মানৱীয় বিকৃত ৰূপত
পাৰ্থিৱতাৰ ৰং-বিৰঙেৰে।
বিকাৰ গ্ৰস্ত সেই ৰং-বিৰঙেই কলা-কলা মানৱৰ।
নিগূঢ় তত্ত্ব এই উদ্ঘাটন কৰোঁতেই নৌ
আকস্মিকে হয় মোৰ আত্ম-আৱিষ্কাৰ।
বুজি পাওঁ, মই শিল্পী।
লাগে মোক সুন্দৰক, মানৱক পূজিবৰ বাবে—
বুজিবৰ বাবে—উপভোগ কৰিবৰ বাবে।
মোৰ বাবে, মোৰ বাবে কৰোঁ মই কলাৰ সাধনা
কবিতাৰ মাধ্যমেৰে।
বিকাৰ!...বিকাৰাগ্ৰস্ত মই
সুন্দৰৰ সাধনাত ধ্যানমগ্ন আধ্যাত্মিক ৰোগী।
ৰোগ মুক্ত হ'ম সিদিনাই
যিদিনাই বুজি পাম—পূৰ্ণ হ'ল শিল্পৰ সাধনা—

( ২১ পৃষ্ঠাত চাওক )

# বৈষ্ণৱ আন্দোলন

ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা

সজীৱ জাতি, সমাজ বা ব্যক্তিৰ লক্ষণ হৈছে গতিশীলতা। এই গতিশীলতা যেতিয়া কোনো সমাজ বা ব্যক্তিয়ে হেৰুৱাই পেলায় তেতিয়া সি মৃতকল্প হৈ পৰে—"ধৃতঃ শৰীৰেণ মৃতঃ স জীৱতি"। উপনিষদত সেই কাৰণেই কৈছে—"যি জন গতিশীল তেওঁৰ প্ৰতি পদক্ষেপত পুষ্প প্ৰস্ফুটিত হয়, তেওঁৰ পথ সুষমাময় হয়। তেওঁৰ আত্মা দিনে দিনে বৃহৎ হয় আৰু বৃহত্তৰ ফল লাভ কৰে। গতিকে আগবাঢ়া, আগবাঢ়া। কিন্তু বহু ক্ষেত্ৰত সমাজ আৰু ব্যক্তিৰ ভাবধাৰা গতানুগতিক হৈ পৰে, চিন্তাই অভিনৱত্ব হেৰুৱায় আৰু বিচাৰধাৰা স্থিতিশীল হৈ পৰে। সমাজৰ এনে অৱস্থাতে নানা পঙ্কিলতাই দেখা দিয়ে, সুবিধাবাদীয়ে আত্মস্বাৰ্থ পূৰণৰ উদ্দেশ্যে ভ্ৰান্ত পথ আৰু আদৰ্শ দাঙি ধৰে। কিন্তু এনে অৱস্থা বেছি দিন স্থায়ী হব নোৱাৰে। বৈজ্ঞানিক কথা এটা আছে 'Nature abhores vacuum' অৰ্থাৎ প্ৰকৃতিয়ে শূন্য ঠাই পূৰাবলৈ সদাই চেষ্টা চলায়। সমাজৰ শূন্য অৱস্থাও প্ৰাকৃতিক নীতি অনুসৰিয়ে পূৰণ হয়। বিভিন্ন আন্দোলনে সেই শূন্যগৰ্ভ অৱস্থা আঁতৰ কৰি সমাজক আকৌ গতিশীল আৰু কৰ্মচঞ্চল কৰি তোলে। মধ্যযুগৰ আৰম্ভত ভাৰত তথা অসমৰ সমাজতো তেনে এটা স্থিতিশীল, বন্ধ্যা অৱস্থাই দেখা দিছিল। এই অৱস্থাৰ সৃষ্টি হৈছিল প্ৰধানকৈ দুটা কাৰণত। প্ৰথমটো হ'ল হিন্দু ধৰ্মই আগৰ উদাৰতা হেৰুৱাই ধৰ্মৰ শাহটোৰ ঠাইত খোলাটোকে যথাসৰ্বস্ব বুলি খামুচি ধৰি থকা স্থিতিশীল বন্ধ্যা অৱস্থাটো। ইয়াৰ ফলত সংকীৰ্ণতা আৰু ভেদভাৱে সমাজ পঙ্গু কৰি বীৰ্য্যহীন কৰি পেলাইছিল। দ্বিতীয় কাৰণটো হ'ল ভাৰতত ইচলামৰ অভ্যুদয় আৰু মুছলমান ৰাজ্যৰ প্ৰতিষ্ঠা। ইচলামৰ প্ৰবল শক্তিৰ বিৰুদ্ধে আত্মৰক্ষা কৰিবলৈ হিন্দু-ধৰ্মক সতেজ গতিশীল আৰু উদাৰ কৰিব লগাত পৰিল।



সেই উদ্দেশ্যে আগবাঢ়ি আহিল বিভিন্ন প্ৰান্তত এদল মহাপুৰুষ। এওঁলোকেই নৱবৈষ্ণৱ ধৰ্মান্দোলনৰ সূত্ৰপাত কৰে। ৰামানন্দ, কবীৰ, দাদু, বল্লভাচাৰ্য্য, চৈতন্য আদিৰ নাম এই প্ৰসঙ্গত উল্লেখযোগ্য।

অসমত মুছলমান বা ইচলামৰ প্ৰভাৱ বিশেষভাৱে পৰা নাছিল যদিও বিভিন্ন অনাৰ্য্য জাতি, ধৰ্ম আৰু হিন্দু বৌদ্ধ তান্ত্ৰিকতাৰ সংমিশ্ৰণত সমাজত বিশৃঙ্খলতাই দেখা দিছিল। নানা দেৱদেৱীৰ পূজা, নানা আচৰণ-ৰীতি, নানা অন্ধ বিশ্বাসে জনসমাজক পথহাৰা কৰিছিল।

এনে এটা সন্ধিক্ষণতে উদ্ভৱ হৈছিল মহাপুৰুষ শঙ্কৰ-দেৱৰ, পঞ্চদশ শতিকাৰ মাজভাগত। ভাগৱত পুৰাণৰ ভক্তিবাদৰ ভেটিত ঐকান্তিক ভাগৱতী ধৰ্ম বা একশৰণীয়া ভক্তিধৰ্ম জনসমাজত প্ৰচাৰৰ মানসকল্পে শঙ্কৰদেৱে ভাৰতৰ বিভিন্ন তীৰ্থস্থান আৰু ধৰ্মপীঠসমূহ পৰিদৰ্শন কৰি বাৰ বছৰ কাল অভিজ্ঞতা সঞ্চয় কৰে। বাৰ বছৰৰ মূৰত নিজ ঠাইলৈ উভতি আহি ভক্তিৰ চাৰি খুটা পুতি বৈষ্ণৱ আন্দোলনৰ সূত্ৰপাত কৰে। তীৰ্থৰ পৰা উভতি অহাৰ অলপ দিনৰ পাছতে ত্ৰিহুতৰ জগদীশ মিশ্ৰই শ্ৰীধৰ স্বামীৰ টীকাসহ ভাগৱত পুৰাণ শঙ্কৰদেৱক অৰ্পন কৰে, ইয়াৰ ফলত ভাগৱতী মাৰ্গ প্ৰৱৰ্ত্তন আৰু প্ৰকাশ কৰাত সহজ হৈ পৰে। এই ধৰ্মমাৰ্গৰ প্ৰধান লক্ষণ সমূহ চমুকৈ এয়ে—(১) এই ধৰ্ম প্ৰধানকৈ কৃষ্ণ ভক্তি প্ৰধান; ভাগৱত পুৰাণ আৰু গীতা এই মাৰ্গৰ প্ৰধান গ্ৰন্থ (২) নৱধা ভক্তিৰ যোগে, বিশেষকৈ শ্ৰৱণ আৰু কীৰ্ত্তনৰ যোগে ভগৱানৰ উপাসনা; (৩) নানা দেৱদেৱীৰ ঠাইত এক ঈশ্বৰত আশ্ৰয়; (৪) যাগ-যজ্ঞ আদি ক্ৰিয়াবহুল সাধন বা উপাসনাৰ অসাৰ্থকতা প্ৰদৰ্শন (৫) গুৰু-সৎসঙ্গৰ অপৰিহাৰ্য্যতা, (৬) সাধন মাৰ্গত জাতি বৰ্ণ নিৰ্বিশেষে সম অধিকাৰ আৰু প্ৰেম, দয়া অহিংসা আদি সৎ আৰু সুকুমাৰ প্ৰবৃত্তিবোৰৰ বৰ্দ্ধনৰ ওপৰত গুৰুত্ব দান নৱ-বৈষ্ণৱ মাৰ্গৰ প্ৰধান বৈশিষ্ট্য।

বৈষ্ণৱ আন্দোলনক কেৱল ধৰ্মীয় আন্দোলন বুলি কলে ইয়াৰ সংজ্ঞা সংকীৰ্ণ কৰা হ'ব। বৈষ্ণৱ ধৰ্মক কেন্দ্ৰ কৰি উদ্ভৱ হলেও ই এটা সাংস্কৃতিক আন্দোলন- ইয়াৰ প্ৰসাৰ আৰু প্ৰভাৱ বহুমুখী অৰু সুদূৰ-প্ৰসাৰী। মহাপুৰুষে এইটো ভালকৈ উপলব্ধি কৰিছিল যে কেৱল ধৰ্মৰ ক্ষেত্ৰতে যত্ন আৰু কাৰ্য্য সীমাবদ্ধ ৰাখিলে সমাজক সতেজ আৰু গতিশীল কৰা সম্ভৱ নহয়। সমাজৰ সাংস্কৃতিক জীৱনত সৰ্ব্বতোমুখী পৰিবৰ্ত্তন আনিব পাৰি-লেহে ধৰ্মীয় সংস্কাৰে স্থায়িত্ব লাভ কৰিব পাৰিব। সেই উদ্দেশ্য আগত ৰাখি তেখেতে সাহিত্য, সঙ্গীত, অভিনয়কলা আদিৰ অনুশীলনৰ ওপৰতো দৃষ্টি নিবদ্ধ কৰিছিল। যদি সঙ্গীত, নৃত্য, অভিনয় আদিক ধৰ্ম চৰ্চাৰ অঙ্গীভূত কৰি নিদিলেহেঁতেন তেন্তে বৈষ্ণৱ আন্দোলন কিমানদূৰ সফল হ'লহেঁতেন সিও সন্দেহৰ বিষয়।

বিশেষ একোজন ক্ষণজন্মা পুৰুষৰ প্ৰতিভা আৰু জ্ঞানে মানুহ জাতিক পোহৰৰ সন্ধান দিয়ে আৰু তাৰ ফলতেই নিৰ্জীৱ সমাজ গতিশীল হৈ উন্নতিৰ পথত আগবাঢ়ে। বিখ্যাত ঐতিহাসিক টয়েনবিয়ে কৈছে—"মানুহৰ ইতিহাস সমাজে গঢ় দিয়া নাই, ব্যক্তি বিশেষেহে দিছে"। অসমৰ বৈষ্ণৱ আন্দোলনৰ ক্ষেত্ৰত টয়েন-বিৰ উক্তি বিশেষভাৱে খাটে। মহাপুৰুষ শঙ্কৰদেৱৰ

---

( ১৯ পৃষ্ঠাৰ পিছৰ পৰা )

সুন্দৰৰ আৰাধনা।
সেয়েহে মোৰ বিন্দুৰ সাধনা।
সেয়েহে মোৰ আত্ম-আৱিষ্কাৰ ॥
'মুক্তিত নিস্পৃহ' মই; নেলাগে মুক্তি মোক।
লাগে মোক কলা—কলা—কলা—।

আত্ম-আৱিষ্কাৰ বঞ্জিত কলা সৃষ্টিয়েই শিল্পী জীৱনৰ চৰম লক্ষ্য। সেয়েহে শিল্পীৰ মনত জীৱনেই কলা আৰু কলাই জীৱন।

কলাৰ মাজেৰে জীৱনক আৰু জীৱনৰ মাজেৰে কলাক কৰায়ত্ত কৰি, যিসকলে মানৱাত্মাক মুক্তিৰ দুৱাৰদলিত এৰি দি, পৰম আনন্দৰ সোৱাদ নিজে লৈ, পৃথিৱীকো তাৰ সোৱাদ লবলৈ সুযোগ দিব পাৰিছে, সেই সকল শিল্পীৰ জীৱনেই সাৰ্থক, ধন্য।

বহুমুখী প্ৰতিভা আৰু ব্যক্তিত্বৰ কাৰণেই বৈষ্ণৱ জাগৰণ সম্ভৱপৰ হৈছিল। প্ৰথম বাৰ তীৰ্থ ভ্ৰমণৰ পৰা উভতি আহি যেতিয়া ভক্তি ধৰ্ম প্ৰৱৰ্ত্তনৰ চেষ্টা কৰে, তেতিয়া স্বাভাৱিকতে একশ্ৰেণীৰ লোকে তেখেতৰ সেই প্ৰচেষ্টা সন্দেহৰ চকুৰে চাইছিল আৰু বাধাসৃষ্টি কৰিবলৈকো চেষ্টা চলাইছিল। সমাজত নতুন ভাবধাৰা বা নতুন ব্যৱস্থা প্ৰবৰ্ত্তন কৰিবলৈ গলে সকলো সময়তে আৰু সকলো দেশতে ৰক্ষণশীল দলৰপৰা বাধা-প্ৰাপ্ত হব লগা হয়। মহাপুৰুষেও তেখেতৰ সংস্কাৰ প্ৰচেষ্টাত যথেষ্ট বাধা পাইছিল। কিন্তু শিৰোমণি ভূঞাৰ ঘৰৰ ক্ষমতা আৰু প্ৰতিপত্তি, কুলপুৰোহিতৰ ল'ৰা সৰ্বাসম ৰাম ৰাম গুৰু, ভাই ৰামৰায়ৰ সহায়, আৰু নিজৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ বলত বিপক্ষক নিজৰ ফলীয়া কৰি লবলৈ সমৰ্থ হয়। চিহ্নযাত্ৰা ভাওনা আৰু গীতপদৰ মাধুৰ্য শাস্ত্ৰ-জ্ঞান, আদিৰ প্ৰভাৱত বহুতো লোক নতুন ধৰ্ম্মত'-দীক্ষিত হৈছিল। বৰদোৱাত কটোৱা কালছোৱাতে বৈষ্ণৱ আন্দোলনৰ বীজ অঙ্কুৰিত হয়। কছাৰিৰ উপ-দ্ৰৱত যেতিয়া শঙ্কৰদেৱে সবান্ধৱে উজনিলৈ উঠি যায় তেতিয়া নতুন পৰিবেশত নতুন লোকৰ মাজত ধৰ্ম-প্ৰচাৰ কৰিব লগা হয়। সৌভাগ্যক্ৰমে ইয়াতে মাধৱ-দেৱৰ লগত সম্বন্ধ ঘটে। মাধৱদেৱৰ সেৱা, সাহায্য আৰু ঐকান্তিক প্ৰচেষ্টাৰ ফলত উজনিৰ ধুৱাহাটা-বেলগুৰি অঞ্চলত মহাপুৰুষৰ নতুন ধৰ্মই জনসমাজত ঠাই উলিয়াই লৈছিল। কিন্তু আহোমৰজাই ভূঞাবিলাকৰ, বিশেষকৈ মহাপুৰুষৰ কাৰ্যপন্থাত সন্দেহ কৰি হাতী ধৰিব নোৱাৰাৰ অছিলা উলিয়াই উপদ্ৰৱ কৰিব খোজাত আৰু হৰি জোঁৱাইক হত্যা কৰাত শঙ্কৰদেৱকে প্ৰমুখ্য কৰি ভূঞা কেইঘৰ কোচ ৰাজ্যলৈ ভটিয়াই যায় আৰু অ'ত এবছৰ, ত'ত ছমাহ এনেকৈ থাকি অৱশেষত পাটবাউসীত পিতাপি লয়। ইয়াতেই নাৰায়ণ ঠাকুৰ, দামোদৰদেৱ, হৰিদেৱ আদি কেবাজনো প্ৰভাৱশীল ব্যক্তিয়ে তেখেতৰ ধৰ্মত দীক্ষিত হয়। বিশেষকৈ নাৰায়ণ ঠাকুৰৰ যোগেদি বহুখিনি লোক নতুন বৈষ্ণৱ ধৰ্ম্মত শৰণ লয়। মহাপুৰুষৰ সম্মোহন ব্যক্তিত্ব, শাস্ত্ৰ-জ্ঞান, কবিপ্ৰতিভাৰ দ্বাৰা আকৃষ্ট হৈ দলে দলে লোক ভক্তি ধৰ্মলৈ ঢাল খায়। মহাপুৰুষে মহাৰাজ নৰ-নাৰায়ণৰ সভাত নিজ মতৰ সত্যতা প্ৰতিপন্ন কৰি স্বকীয় প্ৰতিভাৰ দ্বাৰা তেওঁলোকক মুগ্ধ কৰি ধৰ্ম-প্ৰচাৰৰ পথ সুগম কৰি লয়॥ এই দৰেই তেওঁৰ জীৱনৰ আগছোৱা মধ্য অসমত, মাজ-ছোৱা উজনি অসমত আৰু শেষছোৱা নামনি অসমত বাস কৰি শদিয়াৰ পৰা কোচ বেহাৰলৈকে ধৰ্ম-আন্দোলনৰ সূচনা কৰিলে। গোটেই অসমতে ঘূৰি ফুৰি কেৱল বৰ-দোৱাতে গোটেই জীৱন অতিবাহিত কৰাহেঁতেন বৈষ্ণৱ আন্দোলন একে ঠাইতে সীমাবদ্ধ হৈ থাকিলহেঁতেন।

মহাপুৰুষৰ তিৰোধানৰ পাছত মাধৱদেৱ প্ৰধান ধৰ্মাচাৰ্যৰূপে প্ৰতিষ্ঠিত হয়। মহাপুৰুষেই দেহ এৰাৰ আগে আগে মাধৱদেৱক এই পদত অভিষিক্ত কৰে। গুৰুজনাৰ পাছত ২৮ বছৰ মাধৱদেৱে গুৰুৰ পদাঙ্ক অনুসৰণ কৰি তিনিও ৰাজ্যত অৰ্থাৎ অসম, কামৰূপ আৰু কোচ ৰাজ্যত ধৰ্ম্মপ্ৰচাৰ কৰে। তেখেতে ১২ জন ধৰ্মাচাৰ্য্য নিয়োগ কৰে। অৱশ্যে মহাপুৰুষৰ তিৰো-ধানৰ অলপ পাছতেই দামোদৰ দেৱ আৰু হৰিদেৱে ফালৰি কাটি গৈ স্বতন্ত্ৰ সম্প্ৰদায় সৃষ্টি কৰি ধৰ্মপ্ৰচাৰ কৰে। ইয়াৰ ফলত আন্দোলন দুৰ্ব্বল নহৈ সবল হোৱা যেনহে অনুমান হয়। এওঁলোকে ব্ৰাহ্মণসকলৰ মাজত প্ৰচাৰকাৰ্য চলায় আৰু আন্দোলনৰ বাহিৰত থাকি নতুন ভক্তি পন্থক সন্দেহৰ চকুৰে চোৱা বহুতো লোকক ভক্তি মাৰ্গলৈ আনে। মাধৱদেৱে নিযুক্ত কৰা ১২ জন ধৰ্মাচাৰ্যৰ ভিতৰত মথুৰাদাস বুঢ়া আতা, ভবানী-পুৰীয়া গোপাল আতা, বদুলা আতা আৰু বংশীগোপাল দেৱ বিশেষভাৱে প্ৰখ্যাত। বদুলা আতা আৰু বংশী-গোপাল দেৱে উজনিত নানা বাধা-বিপত্তিৰ মাজেদি, আনকি নিজৰ জীৱন বিপন্ন কৰিও উজনিৰ বিভিন্ন ঠাইত সত্ৰ-সভা পাতি ধৰ্মৰ আন্দোলন শক্তিশালী কৰি তোলে। ভবানী পুৰীয়া গোপাল আতাই ১২





জন, মহাপুৰুষৰ নাতি পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰ-প্ৰত্যেকেই ১২ জনকৈ ধৰ্মাচাৰ্য নিয়োগ কৰি বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰত শক্তি যোগাইছিল। এওঁলোকৰ শিষ্য-প্ৰশিষ্যসকলেও সেইদৰে অসমৰ চুকে-কোণে সত্ৰ স্থাপন কৰি প্ৰচাৰ কাৰ্যত ব্ৰতী হৈছিল। ভবানীপুৰীয়া গোপাল আতাই প্ৰতিষ্ঠা কৰা বাৰ জন ধৰ্মাচাৰ্যাৰ ভিতৰত দিহিঙৰ বৰ যদুমণি আৰু মায়ামৰাৰ অনিৰুদ্ধৰ নাম বিশেষভাৱে উল্লেখ-যোগ্য। এওঁলোক দুজনে আৰু বংশধৰসকলে পিছপৰি থকা অৱজ্ঞাত লোকসকলৰ মাজত সোমাই বৈষ্ণৱ ধৰ্ম জনপ্ৰিয় কৰি তোলে। চতুৰ্ভুজ ঠাকুৰৰ পত্নী কনক-লতাই পৰিত্যক্ত বৰদোৱা থান উদ্ধাৰ কৰাৰ উপৰিও ১২ জন প্ৰধান শিষ্যক বিভিন্ন ঠাইলৈ প্ৰচাৰ কাৰ্যত পঠাইছিল। দুই-চাৰিজন ধৰ্মাচাৰ্যই জনজাতীয় অঞ্চলত সোমাই বৈষ্ণৱধৰ্মৰ ধ্বজা উৰুৱাইছিল। বাৰেঘৰ সত্ৰৰ শ্ৰীৰাম গোসাইৰ নাম জনগীতত যুগমীয়া হৈ ৰৈছে।- এই দৰে দেখা যায় যে, পঞ্চদশ শতিকাৰ শেষৰ ফালে বৈষ্ণৱ আন্দোলনৰ সূত্ৰপাত হয় আৰু সপ্তদশ শতিকাৰ শেষ ভাগলৈকে এই আন্দোলন পূৰ্ণ উদ্যমে চলি থাকে। ফলত অসমৰ ইমুৰৰ পৰা সিমুৰলৈকে মানুহৰ ভাব আৰু আধ্যাত্মিক ৰাজ্যত খলকনি উঠে।

মহাপুৰুষ শঙ্কৰদেৱে এই কথা ভালকৈ উপলব্ধি কৰিছিল যে আন্দোলনৰ প্ৰভাৱ স্থায়ী কৰিবলৈ হলে সমাজ ব্যৱস্থাৰ লগত তাৰ মৌলিক কথা আৰু আদৰ্শ গাঁথি দিব লাগিব আৰু জনতাৰ অন্তৰত স্থায়ীভাৱে তাৰ প্ৰভাৱ ৰাখিবলৈ দিহা কৰিব লাগিব। এই উদ্দেশ্যেই সত্ৰ নামঘৰৰ ব্যৱস্থা কৰা হ'ল। অৱশ্যে মহাপুৰুষৰ দিনত সত্ৰ অনুষ্ঠান পূৰ্ণাঙ্গ হোৱা নাছিল। মাধৱদেৱৰ কালত সত্ৰ অনুষ্ঠানে বিশিষ্ট গঢ় লয়। এই সত্ৰ নামঘৰে ধৰ্ম প্ৰচাৰ আৰু দৃঢ় প্ৰতিষ্ঠাত প্ৰধান ভাগ লৈ আহিছিল।

কোনো আন্দোলনেই জনতাৰ মনত চিৰস্থায়ী প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে যদি সেই আন্দোলনক সাহিত্যই স্থায়িত্ব নিদিয়ে। নাট, গীত, পদ আদি ৰচনা কৰি আন্দোলনৰ প্ৰভাৱ স্থায়ী কৰা কথাও মহাপুৰুষে চিন্তা কৰিছিল। বিৰাট বৈষ্ণৱ সাহিত্যৰ সৃষ্টি নোহোৱা হলে বৈষ্ণৱ ধৰ্ম ইমান প্ৰভাৱশীল নহলহেঁতেন। চৰিত পুথিত পোৱা যায় যে, বৰগীতৰ সুৰৰ মাধুৰ্যও কোনো কোনো লোকক বৈষ্ণৱ ধৰ্ম্মলৈ টানিছিল। গীত, বাদ্য, নৃত্য আৰু অভিনয়ৰ ব্যৱস্থাই জনসমাজৰ আনন্দ বিধান কৰাৰ লগে লগে তেওঁলোকক অজানিতভাৱেই ধৰ্মৰ ফালে টানি নিছিল। নীৰস ধৰ্মতত্ত্ব আৰু আচাৰ বিচাৰৰ ব্যৱস্থাই জনসমাজৰ হৃদয় সহজে দিন আকৰ্ষণ কৰি ৰাখিব নোৱাৰে। গতিকে সুকুমাৰ কলাৰ মাধ্যমেৰে জনতাৰ হৃদয় ধৰ্মৰ লগত বান্ধি ৰখাৰ যি ব্যৱস্থা কৰা হ'ল সেই ব্যৱস্থাই নতুন মাৰ্গক স্থায়িত্ব দান কৰিলে। এই দৰেই বৈষ্ণৱ আন্দোলনে অসমৰ সমাজত নতুন জাগৰণ আনে। এই আন্দোলন প্ৰেমৰ আন্দোলন, শাৰীৰিক শক্তি, ভীতি প্ৰদৰ্শন আৰু বাহিক বিক্ষোভ ইয়াত নাই। অহিংসা, দয়া, ভগৱৎপ্ৰেম এই আন্দোলনৰ ভেটি।

# অসমীয়া উপন্যাস আৰু বিৰিঞ্চি বৰুৱা

অধ্যাপক শ্ৰীযোগেশ দাস

এবাৰ পঢ়াৰ পিছত, ৰায়বাহাদুৰৰ ঘৰত ফেঁচু আৰু মিলিকাই চাহৰ টেবুলত কৰা কাণ্ডটো আকৌ পঢ়িব লগা হয় বুলি মই বহুবাৰ "জীৱনৰ বাটত" খন পুনৰ মেলি লবলৈ সংকোচ কৰি আহিছো। অনার্চ লৈ বি-এ পাছ কৰা কমলাকান্ত নিশ্চয় হাকিম-মুন্সিফ হব বুলি অনুমান কৰি লৈ ডিব্ৰুগড়ৰ চাহ-খেতিয়ক ৰায়-বাহাদুৰে কেৰাণী মহীকান্ত বৰুৱাৰ পৰিয়ালটোক চাহৰ নিমন্ত্ৰণ দিছিল; উদ্দেশ্য, জীয়েক সুপ্ৰভাৰ লগত কমলাকান্তক সাঙুৰি দিয়া। বৰুৱা, বৰুৱানী, কমলাকান্ত, ভায়েক ফেচুঁ আৰু মিলিকা, ভনীয়েক মাকণি আৰু বেণুকণি। "চকুৰ ঠাৰেৰেই মাকৰ পৰা অনুমতি লৈ বেণুকণিৰে সৈতে মাকণি টেবুলৰ কাষ চাপিল। মাকণি আহিবলৈ নৌ পাওঁতেই আগৰ পৰা চকু দি থকা ফেঁচুৱে নিজৰ কাঁহীৰ ৰসগোল্লাটো টপকৈ গিলি মিলিকাৰ ভাগৰটোও আনি সাউতকৰে মুখত ভৰালেহি। উপায়-হীন হৈ মিলিকাই ভেঁ-কৰে কান্দি ধোপোচ কৰে মাটিত বহিল। কিবা এটি দুৰ্ঘটনাৰ অনুমান কৰি পূৰ্ব্বৰে পৰা কমলাকান্তই পিৰিক-পাৰাকৈ দুই ভায়েকৰ কথা-কাণ্ডলৈ চাই আছিল। মিলিকাৰ কান্দোনত মুখত লোৱা চাহ ঢোকো লাজত ডিঙিৰ পাৰ নোহোৱা হ'ল। ৰায়বাহাদুৰণীয়ে হতালিকে কথাটো গমধৰি 'নেকান্দিবা, নেকান্দিবা, মই তোমাক আৰু এটা দিম' বুলি সান্ত্বনা দি বাহু দুটাত ধৰি মিলিকাক থিয় কৰি দিলে। থাৰলৈ পালে যোৱাৰ মুখতো মাত ওলায়। ৰসগোল্লা পোৱাৰ আশাত কান্দোন এৰি মিলিকাই একে উশাহতে কলে, 'ও, ও, মোক লাৰু দুটা দিব লাগিব'।"

ডঃ বৰুৱাৰ দুয়োখন উপন্যাস এইবাৰ আকৌ পঢ়ি চাই পালোঁ যে "সেউজী পাতৰ কাহিনী"তো তেনেকুৱা পঢ়িলে-লাজ-লাগিবপৰা দৃশ্য এটা আছে। গাৱঁৰ পৰা পলাই অহা ল'ৰা নৰেশ্বৰে বাগিচাত আশ্ৰয় পালে মিলাৰ চাহাবৰ বঙলাত। মিছেছ মিলাৰে (এলি চেইমুৰ) তাক পাতিলে তেওঁৰ নিজা 'বয়' বা 'হাতধৰা লিগিৰা'। কিন্তু ভালুকৰ দৰে জপৰা মূৰ আৰু মলিয়ন চুৰিয়াৰেতো মেমচাহাবৰ বয়গিৰি কৰা নচলে। গতিকে নৰেশ্বৰৰ চুলিৰ দিয়া হ'ল 'বয়-কাট্' আৰু খানচামা ৰহমতে মেমৰ পৰা আনি দিলে মিলাৰ চাহাবৰ খাকী হাফ্-পেণ্ট আৰু বগা কামিজ। বঙলাৰ একমাত্ৰ বয় বুধুৱে নৰেশ্বৰক বয়গিৰিৰ সকলো কায়দা শিকাই দিলে। "মিলাৰ চাহাবৰ খাকী হাফ্পেণ্ট বগা-কামিজ পিন্ধি ৰহমতৰ ফণিৰে বয়কাটৰ চুলি আচুৰি নৰেশ্বৰ সাজু হৈ আছিল; বুধুৱে মাত দিওঁতেই বাহিৰ ওলাল। নৰেশ্বৰৰ সাজ-পোছাক পৰীক্ষকৰ চাৱনিৰে চাই বুধুৱে কলে,—সাজটো ভালেই হৈছে; তাতে তোৰ গাৰ বৰণ-টোও আমাতকৈ চাফা। মেমচাহাবে ভালেই পাব। ভৰিত জোতা যুৰত পাগুৰিটো হোৱা হলে পুৰাই হ'লহেঁতেন।" এইটো দৃশ্য যদি কেতিয়াবা আমাৰ কথাছবি প্ৰযোজক-পৰিচালকে চেলুলয়দত ফুটাই তোলে তেন্তে মই কিজানি পেটত হেঁচা মাৰি ধৰি হাঁহি লব লাগিব।



সূক্ষ্ম দৃষ্টিৰে দেখা এনেকুৱা সজীৱ, বাস্তৱ ছবি ভৰি আছে ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাস দুখনত, বিশেষকৈ তেওঁৰ "জীৱনৰ বাটত" খনত। মৌজাদাৰৰ জীয়েকৰ বিয়ালৈ বুলি গুৱাহাটীৰ কলেজৰ পৰা ককায়েক কৃষ্ণদত্ত গৈছে মৰাভিৰ ঘৰলৈ, লগত বন্ধু কমলাকান্ত। ৰাতি পুৱাওঁ পুৱাওঁ হওঁতে গৰুৰ গাড়ীৰে গাওঁ সোমাইছেগৈ। গাৱঁৰ জীয়ৰী-বোৱাৰী দুই-এজনী উঠিছে। কোনোবা এজনীয়ে গোহালিৰ গোবৰ নি বাটৰ কাষৰ ভেৰত পেলাইছেগৈ, এনেতে ডেকা দুজনলো কোন বুলি চাইছে, কিন্তু মৌজাদাৰৰ পুতেকৰ লগত এজন অচিনাকি ল'ৰাক দেখি ওৰণি দীঘলকৈ টানি মুখখন এফলীয়া কৰি থৈ দিছে। বিয়ালৈ বুলি তামোল-পানৰ আগ-গুৰি কটাৰ অচিলা লৈ ৰৰঘৰৰ কাষৰ কোঁঠা এটাত আইদেউৰ সমনীয়া কেইবাজনীও ছোৱালীয়ে থুল পাতি বহিছেহি," সিহঁতৰ কাষতকৈ কথা আৰু হাঁহিয়েই বেছি, আৰু কত কথা, কত ঠাট্টা-মস্কৰা! তগৰৰ দ্বিতীয় প্ৰসৱৰ দৃশ্যটো—পাটীৰে মাটিত বিচনা পাৰি চেলেং এখনেৰে ডোল বান্ধি দিয়া, চিঞৰি থকা তগৰক পেহী-য়েকে ভেকাহি মাৰি দিয়া, ইত্যাদি। এখন সাধাৰণ গাৱঁৰ ঘৰৰ ছবি: "ৰাতিৰে পৰা কমলিয়ে চিঞৰি আছে; মাকে নিচুকাব পৰা নাই। পিয়াহটো মুখত লগাই দিলে মুখ অৰ্তৰাই নিয়ে। হলকে হলকে ছন্দিয়াইছে। মাকৰ গাখীৰ পেটত নোবোৱাই হৈছে। বুঢ়ীমাকে বকিছে বোৱাৰীয়েকক—'তাইনো যাৰে তাৰে আগত ছোৱালীজনীক পিয়াহ দিব পাইনে? কাৰোবাৰ মুখ লাগিল। নহলে চেৰেউ-চেৰেউকৈ কন্দা ছোৱালী তাই নহয়!'

"শাহুৱেক দুপৰীয়া ভাতৰ চৰু'ত। বৰুবৰুকৈ ভাতৰ উতল আহিছে। চোতালত তগৰে কমলিক লৈ নাম-গুণ গাই নিচুকাবলৈ চেষ্টা কৰিছে। কান্দোন বন্ধ নোহোৱাত থং উঠি কৈছে, 'কিনো হ'ল অ' এইজনীৰ? মুখত সোপা দিম ৰ।'

"বান্ধনিঘৰৰ পৰা শাহুৱেকে মাত দিলে, 'হয়েঁ, তাইক লৈ আহ, অসুখীয়া ছোৱালীজনীক তই জোকাৰ-পোকাৰখন কৰিব নেলাগে। পেটলৈ গাখীৰ অকণ যোৱা নাই—তাইহে জানিছে'।" বুঢ়ীয়ে নাতিনীয়েকক কোলাত লৈ বগা সৰিয়হ এমুঠি ফুৰাই ফুৰাই মুখ লগা ভাঙিবলৈ মন্ত্ৰ মাতিবলৈ ধৰিলে, 'শুন সৰিসা তোৰ কহো জন্মজাতি'......।

নগৰৰ আধুনিক জীৱন-যাত্ৰাক অস্বীকাৰ নকৰিও যিহক আমি অসমৰ ঐতিহ্য বোলোঁ তাৰ বাহক গ্ৰাম্য-জীৱনৰ এনে নিখুঁত চিত্ৰ অসমীয়া উপন্যাসত আৰু ক'ত? ৰজনীকান্ত বৰদলৈ আৰু পদ্মনাথ গোহাঞি বৰুৱাই তেওঁলোকৰ উপন্যাসত অসমীয়া গাৱঁৰ ছবি আঁকিছিল; কিন্তু সেইবিলাক ছবি তেওঁলোকে নেদেখা বিগত অতীতৰ হোৱাত কল্পনাৰে বোলাই ধুঁৱলি-কুঁৱলী কৰি পেলোৱা হৈছিল। ব'হাগৰ দুপৰীয়া ঘৰৰ বাৰীত সোমাই প্ৰাকৃতিক পৰিবেশক জীৱন-যাত্ৰাৰ পদ্ধতিৰে উপলব্ধি কৰি "ফুল" উপন্যাসৰ নায়িকাই কৰা অনুভৱ কণতো দণ্ডিনাথ কলিতাই কেৱল এটি আভাসহে দিব পাৰিছিল। গোহাঞিবৰুৱাই বৰং "গাওঁবুঢ়া" নাটকতে বৃটিছ শাসনৰ পাতনিৰ গাৱঁলীয়া সমাজৰ সুন্দৰ আভাস দাঙি ধৰিবলৈ সক্ষম হৈছিল। লক্ষ্মীনাথ বেজবৰুৱাই কিজানি পাৰিলেহেঁতেন; তেওঁৰ "ভদৰী" "পাটমুগী", "সেনে চোৰ তেনে টাঙোন" আদি গল্পত তাৰ পৰিচয় আছিল; কিন্তু বেজবৰুৱাই উপন্যাস লিখাৰ পিনে মন নিদিলে। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ "আই" উপন্যাসত ক্ষয়িষ্ণু গ্ৰাম্য সমাজক সামাজিক দৃষ্টিৰে চোৱা হৈছে; আব্দুল মালিকৰ "সূৰুযমুখীৰ স্বপ্ন" আৰু "আধাৰ শিলা"ত উজনিৰ অসমীয়া মুছলমান গাৱঁৰ জীৱন-যাত্ৰা নিচেই ওচৰৰ পৰা দেখি বৰ্ণোৱা হৈছে। কিন্তু তেওঁ-লোকৰ বৰ্ণনাত ব্যাপকভাৱে গ্ৰাম্য সমাজখন

ইয়াৰ সকলোখিনি জটিলতাৰে, সকলোখিনি সবলতা আৰু দুৰ্বলতাৰে মহত্ব আৰু নীচতাৰে উদ্ভাসি উঠা নাই। এটা সামগ্ৰিক চিত্ৰণ, পূৰ্ণাঙ্গ চিত্ৰণ এক "জীৱনৰ বাটত" খনৰ বাহিৰে আন ক'তো নেপাওঁ।

অথচ বিৰিঞ্চি বৰুৱাই ঔপন্যাসিকৰ দাবী পুৰাবলৈও যোৱা নাছিল। তেওঁ মাত্ৰ দুখন উপন্যাসহে লিখিলে, তাকো (তেওঁ নিজে ক'বৰ দৰে) "তিৰোতাৰ নামত"। আমি হাইস্কুলৰ ওপৰ শ্ৰেণীত থাকোঁতেই যেতিয়া প্ৰথম খণ্ড "জীৱনৰ বাটত" ওলায় তেতিয়া এটা আলোড়ন উঠি গৈছিল ; বীণা বৰুৱা কোন এই প্ৰশ্নটো তাৰ বহু বছৰ পিছলৈকে পাঠক সমাজত গৰম তৰ্কৰ বিষয় হৈয়ে আছিল। আৱাহনৰ পাতত বীণা বৰুৱাৰ "এক্সপেৰিমেণ্ট", "পট-পৰিবৰ্তন" আদি গল্প পঢ়ি কলিকতাত বেজবৰুৱাৰ উত্তৰ-সাধক অসমীয়া ডেকা গাভৰুৰ 'কাণ্ড-কাৰখানা' পঢ়ি আমোদ পাই থোৱা কাৰণে অৱশেষত অৱশ্যে বীণা বৰুৱাক চিনি পাবলৈ লাহে লাহে সহজ হৈ আহিল। ১৯৪৪ চনত "জীৱনৰ বাটত" ওলোৱাৰ পিছত আকৌ যেতিয়া ১৯৫৯ চনত বিৰিঞ্চি বৰুৱাই ৰাস্না বৰুৱা নাম লৈ "সেউজী পাতৰ কাহিনী" প্ৰকাশ কৰিলে তেতিয়া অৱশ্যে 'লেখিকা'ৰ নামৰ ৰহস্য সিমান ঘন হৈ থকা নাছিল ; মাত্ৰ 'ৰাস্না' যে ছোৱালীৰ শুৱলা নাম হ'ব পাৰে আৰু তাৰ বা অৰ্থ কি, এই লৈহে যি আলোচনা-বিলোচনা হৈছিল (ৰাস্না এবিধ কপৌফুল)। ডঃ বৰুৱাৰ নিচিনা পণ্ডিত-গৱেষকেও যে এনে পঢ়ি আমোদ পোৱা জনপ্ৰিয় উপন্যাস লিখিব, আমাৰ নিচিনা তেওঁৰ ছাত্ৰৰ পক্ষে অনুমান কৰাই টান। বোধকৰোঁ বেজবৰুৱা-গোহাঞি বৰুৱাৰ দৰেই তেওঁৰ অভাৱ পূৰাবলৈকে মাজে মাজে উপন্যাস, নাটক লিখিছিল। ডঃ বাণীকান্ত কাকতিয়ে তেওঁৰ প্ৰখ্যাত মন্তব্যত কৈছিল যে 'কলাকুশলতা আৰু থলুৱা ৰহণৰ ক্ষেত্ৰত এইখনেই একমাত্ৰ অসমীয়া কিতাপ যাক ইংৰাজীৰ নিচিনা আন্তঃৰাষ্ট্ৰীয় ভাষালৈ অনুবাদ কৰিব পাৰি......কিতাপখনে অসমীয়া সামাজিক জীৱনৰ আন্ধাৰ-পোহৰ সকলো দিশতে লেখকৰ বিস্তাৰিত আৰু সহৃদয় পৰিচয় প্ৰকাশ কৰিছে। এনে এখন উপন্যাস তেতিয়ালৈকে (১৯৪৪) কোনো অসমীয়া লেখকে প্ৰকাশ কৰা নাছিল কাৰণেই সম্ভৱতঃ ডঃ বৰুৱাই সেই অভাৱ পূৰাবলৈ গ'ল। তাৰ কাৰণে তেওঁৰ প্ৰস্তুতি একেবাৰে নাছিল বুলিলে ভুল হ'ব। 'অসমীয়া সংস্কৃতি,' 'অসমৰ লোক সংস্কৃতি' (সাহিত্য একাডেমী বঁটা প্ৰাপ্ত) লিখা, 'অঙ্কীয়া নাট'ৰ সম্পাদনা কৰা, 'আঘোণী বাই'ৰ নিচিনা চৰিত্ৰ অঙ্কন কৰিব পৰা লেখকৰ পক্ষে অসমৰ লোক ঐতিহ্যক মথি বুজিবলৈ বৰ বেছি টান হোৱা নিশ্চয় নাছিল। দুয়োখন উপন্যাসতে আমাৰ সমাজত মন্ত্ৰৰ প্ৰভাৱৰ কথা আছে, লোমহৰ্ষক বৰ্ণনাও আছে। মায়ঙৰ ঐতিহ্য নিচেই কাষৰ পৰা অনুভৱ কৰা নগাঁওৰ লেখকৰ পক্ষে ই যেন এটা স্বাভাৱিক কথা। 'অসমীয়া সংস্কৃতি'ত তেওঁ ভালেমান মন্ত্ৰৰ উদ্ধৃতিসহ দীঘলীয়া আলোচনা কৰিছে। 'জীৱনৰ বাট'ত উপন্যাসত যিখন গাৱঁলীয়া সমাজৰ ছবি ফুটাই তোলা হৈছে সেইখন নগাৱঁৰ বহা অঞ্চলৰ। লেখকে নিশ্চয় নিচেই ওচৰৰ পৰা এইখন সমাজক লক্ষ্য কৰি আহিছিল। কিন্তু বহাৰ বুলি যে ই কেৱল নগাঁওৰ গাৱঁৰে কথা, এনে নহয় ; ই দৰাচলতে সদৌ অসমৰে গাৱঁৰ কথা। জাত-কুল লৈ, উজনি নামনি লৈ অনেক ক্ষুদ্ৰতা এইখন সমাজৰ। এই ক্ষুদ্ৰতাৰ পৰাই আকৌ অসাধাৰণ মহত্তও প্ৰকাশ পায়। বৰ জটিল এই সমাজ-মন। বহাৰ কলিতা লৰা ধৰণী মাইহঁতে উজনি মৰাণৰ (গাতে লগা দুই জিলাৰ) ছোৱালী তগৰক বিয়া কৰাব—কি সাংঘাতিক কথা! উজনীয়া মানুহক কি বিশ্বাস? তাতে ধৰণীহঁতৰ ঘৰ হ'ল নিজৰ গাৱঁত একমাত্ৰ কামৰূপৰ পৰা উঠি অহা কলিতা, জাতত কেনেবাকৈ গোলমাল লাগিলে তিষ্ঠাই টান হব! গতিকে সম্বন্ধীয়া ভায়েকক বেলেগে পঠিয়াই দিয়া হ'ল খবৰ লবলৈ : "ককায়েকৰ কলিতা-কুল ৰক্ষা কৰিবলৈ মনোহৰে উজানলৈ যাত্ৰা কৰিলে।" বিয়াৰ



পিছত তগৰ যেতিয়া প্ৰথম ঘৰ সোমালহি তেতিয়াও কত সমালোচনা, কত পৰীক্ষা। জাত-কুলৰ বোলে ঠিক নাই, "তেনেই আহোমনী গঢ় বোলে?", "এটা বোলে খহাই আহিছেই"; যি হবৰ হ'ল বুলি, আৰু তগৰৰ বাপেকৰ ঘৰখনো ভাল কলিতাৰে ঘৰ বুলি মনোহৰে নিজে দেখি আহি কোৱাত, শাহুয়েক আহিনী বুঢ়ীয়ে সনাতন পদ্ধতিৰে বোৱাৰীয়েকক গৰকিবলৈ ধৰিলে : দীঘলকৈ ওৰণি ললেও জগৰ, "কোনটো জেঠালৰ আগতনো ওৰণি টানিছে? সেই গৰাকী তোৰ খুৰীয়েৰ নহয় হবলা?" আকৌ ওৰণি ভালকৈ নোলোৱা বুলিও গালি, "এইজনী ক'ৰ লাজ-চৰমৰ মূৰখাতী ওলালহি অ', মূৰত কাপোৰ খনো লব নখোজে"। এইখন সমাজৰ মাজত পৰি নিৰ্দোষ নিৰ্মল গাভৰু তগৰৰ জীৱনৰ, যৌৱনৰ সকলো আশা-আকাঙ্ক্ষা লাহে লাহে মৰহি গ'ল ; যি কথা এজন নগাঁওৰ কবিয়েই কৈছিল যে 'নতুন ঘৰত তুমি চেনেহৰ শলিতাৰে জলাবা যি ন চাকি গছি, তাৰ পোহৰত মাৰ জীয়ৰী কালৰ আশা সুখ দুখ দিনে দিনে মচি' (দেৱকান্ত বৰুৱা, ১৯৪০), সেই কথা যেন তগৰৰ পাতে ফলিয়ালে। অথচ এইখন সমাজৰে সবল ল'ৰা আছিল মনোহৰ, যি তগৰৰ ঘৰ আৰু জাত-কুলৰ শুদ্ধ পৰিচয় আনি নিজ গাৱঁৰ বিৰুদ্ধাচৰণক শাস্তি কৰিছিল ; ইয়াৰে ল'ৰা ধৰণীয়ে দেশমাতৃকাৰ আহ্বানত কংগ্ৰেছৰ আন্দোলনত জপিয়াই পৰি জীৱনটোকে দান কৰিছিল ; ইয়াৰেই কানীয়া হাতীমাউত শুকমল কছাৰীয়ে গান্ধীৰ আহ্বানত কানি এৰি ৰাগীৰ প্ৰকোপত তিষ্ঠিব নোৱাৰি বহাৰ ভিতৰতে কোনেও গম নোপোৱাকৈ মৰিল। ডেকা-গাভৰু, বুঢ়া-বুঢ়ী অসংখ্য জীৱন্ত চৰিত্ৰ সহ এইখন চিৰন্তন গ্ৰাম্য সমাজকে সামগ্ৰিকভাৱে কৃতকাৰ্যতাৰে ডঃ বৰুৱাই তেওঁৰ উপন্যাসত ফুটাই তুলিছে। কংগ্ৰেছৰ আন্দোলনৰ দৰে সাময়িকতা ইয়াত আছে ; নগাৱঁৰ দৰে আঞ্চলিকতাও আছে ; তথাপি সেইবিলাক চিৰন্তনতা আৰু সামগ্ৰিকতাৰে অংশ বিশেষ মাথোন। এনে হোৱা কাৰণেই আৰু আন কোনো উপন্যাসতে এনে হোৱা নাই কাৰণেই "জীৱনৰ বাটত" অসমীয়া সাহিত্যত অনন্য উপন্যাস। সমালোচক সকলে কয় যে আজিৰ দিনত মহাকাব্যৰ স্থান লৈছে উপন্যাসে ; ইয়েই আজিৰ জন-সাহিত্য ; উপন্যাসেই প্ৰথম কলাবস্তু যিহত মানুহক পূৰ্ণাঙ্গভাৱে প্ৰকাশ দিয়া হয় ; সকলো কলাকাৰৰ ভিতৰত কেৱল ঔপন্যাসিকেই তেওঁৰ দেশখনক প্ৰকাশ দিয়ে (ৰাল্ফ্ ফক্স)। বিৰিঞ্চি বৰুৱাৰ এই উপন্যাসখনে নিশ্চয় এইবিলাক মন্তব্যৰ সংগতি ৰক্ষা কৰিছে।

এক অৰ্থত "সেউজী পাতৰ কাহিনী" ও অসমীয়া ভাষাৰ অনন্য উপন্যাস। কাৰণ ইয়াতেই মাত্ৰ চাহ বাগিচাৰ জীৱনক সামগ্ৰিক ভাৱে ফুটাই তুলিবলৈ আজিলৈকে চেষ্টা কৰা হৈছে। গল্প-উপন্যাসত চাহ বাগিচাৰ চিত্ৰ একেবাৰে নোহোৱা নহয় ; কিন্তু, অসমীয়া গাওঁকে বিষয়-বস্তু কৰি লোৱাৰ দৰে, কেৱল বাগিচাকে মুখ্যতঃ প্ৰকাশ কৰিবৰ কাৰণে অসমীয়া উপন্যাসত চেষ্টা কৰা দেখা নেযায়। অথচ চাহ শিল্পই অসমৰ অৰ্থনীতিৰ এটা ডাঙৰ অংশ পূৰ্ণ কৰি আছে ; বাগিচাৰ জীৱনৰ সৈতে অসমীয়া মানুহৰ জীৱন এৰাব নোৱাৰাকৈ জড়িত যিসকল বনুৱা অসমৰ বাহিৰৰ নানান ৰাজ্যৰ পৰা আহি অসমৰ চাহ বাগিচাবিলাকত সোমাই পৰিছে সেইসকল অসমৰে স্থায়ী বাসিন্দা অসমীয়া হৈ পৰিছে। বাগিচাৰ অৰ্থনীতিয়ে অসমীয়া মানুহৰ শিক্ষা-সাহিত্য সংস্কৃতিতো প্ৰভূত ৰবঙণি যোগাইছে। কিন্তু অসমীয়া সাহিত্যত এই বাগিচাৰ জীৱনৰ পূৰ্ণাঙ্গ প্ৰতিফলন নোহোৱাটো বৰ আচৰিত কথা। বোধকৰোঁ একেই দৰে পৰ্বতীয়া বাইজৰ জীৱন আৰু ভৈয়ামৰ বহুতো জনজাতিৰ জীৱনৰ বৰ্ণাঢ্যতাৰ প্ৰতিও অসমীয়া লেখক সকল সমানেই আওকণীয়া। বীৰেন ভট্টাচাৰ্য (নগা জীৱনৰ বিষয়ে "ইয়াৰুইঙম" উপন্যাস), পদ্মপতি ভৰদ্বাজ (গাৰো জীৱনৰ বিষয়ে "ছিমছাঙৰ দুটা পাৰ উপন্যাস), মেদিনী চৌধুৰী (গাৱঁৰ বড়ো-কছাৰীৰ

বিষয়ে গল্প ) আদি কেইজনমান লেখকৰ যৎসামান্য গল্প-উপন্যাসৰ বাহিৰে এই দিশতো উদাহৰণ দিবলৈ বৰ বেছি নাই। এনে অভাৱ দেখিয়েই বোধকৰোঁ বিৰিঞ্চি বৰুৱাই চাহ বাগিচাক কেন্দ্ৰ কৰি "সেউজী পাতৰ কাহিনী" লিখি বাট কাটি দিবলৈ চেষ্টা কৰিছিল। বুধু, চনিয়া, লখু, ৰাঙু, তিলকমতী, সাবিত্ৰী, দুৰ্জন চৰ্দাৰ আদি বনুৱা মতা-মাইকীৰে, বৰবাবু, পোৱালি মহৰী, জমাদাৰ আদি বাবু শ্ৰেণীৰে, আৰু মিলাৰ চাহাব আৰু তেওঁৰ মেম এলি চেইমুৰক লৈ ইউৰোপীয়ান শ্ৰেণীৰে বাগিচাৰ জীৱনক পূৰ্ণাঙ্গ ৰূপত ডঃ বৰুৱাই ফুটাই তুলিবলৈ চেষ্টা কৰিছে। ইয়াত আছে কোনোবা চাহাবৰ ভূতপূৰ্ব ৰক্ষিতা আলোমনিৰ ঘৰত ৰাতি হোৱা অবাধ মদ্যপান, নৃত্য-গীতৰ উপভোগ, ইয়াত আছে দুৰ্জন চৰ্দাৰৰ চোকা নজৰত পাত তোলা ছোৱালী-হঁতৰ অবাইচ ঠাট্টা-মস্কৰা আৰু পোৱালি মহৰীৰ নিৰ্লজ্জ লালসা, ইয়াত আছে বনুৱাহঁতৰ সৰু-সুৰা কাজিয়া-পেচালৰ বৰচাহাব মিলাৰে কৰা বিচাৰৰ ভেকোভাওনা, ইয়াত আছে ছমাৰছেট মমৰ দক্ষিণ সাগৰীয় গল্পৰ দৰে ৰাউন্সী মিলাৰৰ ব্যভিচাৰ আৰু এলি মিলাৰৰ নিঃসঙ্গতা-জনিত কামসিক প্ৰতিক্ৰিয়া। অনুমান হয় যে লেখকে জীৱনৰ বাটত উপন্যাসত কৰাৰ দৰে ইয়াতো বাগিচাৰ কোনো এটা দিশৰ কথাকে বাদ নিদিয়াকৈ সমল আহৰণ কৰি এটি পূৰ্ণ চিত্ৰ ফুটাই তুলিবলৈ চেষ্টা কৰিছিল। গাওঁৰ ল'ৰা নৰেশ্বৰে এই বাগিচালৈ আহি ইয়াৰ জীৱনৰ লগত মিলি যাবলৈ চেষ্টা কৰিছিল। কামসিক পোৱালি মহৰিয়ে যদি বাগিচাৰ ছোৱালী চনিয়াৰ প্ৰতি লালসাৰে চকু ৰাখিছিল তথাপি তেওঁৰ গাওঁৰ ঘৰত আছিল ল'ৰা-ছোৱালী। এইদৰে অসমীয়া গাওঁৰে সৈতে বাগিচাৰ সম্পৰ্ক স্থাপন কৰা হৈছে। বাগিচাৰ ওচৰৰ হাটলৈ ডেকা-গাভৰু, বুঢ়া-বুঢ়ী যায় আজনৰ পইচাৰে নানান বস্তু কিনিবলৈ ; হাটত কাবুলীয়ে ধকৰা বিচাৰি পিটিপটাই ফুৰে ; বাগিচাৰ লাইনৰ উপাৰ এই বজাৰতো পাদুৰি জোনাথনে যীশুৰ বাণী বিলাই ফুৰে। উছৱে-পৰ্বে বা এনেয়েও বাগিচাৰ ডেকা-গাভৰুৰ প্ৰেমৰ মুকলি হাট বহে। মহৰ নামৰ নতুনকৈ অহা বনুৱা গাভৰু এজনীৰ সৰ্বনাশ কৰি দুৰ্দ্ধৰ্ষ কোনোবা "আৰ্মি" চাহাবক অতীতত এই বাগিচাতে মহৰাৰ প্ৰেমিক ফেকুৱে এৰাতি টেটু চেপি মাৰিছিল ; মৰি যোৱা মহৰাৰে অবৈধ সন্তান আছিল চনিয়া। আৰ্মি চাহাবৰ উত্তৰাধিকাৰী মেনক্লাৰ মিলাৰে পত্নী এলি চেইমুৰক বহুলাত এৰি এৰি আন এখন বাগিচাৰ আন এজন চাহাবৰ মেমৰ পাচে পাচে প্ৰেম ভিক্ষা কৰি ফুৰিছিল। বিলাতত এৰি অহা প্ৰেমিক-সকলৰ কথা ভাবি ভাবি স্বামীৰ ব্যভিচাৰত অতিষ্ঠ হৈ এলি চেইমুৰে শেষত এক অদ্ভুত প্ৰতিক্ৰিয়াৰে প্ৰতিশোধ লবৰ কাৰণে বেচেৰা নৰেশ্বৰকে দেহদান কৰিবলৈ ওলাইছিল। আমি সকতে ডুমডুমা অঞ্চলৰ বাগিচাৰ কলঘৰ নিৰ্মাণ বা মেৰামতি কৰা কামত চীনা বাঢ়ৈ নিয়োজিত হোৱা দেখিছিলো। বায়া বৰুৱাৰ "সেউজী পাতৰ কাহিনী"তো টিং মিন নামৰ চীনা মিস্ত্ৰী এজন আছে, যি সৰু ল'ৰাৰ দৰেই দেশত এৰি থৈ অহা মাকক পাহৰিব নোৱাৰি মন মাৰি থাকে আৰু সেই কাৰণে মিনৰ ঘৈণীয়েক পাগলীয়ে (সীতা) মাতৃ পত্নী উভয়ৰে ভূমিকা গ্ৰহণ কৰিবলগীয়া হয়। চাহ বাগচাৰ জীৱনক এনেকৈ সৰ্বাত্মকভাৱে প্ৰকাশ দিবলৈ প্ৰথম বাৰৰ কাৰণে চেষ্টা কৰি লেখকে আমাৰ নিচনা বাগিচাৰ খবৰ ৰখা বহু লেখকলৈ আহি দেখুৱাই থৈ গৈছে। অসমৰ জীৱনৰ এটা বিশিষ্ট অঙ্গ বাগিচাৰ জীৱনক এইদৰে দাঙি ধৰা কাৰণে এইখন কিতাপেও 'জীৱনৰ বাটত' খনৰ দৰেই অসমীয়া সাহিত্যৰ বুৰঞ্জীত বিশিষ্ট স্থান অধিকাৰ কৰিছে। কেৱল গল্প উপন্যাসকে সাহিত্য চৰ্চাৰ একমাত্ৰ মাধ্যম কৰি নোলোৱা সত্বেও ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই দুটা বিশেষ ক্ষেত্ৰত অসমীয়া উপন্যাস সাহিত্যৰ অভাৱ পূৰ্ণ কৰি আমাৰ নিচিনা লেখকক বাট দেখুৱাই থৈ গ'ল।

কিন্তু 'জীৱনৰ বাটত' ওলাওঁতে পঢ়ুৱৈ সমাজত যিমান ডাঙৰ আলোড়ন উঠিছিল, 'সেউজী পাতৰ কাহিনী'য়ে বিস্ময়ৰ সৃষ্টি কৰিলেও তেমান আলোড়ন



তুলিব নোৱাৰিলে। নানান দিশত 'সেউজী পাতৰ কাহিনী' সুসংহত আৰু সুসমঞ্জস হোৱা সত্বেও, আৰু এই-বিলাক গুণ প্ৰথমখন উপন্যাসত অপেক্ষাকৃতভাৱে কাম থকা সত্বেও, দ্বিতীয়খন উপন্যাস বৰ বেছি আলোচনাৰ বিষয় হব নোৱাৰিলে। প্ৰথমখনত গুনদ ( ধৰণীৰ সম্বন্ধীয় লোক, অৰ্থলোলুপ মাতব্বৰ ), ভগৰ, ডাক্তৰ আদি মাত্ৰ কেইটামান চৰিত্ৰৰ বিকাশ-বিশ্লেষণৰ বাহিৰে বাকী অসংখ্য চৰিত্ৰ আভাস মাত্ৰ হৈ ৰৈ গ'ল ; লোকাৰণ্যৰ মাজত অ'ত ত'ত দুই-চাৰি চিনাকি মানুহৰ নাম-ধামহে যেন লেখকে কৈ যাব পাৰিলে। দৃশ্য বৰ্ণনাতো তেনেকৈ মৌজাদাৰৰৰ ঘৰৰ বিয়াখন, শাহ-বোৱাৰীৰ সম্পৰ্ক, গুনদৰ চোতালত বহা গাওঁৰ মানুহ কেইজন, মনোহৰৰ বেলযাত্ৰা ইত্যাদিত লেখকৰ সূক্ষ্ম বাস্তৱ জ্ঞান প্ৰকাশ পালেও বাকী বহুত কথাই আকাৰে ইংগিতে মাত্ৰ কৈ যোৱা হৈছে। 'সেউজী পাতৰ কাহিনী'ত অসংখ্য খণ্ড চিত্ৰ নাই, যি কেইটা ডাঙৰ ছবি আছে সেই কেইটাক লেখকে যথেষ্ট মনোযোগেৰে বহলাই অংকন কৰিছে। চনিয়া, নৰেশ্বৰ, বুধু, বাবুৰ্চী ৰহমত, আলোমণি, এলি চেইমুৰ আদি চৰিত্ৰও লেখকৰ চৰিত্ৰ-চিত্ৰণৰ দক্ষতাৰ পৰিচায়ক। এইখনে কম আলোড়ন তোলাৰ কাৰণ কি ? মোৰ ব্যক্তিগত ধাৰণাৰে, লেখকে বাগিচাৰ জীৱনক বাগিচাৰ ভিতৰৰ পৰা চোৱাতকৈ বাগিচাৰ বাহিৰৰ পৰা চোৱা কাৰণেই এনে হবলৈ পাইছে। শুনিছো লেখকে বোলে নিজে ডিব্ৰুগড়ৰ চাহ বাগিচাত কিছুদিন কটাই, বনুৱাৰ মাজত সোমাই তেওঁলোকৰ জীৱনটো ওচৰৰ পৰা চাইছিলগৈ। বোধহয় সেই চোৱাটো যথেষ্ট নহ'ল। প্ৰকাশকৰ নিবেদন এই : "সেউজী পাতৰ কাহিনী পুৰণি লিখিকাৰ ! নতুন নামত ওলোৱা উপন্যাস। লিখকৰ মতে এইখন উপন্যাস নহয়—কাহিনীহে। যোৱা মহাসমৰৰ পূৰ্বৰ কোনো এক কল্পিত বাগিচাৰ বনুৱাৰ জীৱন এই উপন্যাসত বৰ্ণোৱা হৈছে।" লেখকৰ মনতো কিছু সন্দেহ আছিল ? মন কৰিবলগীয়া যে উপন্যাসৰ ঘটনাটো বাগিচালৈ নতুনকৈ অহা গাওঁৰ ল'ৰা নৰেশ্বৰৰ চকুৰে চাই বৰ্ণনা কৰা হৈছে।

নৰেশ্বৰৰ চকুৰে বাগিচাৰ জীৱনত এভুমুকি মৰাটোত আমি বিশেষ গুৰুত্ব দিব খোজো। উপন্যাস খনৰ কাৰণে ইয়াতে আমি বিশেষত্ব আৰোপ কৰিব খোজো। কৈশোৰৰ পৰা যৌৱনলৈ উত্তৰণ কৰা কালৰ ল'ৰা নৰেশ্বৰ, জীৱনৰ স্বৰূপক গ্ৰহণ কৰিবলৈ সি উন্মুখ। বংশ পৰম্পৰাই বেজৰ ঘৰৰ সি ল'ৰা, গাওঁক পাচ পেলাই সি এৰি থৈ আহিছে হাজাৰ বছৰ বিয়পা ঐতিহ্যৰ অৱশেষ : তাৰ তেজত সেই অৱশেষ মিহলি হৈ আছিল। চাহ বাগিচা উদ্যোগ বিপ্লৱৰ পিছৰ বণিক সভ্যতাৰ দ্বাৰা সংগঠিত ব্যৱস্থা। মিলাৰ দম্পতি সেই সভ্যতাৰ প্ৰতিভূ, সেয়ে তেওঁলোকে বাগিচাত ৰজা-ৰাণীৰ দৰে থাকে। ভাৰতৰ বিভিন্ন ঠাইৰ গ্ৰাম্য, হাবিতলীয়া পৰিবেশৰ পৰা চাপি-কুচি অহা বনুৱাসকলে এই নতুন ব্যৱস্থাৰ লগত খাপ খাবলৈ চেষ্টা কৰিছে। এই ব্যৱস্থাত হৃদয়ৰ সংযোগ নথকাৰে কথা : বাগিচাৰ চাহাবসকলে বনুৱা-কৰ্মচাৰীৰ ওপৰত বিশ্বাস নাৰাখি কাম কৰে ; দুৰ্দান্তপ্ৰতাপ আৰ্মি চাহাবৰ পাশবিকতাৰ বলি হৈছিল মহৰা, আৰু তাৰে কুপৰিনাম চনিয়াৰ জন্ম ; ৰাউন্সী মিলাৰ আৰু এলি চেইমুৰে ৰজ-ৰাণীৰ দৰে থাকিও জীৱনৰ নামত সম্ভোগৰ ছুঁ-জুই খেদি ফুৰে। নৰেশ্বৰেও এই ব্যৱস্থাৰ সৈতে খাপ খাব খুজি পদে পদে উজুটি খাইছিল : এলি চেইমুৰৰ বয় হৈ সি মিলাৰৰ পেলনীয়া পোছাক পিন্ধি গুডমৰ্নিং, থেঙ্ক ইউ কবলৈ শিকাৰ পৰা সকলো কাম বুধু বেহাৰাৰ পৰা শিকিব লগা হৈছিল, 'মেচিচ' কাক কয় তাকেই নাজানিছিল, বুধু আৰু ৰহমতৰ পৰা নৈশ অভিসাৰৰ দীক্ষা লৈছিল। সি চনিয়া-লখু-ৰাধু-তিলকমতীহঁতৰ সৈতে মিলি যাব খুজিছিল, চানথাক বিয়া কৰাবলৈ প্ৰস্তুত হৈছিল। কিন্তু শেষপৰ্যন্ত স্থিৰ নোৱাৰিলে। এক ব্যাখ্যাহীন নৈৰাশ্যৰ বশৱৰ্তী হৈ চনিয়া গুচি যোৱাত তাৰ যি মন

ভাগি গ'ল সি একেবাৰে মৰিমূৰ হৈ গ'ল। মিছেছ মিলাৰে পাশৱিক সম্ভোগৰ কাৰণে নিৰ্লজ্জভাৱে তাক ৰাতি শুই থাকোঁতে গ্ৰাস কৰিব খোজাত : সেই ৰাতিয়েই সিও বগুলা আৰু বাগিচাৰ পৰা চিৰদিনৰ কাৰণে ওলাই গ'ল। বণিক সভ্যতা আৰু যান্ত্ৰিক যুগৰ হৃদয়হীনতাৰ সৈতে তাৰ প্ৰাচীন গ্ৰামীন সংস্কাৰৰ কোমল অনুভূতিয়ে হাত মিলাব নোৱাৰিলে। বাগিচাৰ বাস্তব জীৱনতকৈ দুটা পৰস্পৰ-বিৰোধী সংস্কাৰৰ অসংগতি নৰেশ্বৰ আৰু চনিয়াৰ মাজেদি প্ৰকাশ কৰাই যেন আছিল লেখকৰ প্ৰকৃত উদ্দেশ্য।

চনিয়াৰ মাজত এইটো বেছি প্ৰকট। অদ্ভুত ছোৱালী চনিয়া। চৰিত্ৰ হিচাপে অনন্য সৃষ্টি। তাই বাগিচাৰ হয়ও, নহয়ও ; তেজ-মঙহৰ হয়ও, নহয়ও। জীৱনক বৰ সহজভাৱে তাই চায় যদিও আই নিজে আনৰ ওচৰত বৰ জটিল, পাঠকৰ কাৰণেও সাঁথৰ স্বৰূপ। নৰেশ্বৰৰ দৰেই যৌৱনলৈ উত্তৰণৰ বয়স চনিয়াৰ-পোৱালি মহৰীৰ দৰে মিলাৰৰ লোলুপ দৃষ্টিও তাইৰ ওপৰত পৰিছিল। বেলেগ জাতৰ হ'লেও বাগিচালৈ প্ৰথমে আহোঁতে ফেকু আৰু মহুৱা প্ৰেমিক-প্ৰেমিকা হৈ পৰিছিল ; কিন্তু মহুৱা বলি হ'ল আৰ্মি চাহাবৰ পশুত্বৰ, আৰু তাৰে পৰিণামত অবৈধ সন্তান চনিয়াৰ জন্ম আৰু ফেকুৰ হাতত আৰ্মি চাহাবৰ অপমৃত্যু। এণ্ড্ৰু নামৰ মৰমিয়াল মিছনেৰী এজনে চনিয়াক যোৰহাটৰ মিছনলৈ নি পঢ়ুৱাইছিল ; কিন্তু তাইৰ অত্যন্ত অনিচ্ছাত আকৌ বাগিচালৈ ঘূৰাই পঠালে। মহুৱাৰ মৃত্যু হৈছিল। চনিয়াই লঘুহঁতৰ ঘৰত ঘৰৰে ছোৱালীৰ দৰে আশ্ৰয় পাইছিল। কিন্তু তাই কোনো দিনে সহজ, স্বাভাৱিক হব নোৱাৰিলে। তাই হ'ল মাত্ৰাধিক বন্য, মাত্ৰাধিক উদাৰ, মাত্ৰাধিক স্নেহশীলা। সাধাৰণ নহয়। সাধাৰণ নহলে সাধাৰণত মিলিব কেনেকৈ ? বাদু-সাবিত্ৰী-তিলকমতীৰ লগত পাত তুলিলেও তাই বন্ধুৱা হিনোত হব নোৱাৰিলে। লখু আৰু বাধুৱে চাহনিৰ মাজত সোমাই যৌৱনৰ মাদকতাত ভোল যোৱাৰ দৰে নৰেশ্বৰৰ লগত তাই হাবিয়ে-বননিয়ে ঘূৰি ফুৰিলেও তাৰ যৌৱন-কম্পিত প্ৰসাৰিত হাতখনক তাই তাইৰ তৰুণ দেহৰ বেছি ওচৰলৈ যাবলৈ নিদিয়ে। বুধুৱে তাইৰ জন্ম-বৃত্তান্ত বৰ্ণাই নৰেশ্বৰক কৈছিল, "চনিয়া বুজিব নোৱাৰা ছোৱালী, তাইৰ কথা-বতৰা সকলো অদ্ভুত। চকু মুখ, গাৰ বৰণ মাকৰ দৰে নহৈ বাপেকৰ দৰে হ'ল, সেইহে তাই আৰ্মি চাহাবৰ দৰে দুৰ্দান্ত ; মস্তা শাসন কৰা ছোৱালী।" তাই নিজে কয়, চাহাবৰ তেজ গাত থকা কাৰণেই তাই উৰি ফুৰিব খোজে। তাইৰ গোলে মানুহক মৰম কৰিবলৈ বৰ মন যায়, কিন্তু মানুহৰ পৰা তাই কিটো পালে ? "কলঘৰৰ বুঢ়া মহৰীয়েও সুবিধা পালে ভোবোলা ছাগলিৰ দৰে গা শুঙিবলৈ আহে।" চাহাব-মেম দেখিলে তাইৰ আকৌ হি তেজ উলিয়াই দিবৰ মন যায়। "বিয়া কৰি লেটাৰ দৰে নিজৰ বাহতে বন্দী" হব তাই নোখোজে। তাই তাবে তাইৰ তেজৰ লগত বিহ মিহলি হৈ আছে, কোনো মানুহ তাইৰ লগত সুখী হব নোৱাৰে। পুৰুষ হিচাপে একমাত্ৰ নৰেশ্বৰকে তাই নিৰ্দোষ, স্বাভাৱিক, সহজ পাইছিল। কিন্তু গাৰ্ডৰ সৰল ল'ৰা নৰেশ্বৰক নিজে বন্ধুৱা ছোৱালী হৈ বিয়া কৰাই নষ্ট কৰিব তাই নুখুজিলে ; তাক শেষ বিদায়ৰ নিশা তাই গাৱঁলৈ উলটি যাবলৈ উপদেশ দিলে। নৰেশ্বৰক বিমুখ কৰি দুখ দি তাই নিজেও কান্দিলে। তথাপি তাৰ সৰলতাখিনি নষ্ট কৰিব নুখুজিলে—তাই পৰা হলে বাগিচাৰ বাকীবিলাক ডেকা-গাভৰুকো মুকলি কৰি সিহঁতৰ আদিম সৰলতালৈ পঠিয়াই দিলেহেঁতেন।

আৰ্মি চাহাবৰ পাশৱিকতাৰ চনিয়া আছিল পৰিণাম ; আৰু আম চাহাবহঁতে প্ৰবৰ্তন কৰা ব্যৱস্থাৰ নিৰ্মমতাৰ তাই মূৰ্ত প্ৰতীক। এনে ব্যৱস্থাৰ বিপৰীতে যিখিনি সম্পদেৰে মনৰ আনন্দত জীৱনক উপভোগ কৰিব পাৰি তাকেই চনিয়াৰ প্ৰকৃতিৰে আৰু নৰেশ্বৰৰ অভিজ্ঞতাৰে লেখকে বুজাই দিব খুজিছে। এটা ব্যৱস্থাৰ মাজত জীৱনৰ এনে মৰ্মভেদী সংঘাত এনে তাৎপৰ্যপূৰ্ণভাৱে অসমীয়া কাহিনী-সাহিত্য আৰু দেখুওৱা হোৱা নাই।



অথচ চনিয়া চৰিত্ৰ কেৱল এই সংঘাতৰ প্ৰকাশক বুলিয়ে নহয়. লেখকে তাইক তদুপৰি এজনী তেজ মঙহৰ ছোৱালী ৰূপেও দাঙি নধৰাকৈ থকা নাই। যি ৰাতি তাই লাইনৰ পৰা ওলাই চিৰদিনৰ কাৰণে বাগিচা এৰি গুচি গৈছিল, সেই ৰাতি তাইৰ প্ৰত্যেকৰে মৰমৰ প্ৰতিদান দি দি গৈছিল। সেইদিনা চাহপাতৰ বাকচ জাহাজত তুলি দিবৰ কাৰণে ঘৰৰ পৰা আঁতৰি থকা লখুক ককায়েকৰ দৰে ভাল পাইছিল বাবে তাই নিজৰ সাঁচতীয়া পইচাৰে দুটা কুকুৰা কিনি সি পঠোৱা বুলি মিছাই বাধুহঁতৰ ঘৰত দি আহিছিলগৈ, যাতে বাধুক লখুৰ সৈতে বিয়া দিয়াৰ বাট মুকলি হয়। নৰেশ্বৰক বগুলাৰ পৰা জগাই সুপৰিচিত নৈখনৰ পাৰলৈ মাতি নি তাৰ প্ৰেমৰ সহাঁৰি দি, তাৰ ভালৰ কাৰণে চিৰবিদায় লৈছিল বৰ করুণ ভাৱে। কাম চলিথকা কলঘৰটোতো এপাক মাৰি লৈছিল। আনকি পোৱালি মহৰীকো ৰাতি জগাই মাত দিছিল, আৰু শেষ পৰীক্ষা কৰি চাইছিল সঁচাই মহৰীয়ে তাইক জানো গ্ৰহণ কৰিব ? কিন্তু পোৱালি মহৰীৰ মোহ অকল মঙহৰ, তেওঁৰ ল'ৰা-তিৰোতা আছেই, বিয়া কৰাব নোৱাৰে। খণ্ডতে তাই আঁতৰি আহিছিল, মহৰীৰ আচৰণত প্ৰেমৰ পৰিবৰ্তে কেৱল কুৎসিত কামনা দেখি। তাই নৰেশ্বৰৰ পৰাও ক্ষীণ আশা কৰিছিল সিও তাইৰ লগে লগে গুচি আহিব বুলি। কিন্তু সি নাহিল, শতাব্দীৰ সংস্কাৰে তাক পাচফালৰ পৰা অলৰ-অচৰ কৰি টানি ৰাখিলে। বহু অস্বাভাৱিকতা থকা স্বত্বেও চনিয়া আন দহজনী ছোৱালীৰ দৰেই, নিজে ভালপোৱা নিদিলেও আনৰ পৰা ভালপোৱা পাবলৈ আশা কৰা এজনী স্বাভাৱিক তেজ মঙহৰ ছোৱালী আছিল। আমাৰ কাহিনী সাহিত্যত পোনে পোনে সাধু, চৰিত্ৰবান চৰিত্ৰ নাইবা পোনে পোনে খল, অসৎ চৰিত্ৰ অংকন কৰাই নিয়ম। অথচ বাস্তৱত অসংলগ্ন, পৰস্পৰ-বিৰোধী উপাদানৰ সংমিশ্ৰণকহে মানৱ চৰিত্ৰত পোৱা যায়, বা ছমাৰছেট মম ক'বৰ দৰে আমিতো আচলতেই আত্মবিৰোধী ! এই দৃষ্টিকোণৰ পৰাও ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'সেউজী পাতৰ কাহিনী' চনিয়াৰ কাৰণে অসমীয়া কাহিনী সাহিত্যত অসাধাৰণ হৈ থাকিব।

পৰ্ব্বত ভৈয়াম সদৌ ৰাইজলৈ
বঙালী বিহু আৰু নতুন বছৰৰ ওলগ।
আশাশুধীয়া সেৱাৰ সংকল্পেৰে

পথ পৰিবহনৰ ছাপা কৰা সময়-তালিকা (মূল্য ১টকা)
নিগমৰ সকলো কাৰ্য্যালয়ত পোৱা যায়।

অসম আৰু মেঘালয় ৰাজ্যিক পথ পৰিবহন নিগম। গুৱাহাটী

# কালিদাস, ভৱভূতি আৰু শূদ্ৰকৰ নাট্য সাহিত্যত প্ৰেমৰ স্বৰূপ

অধ্যাপক **অপূৰ্বচন্দ্ৰ বৰঠাকুৰীয়া**

পৃথিৱীত যুগে যুগে প্ৰেমৰ স্বৰূপ নিৰ্ধাৰণ কৰিবলৈ চেষ্টা চলি আহিছে আৰু প্ৰেমৰ সংজ্ঞা বিবেচিত হৈছে। যুগ যুগ ধৰি দেশে দেশে কবি-সাহিত্যিকসকল প্ৰেমৰ পতাকা উড্ডীন কৰি ৰাখিবলৈ তৎপৰ হৈ উঠিছে। প্ৰেমৰ মহিমা কীৰ্তন যুগ যুগ ধৰি চলিছে। তথাপি পৃথিৱীত কিমান সংখ্যক মানুহে যে প্ৰেমৰ যথাৰ্থ মৰ্ম উদ্‌ঘাটন কৰিব পাৰিছে সেইটো নিতান্ত চিন্তাৰ বিষয়। প্ৰেম মৃত্যুহীন, প্ৰেম স্বৰ্গীয়, প্ৰেম দৈহিকতাৰ উৰ্ধত, ইত্যাদি বিবিধ ব্যাখ্যা-বিশ্লেষণৰ পিছতো প্ৰেমৰ স্বৰূপ সম্পৰ্কে এটা অস্পষ্ট ধাৰণা হৈ যোৱাটো স্বাভাৱিক। যিসকলে প্ৰেমক পুৰুষ-নাৰীৰ সহজাত যৌন আকৰ্ষণৰ নামান্তৰ বুলি ভাবে সেই সকলৰ পক্ষে প্ৰেমৰ মূল্যোপলব্ধি দুৰূহ কাম নহয়। যিসকলে দৈহিক সম্ভোগৰ পৰিতৃপ্তিতেই প্ৰেমৰ সাৰ্থকতা আৰোপণ কৰি থাকে সেইসকল সহজতে সুখী হ'ব পাৰে। সেইসকলৰ মতে প্ৰেমক এটা সহজ সৰল সূত্ৰেৰে বন্ধা নিশ্চয় কঠিন কাম নহয়। কিন্তু যি সকলে স্পষ্ট কাৰণবশতঃ প্ৰেমক দৈহিকতাৰ উৰ্ধত মনৰ সিংহাসনত আসীন এক অতি উদাত্ত পৰম পৰাক্ৰমী অনুভূতি বুলি বিশ্বাস কৰে সেইসকলৰ বাবে প্ৰেমৰ ৰহস্য-যবনিকা উন্মোচন কষ্টসাধ্য বিষয়। পৃথিৱীত একশ্ৰেণীৰ অস্বাভাৱিক (abnormal) মানুহত বাহিৰে যৌন আকৰ্ষণ আৰু যৌন সম্ভোগ নিত্য-নৈমত্তিক ঘটনা। তথাপি পৃথিৱীত হাজাৰ বিজাৰ নৰ-নাৰী অসুখী হৈ থাকে কেলেই? একো একোজন বিশেষ বিশেষ ব্যক্তিক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অশান্তিৰ বা-মাৰলি আন এজন সদগুণবিশিষ্ট ব্যক্তিৰ উপস্থিতিয়েও উপশম কৰিবলৈ সক্ষম নহয় কেলেই? বহু পুত্ৰ-কন্যা লাভৰ পিছতো অন্তৰত বহুযুগ আগতে আঁচোৰ খোৱা ঠাইটুকুৰাত এটা আৰোগ্য কৰিব নোৱাৰা বিষ মাজে মাজে অনুভব কৰে কেলেই? কেলেই হেজাৰ হেজাৰ নাৰী পুৰুষৰ জীৱনলৈ বিপৰ্যায় নামি আহে? সংসাৰত প্ৰৱেশ কৰি পুত্ৰ-পুত্ৰী লাভ কৰাৰ পিছতো বহুত নাৰী-পুৰুষ বিপথগামী অথবা অসুখী হয়। সেই সকলৰ ব্যক্তিগত জীৱন বিশ্লেষণ কৰিলে দেখা যায় যে দৈহিক ক্ষুধাৰ অপৰিতৃপ্তিতকৈও মানসিক কাৰণতহে তেওঁলোকৰ সেই দুৰ্যোগ উপস্থিত হৈছে। এই আটাইবোৰ কথা সূক্ষ্মাতিসূক্ষ্মৰূপে বিচাৰ কৰি চালে এটা কথা স্পষ্ট হৈ পৰে যে প্ৰেম এনে এটা তীব্ৰ ৰহস্যময়ী অনুভূতি যি বৈদ্যুতিক শক্তিতকৈও বলী, তাৰ অদৃশ্য হাতোৰাৰে মানৱজগতক আকৰ্ষণ কৰি আছে আৰু কাৰোবাক কৰিছে সুখী, কাৰোবাক অসুখী আৰু কাৰোবাক কৰিছে বিপথগামী। টমাছ হাৰ্ডিৰ ভাষাত এই শক্তি নৈৰ সোঁতৰ দৰে অবাধ, অবাধ্য আৰু প্ৰচণ্ড যি নিজ শক্তিৰে সমস্ত মানৱজগতকে তৃণৰ দৰে উটুৱাই নিছে।



অৱশ্যে পূৰ্বতে আলোচনা কৰাৰ দৰে পৃথিৱীত এক শ্ৰেণীৰ মানুহ সদায় আছে যাৰ সংসাৰ-জীৱনৰ স্থিৰতা আৰু আনন্দ-নিৰানন্দ নিৰ্ভৰ কৰে সম্পূৰ্ণৰূপে দৈহিক পৰিতৃপ্তিৰ ওপৰতে। এই শ্ৰেণী মানুহে একোজন বিশেষ ব্যক্তিৰ ওচৰত চিৰদিন অনুগত হৈ থাকিব পাৰে যদি নিজৰ কামনা-বাসনাৰ পৰিতৃপ্তি সাধন হয়। ইয়াৰে অভাৱ বা ব্যতিক্ৰম হলে উপস্থিত হয় বিপৰ্যায়। সেই শ্ৰেণী উগ্ৰ বস্তুবাদী মানুহৰ তথাকথিত প্ৰেম বা আচৰণক আমি কেতিয়াও ভাল চকুৰে চাবলৈ শিকা নাই। কোনো সুচিন্তাশীল ব্যক্তিয়েই প্ৰেমক বস্তুবাদী চলিত ঠেক গণ্ডীৰ ভিতৰত বন্দী কৰি ৰাখিবলৈ মান্তি নহয়। অৱশ্যে আমি প্ৰায়েই নিৰ্বিচাৰ ভাবে প্ৰেম শব্দটোৰ প্ৰয়োগ কৰি থাকোঁ আৰু এনে কিছুমান মানুহক প্ৰেমিক আখ্যা দিওঁ যিসকলৰ প্ৰকৃত প্ৰেমিকৰ গুণ নাই। দৈহিক আকৰ্ষণ আৰু প্ৰীতি, সাময়িক মানসিক উত্তেজনা, অস্থায়ী অনুৰাগ বা আসক্তি এইবোৰক প্ৰেম আখ্যা দিলেও এইটো সৰ্বজনসম্মত বিষয় যে আদৰ্শ বা বিশুদ্ধ প্ৰেম আখ্যা। অতি উচ্চস্তৰৰ এক মহতী অনুভূতি যাৰ বাবে প্ৰয়োজন ধৈৰ্য, ত্যাগ আৰু একাগ্ৰ সাধনাৰ। মাত্ৰ এজন বিশেষ ব্যক্তিৰ প্ৰতি অন্তৰৰ সমগ্ৰ অনুৰাগ ঢালি দি সকলো অৱস্থাতে তিলমানো বিচলিত নোহোৱাকৈ আমৰণ এক কঠোৰ তপস্যাৰ দৰে সেই ব্যক্তিৰ ধ্যান কৰি যাব পাৰিলেই আদৰ্শ প্ৰেমৰ সাৰ্থকতা। জীৱনৰ দুস্তৰ উত্তাল সমুদ্ৰত কক্‌বকাই থাকিও এটা দুৰ্লভ বস্তুৰ দৰে ইয়াক সাৱটি ধৰি থাকিব পৰাতেই ইয়াৰ মহত্ব নিৰ্ভৰ কৰে। শ্ৰীহৰ্ষৰ "নৈষধচৰিত"ৰ "অতি সামান্য চঞ্চলতা উপস্থিত হলেও মৃণালৰ সূতাৰ দৰে সূক্ষ্ম এই (আদৰ্শ) প্ৰেম চুৰমাৰ হৈ যায়" বোলা কথাষাৰ প্ৰকৃত প্ৰেমৰ স্বৰূপ বিশ্লেষণত উপলব্ধ হয়।

যুগ পৰিবৰ্তনৰ লগে লগে বহুতো বস্তুৰ মূল্যবোধৰ পৰিবৰ্তন ঘটাৰ দৰে প্ৰেমৰো মূল্যবোধৰ পৰিবৰ্তন ঘটিছে বুলি কৰা উক্তি মাজে মাজে শুনা যায়। বস্তুবাদী চেতনাই মানুহৰ মন দৃঢ়ভাবে অধিকাৰ কৰাৰ ফলত প্ৰেমৰো আৰু পূৰ্বৰ ৰূপ নাই, প্ৰেমৰ শীৰ্ষ খহি পৰিছে, প্ৰেম হৈ পৰিছে ৰুচিবোধৰ বিষয়, ইত্যাদি আক্ষেপ অভিযোগ ধ্বনিত হৈছে। সেইবাবে যেতিয়া W.B. Yeats'ৰ O don't love too long or you will grow out of fashion like an old song বুলি উচ্চাৰিত সাৱধানবাণী শুনো তেতিয়া আদৰ্শ প্ৰেমৰ মহাশ্বেতাজনী বস্তুবাদৰ চাকনৈয়াত বুৰি যোৱা বুলি সচকিত হৈ উঠোঁ। বস্তুবাদী চেতনাৰ প্ৰাচলাৰ ফলস্বৰূপে প্ৰেমিক-প্ৰেমিকাৰ নিষ্ঠাৰ অভাব হোৱাটো স্বাভাৱিক, কিন্তু সেইবাবেই জানো আদৰ্শ প্ৰেমৰ বংশ সমূলি হৈ যাব অথবা আদৰ্শ প্ৰেম পৃথিৱীৰ পৰা বিলুপ্ত হৈ যাব?

প্ৰেমৰ স্বৰূপ বিচাৰ কৰিবলৈ যাওঁতে তিনি গৰাকী সংস্কৃত নাটাকাৰৰ কথা মনলৈ আহে—এই তিনিগৰাকী শ্ৰেষ্ঠ নাট্যকাৰে কেইটিমান চৰিত্ৰৰ যোগেৰে প্ৰেমৰ আদৰ্শ জগতৰ আগত দাঙি ধৰিছে। এই তিনিগৰাকী নাট্যকাৰ হ'ল মহাকৱি কালিদাস, ভৱভূতি আৰু শূদ্ৰক।

কালিদাসৰ তিনিখন নাটক— 'বিক্ৰমোৰ্বশীয়ম্,' 'মালবিকাগ্নিমিত্ৰম্' আৰু 'অভিজ্ঞান শকুন্তলম্' তিনিটি বিশিষ্ট প্ৰেমৰ কাহিনীৰে মণ্ডিত। ইয়াৰ ভিতৰত তৃতীয় খন নাটক নাটাকাৰৰ অমৰ সৃষ্টি।

কালিদাসৰ 'অভিজ্ঞান শকুন্তলম্' এগৰাকী ভাৰতৰ ৰাজচক্ৰৱৰ্তী আৰু এজনী আশ্ৰমবাসিনী মুনিকন্যাৰ প্ৰেমৰ কাহিনীৰে বিশ্ববিশ্ৰুত হৈ পৰিছে। বিখ্যাত চন্দ্ৰবংশীয় নৃপতি দুষ্যন্ত—তেওঁৰ এফালে যেনেকৈ অভাৱ নাই ঐশ্বৰ্য-বিভূতিৰ, আনফালে তেনেকৈ ৰাজপ্ৰাসাদত আছে কেইগৰাকীও সুন্দৰী মহিষী। এই বহুবিবাহিত ৰজাৰ এগৰাকী অসামান্যা সুন্দৰী ৰূপহী মুনিকন্যাৰ গলত প্ৰেমে বিশ্ব কঁপাই তুলিলে। কালিদাসৰ 'অভিজ্ঞান শকুন্তলমৰ' মূল আদৰ্শ ছেক্‌ছপিয়াৰৰ 'টেম্পেষ্ট'ৰ কাহিনীৰে সৈতে মিলে। এই দুয়োজন বিশ্বৰ শ্ৰেষ্ঠ নাট্যকাৰে প্ৰেমৰ সুগভীৰ তথ্য জগতৰ আগত প্ৰচাৰ কৰি জনসমাজক চমৎকৃত কৰি থৈ গৈছে। অদ্ভুত এই অনুভূতি প্ৰেম। আত্মাৰ দৰে

অদৃশ্য হৈ ই মানৱসত্তাক অধিকাৰ কৰি আছে। প্ৰেমৰ উদ্ভৱ হবৰ কাৰণে কোনো এখন নিৰ্দিষ্ট স্থান, সমাজ বা কোনো একশ্ৰেণী নিৰ্দ্দিষ্ট মানুহৰ প্ৰয়োজন নাই। প্ৰেম নৰ-নাৰীৰ অন্তৰৰ এক সহজাত অনুভূতি। এটি সুকুমা ফুলৰ কলি বিকশিত হৈ উঠাৰ দৰে নৰ-নাৰীৰ অন্তৰৰ এই সুপ্ত অনুভূতি পৰস্পৰৰ সান্নিধ্যত হঠাতে সাৰ পাই উঠে। সাগৰৰ মাজৰ নিৰ্জন দ্বীপ আৰু অৰণ্যৰ মাজৰ সমভাৱপ্ৰধান আশ্ৰমতো ইয়াৰ বিকাশ ঘটিছে। ফাৰ্ডিনাণ্ড আৰু দুষ্মন্ত দুয়ো সমাজৰ উচ্চস্তৰৰ দুজন অতি বিশিষ্ট ব্যক্তি। তেওঁলোকৰ অভাৱ কিহৰ? ফাৰ্ডিনাণ্ডৰ নিজৰ ভাষাত—I am, in my condition, a prince Miranda, I do think a king. নেপল্‌ছৰ আজিৰ ৰাজকোঁৱৰ কাইলৈৰ হবলগীয়া ৰজা। সমাজৰ সদ্বংশজাত, সুমৰ্যদাসম্পন্ন শ শ নাৰীয়ে বিনা দ্বিধাই ফাৰ্ডিনাণ্ডৰ চৰণত প্ৰেম নিবেদন কৰিব পাৰে। তেওঁৰ জীৱনলৈ বহুতো সুন্দৰী নাৰীৰ আগমনো নোহোৱাকৈ থকা নাছিল। "Full many a lady I have ey'd with best regard; and many a time the harmony of their tongues hath into bondage brought my too deligent ear; for several virtues have I liked several women." ফাৰ্ডিনাণ্ডৰ নিজৰ কথাতে সেই কথা প্ৰকাশ পাইছে। অথচ এনে এজন ৰাজকুমাৰে হঠাতে ভাল পাই পেলালে এজনী অজ্ঞাতকুলশীলা নিৰ্জনদ্বীপবাসিনী গাভৰু মিৰাণ্ডাক। মিৰাণ্ডাৰ বৈশিষ্ট্য হ'ল তেওঁ অনৱদ্য সুন্দৰী, So perfect and so peerless............... created of every creature's best. কিন্তু সুন্দৰী হলেও মিৰাণ্ডা নিৰ্জনদ্বীপবাসিনী সামাজিক প্ৰতিষ্ঠাহীনা এগৰাকী নাৰী; গতিকেই সামাজিক দৃষ্টিভঙ্গীত নেপল্‌ছৰ সুদৰ্শন ৰাজকুমাৰ ফাৰ্ডিনাণ্ডৰ গ্ৰহণযোগ্য নহয়। অথচ ৰাজকুমাৰে তেওঁকেই ভাল পাইছে। প্ৰকৃত প্ৰেমৰ মহত্ব সেইখিনিতেই।

আনফালে দুষ্মন্ত—তেওঁ প্ৰবল প্ৰতাপী, সসাগৰা ধৰণীৰ অধীশ্বৰ। অথচ এগৰাকী আশ্ৰমবাসিনী মুনি কন্যাৰ প্ৰেমত পৰিছে। বিদূষকৰ মতে ৰজাই বহুদিন খেজুৰৰ গুড় খাই খাই (ৰজাৰ) তেতেলি খাবলৈ মন গৈছে। কিন্তু সঁচাকৈয়ে জানো শকুন্তলাৰ প্ৰতি দুষ্মন্তৰ এই অনুৰাগ ৰুচিৰ পৰিবৰ্তন মাত্ৰ? সেই কথাৰ উত্তৰ নাটকীয় ঘটনাৱলীয়ে দিব। শকুন্তলাও আনিন্দ্য সুন্দৰী—কবিৰ ভাষাত স্ৰষ্টাৰ প্ৰথম সাৰ্থক কষ্টসাধ্য সৃষ্টি। শকুন্তলাৰ সৌন্দৰ্যই ৰজাক মোহিত কৰি পেলাইছে। ৰাজঅন্তেষপুৰত এৰি থৈ যোৱা মনোৰমা পত্নী সকলৰ কথা ৰজাৰ মনৰ পৰা মচ খাই গৈছে। পূৰ্বেই উল্লেখ কৰা হৈছে যে ৰজা বহুবিবাহিত। বৰ্তমানৰ ভাৰতীয় সমাজব্যৱস্থা আৰু তেতিয়াৰ সমাজ-ব্যৱস্থাৰ ভিতৰত অন্ততঃ এটা বিষয়ত পাৰ্থক্য আছিল; সেয়ে হ'ল বহুবিবাহৰ প্ৰচলন। বিশেষকৈ ৰজা বা ৰাজকুমাৰসকলৰ (যাৰ ঐশ্বৰ্য-বিভূতিৰ অভাৱ নাছিল) কেইবাবাৰো বিয়া কৰোৱা এটা প্ৰচলিত প্ৰথা আছিল। দুষ্মন্তৰ চৰিত্ৰ এটা লক্ষ্যণীয় দিশ হ'ল যে তেওঁ বহুবিবাহিত হলেও শকুন্তলাৰ প্ৰতি তেওঁৰ যি ভাল পোৱা জগৎবিখ্যাত হৈ পৰিল ঠিক তেনেদৰে আন কোনো নাৰীকে ভাল পোৱাৰ প্ৰমাণ নাই। হংসপদিকাও এদিন তেওঁৰ অন্তঃপুৰলৈ আহিছিল। হয়তো বহুমুখ সন্ধানী ৰজা এই গৰাকী নাৰীৰ প্ৰতি আকৃষ্ট হৈছিল আন বহুতোৰ প্ৰতি আকৃষ্ট হোৱাৰ দৰে আৰু সেয়েহে ৰজাই তেওঁক বিয়া কৰালে; কিন্তু এবাৰ মাত্ৰ ভাল পোৱা দি ৰজাই তেওঁক পাহৰি পেলালে। বিদূষকৰ "সকৃৎকৃতপ্ৰণয়োঽয়ংজনঃ" বোলা কথাষাৰতে ইয়াৰ উল্লেখ আছে। ক্ষণিক শাৰীৰিক আকৰ্ষণ বা সাময়িক উন্মাদনাত বাহিৰে স্থায়িত্বৰ ছাপ নাছিল সেই প্ৰণয়ত, সেয়েহে হংসপদিকা হেৰাই গ'ল বিস্মৃতিৰ স্তুপৰ মাজত। কিন্তু শকুন্তলাৰ প্ৰতি ৰজাৰ যি ভালপোৱা তাৰ ধৰণ আছিল সুকীয়া। বিদূষকৰ খেজুৰৰ গুড় খাই আমুৰা বাবে তেতেলি খাবলৈ ৰজাৰ মন গৈছে বুলি কৰা বক্ৰোক্তিত ধ্বনিত হৈছে সেই সুৰ—শকুন্তলাৰ দৰে এজনী



বনবাসিনী মহাৰাজাধিৰাজ দুষ্মন্তৰ অংকশায়িনী হবলৈ অনুপযুক্তা। দুষ্মন্তৰ কাৰণে নিশ্চয় সুন্দৰী নাৰীৰ অভাৱ হোৱা নাছিল। তথাপি দুষ্মন্তই ভাল পালে এই বনবাসিনীক। প্ৰকৃত প্ৰেমৰ লক্ষণ এয়েই। ই কোনো বাধা নামানে, কোনো সামাজিক অনুশাসন নামানে, ইয়াৰ কাৰণে কোনো বিশেষ স্থান বা বিশেষ পাত্ৰ-পাত্ৰীৰ আৱশ্যক নাই। ফাৰ্ডিনাণ্ডেও ভাল পাইছিল মিৰাণ্ডাক আন কোনো নাৰীকে তেওঁ ইমান বেছি ভাল পোৱা নাছিল। তেওঁৰ এষাৰ উক্তি ইয়াত উদ্ধৃত কৰিব পৰা যায় 'for several virtues have I liked several women, never any with so full soul' ফাৰ্ডিনাণ্ডৰ liked শব্দটো ইয়াত লক্ষ্যণীয়—ভাল লগা (like) আৰু ভাল পোৱা (love) দুয়োটাৰে মাজত আছে মহৎ পাৰ্থক্য। সমগ্ৰ আত্মাৰে (with full soul) সকলো সময়ৰ বাবে ভাল পাব নোৱাৰিলে সেই ভাল পোৱাৰ সাৰ্থকতা ক'ত? দুষ্মন্তৰো শকুন্তলাৰ প্ৰতি ভাল পোৱাটোত with so full soul কথা খিনি প্ৰযোজ্য। ফাৰ্ডিনাণ্ডৰ দৰে দুষ্মন্তৰ জীৱনলৈও আহিছে বহুতো নাৰী অৱশ্যে পত্নীৰূপে, তথাপি দুষ্মন্তই ঘোষণা কৰিছে:

২৩৯৯-২৪০৭/৪১

> পৰিগ্ৰহবহুত্বেঽপি দ্বে প্ৰতিষ্ঠে কুলস্য মে
> সমুদ্ৰবসনা চোৰ্বি সখী চ যুৱয়োৰিয়ম্।

"মোৰ বহুতো ভাৰ্য্যা থকা সত্বেও কেৱল দুগৰাকী ৰমণীয়েই কুলৰ প্ৰতিষ্ঠা স্বৰূপ—তেওঁলোক হ'ল সমুদ্ৰ বসনা পৃথ্বী আৰু তোমালোকৰ এই সখী (শকুন্তলা)"। এই দুগৰাকী ৰমণীৰ ভিতৰত পৃথিৱী নাৰীতো নহয়েই কোনো নাৰীৰ ৰূপধাৰিণী মোহিনী দেৱীও নহয়। ব্যৰ্থ প্ৰেমিকে "মই এতিয়া সাহিত্যৰ প্ৰেমত পৰিছোঁ" বুলি কোৱা বাক্যৰ দৰে সমুদ্ৰ বাসনা পৃথ্বী মোৰ প্ৰিয়া বুলি কৰা উক্তিৰ কোনো গুৰুত্ব নাই।

দুষ্মন্তই বহুতবাৰ বিয়া কৰাইছে অথচ প্ৰকৃতাৰ্থত শকুন্তলাৰ লগতহে প্ৰেমত পৰিছে। বহুমুখসন্ধানী ৰজাই নিজৰ মনৰ বাসনা অতৃপ্ত হৈ থকা বাবে বাৰে বাৰে নতুন নতুন জীৱন সঙ্গিনী বিচাৰিছে; অথচ প্ৰণয়ৰ গভীৰতা আৰু স্থায়িত্বৰ অভাৱৰ কাৰণেই 'অভিজ্ঞান শকুন্তলম'ৰ দৰে এখন নাটকৰ সৃষ্টি হোৱা নাই।

সমাজত স্বামী-স্ত্ৰী হিচাপে এখন সুখৰ সংসাৰ ৰচনা কৰি থাকিবলৈ হলে প্ৰয়োজন পাৰস্পৰিক অক্ষুণ্ণ প্ৰীতিৰ। বিয়াৰ পিছত স্বামী-স্ত্ৰীয়ে পৰস্পৰক ভাল পায় বা পাব লাগে বুলি কোৱা কথাষাৰ প্ৰবাদৰ দৰে প্ৰচলিত। কিন্তু বহুতৰ ক্ষেত্ৰতে দেখা যায় যে সেই ভালপোৱা যৌথজীৱনৰ নিৰাপত্তাৰ বাবে অহৰহ সৈতে কৰি চলা আপোচমীমাংসা (compromise) বা সুদীৰ্ঘ ঘনিষ্ঠতাৰ ফলত হোৱা এক আসক্তিতকৈ বেছি একো নহয়। দুষ্মন্তৰ দৰে নতুন নতুন মুখৰ হৰিণাক খেদি ফুৰা এজন পুৰুষৰ বাবে সিমানখিনি কৰাও হয়তো সম্ভৱ নাছিল।

দুষ্মন্তই শকুন্তলাকেইহে ভাল পায় বুলি কৰা উক্তিৰ মৰ্যাদা শেষ পৰ্যান্ত ৰাখিব পাৰিছে কাৰণেই এই প্ৰেমৰ কাহিনীটো বিশ্বত চিৰসমাদৃত হৈ উঠিছে।

ফাৰ্ডিনাণ্ড আৰু দুষ্মন্তৰ বিষয়ে সুদীৰ্ঘ আলোচনাৰ পিছত আমি এবাৰ মিৰাণ্ডা আৰু শকুন্তলাৰ কাষ চাপি যাওঁ। মিৰাণ্ডা আৰু শকুন্তলা দুয়ো এনে একোখন ঠাইত বাস কৰিছে য'ত প্ৰেমৰ অৱতাৰণা হবলৈ আপাতদৃষ্টিত কোনো অৱকাশেই নাই। শমপ্ৰধান আশ্ৰম ভূমিত গছপুলিৰ গুৰিত পানী দিয়া, হৰিণা পোৱালীক লালনপালন কৰা আদি কৃচ্ছ্ৰসাধন কৰোঁতেই শকুন্তলাৰ দিন গৈছিল। ধৰ্মপিতৃ কণ্বমুনিতো তপস্যা কৰিয়েই ঘূৰি ফুৰে—আন পুৰুষৰ সান্নিধ্য শকুন্তলাই পোৱা নাই, অথচ তেনে অৱস্থাত পৰিবৰ্ধিতা শকুন্তলাই ৰজাক দেখা মাত্ৰেই এক অস্বাভাৱিক অনুভূতিৰ উদয় হ'ল। শকুন্তলাই কৈছে—"কিয় জানো আজি অতিথিক দেখা মাত্ৰেই তপোবনবাসীৰ মনত কেতিয়াও নোপোজা এক অস্বাভাবিক অনুভূতি মোৰ মনত উদিত হৈছে।"

ইয়াৰ নামেই প্ৰেম—ইয়াক জানিব নালাগে, শিক্ষা কৰিব নালাগে। ই এনেদৰে পুৰুষ-নাৰীৰ সান্নিধ্যত

স্বতঃস্ফূৰ্তভাবে উদিত হয়। নিৰ্জন দ্বীপ, গহীন অৰণ্য সকলোতে ইয়াৰ একছত্ৰী শাসন।

মিৰাণ্ডাৰ অৱস্থা শকুন্তলাৰ অৱস্থাতকৈও শোচনীয়। মিৰাণ্ডাই কেতিয়াও কোনো নাৰী দেখা নাই, পিতাকৰ বাহিৰে আন পুৰুষৰ সান্নিধ্যলৈও অহা নাই।

I do not know one of my sex ; no woma's face remember
Save, from my glass my own, nor have I seen
More that I may call men than you. good friend
And my dear father. ( মিৰাণ্ডাৰ উক্তি )

অথচ সেই মিৰাণ্ডাই ফাৰ্ডিনাণ্ডক কৈছে—I would not wish any companion in the world but you.

বিশ্বৰ দুয়োজন শ্ৰেষ্ঠ কবিয়ে প্ৰেমৰ এই মহৎ ৰহস্য প্ৰচাৰ কৰি বিশ্ববাসীক বিস্মিত কৰি থৈ গৈছে।

প্ৰেমৰ ৰহস্য প্ৰচাৰ কৰোঁতে কবি কালিদাসৰ সংসাহসক অভিনন্দন নজনাই নোৱাৰি। প্ৰেমৰ উদ্ভৱ যে পৃথিৱীৰ যি কোনো ঠাইতে হ'ব পাৰে সেই কথা পোনপটীয়াকৈ দেখুৱাবলৈ যাওঁতে কবিয়ে কণ্বমুনিৰ শম-প্ৰধান আশ্ৰমভূমি বাছি লৈছে। আশ্ৰম তপস্যাৰ স্থান—আশ্ৰমত সকলো প্ৰকাৰৰ মানসিক বিকাৰৰ উপশম ঘটি শমভাব বিৰাজ কৰিব লাগিব। অথচ এনে এখন পবিত্ৰ মোক্ষসাধনৰ ভূমিতে শকুন্তলাৰ মনোবিকাৰ ঘটিল। সেইটো সঁচাকৈয়ে লক্ষ্য কৰিব লগীয়া বিষয়। প্ৰেমৰ প্ৰবলপৰাক্ৰমী শক্তিৰ হাতত কাৰো নিস্তাৰ নাই। তপোবনতো ইয়াৰ উদ্ভৱ হয় আৰু দেবাদিদেৱ মহাদেৱকো ই স্পৰ্শ কৰিব পাৰে; এয়ে হ'ল চৰম সত্য। ৰামগিৰিৰ পবিত্ৰ আশ্ৰমসমূহত ঘূৰি ফুৰি শমভাব ওপজাৰ পৰিবৰ্তে যক্ষৰ বিৰহ যন্ত্ৰণা বৃদ্ধি পাইছে। তপোবনত থাকিও শকুন্তলা ৰজাৰ প্ৰতি আকৃষ্ট হৈছে, মহাকালৰ মন্দিৰত বাস কৰিও বেশ্যা বেশ্যা হৈয়েই আছে আৰু শ্ৰেষ্ঠ যোগী মহাদেৱ কামদেৱৰ শৰত আহত হৈছে। এই খিনিতেই মনত পৰে টমাছ হাৰ্ডিৰ এটা দীঘলীয়া বাক্যলৈ—The appetite for joy which pervades all creation, that tremendous force, which sways humanity to its purpose, as the tide sways the helpless weed was not to be controlled by vague lucubration over the social rubric ( Tess ).

( পিছলৈ )

# বিদ্যাসাগৰ

ডক্টৰ প্ৰফুল্লদত্ত গোস্বামী

ব্ৰাহ্মধৰ্ম প্ৰচাৰক কেশৱচন্দ্ৰ সেনৰ কুমাৰী ছোৱালীক কোচবিহাৰৰ মহাৰজাৰ পুতেকলৈ দিয়া কথাটো উদাহৰণ দি ডঃ বাণীকান্ত কাকতিয়ে কৈছিল, এই জাতিটোৰ চৰিত্ৰবল নাই। কেশৱ সেনেই একালত নাবালিকা ছোৱালীৰ বিয়াত ঘোৰ আপত্তি দেখুৱাইছিল, অথচ যেই কোচবিহাৰৰ মহাৰজাৰ পৰা প্ৰস্তাৱটো আহিল তেওঁ ততালিকে নিজৰ কুমলীয়া ছোৱালীজনী আগ বঢ়াই দিলে। ডঃ কাকতিয়ে কোৱা মনত পৰে, 'ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ ছবিটো দেখিছা নহয়? উখীয়া যেন নালাগেনে?' কাকতিৰ উক্তিৰ মৰ্মাৰ্থ এইটোৱে যে বঙ্গদেশত যদিহে মানুহ আছিল তেওঁ বিদ্যাসাগৰ আৰু বিদ্যাসাগৰ যেন বঙালীতকৈ সৰহ উখীয়া আৰু সেই কাৰণেই তেওঁ তেনে চৰিত্ৰবল দেখুৱাব পাৰিছিল।

ডঃ কাকতিৰ মন্তব্য কিমান যুক্তিপুষ্ট সেই বিষয়ে তৰ্ক নকৰিও ক'ব পাৰি যে মনোবল, হৃদয়ৰ উদাৰতা, চৰিত্ৰবল ইত্যাদি গুণত বিদ্যাসাগৰ বঙ্গদেশ কিয় ভাৰতবৰ্ষতে এক ব্যতিক্ৰম। এই শ্ৰেণীৰ পুৰুষৰ জন্ম সততকাই নহয়।

১৮৬৬ চনৰ মাজভাগত বঙ্গদেশত ভীষণ দুৰ্ভিক্ষ। কলিকতাৰ কলেজ স্কোৱেৰত দেখিবলৈ পোৱা গ'ল বিদ্যাসাগৰে নিজেই উপবাসী লোকক ভাত-দালি বিলাইছে। বিদ্যাসাগৰৰ বিশেষ মৰম নিজৰ জন্মস্থান বীৰসিংহ গাৱঁৰ প্ৰতি। তাত তেওঁ অন্নছত্ৰ খুলিলে। তাত বাৰজন মানুহে ৰান্ধে, কুৰিজনে বিলায়। ধাৰ ঋণ কৰি হলেও বিদ্যাসাগৰৰ দান-দক্ষিণা চলে। তেওঁ লক্ষ্য কৰিলে ভাতমুঠিৰ আশাত যি মাইকী মানুহ গোট খায়হি তেওঁলোকৰ চুলি মৰাপাটৰ দৰে শুকান, আউল-বাউল। বিদ্যাসাগৰে প্ৰত্যেককে মূৰত ঘঁহিবলৈ অকণ অকণ তেল দিয়াৰ ব্যৱস্থা কৰিলে। কিন্তু সেই তিৰোতা-বিলাক হাৰি, মুচি, কৈৱৰ্ত প্ৰভৃতি জাতৰ। তেল বিলোৱা মানুহে ভয় ভয়কৈ তেল দিয়ে কিজানি হাতখন তেওঁলোকৰ গাত লাগে. চুৱা যাবলগীয়া হয়। বিদ্যাসাগৰে এই কথা বাৰু নাপালে, তেওঁ নিজেই আগ বাঢ়ি আহিল আৰু নিজ হাতে দুভগীয়া তিৰোতাবিলাকৰ চুলিত তেল লগাই দিবলৈ ধৰিলে। এই ধৰণৰ কাহিনী অলেখ। ৰাতি বাটত থিয় হৈ থকা বেশ্যাকো লগ পাই আঠ অনা পইচা আগবঢ়াই দি তেওঁ কৈছে, "আইটি আজি তুমি ঘৰলৈ উভতি যোৱা।"

বিদ্যাসাগৰৰ বিদ্যাৰ কথা উল্লেখ নকৰিলেও হয়, কিয়নো 'বিদ্যাসাগৰ' উপাধি তেওঁ এনেয়ে লাভ কৰা নাছিল। তেওঁ গোড়া পৰিবেশত ডাঙৰ দীঘল হোৱা

ব্ৰাহ্মণ, সংস্কৃত বিদ্যাত তেওঁৰ ব্যুৎপত্তি, পিছত সংস্কৃত কলেজৰ প্ৰিন্সিপেল। পাশ্চাত্য বিদ্যাৰো তেওঁ পৃষ্ঠপোষক, কিন্তু আধুনিকতাৰো তেওঁ পথপ্ৰদৰ্শক। তেওঁৰ পুথিভঁৰাল বিৰাট তাত সংস্কৃতৰ উপৰিও ইংৰাজী ভাষাৰ বিবিধ কিতাপ, পোনে পোনে বিলাতৰ পৰা অহা। সেই যুগ বিলাতী অনুকৰণৰ যুগ। শিক্ষিত ডেকাই ইংৰাকী কয়। ৰাজহুৱা সভাত ইংৰাজীৰে বক্তৃতা চলে। এবাৰ 'কেলকাটা ৰীডিং ৰুম' নামৰ হলত সভা এখন হয়। তাত উপস্থিত আছিল পিছৰ যুগৰ কংগ্ৰেছৰ সভাপতি উমেশ চন্দ্ৰ বন্দ্যোপাধ্যায় (ডব্লিউ, চি, বনাৰ্জি)। এওঁ পকা চাহাব, পোচাক-পৰিচ্ছদ, কথা-বতৰা, আনকি ৰুমালেৰে নাক মচা বিষয়তো। এনে এখন সভাত বিদ্যাসাগৰ সভাপতি। আটায়ে ভাবিছে এওঁ ইংৰাজীত মন্তব্য নাইবা ভাষণ দিব, কিন্তু পণ্ডিত মহাশয় হাড়ে-হিমজুৰে ভাৰতীয়; তেওঁৰ মন্তব্য ওলাল তেনেই ঘৰুৱা বঙলা ভাষাত। তেওঁৰ কথাৰ ভঙ্গীত আটায়ে হাঁহিবলৈ ধৰিলে। পণ্ডিত ৰসিকো আছিল। এবাৰ এক ছাত্ৰই তেওঁক সুধিলে, "কি উপায়ে নিৰ্ভুলকৈ লিখিব পাৰি?"

তেওঁ কলে, "অতি সহজ উপায় এটা আছে, সেই উপায় মানি চলিলে কেতিয়াও ভুল নহয়।"

"কি সেই উপায়?"

"কেতিয়াও নিলিখিবা।"

বিদ্যাসাগৰে যেতিয়া মেট্ৰোপলিটেন ইনষ্টিটিউশ্যন স্থাপন কৰিলে, তেতিয়া দুই একে প্ৰশ্ন কৰিলে, ইংৰাজ শিক্ষক নোহোৱাকৈ আপুনি কি দৰে ইংৰাজী ভাষা শিকাব।"

সেই সময়ত চাহাব শিক্ষক নহলে যে ইংৰাজী শিকিব পাৰি এনে ভাৱনা কাৰো নাছিল। বিদ্যাসাগৰে নম্ৰভাবে সমিধান দিলে, "ছাত্ৰসকলক ইংৰাজী ভাষা শিকাব নোৱাৰিলেও অন্ততঃ পাছ কৰাব পাৰিম।"

পিছত দেখা গ'ল ১৮৭৪ চনৰ বিশ্ববিদ্যালয় পৰীক্ষাত এই অনুষ্ঠানৰ ছাত্ৰই সুন্দৰ ফল দেখুৱাই পাছ কৰিলে। বিশ্ববিদ্যালয়ৰ চাহাব ৰেজিষ্ট্ৰাৰে মন্তব্য কৰিলে, "পণ্ডিতে অদ্ভুত ফল দেখুৱালে।"

অতি অলপীয়া ব্যয়ত উচ্চশিক্ষাৰ ব্যৱস্থা কৰোৱা বিদ্যাসাগৰেই দেখুৱালে যে আমাৰ নিজৰ লোকৰ দ্বাৰাইও ইংৰাজী শিক্ষাৰ ব্যৱস্থা কৰিব পাৰি। বঙ্গদেশৰ শিক্ষাৰ ক্ষেত্ৰত মেট্ৰোপলিটেন ইনষ্টিটিউশ্যনৰ অৱদান কম নহয়। পিছৰ যুগত এই অনুষ্ঠানে বিদ্যাসাগৰ কলেজ নাম লাভ কৰিছে।

এই অনুষ্ঠানৰ যেতিয়া নতুন ঘৰবাৰী হ'ল তেতিয়া অধ্যক্ষই বিদ্যাসাগৰক কলে, "কলিকতাৰ সকলো ডাঙৰীয়া লোক আৰু লাট চাহাবক নিমন্ত্ৰণ জনাই এই নতুন ঘৰত এটি উৎসৱ কৰিলে ভাল হয়।"

"খৰচ কিমান লাগিব?"

"চাৰি-পাচশ টকা লাগিব।"

"এই টকাৰে দৰিদ্ৰ ছাত্ৰৰ বৃত্তিৰ ব্যৱস্থা কৰা।"

সেই মতেই কাম হ'ল।

বিদ্যাসাগৰে বঙলা, সংস্কৃত, হিন্দী বাৰখন পুথি সম্পাদন কৰিছিল। এইবিলাকৰ এখন মাধৱাচাৰ্যৰ 'সৰ্বদৰ্শন সংগ্ৰহ'। এইখনত ভাৰতীয় ষড়দৰ্শনৰ চমু অথচ প্ৰাঞ্জল আভাস পোৱা যায়। চাৰ্বাক দৰ্শনৰ—

যাৱজ্জীৱেত্ সুখং জীৱেদৃণং কৃত্বা ঘৃতং পিবেত্।
ভস্মীভূতস্য দেহস্য পুনৰাগমনং কুতঃ॥

ইত্যাদি শ্লোক এইখন কিতাপতে সঞ্চিত হৈ আছে। বিদ্যাসাগৰৰ যত্নতে এই লোপ পাব ধৰা পুথিখনে প্ৰথমে প্ৰকাশৰ পোহৰ দেখে। 'মেঘদূত' সম্পাদন কৰোঁতে তেওঁ লক্ষ্য কৰে যে, কাব্যখনত কেইটামান শ্লোক নকলী আৰু প্ৰক্ষিপ্ত। এই কেইটা কালিদাসৰ নামতে চলি আছে। প্ৰায় পঞ্চাশ বছৰ পিছৰ কথা। কাশ্মীৰত পোৱা গ'ল 'মেঘদূত'ৰ প্ৰাচীনতম টীকাকাৰ বল্লভদেৱৰ এক পুথি। দেখিবলৈ পোৱা গ'ল যে, বিদ্যাসাগৰৰ বিবেচনাত যি কেইটা শ্লোক প্ৰক্ষিপ্ত কেইটাৰ নামগোন্ধো বল্লভদেৱৰ টীকাত নাই! বাণভট্টৰ হৰ্ষচৰিতখনো তেওঁৱে প্ৰথমে প্ৰকাশৰ ব্যৱস্থা কৰে। বিস্ময়ৰ কথা, নিজে



সম্পাদন কৰা একাধিক সংস্কৃত গ্ৰন্থৰ ভূমিকা তেওঁ লিখিছিল বঙলা ভাষাত। তেওঁ নিজে সংস্কৃত ভাষাত সুন্দৰ ৰচনা লিখিব পৰা সত্বেও কিয় বঙলাত লিখে এই প্ৰশ্ন তোলাত তেওঁ কৈছিল, "সংস্কৃত ভাষাত ব্যুৎপত্তি থাকিলেও বিশুদ্ধ সংস্কৃত ৰচনা কঠিন বুলি মোৰ বিশ্বাস।" আন এক প্ৰসঙ্গত তেওঁ উক্তি কৰিছিল, বৰ্তমান সময়ত যিয়ে বৰ পণ্ডিত নহওক, তেওঁলোকৰ কোনেও প্ৰকৃততে সংস্কৃত ৰচনা কৰিব নোৱাৰে। সংস্কৃত লিখিবলৈ গলে বিবিধ ধৰণে ভুল হয়।"

নিজৰ পাণ্ডিত্য সম্বন্ধে ভেম নাথাকিলেও সেই বিষয়ত তেওঁৰ গভীৰতা কিমান সেই সম্পৰ্কত বিদ্যাসাগৰৰ নিশ্চয় নিৰ্মল ধাৰণা আছিল। সেই কাৰণেই তেওঁ সংস্কৃত ৰচনাৰ ক্ষেত্ৰত তেনে মন্তব্য দিবলৈ সাহ কৰিছিল। আনহাতে, সংস্কৃত ভাষাৰ অনুশীলন কিমান মূল্যবান তাৰ মৰ্ম উপলব্ধি কৰিয়ে তেওঁ 'ব্যাকৰণ কৌমুদী' যেন সংস্কৃত ব্যাকৰণ বঙলা ভাষাত লিখি উলিয়াইছিল।

বঙলা গদ্যৰ জনক বুলিও বিদ্যাসাগৰক ধৰিব পাৰি। তেওঁৰ ৰচনা সেই কালৰ আন বঙালী লিখকৰ ভাষাতকৈ সৰল, সহজপাঠ্য আৰু শ্ৰুতিমধুৰ। সন্ধি-সমাস কমাই যতি চিনৰ প্ৰয়োগ বঢ়াই আধুনিক গদ্যৰ বাট দেখুওৱা বিদ্যাসাগৰৰ সম্বন্ধে ৰবীন্দ্ৰনাথে মন্তব্য কৰিছে এইদৰে, "ভাষা যে মাথোন এটি আধাৰ মাত্ৰ নহয়, তাৰ ভিতৰত যেন তেন প্ৰকাৰেণ কেইবোৰ বক্তব্য বিষয় থাপ্তি দিলেই যে কৰ্তব্য শেষ নহয়, বিদ্যাসাগৰে দৃষ্টান্তৰ দ্বাৰা তাকেই প্ৰমাণ কৰিছে। তেওঁ দেখুৱাইছিল যে, বক্তব্য যিকণ তাক সৰল কৰি, সুন্দৰ কৰি আৰু সুশৃঙ্খল কৰি ব্যক্ত কৰিব লাগে।"

বিদ্যাসাগৰৰ মৌলিক ৰচনা নাই, সৰহখিনি অনুবাদ, মন্তব্য, নাইবা টীকা-টিপ্পনী; কিন্তু যি কামেই তেওঁ কৰিছে তাত চিন্তা আৰু কৰ্মনৈপুণ্যৰ চিনাকি দিছে। ১৮৪৯ চনত তেওঁ 'জীৱনচৰিত' নামে কিতাপ এখন ইংৰাজীৰ পৰা অনুবাদ কৰে। কিতাপখনত কোপাৰ্নিকাচ, গালিলিও, নিউটন ইত্যাদি পুৰুষৰ চৰিতকথা আছে। অনুবাদ প্ৰসঙ্গত তেওঁ যি মন্তব্য কৰিছে সি আমাৰো অনুধাবন কৰিবলগীয়া: "বঙলাত ইংৰাজীৰ অবিকল অনুবাদ অত্যন্ত দুৰূহ কৰ্ম; ভাষাদ্বয়ৰ ৰীতি আৰু ৰচনাপ্ৰণালী পৰস্পৰ নিতান্ত বিপৰীত; এই কাৰণে অনুবাদক অতি সতৰ্ক আৰু যত্নপৰ হলেও অনুবাদিত গ্ৰন্থত ৰীতিবৈলক্ষণ্য, অৰ্থপ্ৰতীতিৰ ব্যতিক্ৰম আৰু মূল অৰ্থৰ বৈকল্য ঘটি থাকে। মই এই সকলো দোষ অতিক্ৰম কৰিবৰ হেঁপাহত অনেক স্থলত অবিকল অনুবাদ কৰা নাই।"

উল্লেখ কৰিব লাগে যে এই 'জীৱন চৰিত' কিতাপৰ অৰ্থে বহুতো মূল ইংৰাজী শব্দৰ বঙলা প্ৰতিশব্দ বা পৰিভাষা সৃষ্টি কৰিব লগীয়া হ'ল। এইদৰে পৰিভাষা উলিওৱা শব্দৰ লেখ ৭৪। বিদ্যাসাগৰে কৰা পৰিভাষাৰ কেইটামান চানেকি চাওক আৰু ইয়াৰ কিমানবোৰ আমি আজিও ব্যৱহাৰ কৰো চিন্তা কৰক—

| | |
|---|---|
| degree | অংশ, অক্ষাংশ |
| perverted | অযথাভূত |
| discovery | আবিষ্ক্ৰিয়া |
| botany | উদ্ভিদবিদ্যা |
| colonial | উপনিবেশিক |
| monument | কীৰ্তিস্তম্ভ |
| heraldry | কুলাদৰ্শ |
| prejudice | কুসংস্কাৰ |
| centre | কেন্দ্ৰ |
| research | গবেষণা |
| biographer | চৰিতাখ্যায়ক |
| milky way | ছায়াপথ |
| astronomy | জ্যোতিৰ্বিদ্যা |
| numismatics | টঙ্কবিজ্ঞান |
| telescope | দূৰবীক্ষণ |
| mineralogy | ধাতুবিদ্যা |
| astrology | নক্ষত্ৰবিদ্যা |
| equator | নাড়ীমণ্ডল, বিষুৱৰেখা |

| | |
|---|---|
| natural law | নৈসৰ্গিক বিধান |
| perspective | পৰিপ্ৰেক্ষিত |
| ticket | প্ৰৱেশিকা |
| metaphysics | মনোবিজ্ঞান |
| axis | মেৰুদণ্ড |
| theatre | ৰঙ্গভূমি |
| revolution | ৰাষ্ট্ৰবিপ্লৱ |
| report | বিজ্ঞাপনী |
| university | বিশ্বাবিদ্যালয় |
| century | শতাব্দী |

বিদ্যাসাগৰৰ বিষয়ে কব লগীয়া বহুত। তেওঁৰ দয়া-দাক্ষিণ্য আৰু পাণ্ডিত্যকৈও মহৎ গুণ আছিল পৰম্পৰাগত ধৰ্ম আৰু চিন্তাভঙ্গী বিসৰ্জন দি তেওঁ যে সাধাৰণ গৰীব নীচশ্ৰেণীৰ লোকৰ প্ৰতি সমবেদনা দেখুৱাবলৈ গৈ সামাজিক নিষেধ নেওচিব পাৰিছিল আৰু ক'ব পাৰিছিল যে ঈশ্বৰ থকাটো সন্দেহৰ কথা আৰু সাংখ্য আৰু বেদান্ত দৰ্শন হিচাপে ভ্ৰান্ত।

মানুহৰ প্ৰতি মানুহৰ অত্যাচাৰ লক্ষ্য কৰি বিদ্যাসাগৰে মন্তব্য কৰিছিল : "এই জগতৰ গৰাকী থাকিলে তেওঁ ইমান অত্যাচাৰ সহ্য কৰিবনে ?" এনে উক্তি একাধিক। কাশীলৈ গৈ তেওঁ বিশ্বেশ্বৰৰ মন্দিৰত ভুমুকি মৰা নাছিল, গৈছিল পিতৃ-মাতৃক দৰ্শন কৰিবলৈ। যি ৰামকৃষ্ণ পৰমহংসক লৈ সেই সময়ত এক শ্ৰেণী লোক বলিয়া সেই ৰামকৃষ্ণৰ আকৰ্ষণে তেওঁক টলাব নোৱাৰিলে, আনহাতে ৰামকৃষ্ণইহে তেওঁৰ দৰ্শন লাভৰ উদ্দেশ্যে গৈ কৈছিল, "মই সাগৰ চাবলৈ আহিলো।" "বিদ্যাসাগৰে ধেমালিৰ সুৰত উত্তৰ দিলে, "তেনেহলে লুণীয়া পানীকে অলপ লৈ খাওক।"

এই চৰিত্ৰৰ দৃঢ়তা সুদুৰ্লভ। ডঃ কাকতিয়ে যদি সমূহ বঙালীক অশ্ৰদ্ধা দেখুৱাই বিদ্যাসাগৰকহে স্মৰণ কৰে তাত যুক্তি নোহোৱা নহয়। ৰবীন্দ্ৰনাথে বিদ্যাসাগৰ বিষয়ে মন্তব্য কৰিছিল এইদৰে "আমাৰ দেশৰ লোকসকলে একালৰ পৰা তেওঁক শ্ৰদ্ধাজ্ঞাপন নকৰি থাকিব পৰা নাই হয়, কিন্তু বিদ্যাসাগৰে তেওঁৰ চৰিত্ৰৰ যি মহত্ব গুণত দেশবোৰৰ দুৰ্গ নিৰ্ভয়ে আক্ৰমণ কৰিব পাৰিছিল, সেইটো মাথোন তেওঁৰ দয়া-দাক্ষিণ্যৰ খ্যাতিৰ দ্বাৰা ঢাকি ৰাখিব খোজে। অৰ্থাৎ বিদ্যাসাগৰৰ যিটো সকলোতকৈ ডাঙৰ পৰিচয় সেইটো তেওঁৰ দেশবাসীয়ে পৰ্দাৰ দ্বাৰা লুকাই ৰাখিবৰ চেষ্টা কৰিছে। এইটোৰ পৰা এটি কথা প্ৰমাণ হয় যে, তেওঁৰ স্বদেশৰ লোক যি যুগত বান্ধ খাই আছে বিদ্যাসাগৰে সেই যুগ চেৰাই জন্ম গ্ৰহণ কৰিছিল।" বিদ্যাসাগৰৰ কৃতি প্ৰকৃততে যুগান্তকাৰী আৰু বৈপ্লবিক।

# অসমত চৈতন্য সত্ৰ ঃ আল্লিবাৰী

অধ্যাপক দুৰ্গেশ্বৰ শৰ্মা

মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ যত্নত ষোড়শ শতিকাৰ আৰম্ভণিতে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ হৈছিল আৰু তাৰ সমান্তৰালভাৱে চৈতন্য পন্থী বৈষ্ণৱ সকলেও গৌড়ীয় বৈষ্ণৱ ধৰ্ম অসমত প্ৰচাৰৰ কাৰণে যত্ন লৈছিল। গৌড়ীয় বৈষ্ণৱ ধৰ্ম অসমত প্ৰচাৰ হলেও এই পন্থাৰ সত্ৰ অসমত বহুদিন পিছতহে প্ৰতিষ্ঠা হৈছিল। শঙ্কৰী সত্ৰৰ তুলনাত চৈতন্য সত্ৰৰ সংখ্যা তেনেই তাকৰ। ডক্টৰ সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে তেওঁৰ 'নব্য বৈষ্ণৱ আন্দোলন আৰু অসমৰ সত্ৰ অনুষ্ঠান' নামৰ গৱেষণা গ্ৰন্থত অষ্টাদশ শতিকাৰ আৰম্ভণিৰ পৰাহে অসমত গৌড়ীয় বৈষ্ণৱ সত্ৰ স্থাপিত হয় বুলি উল্লেখ কৰিছে আৰু সেই সত্ৰসমূহ বংগীয় বৈষ্ণৱ সত্ৰৰ অন্তৰ্ভুক্ত হলেও, অসমীয়া বৈষ্ণৱ সত্ৰৰ আৰ্হিত সংগঠিত আৰু ৰূপ লোৱাটো বিশেষ ভাৱে মন কৰিবলগীয়া।

বঙ্গীয় বৈষ্ণৱ সত্ৰৰ অসমত প্ৰতিষ্ঠাৰ পম খেদি সপ্তদশ শতিকাৰ মাজ ভাগলৈ পিছুৱাই যাব পাৰি। অসমত এই সত্ৰ প্ৰতিষ্ঠাৰ কাৰণে চৈতন্য পন্থৰ শ্ৰীশ্ৰী নিত্যানন্দ গোস্বামীৰ বংশৰ লোকে আগভাগ লৈছিল বুলি লোক প্ৰবাদ, তামৰ ফলি আৰু ইতিহাসৰ ভিত্তিত সিদ্ধান্ত কৰিব পাৰি। আল্লিবাৰী সত্ৰৰ প্ৰায় ৯০ বছৰীয়া বৃদ্ধ অধিকাৰ সুৰেন্দ্ৰ নাথ গোস্বামীদেৱে এক সাক্ষাৎ প্ৰসংগত জানিবলৈ দিয়ে যে অসমত প্ৰতিষ্ঠিত চৈতন্য পন্থী সত্ৰৰ ভিতৰত আল্লিবাৰী সত্ৰই অতি প্ৰাচীন। এইখন সত্ৰ প্ৰায় সপ্তম শতিকাৰ মাজ ভাগত প্ৰতিষ্ঠা হোৱাটো নিশ্চিত ভাৱে সত্য। যোৱা ১৯৭১ চনত উক্ত গোস্বামী দেৱৰ লোকান্তৰ হোৱাত অসমত চৈতন্য পন্থী আন্দোলনৰ বিষয়ে জানিব লগা ভালেমান তথ্য-পাতিৰ সন্ধেদ পোৱাটো এক চিন্তাৰ বিষয় হৈ পৰিল। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে, নিত্যানন্দ গোস্বামীৰ নাতিৰ পুত্ৰ ৰামদেৱ। তেওঁ উদাসীন হৈ ৰাধা-কৃষ্ণৰ আৰাধনাত জীৱন অতিবাহিত কৰিবলৈ প্ৰতিজ্ঞা বদ্ধ হৈছিল। তেওঁ কামৰূপৰ হাজোৰ মাধৱৰ মন্দিৰ দৰ্শন কৰিবৰ অভিলাষেৰে ব্ৰহ্মপুত্ৰইদি নাৱেৰে অসমলৈ যাত্ৰা কৰিছিল। এই যাত্ৰাত তেওঁ ভায়েকৰ পুতেক বাসুদেৱক লগত লৈ আহিছিল। দুইত্ৰ পাৰে পাৰে উজাই আহোঁতে তেওঁলোকে গাৰোসকলৰ ৰাজ্যৰ মাজেৰে আহিব লগাত পৰিছিল। ধাৰণা কৰিব পাৰি যে ৰামদেৱ আৰু তেওঁৰ সতীৰ্থসকলে ভৈয়ামৰ গাৰো জনজাতীয় লোকসকলক ব্ৰহ্মপুত্ৰৰ পাৰত লগ পাইছিল। গাৰোসকলেও ৰামদেৱৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। প্ৰাচীন অসমৰ গাৰো জনজাতীয় লোক সকলেই প্ৰথম চৈতন্য পন্থী লোক বুলি বিশ্বাস

কৰিব পাৰি। ইয়াৰ পিছত কিছুদিন নাৱেৰে উজাই আহি ৰামদেৱে আল্লিবাৰী নামৰ স্থানত উপস্থিত হ'ল। আল্লিবাৰীত ৰামদেৱে ধীৰা কলিতা নামৰ এজন লোকক দীক্ষা দিছিল। ধীৰা কলিতাৰ পদাংক অনুসৰণ কৰি তেওঁৰ পৰিয়াল আৰু গাঁৱৰ আন আন লোকসকলেও পৰম উৎসাহ আৰু আনন্দ মনেৰে চৈতন্য মত গ্ৰহণ কৰিলে।[১]

ৰামদেৱ আল্লিবাৰীত প্ৰায় চাৰিমাহ কাল আছিল আৰু ধীৰা কলিতাই আছিল এই সময়ত তেওঁৰ প্ৰধান সহায় সাৰথি। তেওঁ এই সময় ছোৱাত ভাগৱত চৰ্চা, নতুন লোকক দীক্ষা দান আৰু নাম-কীৰ্তন কাৰ্যত ব্যস্ত আছিল। প্ৰকৃতপক্ষে গঞা লোকৰ সাহায্য আৰু ৰামদেৱৰ যত্নত ৰাজহুৱা নাম কীৰ্তনৰ কেন্দ্ৰৰূপে আল্লিবাৰী গাঁৱত আল্লিবাৰী সত্ৰ অনুষ্ঠ্‌ পীয়া ৰূপত গঢ় লৈ উঠিছিল। অকণো সন্দেহ আৰু শংকা নকৰাকৈ ৰামদেৱক এই সত্ৰৰ প্ৰথম প্ৰতিষ্ঠাপক বুলি ধাৰণা কৰিব পাৰি। তেওঁৰ লগত অহা দুজন আচাৰ্যক আল্লিবাৰীত এৰি থৈ ভাতৃ পুত্ৰ বাসুদেৱক লগত লৈ ৰামদেৱ হাজোৰ মাধৱৰ মন্দিৰ দৰ্শন কৰিবলৈ যায়। আল্লিবাৰীত সত্ৰ স্থাপন নোহোৱা হলে আৰু তাৰ স্থানীয় ৰাইজৰ একান্ত আগ্ৰহ নাথাকিলে ৰামদেৱে আচাৰ্য দুজনক আল্লিবাৰীত এৰি থৈ যোৱাৰ প্ৰশ্ন উঠিলহেঁতেন। আচাৰ্য দুজন স্থায়ীভাৱে আল্লিবাৰীত থকা কথাটোৱেই আল্লিবাৰীত সত্ৰ প্ৰতিষ্ঠা কৰা কথাষাৰৰ সত্যতা কিছু পৰিমানে নিশ্চিত কৰিছে। আল্লিবাৰীত এৰি যোৱা আচাৰ্য দুজনে তাতে বিয়া-বাৰু কৰাই ঘৰ-সংসাৰ চলোৱাৰ উপৰিও চৈতন্য-ধৰ্ম প্ৰচাৰত বিশেষভাৱে যত্ন লৈছিল। কাল ক্ৰমত আল্লিবাৰী থান বা সত্ৰৰ লোকপ্ৰিয়তা বাঢ়িবলৈ ধৰিলে আৰু ধৰ্মপ্ৰিয় লোকসকলে স্বইচ্ছাই এই স্থানলৈ আহি চৈতন্য ধৰ্মত দীক্ষা লবলৈ ধৰিলে।[২] সৰ্বসাধাৰণ লোকে 'স্থান' শব্দটো বিগ্ৰহৰ ঠাই, ধৰ্মকেন্দ্ৰ, আৰু সত্ৰ বুজাবলৈ ব্যৱহাৰ কৰে, যেনে গোপাল থান (গোপালৰ মূৰ্তি থকা ঠাই) হৰিদেৱ থান (হৰিদেৱৰ সত্ৰ), ইত্যাদি। কেতিয়াবা থানৰ ঠাইত ধামো কৰা হয়। প্ৰমাণস্বৰূপে নলবাৰী মহকুমাৰ অন্তৰ্গত আঠ ঘৰীয়া গাৱঁৰ ওচৰত অৱস্থিত দামোদৰ সত্ৰ দামোদৰ ধাম, দামোদৰ থান নাইবা চমুকৈ সত্ৰ বুলিহে প্ৰসিদ্ধ। গতিকে ৰঙ্গনাথ আৰু ৰেবানাথৰ গ্ৰন্থৰ তলত উদ্ধৃত কৰা সুত্ৰকত উল্লেখ কৰা 'স্থান' শব্দটোৱে প্ৰকৃততে ধাম বা সত্ৰ বুজাবলৈ ব্যৱহাৰ কৰা বুলি বিশ্বাস কৰিবৰ যুক্তি আছে।

ৰামদেৱে প্ৰতিষ্ঠা কৰা আল্লিবাৰী সত্ৰ ৰামচাৰনি মৌজাৰ লোহাৰ ঘাটত অৱস্থিত আছিল। স্বৰ্গীয় সুৰেন্দ্ৰ নাথ গোস্বামীৰ মতে সত্ৰখন বীৰচন্দ্ৰৰ পুত্ৰ চিন্তামণিয়ে প্ৰতিষ্ঠা কৰে। ৰঙ্গনাথ আৰু ৰেবানাথ ৰচিত 'গুৰু-বংশাৱলী'ত চিন্তামণিৰ নাম উল্লেখ কৰা হোৱা নাই। তাত নিত্যানন্দৰ পুত্ৰ বীৰচন্দ্ৰ আৰু বীৰচন্দ্ৰৰ বংশত ৰামচন্দ্ৰ আৰু ৰামচন্দ্ৰৰ পুত্ৰৰূপে ৰামদেৱৰ নাম উল্লেখ কৰা হৈছে। এই ৰামদেৱে কামৰূপৰ মাধৱৰ স্থান দৰ্শন কৰাৰ উদ্দেশ্য আগত ৰাখি হাজোলৈ অহাৰ বাটত আল্লিবাৰীত চাৰিমাহ কাল কটাই তাত চৈতন্যপন্থী আল্লিবাৰী সত্ৰ প্ৰতিষ্ঠা কৰিছিল। চিন্তামণিয়ে আল্লিবাৰী সত্ৰ প্ৰতিষ্ঠা কৰা হলে ৰঙ্গনাথ আৰু ৰেবানাথ ৰচিত 'গুৰু-বংশাৱলী'ত তেওঁৰ নামৰ উল্লেখ পোৱা গ'লহেঁতেন। আনকি তেওঁয়ে অসমলৈ আহিছিল আৰু

১। ৰঙ্গনাথ আৰু ৰেবানাথ—গুৰু বংশাৱলী পৃ—৭,—৯,১২,১৩।

২। ৰঙ্গনাথ আৰু ৰেবানাথ ঃ গুৰু-বংশাৱলী ঃ পৃ-১৭

আল্লিবাড়ী স্থান ভৈলা লোকত প্ৰচাৰ॥
যত সব লোক মানে আল্লিবাড়ী যায়।
শ্ৰৱণ কীৰ্তন ধৰ্ম আচৰি থাকয়॥



অসমত চৈতন্যপন্থী বৈষ্ণৱ ধৰ্ম প্ৰচাৰত কিবা প্ৰকাৰে জড়িত আছিল তাৰো সামান্যতম উল্লেখ উক্ত 'গুৰু-বংশাৱলী'ত নাই। গতিকে চিন্তামণিয়ে আল্লিবাৰী সত্ৰ প্ৰতিষ্ঠা কৰা কথাষাৰ সঁচা নহয়; ৰামদেৱেহে উক্ত সত্ৰ প্ৰতিষ্ঠা কৰা বুলি ধাৰণা কৰাৰ যুক্তি শক্তিশালী আৰু প্ৰামাণিক।

স্বৰ্গীয় সুৰেন্দ্ৰনাথ গোস্বামীৰ মতে লোহাৰ ঘাটত প্ৰতিষ্ঠিত আল্লিবাৰী সত্ৰ ভালেমান কাৰণত উনবিংশ শতিকাৰ মাজ ভাগত বৰ্তমান নলবাৰী মহকুমাৰ অন্তৰ্গত চামতাৰ দক্ষিণে প্ৰায় দুই মাইল আঁতৰত অৱস্থিত গন্ধিয়া গাৱঁলৈ স্থানান্তৰ কৰা হয়। লোহাৰঘাট অঞ্চলত সঘনে হোৱা বানপানীৰ উপৰিও মেলেৰিয়া, কলাজ্বৰ, হাইজা আৰু বসন্ত ৰেমাৰত সত্ৰৰ লোকসকল অতীষ্ঠ হৈ পৰাত সত্ৰখনি বৰ্তমানৰ স্থানলৈ উঠাই আনিবলৈ বাধ্য হৈছিল। আন ধৰ্ম-সম্প্ৰদায়ৰ উচটনিত সত্ৰত কাম-বন কৰা মানুহৰো অভাৱ অনুভৱ কৰা হ'ল আৰু সত্ৰৰ মাটিত বিভিন্ন কাৰণত উৎপন্ন কমি অহাত গন্ধিয়া অঞ্চলৰ ৰাইজৰ আগ্ৰহৰ কাৰণে সত্ৰখনি সন্ধিয়া গাৱঁলৈ তুলি অনা হ'ল। সত্ৰ তুলি অনাৰ পিছত তাৰ ৰায়ত সকলৰ অৱস্থা আৰু শোচনীয় হৈ পৰিছিল। খাজনা আদায় দিব নোৱাৰাত সত্ৰৰ নামত পট্টা কৰি লোৱা মাটি নিলামত বিক্ৰী গ'ল আৰু ধৰ্মোত্তৰ-ৰূপে লোৱা মাটিত ৰেলেগ মানুহে বসতি কৰাত আৰু সত্ৰৰ ফালৰ পৰা তদাৰক কৰাত অসুবিধা হোৱাত দখলদাৰসকলৰ পৰা সামান্য দাম লৈ মাটি বিক্ৰী কৰি দিয়া হ'ল।

উল্লেখ যোগ্য যে গন্ধিয়া, পিপলিবাৰী, বেলশৰ অঞ্চলৰ সৰহ ভাগ লোকেই চৈতন্য পন্থী। এই চৈতন্য পন্থী লোকসকলৰ বেছি ভাগেই অসমীয়া দৈৱজ্ঞ ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু কেওট সম্প্ৰদায়ৰ লোক। আল্লিবাৰী সত্ৰৰ শিষ্যপ্ৰশিষ্য প্ৰধানকৈ দিনাজপুৰ, জলপাই গুৰি, কোচ-বিহাৰ, ৰংপুৰ, গোৱালপাৰা, ধুবুৰী, বেলশৰ, পিপলিবাৰী, চামতা, কালাকুছি, মাথিবাহা, চৰাইমাৰী, বড়িয়া, ডেকপাৰ, বকৰাজানি, বোকা, বাৰাংহাটী আদি অঞ্চলত আছে। উক্ত অঞ্চলসমূহত চৈতন্যপন্থী কীৰ্তনঘৰ বা নামঘৰ আছে। চৈতন্যপন্থী লোকসকলৰ যত্নত কীৰ্তন ঘৰ নিৰ্মাণ কৰা হৈছে। কীৰ্তন ঘৰৰ দৈনন্দিন কাম-কাজ মেধিৰ যত্নত পৰিচালিত হয়। কোনো কোনো সত্ৰত মেধিৰ ঠাইত পাঠক নাইবা পালাধৰীয়াৰো কীৰ্তন ঘৰৰ যাৱতীয় কাম-কাজৰ তদাৰক কৰে।

গন্ধিয়াৰ পৰা আঢ়ৈ মাইল আঁতৰৰ বৰ্ণিবাৰীৰ ওচৰৰ বনমাজাত চিন্তামণি দেৱৰ এখন থান আছে। তাত ৰাইজে চৈতন্য-মঠ নিৰ্মাণ কৰিছে আৰু এই মঠ নিৰ্মাণ কৰোঁতে বৰ্ণিবাৰীৰ গৰু বজাৰৰ পৰা যথেষ্ট পৰিমাণে আৰ্থিক সাহায্য পোৱা হৈছে।

ৰাণীৰ ৰজা ধৰ্মসিংহই পুৰণি আল্লিবাৰী সত্ৰলৈ প্ৰায় ১২৮ বিঘা মাটি দান কৰি এই সত্ৰৰ মৰ্যাদা আৰু গৌৰৱ বৃদ্ধিত সহায় কৰে। মাটি দান কৰা মূল তামৰ ফলিখন চোৱাৰ আমাৰ সৌভাগ্য নহ'ল। স্বৰ্গীয় সুৰেন্দ্ৰনাথ গোস্বামী ডাঙৰীয়াই তামৰ ফলিৰ এটি নকল আমাক দেখুৱাইছিল। তামৰ ফলিখন সম্প্ৰতি অসম চৰকাৰে নিয়া বুলি জনালে। কামৰূপৰ উপায়ুক্তৰ অফিছত খবৰ কৰাত সকলো তামৰ ফলি অসম চৰকাৰৰ যাদুঘৰত দান দিয়া বুলি জনা গ'ল। কিন্তু যাদুঘৰতো উক্ত তামৰ ফলিখন পোৱা নহ'ল। তামৰ ফলিৰ উক্ত নকল অনুসাৰে ধৰ্মসিংহই নৰসিংহ ৰজাৰ পুণ্যৰ কাৰণে ৰাতাবাৰী গাৱঁৰ দুই ৰূপৰ মাটি নৈবেদ্যৰ কাৰণে চৈতন্য পন্থৰ শ্ৰীনিত্যানন্দ গোস্বামী আৰু শ্ৰীচিন্তামণি গোস্বামীৰ নামত দান কৰাটো সঁচা। গোস্বামী ডাঙৰীয়াই দুই ৰূপৰ মাটিৰ পৰিমাণ ১২৮ বিঘা বুলি জনালে। ইয়াৰ বাহিৰেও সত্ৰৰ নামত কিনা ২২৫ বিঘা মাটি আছিল। এই সকলো খিনি মাটিকে ধৰি সত্ৰৰ প্ৰায় ৩৫৩ বিঘা মাটি আছিল। তামৰ ফলিৰ নকলটিত ধৰ্ম সিংহ ৰজাই দান কৰা মাটিৰ সীমা এনেদৰে দেখুওৱা হৈছে—উত্তৰে কায়স্থ পাৰা, দক্ষিণে কানি খহনি; পূবে ৰূপাহ ঠেঁৰিয়া;

পশ্চিমে খৰা আঁহত—এই চতুৰ হদৰ মাজৰ ভূমিখণ্ড। এই ভূমিখণ্ড সকলো প্ৰকাৰ কৰ-কাটল আদিৰ পৰা মুক্ত আছিল। ফলিৰ নকলত দান কৰা সময় ১৫৮৩ শক বহাগ মাহৰ উল্লেখ আছে। গতিকে এই তামৰ ফলিৰ দলিল মতে ১৬৬২ খৃষ্টাব্দত ৰাণীৰ ৰজা ধৰ্ম সিংহই আল্লিবাৰী সত্ৰৰ কাৰণে মাটি দান কৰে। গতিকে উক্ত চনৰ ওপৰত ভিত্তি কৰি আল্লিবাৰী সত্ৰৰ ১৬৬২ খৃষ্টাব্দত নাইবা তাৰ কেইবছৰমান আগেয়ে স্থাপন হোৱাটো সত্য বুলি সিদ্ধান্ত কৰিব পাৰি।

ৰাণীৰ ৰজা ৰামসিংহৰ চাৰিজন পুতেক। দ্বিতীয় পুতেকৰ নাম ধৰ্ম সিংহ। তেওঁ ধৰ্মপৰায়ণ ব্যক্তি আছিল আৰু বহুতো সত্ৰ আদি পতাত অনুপ্ৰেৰণা যোগাইছিল। বিশিষ্ট বৈষ্ণৱক তেওঁ ৰাজ্যত স্থাপন কৰিছিল।' ৩

ললিত ৰাম সিংহ ৰচিত ৰাণী ৰজাৰ বুৰঞ্জীত সন্নিবিষ্ট এটি গুৰুত্বপূৰ্ণ পৰা বুৰঞ্জীখন প্ৰায় ১৭৯৯ চনত ৰচিত বুলি জনা যায়। তেওঁ নিজে ৰাণী ৰাজ্যৰ ৰজাও আছিল। উক্ত বুৰঞ্জী লেখকে ধৰ্ম সিংহই আহোম ৰজা স্বৰ্গদেউ গৌৰীনাথ সিংহৰ লগত বন্ধুত্ব স্থাপন কৰিছিল বুলি উল্লেখ কৰাৰ উপৰিও গৌৰীনাথ সিংহক সৈন্যসহ নিজ ৰাজ্যত প্ৰায় চাৰিমাহ কাল ভৰণ-পোষণ দি আলহী হিচাপে ৰাখিছিল বুলি উল্লেখ কৰিছে।

তুংখুঙীয়া বুৰঞ্জীৰ মতে মোৱামৰীয়াৰ অত্যাচাৰত টিকিব নোৱাৰি স্বৰ্গদেউ গৌৰীনাথ সিংহ ১৭৮৭ চনত গুৱাহাটীলৈ গুচি আহে। গতিকে এই সময়তে তেওঁ ৰাণী ৰজাৰ আলহী হোৱাৰ সম্ভাৱনা। হাতে লিখা পুথি ৰাণীৰ ৰজাৰ বুৰঞ্জীৰ উক্ত তথ্য সমৰ্থন যোগ্য নহয়। কিয়নো আল্লিবাৰী সত্ৰত পোৱা তাম্ৰলিপিৰ নকল মতে ধৰ্মসিংহ ৰজাই ১৬৬২ চনত আল্লিবাৰী সত্ৰলৈ ভূমি দান কৰে আৰু তাৰ ১২৬ বছৰ পিছতহে মোৱামৰীয়া বিদ্ৰোহত টিকিব নোৱাৰি গৌৰীনাথ সিংহ গুৱাহাটীলৈ আহে। এই ১২৬-অৰ লগত ১০ বছৰ যোগ কৰিলেও ৰাণীৰ ৰজা ধৰ্মসিংহৰ আনুমানিক বয়স ১৩৬ বছৰ হ'ব। ইমান বেছি বয়সলৈ ধৰ্মসিংহ জীয়াই আছিল বুলি কতো উল্লেখ পোৱা নাই আৰু মানুহৰ স্বাভাৱিক বয়সৰ কালৰ পৰাও এই কথা বিশ্বাস যোগ্য নহয়। গতিকে ধৰ্ম সিংহই গৌৰীনাথ সিংহক আলহী হিচাপে ৰখা কথাষাৰ অবাস্তৱ। এই সময়ত ৰাণীৰ ৰজা ধৰ্ম সিংহ জীয়াই আছিল বুলি বিশ্বাস কৰিব নোৱাৰি। আনহাতে গুৱাহাটীত আহোম ৰাজ্যৰ শক্তিশালী বাহৰ থকা স্বত্বেও সেই বাহৰত নাথাকি গৌৰীনাথ সিংহই ৰাণীৰ ৰজাৰ আলহী হৈ থকা কথাষাৰত পতিয়ন যাবলৈ টান। ইয়াৰ উপৰিও ধৰ্মসিংহই আল্লিবাৰী সত্ৰক মাটি দান কৰাৰ প্ৰায় ১৩৮ বছৰ পিছতহে ললিত ৰাম সিংহই ৰাণী ৰজাৰ বুৰঞ্জী প্ৰণয়ন কৰে। গতিকে ইমান পিছত লেখা বুৰঞ্জীত একশ-ডেৰশ বছৰ আগৰ ঘটনা আৰু তথ্য পাতিত সৰু-সুৰা দোষ-ত্ৰুটি থকা স্বাভাৱিক।

গতিকে দেখা যায় ধৰ্মসিংহ গৌৰীনাথ সিংহতকৈ বয়সত ডাঙৰ আৰু তেওঁ গৌৰীনাথ সিংহ ৰজা হোৱাৰ ১১৮ বছৰ আগেয়ে চৈতন্য পন্থৰ আল্লিবাৰী সত্ৰৰ কাৰণে মাটী দান কৰি সেই সত্ৰৰ গৌৰৱ আৰু আভিজাত্য বৃদ্ধিত সহায় কৰি চৈতন্য পন্থী ভক্তসকলৰ আশীৰ্বাদ লাভ কৰে। শ্ৰীবিষ্ণু প্ৰসাদ মিশ্ৰ নামেৰে এজন ব্যক্তিয়ে "শ্ৰীচৈতন্য তত্ত্ব সাৰ" নামেৰে এখনি পুথি লেখি ৰজাক চৈতন্য-তত্ত্ব শুনাইছিল। এই হাতে লিখা পুথি এতিয়াও আল্লিবাৰী সত্ৰত পৰম শ্ৰদ্ধাৰে সংৰক্ষণ কৰা হৈছে।

৩। ললিত ৰাম সিংহ—ৰাণী ৰজাৰ বুৰঞ্জী ঃ শ্লোক নং ৫৭৫, পৃষ্ঠ—১০৯; অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত থকা হাতে লেখা পুথি।

# ভেশচন

অনুবাদক ঃ শ্ৰীগোলোকচন্দ্ৰ দত্ত

[ এণ্টন চেকভৰ 'ডি মাস্ক' বোলা গল্পৰ অসমীয়া ভাঙনি। এণ্টন চেকভ—ৰুছ দেশৰ প্ৰসিদ্ধ নাট্যকাৰ আৰু চুটি গল্প লেখক। জন্ম ১৮৬০ চনত। জীৱনৰ প্ৰাৰম্ভণিতে ডাক্তৰী শিক্ষালৈ মন মেলিলেও তেওঁ প্ৰকৃততে সাহিত্য চৰ্চাৰ যোগেদিহে নিজৰ প্ৰকৃত কৰ্মস্থান আবিষ্কাৰ কৰে। তেওঁ "ইভানোভ," "দি চি গাল," "দি থি চিষ্টাৰচ," "দি চেৰি অচাৰ্ড" প্ৰভৃতি প্ৰসিদ্ধ নাটক আৰু বিভিন্ন চুটি গল্প লিখি বিশ্ব সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি থৈ যায়। চুটি গল্প লেখক হিচাপে তেওঁ পৃথিৱীৰ তিনি জন পথ-প্ৰদৰ্শকৰ ভিতৰত এজন; বাকী দুজন হ'ল আমেৰিকাৰ এড্‌গাৰ এলেন পো আৰু ফ্ৰাঞ্চৰ মোপাৰ্চা। ১৯০৪ চনত চেকভৰ মৃত্যু হয়। তেওঁৰ গল্প আৰু নাটক পৃথিৱীৰ বিভিন্ন ভাষালৈ অনূদিত হৈছে আৰু হৈ আছে। —ক. শ. ]

ক্লাবত সেইদিনা ফেনচী ড্ৰেছ'ৰ নাচবাগ হৈছিল। গাভৰুৰ ভাষাত কবলৈ হলে 'মৌমেল' পতা হৈছিল।

তেতিয়া নিশা বাৰমান বাজিছে। নাচগানত যোগ নিদিয়া, মুখা পিন্ধি থকা পাঁচজন বুদ্ধিজীৱীয়ে পঢ়া কোঁঠালিত আহল-বহল মেজ এখন বেঢ়ি, নাক আৰু দীঘল দীঘল ডাৰিৰে বাতৰি কাকত ঢাকি লৈ তন্দ্ৰালস ভাবে মস্কো বা পিটাৰ্চবাৰ্গৰপৰা লেখা বিশেষ সংবাদদাতাৰ বাতৰি পঢ়ি আছিল। তাৰে এজন ভাৰত বিভোৰ। তেওঁ যেন আন এখন পৃথিৱীতহে আছে।

সংগীতৰ মূৰ্চ্ছনা, নৃত্যৰ ঝঙ্কাৰ, নাচগান চলি থকা আন এটা খোটালিৰ পৰা আহি এই কোঁঠালিটোত সোমাইছিল। প্লেটৰ ঠানঠুন শব্দ তুলি পৰিচাৰিকা

ব্যস্ততাৰে কৰিডোৰেদি অহা-যোৱা কৰি আছিল। কিন্তু পঢ়া খোটালিত এক গভীৰ নীৰৱতাই বিৰাজ কৰিছিল।

গুৰু গম্ভীৰ মাত এটাত নীৰৱতা ভাঙি গ'ল। "হেৰা! এই কোঠাটোত অলপ আৰাম পাম! আহা! ইয়াতৈ আহা।" লগে লগে দুৱাৰখন খুলি গাড়োৱানৰ সাজ-পাৰ পিন্ধা জলধা মানুহ এজন সোমাই আহিল। মূৰত ম'ৰা চৰাইৰ পাখি গোজা টুপী; মুখখন মুখাৰে আবৰা। তেওঁ পঢ়া খোটালিটোত সোমাল। পাছে পাছে আহিল মুখা পিন্ধা তুজনী গাভৰু আৰু হাতত ট্ৰে লৈ পৰিচাৰিকা এজনী। ট্ৰেৰ ওপৰত প্ৰকাণ্ড এবটল কলা মদ, তিনিবটল ৰঙা মদ আৰু কেইবাটাও গিলাছ।

"ইয়াতে অলপ নিজৰা হব" মানুহজনে কলে। "মেজৰ ওপৰত ট্ৰেখন থোৱা। সোণগুটিহঁত! তোমালোক বহা। হেৰা ভদ্ৰ মণ্ডলী! ঠাই খালী কৰা···। উঠা!" সাবিনিয়াৰ দৰে মেজৰ ওপৰৰ পৰা কেইখন মান বাতৰি কাকত আঁতৰাই পেলালে। "জপাই থোৱাহে! পলম কৰিছা কিয়? তোমালোক ওলোৱা। বাতৰি কাকত পঢ়ি ৰাজনীতি আলোচনা কৰাৰ সময় এতিয়া নহয়।··· জপাই থোৱা আৰু আঁতৰি যোৱা।"

"হেৰি! অলপ সুস্থিৰ অৱস্থালৈ আহক" চছমাযোৰ নাকৰ আগত মূৰ নোতোলাকৈ খোপাকৈ চাই বাতৰি কাকত পঢ়ি থকা মানুহ এজনে মাত লগালে।" আপুনি বোধকৰোঁ জানে এইটো পঢ়া খোটালি···। মদখোৱাৰ বাবে নহয়।"

"কি ক'লা? মদ খাব নোৱাৰি? কিয়? মেজখনে চলংপলং কৰিব নেকি? নে চিলিংখন খহি পৰিব? হাঁহি উঠে। হেৰা! বাজে কথা কবলৈ সময় নাই। কাকতবোৰ জপোৱা···। এতিয়ালৈ যিমান পঢ়িলা সেয়ে ঢেৰ! তোমালোক এনেয়ে চোকা বুদ্ধিৰ পোক। বেছি পঢ়িলে চকু নষ্ট হ'ব। এতিয়া প্ৰধান কথা হ'ল—তোমালোক ওলাই খোটালিটো খালী কৰি দিয়া।"

পৰিচাৰিকা জনীয়ে নেপ্‌কিনখন কান্ধত লৈ ট্ৰেখন মেজৰ ওপৰত থলে আৰু দুৱাৰৰ ওচৰলৈ গৈ থিয় হ'ল। গাভৰু দুজনীয়ে ৰঙা মদৰ বোটল খুলি আৰম্ভ কৰিলেই। শকত মানুহজনে ডাঙৰ বোটলটোৰ ঠিলা খুলিলে আৰু গিলাছত বাকী লৈ কলে—"এনেকৈ মদ খোৱাতকৈ কিছুমান বুধিয়ক লোকে বাতৰিকাকত পঢ়াটোকে ভাল বুলি ভাবে। নীৰস আখৰ কেইটাৰ মাজত ৰস পায়। আচল কথা হ'ল—মদ খাবলৈ ধনৰ অভাৱ। কিবা ভুল কলোঁ নেকি হে? হাঃ হাঃ হাঃ। পঢ়িছে চোৱা। হেৰা! তোমাৰ বাতৰি কাকতত কি লিখিছেহে? হেৰা চছমাপিন্ধা ভদ্ৰলোক! আমাকো দুই চাৰিটা কথা বুজাই কোৱাহে। হাঃ হাঃ হাঃ। এটোক মাৰিবা নেকি? হাঃ হাঃ হাঃ। কথা শুনা! তোমালোকে পঢ়া বন্ধ কৰা।" এই বুলি কৈ চছমা পিন্ধা মানুহজনৰ হাতৰ পৰা বাতৰি কাকতখন টানি-আজুৰি আনি দুয়ো হাতেৰে ফালি পেলালে। মানুহজন ৰঙ-চঙা পৰিল। তাৰ পিছত মুখখন সেঁতা পৰিল। অতি আচৰিত হৈ বাকী বুদ্ধিজীৱী কেইজনৰ ফালে চালে। তেওঁলোকেই ইজনে সিজনৰ মুখলৈ চালে আৰু তাৰ পিছত আটাইকেইজনে তেওঁলৈ চালে।

"আপুনি নিজকে পাহৰি গৈছে!" মানুহজন চিঞৰি উঠিল। "আপুনি পঢ়া খোটালিটি মদ খোৱা খোটালিত পৰিণত কৰিলে। উশৃঙ্খলতা আনি দিলে। হাতৰ পৰা বাতৰি কাকত কাঢ়ি নিলে! মই তেনে কেতিয়াও নকৰোঁ। জানে আপুনি কাৰ লগত ধেমালি কৰিছে? মই বেঙ্কৰ মেনেজাৰ······।"

"অ' বেঙ্কৰ মেনেজাৰ! ইচ্‌! জনাই নাছিলো! আই ঐ দেহি! বেঙ্কৰ মেনেজাৰ! এয়া তোমাৰ কাকত!" এই বুলি কাকতখন ফালি টুকুৰা টুকুৰ কৰিলে।"

"হেৰি! আপোনালোকে চাওক এয়া কেনে ব্যৱহাৰ।" খঙতে অগ্নিশৰ্মা হৈ বেঙ্কৰ মেনেজাৰ চিঞৰি উঠিল!" একেবাৰে আচৰিত কাণ্ড!···কদৰ্য ব্যৱহাৰ···জঘন্য আচৰণ···।"



"হু! ৰেচেৰাৰ খং উঠিছে!" চেক চেকাই হাঁহি মানুহজনে ক'লে—"হেৰা ময়না! তেনেকৈ নাচাবা। মোৰ বৰ ভয় লাগিছে! কেঁকোৰাৰ গাত এটা ক'ত বিচাৰি পাওঁ! এতিয়া মোৰ কথা শুনা! হেৰা ভদ্ৰমণ্ডলী!"

"পেংলাইখন এৰা। তোমালোকৰ লগত কথা খৰচ কৰাৰ ইচ্ছাও নাই—সময়ো নাই। তোমালোকে জানা এই সোণগুটিহঁতৰ লগত মই অকলে থাকিব বিচাৰো। সময়কন অকলে উপভোগ কৰিব বিচাৰো। সেয়েহে কৈছো—আমনি নিদিবা। এতিয়াই ইয়াৰ পৰা আঁতৰি যোৱা। সোঁখন দুৱাৰ খোলা আছে। মেনেজাৰ চাহাব! মেনেজাৰ চাহাব! ইয়াৰ পৰা ওলোৱা। গাহৰিৰ দৰে কি চাইছা? ওলাই যাবলৈ কৈছো ভালে ভালে ওলাই যোৱা। গতিয়াই বাহিৰ কৰি দিয়াৰ আগে আগে ওলাই যোৱা।"

"কি কলে?" মাউৰা আদালতৰ নাজিৰে উত্তেজিত হৈ কান্ধ জোকাৰি কলে— "কি কলে? নিজেই অভদ্ৰ মানুহৰ দৰে সোমাই আহি আমাক ওলাই যাবলৈ কৈছে! গতিয়াই বাহিৰ কৰি দিম বুলি কৈছে!"

"কি কলা? মই অভদ্ৰ?" মানুহজনে খঙতে চিঞৰ মাৰি মেজত ভুকু এটা মাৰি দিলে। মেজৰ ওপৰত থকা গিলাছ, বটল, ট্ৰে আদিৰ শব্দ উঠিল। "মোক কি কৈছা এবাৰ ভাবি চাইছা নে? মুখা পিন্ধি থাকিলো বুলি তোমালোকে যিহকে ইচ্ছা তাকে কৰা আৰু মই শুনি যাম? তোমালোকে ভাবিছা মোৰ নিছা হোৱা বুলি। মই কৈছো. তোমালোক আটায়ে এই মুহূৰ্তে ইয়াৰ পৰা ওলাই যোৱা। নিজৰ সন্মান বজাই ৰাখি গাহৰিশাললৈ যোৱা গৈ।"

"ৰবা তেনে! চাইলোৱা, কি কৰিব পাৰোঁ মই।" একে উশাহতে বেঙ্কৰ মেনেজাৰে কলে। উত্তেজনাত তেওঁৰ চছমা ঘামত তিতি গৈছিল। "কি কৰিব পাৰোঁ তোমাক এতিয়াই দেখুৱাম! হেই! তইঁতৰ মালিকক মাত।"

অকনমান পিছতেই ৰঙা চুলিৰে ভৰা, ক্লাবৰ মালিকজন ওলালহি। তেওঁৰ চোলাৰ মোনাত আঁৰি থোৱা আছে নীলা ৰঙৰ ফিটাএডাল। মুখৰ পৰা ওলোৱা ঘন ঘন উশাহ নিশাহ কেইটাই সাক্ষ্য দিয়ে তেওঁ যে নাচি ৰাগি ভাগৰি পৰিছে।

"দয়া কৰি খোটালিটোৰ পৰা ওলাওক", তেওঁ আৰম্ভ কৰিলে। "এইটো মদ খোৱা খোটালি নহয়।"

"তুমি আকৌ ওলালা ক'ৰ পৰা? তোমাকতো মই মতা নাই?"

"হেৰি! আপোনাক অনুৰোধ কৰিছো,—আপুনি এই খোটালিৰ পৰা ওলাওক।"

"হেৰা ময়না! শুনা। একমিনিট সময় দিছো। তুমিয়ে এই ক্লাবৰ মালিক। তুমি সন্মানিত লোক। সেয়েহে কৈছো—এই ভদ্ৰমণ্ডলীক এই খোটালিৰ পৰা উলিয়াই দিয়া। অচিনাকী মানুহৰ আগত সোণগুটিহঁতে থাকিবলৈ ভাল নাপায়। সিহঁত বৰ লাজকুৰীয়া। এতিয়া মোৰ ধনৰ সাৰ্থক কৰিব বিচাৰো। সিহঁতক কেঁচা ৰূপত চাবলৈ বিচাৰো···।"

"এই অসভ্যই বোধ কৰোঁ বুজি নাপায় যে সি গাহৰিৰ গৰালত নাই! বাহাদুৰ! বাহাদুৰ! অ' বাহাদুৰ!" গোটেই ক্লাব ঘৰটোত প্ৰতিধ্বনি উঠিল।

খাকী পোচাক পিন্ধা আদহীয়া মানুহ এজন সোমাই আহিল—"কোঠাৰ পৰা ওলাওক।" হতা মাতেৰে কলে। চকু দুটাত হিংস্ৰ চাৱনি। মহৰ শিঙৰ দৰে গোঁফকোচা।

"ভয় দেখুৱাইছা?" জোৰেৰে হাঁহি কলে। "হে প্ৰভু! ইহঁতে মোক ভয় দেখুৱাইছে। প্ৰভু! তুমি ক'ত আছা? চোৱাহি কি তামচাখন হৈছে! চোৱাহি ইহঁতে মেকুৰীৰ দৰে মোলৈ কেনেদৰে টেলেকাকৈ চাব ধৰিছে। হাঃ হাঃ হাঃ ...।"

"ধেমালি কৰিবলৈ অহা নাই। নিজে বাহিৰ হওক নহলে বাহিৰ কৰি দিবলৈ বাধ্য হম।" বাহাদুৰৰ চিঞৰত খং আৰু কৰ্তব্যৰ সুৰ মিহলি। খোটালিটো

চিঞৰ বাখৰেৰে থলক লাগিল। বাহাদুৰে মজিয়াত ওবিয়াবলৈ ধৰিলে। বেঙ্কৰ মেনেজাৰে চিঞৰিলে, নাজিৰে চিঞৰিলে, বুদ্ধিজীৱী কেইজনে চিঞৰিলে, মালিকে চিঞৰিলে। নাচ-বাগ বন্ধ হ'ল। বাহিৰৰ পৰা মানুহ আহি পঢ়া খোটালি ভৰি পৰিল। ঘটনাটোৰ থূল-মূল বিবৰণ দি ক্লাব ঘৰৰ আগত থকা পুলিচজনে এটা প্ৰতিবেদন লিখিবলৈ ধৰিলে।

"লেখি যোৱা—"শকত আবত মানুহজনে কলমটোৰ আগ জোকাৰি দি কলে—"আহ! এই হতভগীয়াৰ এতিয়া কি বিলৈ বিপত্তি হব! হেৰা! তোমালোক আটায়ে মিলি এই মাউৰা লৰাটোক কিয় আশ্ৰয়হীন কৰিবলৈ ওলাইছা। ভাল কথা। লাগিছা যেতিয়া লাগি থাকা। প্ৰতিবেদন লিখা হ'লনে? আটায়ে সাক্ষীৰ ঘৰত চহী কৰিলা! এতিয়া চোৱা। এক, দুই, তিনি……।"

তেওঁ থিয় হ'ল আৰু মুখাখন খুলি পেলালে॥ মুখখন সকলোকে দেখুৱালে। কাৰ কেনে প্ৰতিক্ৰিয়া হ'ল তাকো মন কৰিলে। তাৰ পিছত আমোদেৰে আকৌ বহি পৰিল আৰু গোটেই ক্লাবঘৰটো বজনজনাই যোৱাকৈ হাঁহিবলৈ ধৰিলে। লগে লগে ঘটনাই অন্য-ৰূপ ললে। বুদ্ধিজীৱী কেইজনে বিবুধি হৈ ইজনে সিজনৰ মুখলৈ চোৱা-চুই কৰিলে। মুখবোৰ শেঁতা পৰিল। কেইজন মানক পাছ মুৰ খুজোৱা দেখা গ'ল। বাহাদুৰৰ বাহাদুৰি গ'ল; সি যেন কি ভীষণ অপৰাধ কৰিবলৈ ওলাইছিল।

সকলোৱে মুখা পিন্ধা মানুহজনক চিনি পালে। উত্তৰাধিকাৰী সূত্ৰে হোৱা জমিদাৰ, সন্মানিত ব্যক্তি, অগাধ সম্পত্তিৰ মালিক। কোটি কোটি টকাৰ ব্যৱসায় কৰে। গুণা স্বভাৱটোৰ বাবে তেওঁ কুখ্যাত। তেওঁৰ উদাৰ স্বভাৱ আৰু শিক্ষাৰ প্ৰতি থকা আগ্ৰহৰ ভূয়সী প্ৰশংসা কৰি স্থানীয় বাতৰি কাকতবোৰে থলক লগাইছিল।

"হলনে! এতিয়া যাবা নহয়" হাঁহি সম্বৰণ কৰি সুধিলে। কথাষাৰে আটাইবিলাক মানুহৰ চেতনা আনি দিলে। নীৰবে নিশব্দে সকলো ওলাই গ'ল। লগে লগে তেওঁ দুৱাৰত হুক লগাই দিলে।

"তুমি যদি জমিদাৰ বুলি আগতে জানিছিলা মোক নকলা কিয়?"

মালিকে পৰিচাৰিকাক কলে।

"কবলৈ হাক দিছিল।"

"হাক দিছিল! এতিয়া কি হ'ল? দেখিলা? তোমালোকৰ যদি কিবা কাণ্ডজ্ঞান থাকিলহেঁতেন। যোৱা ইয়াৰ পৰা। দাঁত চেলাই হাঁহি থাকিব নালাগে। ৰাতিপুৱা দেখা পাবা ইয়াৰ ফল কি হয়। আৰু আপোনালোক বেছ ভাল মানুহ। একেবাৰে হুলস্থুল লগাই হে এৰিলে। আপোনালোকে অলপ সময়ৰ বাবে কোঠাটো এৰি আহিলে কি হ'লহেতেন বাৰু? কি অসুবিধাত পৰিলহেঁতেন বাৰু? আপোনালোকৰ আচৰণ ভাল নালাগিল।"

গভীৰ চিন্তাৰে মুখ ওলোমাই লৈ বুদ্ধিজীৱী কেই-জনে ক্লাবঘৰৰ বাৰেণ্ডাত ইফালৰ পৰা সিফাললৈ অহাযোৱা কৰিবলৈ ধৰিলে। আটাই কেউজন যেন অপৰাধী। মুখত ফাচফুচ কথা। তেওঁলোক অনুতপ্ত। জমিদাৰক 'অপমান' কৰাৰ কথা তেওঁলোকৰ পৰিয়ালৰ লোক সকলে শুনাৰ লগে লগে মুখৰ মাত হেৰাল আৰু দিহা দিহি ঘৰলৈ গ'ল নাচগান বন্ধ হ'ল।

ৰাতি দুই বাজিল। জমিদাৰ পঢ়া খোটালিৰ পৰা ওলাই আহিল। একেবাৰে মাতাল বেহুচ। ঢলং পলংকৈ নাচগানৰ মজিয়ালৈ লৈ গ'ল। সুৰ সমলয় বজোৱা মানুহ বিলাকৰ ওচৰত বহিলগৈ। সংগীতৰ মূৰ্চ্ছনাত বিভোৰ হৈ টোপনিয়াব ধৰিলে। লাহে লাহে মূৰটো হালি গ'ল। নাকেৰে ঘোৰ ঘোৰাবলৈ ধৰিলে।

"বন্ধ কৰা", বাদ্যবজোৱা মানুহ কেইজনক মালিকে ইংগিতেৰে নিৰ্দেশ দিলে। "তেখেতৰ টোপনি আহিছে।"



"ঘৰলৈ লৈ যাব পাৰিমনে?" জমিদাৰৰ কাষত বহি নাজিৰে লাহেকৈ সুধিলে। ওঁঠ দুটাৰে জমিদাৰে এনে এটা ভেকাহি মাৰি দিলে তেওঁ যেন মাখি এটাহে খেদিছে।

"আপোনাক ঘৰলৈ লৈ যাম নে গাড়ী আনিবলৈ কম?"

"হু! কি? অ'…তুমি! কি লাগে?"

"শোৱাৰ সময় হৈছে। ঘৰলৈ নিব খোজো।"

"ঘৰ! এৰা যাওঁ বলা…। মোক লৈ বলা।"

পৰিতৃপ্তিত নাজিৰৰ মুখ জিলিকি উঠিল। তেওঁ জমিদাৰক আলফুলকৈ ধৰিলে। জমিদাৰ থিয় হ'ল। বাকী কেইজনো মিচিকিয়া হাঁহি লৈ জমিদাৰৰ ওচৰ পালে। আটায়ে ধৰাধৰিকৈ উত্তৰাধিকাৰী সূত্ৰে হোৱা সন্মানিত জমিদাৰক আলফুলকৈ গাড়ীত তুলিবলৈ লৈ গ'ল। "শিল্পী আৰু গুণী মানুহকহে এনেদৰে অনা হয়," হিয়াভৰা আনন্দেৰে বেঙ্কৰ মেনেজাৰে কলে। "আজি ভাল ৰগৰ হ'ল! ইমান ৰগৰ কৰিব পাৰে এই মানুহজনে! আমি আটায়ে উত্তেজিতহে পৰিছিলো…। থিয়েটাৰ চায়ো ইমান খোলা মন লৈ হাঁহিব পৰা নাছিলো। আজিৰ এই সন্ধিয়াৰ কথা সদায় মনত থাকিব।"

জমিদাৰক গাড়ীক তুলি দি আটাইকেইজন বুদ্ধি-জীৱী কৃতাৰ্থ হ'ল।

"তেখেতে মোৰ লগত হাত জোকাৰিছে," আনন্দৰ উচ্চ শিখৰত থিয় হৈ বেঙ্কৰ মেনেজাৰে কলে। "বুজা যায় আমাৰ ওপৰত তেওঁ খং কৰা নাই।"

"ময়ো তাকেই ভাবো", মালিকজনে কলে। "তেওঁ ধুৰন্ধৰ যদিও পৰোপকাৰী আৰু উদাৰ হৃদয়ৰ। এই বিলাক যিয়েই নহওক আপোনালোকে আগলৈ যেন এনেদৰে বাঘৰ নেজেৰে কাণ খজুৱাব নোখোজে।"

# নগা পৰ্বতৰ কথা

শ্ৰীহৰিপ্ৰসাদ ৰাই

যদি কোনোবাই এথন উদাৰ হৃদয় লৈ নগাপৰ্বতলৈ আহে, আৰু ইয়াৰ নগা ভাই-ভনীক আপোন কৰি লৈ, তেওঁলোকৰ প্ৰতি অকৃত্ৰিম মৰম ৰাখি, তেওঁলোকৰ ভাষা, সভ্যতা, কৃষ্টিৰ প্ৰতি শ্ৰদ্ধা ৰাখি এওঁলোকৰ মাজত থাকে, তেতিয়া হলে কেইবছৰমান এওঁলোকৰ মাজত থাকি, যেতিয়া নিজৰ ঘৰলৈ ঘুৰি যায়, তেতিয়া দেখিবলৈ পাব, অসংখ্য চকুলোৰে আপোনাৰ প্ৰতি ভাল পোৱাৰ সন্মান পত্ৰ লিখি দিব, আৰু এটি পাহৰিব নোৱাৰা স্মৃতি অন্তৰত আঁকি দিব।

বৰ্তমানে নগাপৰ্বতৰ অধিবাসী আমি অসমীয়াত বাহিৰেও প্ৰায় ২৫।৩০ প্ৰকাৰৰ বিভিন্ন সম্প্ৰদায়ৰ নগাজাতিয়ে ইয়াত বাস কৰে; ইটো সম্প্ৰদায়ে সিটো সম্প্ৰদায়ক চিনি নেপায়, মাত-কথাও বুজি নেপায় আৰু তেওঁলোকৰ মাজত আদান-প্ৰদানো সিমান সম্ভৱ নহয়। হয় নে নহয় তলত দিয়া নামাৱলীৰ পৰাই গম পাব। জনসংখ্যা অনুক্ৰমে এওঁলোক হ'ল; ১। আঙ ২। চেমা ৩। কন্যাক ৪। আঙ্গামী ৫। লঠা ৬। চাংতাম ৭। ফোম ৮। খেম্‌ন্যুগান ৯। চাং ১০। চাকেচাং ১১। ইমচুংগাৰ ১২। চামন্যুগান ১৩। জেলিয়াং ১৪। জেলিয়াঙৰ শাখা জেলিয়াং ৰং ১৫। ৰংমেই ১৬। ৰিয়াংমেই (১৩ৰ পৰা ১৬ লৈকে সমষ্টি গত সংখ্যা ধৰা হৈছে) ১৭। চাকু ১৮। পেঞ্জা ১৯। ৰেংমা ২০। কুকি ২১। পচুৰী ২২। বাঞ্চো ২৩। তিখিৰ ২৪। পোমা ২৫। কছাৰী ২৬। ডিম্বাচা ২৭। ফেলংগাৰ ২৮। খেলমা ২৯। চিৰু ৩০। তাবু ইত্যাদি। ইয়াৰ বাহিৰেও স্থান বিশেষত কিঞ্চিৎ পাৰ্থক্য ৰাখি মুল সম্প্ৰদায়ৰ পৰা ফাটি অহা শাখা-প্ৰশাখা বোৰ অনেক আছে, যেনে; কহিমা আঙ্গামীৰো বেলেগ বেলেগ ভাষা আছে। খনমাৰ, ফেচামাৰ, সীমাৰ ভাষাত বেলেগ বেলেগ লালিত্য সৌন্দৰ্যতো নিজত্ব আছে। কিছুমান ভাষা ভাষীৰ সংখ্যা নিচেই তাকৰ। যেনে, চিন ভাষী, চিৰুভাষী, কাওভাষী, নকুজোভাষী, আৰাং কং ভাষী, পাংচাভাষী, তাবলেং ভাষী, ৰাব ভাষী! ইত্যাদি!

এনে সম্প্ৰদায় আৰু ভাষাৰ সাগৰত বাৰু পাৰস্পৰিক বুজাবুজি হয় কেনেকৈ নাইবা ইজনে সিজনৰ মনৰ ভাব কেনেকৈ বুজি পায় বাৰু? কহিমা ৰেডিও ষ্টেছনৰ ভাষা আৰু নাগালেণ্ড বিধান সভালৈ গলেই তাৰ উত্তৰ পোৱা যাব। সেয়া হৈছে অসমীয়া ভাষা। বহুদিন ধৰি ভাষা চৰ্চা বা ব্যাকৰণ পাঠ নকৰাৰ বাবে বৰ্তমানে এই ভাষাই যি ৰূপ লৈছে সেই ৰূপটিৰ নাম হৈছে নাগামীজ! (Naga + Assamese—Nagamese!) অৱশ্যে আমাতকৈ মিঠা শুদ্ধ অসমীয়া মাত মাতোঁতাও বহুত আছে। যেনে শ্ৰীযুত কুস্ত আঙ্গামী, বেঞ্জমীন আঙ্গামী, কেঞ্জীবিনো আঙ্গামী, জ্বীনো আঙ্গামী,



জ্যোথ্ আঙ্গামী, লংৰী আও, যাম্নাংনকা আও, ভিচাৰ চাদাৰ্ণ আঙ্গামী, লুকো আঙ্গামী, ভিঙ্‌লো আঙ্গামী, পুতচুৰে আঙ্গামী, দানিয়েল ৰেংমা, ৰেঞ্চালো লঠা, ৰেনবো লঠা, খামো লঠা, ৰঙ্গালীন জেলিয়াং, লুভীনা জেলিয়াং ইত্যাদি। এওঁলোক সকলোৰে পৰিয়ালৰ লোকে ধুনীয়া শুদ্ধ অসমীয়া কয়।

প্ৰত্যেকে বছৰে কহিমা সাহিত্য সভা ক্লাবত বিহু উৎসব পতা হয়। এই ক্লাবৰ প্ৰতিষ্ঠাতা পদ্মনাথ গোহাঞি বৰুৱা, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ জয়ন্তী পতা হয়। মহাপুৰুষ শঙ্কৰদেৱৰ তিথি পালন কৰা হয়; প্ৰতি দেওবাৰে আইসকলে নাম প্ৰসঙ্গ পাতে এই সকলো বিলাক পৰ্ব, উৎসৱ জয়ন্তীতে নগা ভাইসকলে ধৰ্ম সম্প্ৰদায় নিৰ্বিশেষে যোগদান কৰে।

এই যে আমাৰ যোগসূত্ৰ প্ৰেমৰ অন্তৰ বাহিনী ফল্গু উৎস ইয়াক আমি সদায় হিয়াৰ সোণালী জৰীৰে কট্‌কটীয়া কৰি বান্ধি থৈছোঁ।

এই প্ৰাচীন অষ্ট্ৰো—মঙ্গোলয়ড পৰিবাৰটি কেনেকৈ আহি নগা পৰ্বতত থাকিবলৈ ললে সেই কথা এওঁলোকে পাহৰি গৈছে মাত্ৰ কিছুমান কিম্বদন্তি আছে! এই অষ্ট্ৰো'-মঙ্গোলয়ড পৰিবাৰ আৰু আৰ্য পৰিয়ালৰ মাজত বৈবাহিক সম্বন্ধ হোৱাৰ বাবে ৰক্তৰ যে মিশ্ৰণ হৈছিল, সেই কথা নুই কৰিব নোৱাৰি। মহাভাৰতৰ যুগত পঞ্চপাণ্ডৱে বনবাসত থকা কালত এই বাটে যাওঁতে ডিমাপুৰত ভীমে হিড়িম্বাক বিয়া কৰায়, কহিমাত অৰ্জুনে উলুপীক আৰু মণিপুৰত চিত্ৰাঙ্গদাক বিয়া কৰোৱাৰ কথা মহাভাৰতত সুন্দৰৰূপে বৰ্ণনা কৰা নাই জানো?

আঙ্গামী সকলৰ মতে তেওঁলোক জাপড়ৌ পৰ্বতৰ শৃঙ্গৰপৰা অহা। (আঙ্গামী উচ্চাৰণ মতে জাপড়ৌৰ উচ্চাৰণ জাপ্‌ভ্ Japvu)। আকৌ কিছুমানে কয়, এখেত সকল ভূ-গৰ্ভৰ পৰা অহা, আৰু সেই ভূ-গৰ্ভ বৰ্তমানৰ ভুগৰ্ভ মাউ থানাৰ ওচৰত কৰবাত আছে। মাজতে এবাৰ বহুত মানুহে সেই ভূগৰ্ভ চাবলৈ গৈছিল। আঙ্গামী ভাষাত মাও নগাক চফমা (Sofoma) বুলি কয়! এই চফমাক লৈ এওঁলোকৰ বহুত গানো আছে। নগা ভাষাত কিতাপ পত্ৰ বৰ্তমানেহে লিখা হব ধৰিছে। এওঁলোকৰ লোক-সাহিত্য বৰ চহকী! বাইবেলৰ কথা অৱশ্যে বেলেগ। খ্ৰীষ্টিয়ান মিছনেৰী সকলে অষ্টাবিংশ শতিকাৰ প্ৰথম চতুৰ্থাংশতে এই বাইবেল প্ৰণয়ন কৰে নেপালী, অসমীয়া, হিন্দী আৰু ভাৰতীয় অন্যান্য ভাষাত! অৰ্থাৎ ইংৰাজে দেশজয় কৰি ঠায়ে ঠায়ে সোমাই নিগাঞ্জী হৈ যোৱাৰ লগে লগে খ্ৰীষ্টিয়ান প্ৰচাৰকসকলক আনে আৰু বাইবেল প্ৰচাৰ আৰম্ভ কৰে। নগা পৰ্বততো ইংৰাজ অষ্টাবিংশ শতিকাৰ সপ্তম দশকত (১৮৭০ চনত) সোমোৱাৰ পিছতেই বাইবেল ৰচনাৰ যো-জা চলে—প্ৰথমে আও ভাষাত তাৰ পিছত আঙ্গামী ভাষাত। নগাপাহাৰ জিলাৰ সদৰ ১৮৬৯ চনত (বৰ্তমান নাম নীচুগাৰ্ড, আৰু তেতিয়াৰ চেমকেডিমাত) চেমকেডিমাত আছিল। ইংৰাজে প্ৰথমে নগাও, পিছত মিকিৰ পাহাৰ মহংদিজুৱাত ছাউনী পাতে। মহংদিজুৱাৰ পিছত চেম'কেডিমাত ছাউনী বা দুৰ্গ পাতে আৰু সেই সেই ঠাইৰ পৰা শাসন চলায়। চেম'কেদিমাত সদৰ পাতিছিল হয়; কিন্তু গুদামঘৰ ডিমাপুৰত হে ৰাখিছিল কাৰণে আজিকোপতি আঙ্গামী ভাষাত ডিমাপুৰক "কুদা" বুলিহে কয়। কুদা হৈছে গুদামৰ অপভ্ৰংশ।

নগা পাহাৰলৈ আহোঁতা প্ৰথম মিছনেৰীজনৰ নাম আছিল Dr. Clark (১৮৭২ চন) C. D. king (১৮৮৩ চন)। পিছত কহিমাত নিগাঞ্জী হৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ আহোঁতাৰ নাম S. W. Ravenburg (১৮৮৫ চনৰ পৰা ১৯২২ চনলৈকে)। তেওঁৰ পিছত Rev. Tanquist আৰু সৰ্ব শেষৰ জন শিক্ষাবিদ G. W. Supplu! আমাৰ অসমীয়া মিছনেৰী প্ৰচাৰক যিজনে পোন প্ৰথমতে ১৮৭১ চনত অৰ্থাৎ প্ৰথম দেশী

খ্ৰীষ্টিয়ান প্ৰচাৰক হিচাবে আহিছিল, তেওঁৰ নাম আছিল শ্ৰীগথুলা খকৰা।

পোনপ্ৰথমতে প্ৰথম সভ্যতাৰ পোহৰ দিবলৈ গৈ এই আমেৰিকান চাহাববিলাকে নগাবিলাকক ইংৰাজী পোচাক পিন্ধিবলৈ শিকোৱা নাছিল। মতা মানুহবিলাকক চুৰিয়া আৰু মাইকী মানুহবিলাকক মেখেলা-চেলেং পিন্ধাবলৈহে শিকাইছিল। এই প্ৰথম অসমীয়া সভ্যতা মিছনেৰীসকলৰ যোগেদিহে আৰম্ভ হৈছিল। এয়া প্ৰায় তিনিকুৰি বছৰ আগৰ কথা। আমি নিচেই সৰু ল'ৰা হিচাপে মিছন কম্পাউণ্ডত গিৰ্জাঘৰ চাবলৈ যাওঁতে ৰেভাৰেণ্ড নিচাৰ আঙ্গামীয়ে (বৰ্তমান নগা পৰ্বতৰ লোক সভা সদস্য কেভিচুসা চাহাবৰ দেউতাকে) ধুনীয়া অসমীয়াত বাইবেল পঢ়াই থকা শুনিছিলোঁ। আৰু স্বভাৱতে অসমীয়া ভাষাৰ মাধুৰ্য অনুভৱ কৰিছিলোঁহক!

কহিমাত বহুদিনলৈকে "হুকী" প্ৰথা আছিল; এতিয়া নতুন সভ্যতা সোমাই অহাৰ লগে লগে, টকা পইচাৰ অসম বণ্টন, আৰু আধিক্যৰ বাবে হবলা এই প্ৰথাটি লাহে লাহে উঠি যাব ধৰিছে। "হুকী" শব্দটো "সখি" শব্দৰ পৰা ওলোৱা। আগতে প্ৰত্যেক পৰিয়ালৰে একোজন নগা হুকী আছিল। হুকী পৰিয়ালৰ শুভকাঙ্ক্ষী সখি! হুকীয়ে হাবিৰ পৰা খৰিলুৰি শাক-পাচলি বিচাৰি আনি দিছিল আৰু বিনিময়ত টকাটো সিকিটো মাজে মাজে লৈছিল আৰু ঘৰত যি থাকে চাহ-জলপান নাইবা ভাত-পানী তাকে খাইছিল। সেই প্ৰথাটো কিমান আত্মীয়তাৰে ভৰা আছিল!

আমাৰ সকাম-নিকামত, উৎসৱ-পাৰ্বণত নগা ভাই সকলে যেনেদৰে যোগ দিছিল আমিও তেওঁলোকৰ "চেক্ৰেনী" "তেৰহনী" নাইবা সমজুৱা ভাবে গাঁৱৰ প্ৰবেশ দ্বাৰ টলা গেনাত (উৎসৱত) যোগ দিছিলোঁহক। "গেনা" শব্দটো আঙ্গামী (Kenyu) কেন্য শব্দটোৰ পৰা ওলোৱা। কেন্য মানে পাৰমাৰ্থিক নাইবা ধাৰ্মিক নিষেধবাচক শব্দ! প্ৰাচীন কালৰে পৰা নগা সকলে ধৰ্মৰ বাধা-নিষেধবোৰ মানি চলিছিল। হওঁতে মানুহ জাতি মাত্ৰৰে সমাজ আদিম কালৰ পৰা সম্প্ৰতি বাচকতকৈ নঞাৰ্থক বা বাধা নিষেধৰ ওপৰত আৰম্ভ হৈছিল।

আঙ্গামী বিশ্বাসমতে সৃষ্টিকৰ্ত্তা পুৰুষ নহয় স্ত্ৰীবাচক (UKEPENUOPFUU) উকেপেনুৱপ্‌ফু!

প্ৰাচীন বৈদিক সভ্যতাৰ দৰে এওঁলোকেও ঊষা, বায়ু, বৰুণ, গছ, নৈ, পৰ্বতৰ গুহা এই বিলাকৰ অলৌকিকতা বিশ্বাস কৰিছিল আৰু পূজা-পাতল কৰিছিল। আঙ্গামীবিলাকে খেতি পথাৰত বৰষুণ নহলে, বৰষুণ বিচাৰি ভাল শইচ হওক বুলি প্ৰাৰ্থনা কৰি বৰুণকো পূজা কৰিছিল। আও নগাসকলে তেওঁলোকৰ সৃষ্টিকৰ্তা "তিয়াবা" আৰু "লিজাবা"ক আৰু লংট্ৰক বা ছটা পৱিত্ৰ শিলক শ্ৰদ্ধা-ভক্তি কৰে। লঠা নগাবিলাকে মানুহ মৰিলে মৃতকৰ আত্মা পৰ্বতৰ গুহাত থাকে বুলি "এচ্ছেকু" গহ্বৰক ঐশ্বৰিক শক্তি সম্পন্ন বুলি মূৰ চপৰাই সেৱা কৰে।

অসমীয়া লোকৰ যেনেকৈ বসন্তৰ আগমনৰ লগে লগে ৰঙালী বিহু পতা হয়, তেনেকৈ আঙ্গামীসকলেও চেক্ৰেনী আৰু আও সকলে মুৱাচ' (Moatsu) পাতে আৰু ৰঙালী বিহুৰ দৰে ৰং-ধেমালি গীত-মাতেৰে পৰ্ব সমাপন কৰে। দ্বিতীয় মহাউৎসৱ অসমীয়াৰ যেনেকৈ মাঘ বিহু বা ভোগালী বিহু তেনেকৈ আঙ্গামী সকলৰো তেৰপুনী আৰু আওসকলৰ চুংৰেমুং উৎসৱ পতা হয়। এই উৎসৱবিলাকত ভোগালীৰ ভোগৰ প্ৰাচুৰ্যৰ দৰে এওঁলোকৰো খোৱা বোৱা অতিথিক খুউৱাত ভোগৰ প্ৰাচুৰ্য্য থাকে নাইবা অন্ন উভৈনদী হয়। নকলেও হ'ব এতিয়া অৱশ্যে খ্ৰীষ্টিয়ান ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগে লগে পুৰণি নিয়মবিলাক লাহে লাহে লোপ পাই আহিছে।

আঙ্গামী ছোৱালীয়ে বিয়া নোহোৱালৈকে যোগী-ঋষি-মুনিসকলৰ দৰে বা বৌদ্ধ ভিক্ষুসকলৰ দৰে মূৰৰ



চুলি খুৰাই পেলাইছিল। বিয়াৰ পিছৰ পৰাহে আঙ্গামী ছোৱালী বা গাভৰুসকলে মূৰত চুলি গজিবলৈ দিছিল। তেতিয়া তাক কেথাছুবা ("Ketha Chuba") বুলি কৈছিল।

আঙ্গামী জীৱনত সপোনেও ডাঙৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। নতুন ঠাইত খেতি কৰিবলৈ হলে, সেই ঠাইৰ মাটি আনি মূৰশিতানত থৈ শোৱে; ৰাতি ভাল সপোন দেখিলে তাত খেতি আৰম্ভ কৰে, বেয়া সপোন দেখিলে সেই ঠাই যিমানেই সাৰুৱা হওক লাগিলে সেই ঠাইত আৰু খেতি কৰা নহয়। সেইদৰে আন সকলো কামৰ বাবে মঙলচোৱা হয়, এই সপোনৰ যোগেদি। বিয়াৰ বাবে ৰাহিযোৰা মিলোৱা, কিম্বা মাঙ্গলিক কাৰ্য কৰিব নে নাই, কিবা ব্যৱসায়ত নামিব নে নাই, কোনোবা ঠাইত ঘৰ সাজিব নে নাই, এই সকলোবোৰ সমস্যাৰ সমাধান হয় সপোনৰ দ্বাৰা।'

বিয়াৰ বাবে হলেও, লৰাই ছোৱালীৰ কিবা কাপোৰ বা আ-অলঙ্কাৰ, ছোৱালীয়ে লৰাৰ হাতৰ কিবা বস্তু দা যাঠী নাইবা কিবা বস্তু মূৰৰ তলত থৈ শোৱে আৰু ৰাতি সপোনলৈ বাট চায়। ভাল সপোন দেখিলেহে প্ৰস্তাৱত সন্মতি প্ৰকাশ কৰা হয়। দুঃস্বপ্ন দেখিলে প্ৰস্তাৱ অগ্ৰাহ্য হয়। ইত্যাদি।

কিৰাত সভ্যতা নাইবা কুকুৰা কাটি মঙল চোৱাত যেনেদৰে আমাৰ আহোমসকলে বিশ্বাস কৰে, নগা-সকলেও ঠিক সেইদৰে বিশ্বাস কৰে। পূজা কৰি কুকুৰাৰ ডিঙি কাটি পেলাই দিয়ে মৰিবৰ সময়ত যদি তাৰ সোঁ ঠেং বাওঁ ঠেংটোৰ ওপৰত থাকে তেতিয়া হলেহে মঙ্গল ভাল হয় আৰু তাৰ বিপৰীতে অমঙ্গল হয় বুলি ভাবে। আমাৰ যেনেকৈ দেওধাই, বাইলুং জ্যোতিষী পুৰোহিত ওজা নাইবা আন মঙলতি থাকে ঠিক তেনেকৈ আঙ্গামীৰ কেমেভ' আৰু আন আন কৈদৰ বিশেষ বিশেষ গেনা বুঢ়া থাকে; এওঁলোকেই সামাজিক আৰু পাৰমাৰ্থিক অধিকাৰ চলায়।

আঙ্গামী মতে দিন-বাৰ চান্দ্ৰ বাৰ মতে গণনা হয়। সপ্তাহ হয় সাদিনৰ; মাহ হয় দুই পক্ষৰ, তাৰ মানে ত্ৰিশ দিনীয়া। বছৰটো হয় গৈ তিনিশবাঠী দিনীয়া।

প্ৰকৃতিৰ নিৰ্দ্দেশ মতে খেতি পথাৰৰ কাম কাজ চলোৱা হয়। কপৌ ফুল ফুলিলে অমুকটো কাম কৰিব লাগিব, অমুক বিধ চৰায়ে দেখা দিলে নাইবা গুচিগলে অমুক কাম কৰিব লাগিব। বেলিটো সৌ অমুক শৃঙ্গৰ ওপৰৰ পৰা ওলালে নাইবা মাৰ গলে অমুক কাম কৰিব লাগিব, এইদৰে (Migratory Birds) চৰাইৰ গতি বিধিয়ে উত্তৰায়ণ দক্ষিনায়নত সূৰ্য্যৰ উদয় বা অস্ত বিন্দুয়ে বিশেষ বিশেষ কাম কৰিবৰ বাবে বিশেষ বিশেষ দিন নিৰ্দ্ধাৰণ কৰি দিয়ে।

পুৰণি গাঁৱৰ ওচৰে ওচৰে এতিয়া নতুন গাঁও হব ধৰিছে। এই নতুন গাঁওবোৰ হল খ্ৰীষ্টান ধৰ্মত দীক্ষিত হোৱা নতুন চাম লৰা-ছোৱালী বিলাকে নিজৰ নিজৰ প্ৰাচীন ধৰ্মী নাইবা হিন্দু ধৰ্মী আই বোপাইক এৰি পতা নতুন গাঁও! আঙ্গামী ভাষাত পুৰণা গাঁৱক Bawe আৰু নতুন গাঁৱক Basa বোলে।

নগা পৰ্বতৰ বিষয়ে কবলৈ যাওঁতে ৰাণী গুইডালোক উল্লেখ নকৰাকৈ থাকিব নোৱাৰি। ৰাণী গুইডালোক এইবাৰ ভাৰতৰ মুক্তি যুজাৰু সকলৰ বাবে দিয়া সম-পৰ্যায়ৰ সন্মান তাম্ৰ পত্ৰ প্ৰদান কৰা হয়। ৰাণীয়ে আমাৰ ভাৰতীয় প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীক আঁকোৱালি লোৱা ফটো, আমি তেওঁৰ ঘৰলৈ গলেই আমাক দেখুৱায়! ৰাণীৰ বয়স এতিয়া প্ৰায় ৭০ বছৰ। তথাপি তেওঁৰ গাত বয়সৰ আঁচোৰ পৰা নাই।

ৰাণীয়ে নিজকে হিন্দু বুলি চিনাকি দিয়ে। তেওঁৰ ইষ্ট দেৱীৰ নাম "আৰাকা" মানে জগন্মাতা! ৰাণীয়ে বিৰাট বিশাল হিন্দু ধৰ্মৰ প্ৰেম আৰু উদাৰতাত বিশ্বাস কৰে। এতিয়াও কোনোবা স্বাৰ্থ ত্যাগী ব্যক্তি নাইবা অনুষ্ঠানে সেৱা কাৰ্য চলাওঁ বুলিলে ৰাণীয়ে তেখেতৰ জেলিয়াংৰঙ অঞ্চলত যিমান

লাগে সিমান ঠাই আৰু লগে লগে তেওঁৰ সহযোগিতাও আগ বঢ়াব হেনো।

চিৰসেউজীয়া জান জুৰি লৈ পৰিবেষ্টিতা, নাভি গদাপাণিৰ মৰমৰ ডালিমীৰ দেশ, বৰপাত্ৰ গোহাঞি কনচেঙৰ মাতৃভূমি নগা পৰ্বত! যাৰ সৌন্দৰ্য দেখি অভিভূত হৈ আমাৰ স্বৰ্গীয় কবি পদ্মনাথ গোহাঞি বৰুৱাই নাগৰাজ্য প্ৰকৃতি বিভৱ বুলি লিখি গৈছে :

"সুন্দৰ সি নাগৰাজ্য শ্যাম পৰ্বতত
কহিমা নামেৰে ঠাই বুটিছ নগৰ;
একে নামে নগাচাং ধৰে শিতানত
আতিকে সৰল তাৰ নিষ্পাপী সুজন;
উলঙ্গ সন্যাসী, অহ উদাৰ ভাৰত!"

ইত্যাদি ইত্যাদি।

আশা কৰোঁ আমাৰ ভৈয়ামৰ ভাই ভনীসকলে নগাভূমিক পাহৰি নাযায়! পাঠক সকলৈ "থাং" (পাচি) ভৰাই অনন্ত মৰমেৰে সৈতে আজিলৈ এই প্ৰবন্ধ সামৰিলোঁ।!

---

"তাকৰীয়া যদিও আমাৰ যি কেইজন ধনীলোক আছে, সিবিলাকে মন কৰিলে আমাৰ জাতীয় সাহিত্যৰ উন্নতি কল্পে যথেষ্ট কৰিব পাৰে। ধনৰ অভাৱত প্ৰকাশিত নোহোৱা ভাল ভাল গ্ৰন্থ সিবিলাকে প্ৰচাৰ কৰি দেখুৱালে সিবিলাকৰ মহৎ উদাহৰণ আগত লৈ মধ্যবিত্ত লোকেও সেই সজ পথত উৎসাহেৰে আগ বাঢ়িব। আমাৰ পাঠক-বৰ্গৰো শুভ মতি হ'ব লাগে। সিবিলাকেও নিজৰ উন্নতিৰ অৰ্থে, সমাজৰ উপকাৰৰ উদ্দেশ্যে, সাহিত্যৰ ভেটিত জাতীয় জীৱন গঢ়িবৰ মানসে, মাতৃভাষাত ৰচিত সকলো বিধৰ সাহিত্য পুথি কিনি পঢ়ি লিখক আৰু প্ৰচাৰকৰ উৎসাহ বঢ়োৱাটো জীৱনৰ এটা ঘাই কৰ্তব্য বুলি মানিব লাগে।···আনফালে লিখক সকলেও মনত ৰখা উচিত যে সিবিলাকৰ গ্ৰন্থ জনসাধাৰণৰ মন টানিব পৰা হ'ব লাগিব আৰু যি গ্ৰন্থৰ দ্বাৰা আমাৰ সাহিত্যৰ প্ৰকৃতপক্ষে পুষ্টি সাধন হয়, যাৰপৰা আমাৰ সমাজ সঁচাকৈ উপকৃত হ'ব পাৰে আৰু যাৰ গুণত আমাৰ জাতীয় জীৱন সুগঢ়িত হোৱা সম্ভৱ তেনে গ্ৰন্থ প্ৰণয়নতহে সিবিলাকৰ প্ৰতিভা আৰু অধ্যৱসায় নিয়োজিত হোৱা বাঞ্ছনীয়।"

—পদ্মনাথ গোহাঞি বৰুৱা।

# অসম সাহিত্য সভা পত্ৰিকাৰ নতুন ৰূপ

অধ্যাপক—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

অসম সাহিত্য সভাৰ মুখপত্ৰ অসম সাহিত্য সভা পত্ৰিকাই আজি ত্ৰিশ বছৰত ভৰি দিছে। অসম সাহিত্য সভা ১৯১৭ চনত স্থাপিত হলেও সভাৰ মুখ-পত্ৰ ১৯২৬ চনতহে প্ৰথম প্ৰকাশিত হয়। তেতিয়াৰে পৰা এৰাধৰাকৈ প্ৰকাশ হৈ বৰ্তমানে ত্ৰিশ বছৰত ভৰি দিছে। দ্বিতীয় মহাসমৰৰ কালছোৱাত পত্ৰিকা প্ৰকাশ বন্ধ ৰাখিব লগীয়া হয়।

চ'চাইটি পঞ্জীয়ন আইন অনুসৰি ১৯২৪ চনত পঞ্জীয়ন ভুক্ত কৰা দলীলত সভাৰ মুখপত্ৰ প্ৰকাশো লক্ষ্য সমূহৰ ভিতৰৰ এটা বুলি কোৱা হৈছে।

সাহিত্য-ৰত্ন চন্দ্ৰধৰ বৰুৱাৰ সম্পাদনাত অসম সাহিত্য সভাৰ পত্ৰিকাৰ প্ৰথম বছৰ প্ৰথম সংখ্যা (আহিন-আঘোণ, ১৮৪৮-৪৯) ওলায়। সেই বছৰ পত্ৰিকাৰ চাৰি সংখ্যা ওলায়। 'সম্পাদকৰ নিবেদন'ত আছে "মঙ্গলময় পৰমেশ্বৰৰ শ্ৰীপাদপদ্মত আমি শত সহস্ৰ কোটি সেৱা কৰিছোঁ। তেওঁৰ কৃপাত আমাৰ শুভ বাঞ্ছা পূৰ্ণ হওক।

অসম সাহিত্য সভাই আজি ভালেদিনৰে পৰা সভাৰ মুখপত্ৰ স্বৰূপে এখন আলোচনী উলিয়াবলৈ কল্পনা কৰি আহিছিল। ইংৰাজী ১৯২৫ চনৰ ডিচেম্বৰ মাহত, নগাঁৱত বহা সন্মিলনত এই বিষয়ে তলত লিখা সিদ্ধান্ত কৰা হয়।

এই সন্মিলনে সিদ্ধান্ত কৰে যে, ইংৰাজী ১৯২৬ চনৰ ভিতৰত, সাহিত্য সভাৰ মুখপত্ৰ এখন তিনি-মহীয়া কাকত প্ৰকাশ হ'ব লাগে। এই অৰ্থে যাৱতীয় কাম কৰিবলৈ কাৰ্য্য-নিৰ্ব্বাহক সভাক ভাৰ দিয়া হয়।"

এই সিদ্ধান্তৰে ফল স্বৰূপে "অসম সাহিত্য-সভা পত্ৰিকা"ই আজি ভগৱন্তৰ কৰুণা আৰু ৰাইজৰ আশী-ৰ্বাদ ভিক্ষা কৰি জন্ম গ্ৰহণ কৰিছে।

এই পত্ৰিকাৰ সাহিত্য সেৱাই একমাত্ৰ উদ্দেশ্য, আৰু সমস্ত অসম দেশৰ আধুনিক সাহিত্যৰ সৰ্ববাদী সন্মত আদৰ্শ অনুসৰণ কৰাই প্ৰধান লক্ষ্য। দৰ্শন, বিজ্ঞান, ইতিহাস, অৰ্থনীতি, সঙ্গীত প্ৰভৃতি সাহিত্যৰ সকলো শাখাৰে নিৰবভাৱে চৰ্চা কৰিবলৈ ই সদায় যত্ন কৰিব।

এই পত্ৰিকা অসমীয়া সাহিত্যত ৰতি থকা, অসমীয়া সাহিত্যৰ মঙ্গল কামনা কৰা, সকলো মানুহৰে উমৈহতীয়া সম্পত্তি। ইয়াক মৰমৰ চকুৰে চাবলৈ, ইয়াক সজ বাট লগাই দিবলৈ, ইয়াক ইয়াৰ মহৎ উদ্দেশ্যৰ জোখাৰে গঢ় লগাই লবলৈ তেখেত সকলৰ ওচৰত আমি অতি সৰলভাৱেৰে মিনতি কৰিছোঁ, আৰু আমাৰ এই চেষ্টাত তেখেত সকলৰ সম্পূৰ্ণ সহানুভূতি ভিক্ষা কৰিছোঁ।

······সম্প্ৰতি এই পত্ৰিকা উলিয়াই সাহিত্য সভাই যে এটি ডাঙৰ আৰু লাগতিয়াল অনুষ্ঠানৰ সূত্ৰপাত

কৰিছে, তাক কোনেও নুই কৰিব নোৱাৰে। প্ৰকৃততে সাহিত্য সভাই আজিলৈকে যতখিনি কাম কৰিছে, আৰু আগলৈকো কৰিব, তাৰ ভিতৰৰ কোনো কামতকৈ ই কম লাগতিয়াল নহয়। ইয়াক সুচাৰুৰূপে কৰিব পাৰিলে অকল ইয়াৰ পৰা সাহিত্য সভাৰ উদ্দেশ্য ভালেখিনি আগ বাঢ়িব।"

এই সংখ্যা পত্ৰিকা ৭ ফৰ্মাৰ (৫৬ পিঠি), তিনিমহীয়া আৰু বছৰেকীয়া বৰঙণি তিনি টকা। প্ৰথম সংখ্যাৰ বিষয়-সূচী তলত দিয়া দৰে—(১) সম্পাদকৰ নিবেদন (পৃঃ ১-৩); (২) অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ—জ্ঞানদাভিৰাম বৰুৱা (পৃঃ ৩-১০); (৩) অসম সাহিত্য সভাৰ কাৰ্য-বিৱৰণী—শৰৎচন্দ্ৰ গোস্বামী (পৃঃ ১০-১৯); (৪) অষ্টম সাহিত্য সম্মিলনৰ কাৰ্য বিৱৰণী—শৰৎচন্দ্ৰ গোস্বামী (পৃঃ ২০-২৪); (৫) সম্মিলনৰ প্ৰস্তাৱ সমূহ—প্ৰধান সম্পাদক (২৪-২৬); (৬) কলিতা ফুকনৰ বিদ্ৰোহ—হিতেশ্বৰ বৰবৰুৱা (২৬-২৯); (৭) পথিক (শিশু-ৰচনা) অৰবিন্দধৰ বৰুৱা (২৯-৩০); (৮) শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বাল্য-খেলা—যামিনীচন্দ্ৰ দাস (৩০-৩৬); (৯) স্বৰলিপি (দিয়াঁ-দেৱী পোহৰ সুন্দৰ)—সম্পাদক আৰু কীৰ্তিনাথ বৰদলৈ (৩৭-৩৮); (১০) আমাৰ খেতি আৰু খেতিয়ক—স্বৰ্ণকুমাৰ মিত্ৰ (৩৯-৪২); (১১) হোঁকা-ধৰ্মকিঙ্কৰ গোস্বামী (৪২-৪৩); (১২) সমাজ, ধৰ্ম আৰু আমাৰ সামাজিক প্ৰথা—চিন্তাহৰণ পাটগিৰি (৪৩-৫০); (১৩) ৰূপৰ পোহাৰী—ৰুদ্ৰকান্ত গোস্বামী; (১৪) পাগলীৰ কথা—জোহিৰুদ্দিন আহমদ (৫১-৫২); (১৫) শলাগ—সম্পাদক (৫২-৫৩); (১৬) লাগতিয়াল কথা—সম্পাদক (৫৩-৫৪); (১৭) ৰহস্যৰ কথা—সম্পাদক (৫৪); (১৮) অসম সাহিত্য সভাৰ সংবাদ—সম্পাদক (৫৫); (১৯) শোকৰ বাতৰি—সম্পাদক (৫৬)। এই বছৰৰ চাৰি সংখ্যা পত্ৰিকা তলত দিয়া দৰে ওলায়—প্ৰথম সংখ্যা (আহিন-আঘোণ, ১৮৪৮-৪৯); দ্বিতীয় সংখ্যা (পুহ-ফাগুণ, ১৮৪৮-৪৯); তৃতীয় সংখ্যা (চ'ত-জেঠ, ১৮৪৮-৪৯); চতুৰ্থ সংখ্যা (আহাৰ-ভাদ ১৮৪৮-৪৯)।

অসম সাহিত্য সভা পত্ৰিকা বৰ্তমান মাহেকীয়া কৰিবৰ কাৰণে অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্বাহক সভাই যোৱা ৪।৩।৭৩ তাৰিখে সিদ্ধান্ত লৈছে। পত্ৰিকাখন মাহেকীয়া কৰা সম্পৰ্কে বিভিন্ন সময়ত বাইজে মত প্ৰকাশ কৰিছিল। পত্ৰিকাৰ প্ৰথম বছৰ ৪ৰ্থ সংখ্যাতে সম্পাদক চন্দ্ৰধৰ বৰুৱাই 'পত্ৰিকাক মাহেকীয়া কৰাৰ সম্পৰ্কে একেষাৰ' এই শিৰোনামাত লিখিছিল—"এই পত্ৰিকাখন মাহেকীয়া নকৰাত বহুতে বেয়া পাইছে। তেখেত সকলৰ সঙ্গ অভিপ্ৰায়ৰ আমি মোল বুজিছোঁ; মাহেকীয়া কৰিব পাৰিলে আমিও বৰ্হে পাওঁ, আৰু সময়ত মাহেকীয়া কৰাৰ অভিপ্ৰায়ো আমাৰ নোহোৱা নহয়। কিন্তু, আমি দেখি শুনি যি বুজিছোঁ তাৰ পৰা হলে, সম্প্ৰতি মাহেকীয়া নকৰাটোহে যুগুত দেখোঁ। সকলৈ জুৰি লৈ লাহে লাহে, কিন্তু দোপত দোপে উন্নতি কৰি গৈ থাকি, ভাঙৰ কৰাটোহে সকলো কামৰ নিমিত্তে ভাল নিয়ম। বিশেষতঃ পত্ৰিকাখন মাহেকীয়া কৰিবলৈ হলে যে এটা উপৰি খৰচ লাগিব, সাহিত্য সভাৰ বৰ্তমান অৱস্থাত সিও এটা ভাবিব লগীয়া কথা। আন আন সমৃদ্ধিশালী দেশতো এই শ্ৰেণীৰ কোনো কোনো কাকত এতিয়াও তিনিমহীয়া হৈয়েই আছে। তিনিমহীয়া অৱস্থাত ভালকৈ টনকিয়াল আৰু সকলো প্ৰকাৰে নিখুঁত আৰু শুৱি শকত কৰি লৈহে এই পত্ৰিকাক মাহেকীয়া কৰাটো আমি ভাল দেখোঁ। ৰাইজৰ উপযুক্ত মতে সহানুভূতি হলে পত্ৰিকাক মাহেকীয়া কৰাটো একো টান কথা নহয়। সেই বাবে আমাৰ হিতাকাঙ্ক্ষী সকলক আৰু কিছুদিন বাট চাবলৈ আমি অনুৰোধ কৰোঁ।" এইখিনি কথা ১৯২৬ চনত কোৱা হৈছিল। এই ছকুৰি ছবছৰে অসম সাহিত্য সভাৰ আয়তন যথেষ্ট বাঢ়িছে—সাহিত্য সভাৰ শাখা গোটেই অসমতে জুৰি পৰিছে। প্ৰায় ৩১৬ খন শাখা সভাৰে আজিৰ সাহিত্য সভাই এখন মাহেকীয়া কাকত ভালকৈ চলাব পাৰে যদিহে



সাধাৰণ সভ্যসকলে সভাৰ মুখপত্ৰ পত্ৰিকাৰ পৃষ্ঠপোষকতা কৰে। অসম সাহিত্য সভাৰ সভাপতি শ্ৰীগিৰিধৰ শৰ্মাৰ অদমনীয় মনোবল আৰু সুদক্ষ পত্ৰিকা সম্পাদক শ্ৰীহেমন্তকুমাৰ শৰ্মাৰ সম্পাদনাত মাহেকীয়া আলোচনী-ৰূপে প্ৰকাশ পাব লগীয়া অসম সাহিত্য সভা পত্ৰিকা সভাৰ সভ্যসকলৰ বাবে এটা নতুন প্ৰত্যাহ্বান। এই সময়ত লেখকসকলেও বিভিন্ন প্ৰবন্ধপাতিৰে পাঠকক মানসিক খোৰাক যোগাবলৈ আগবাঢ়ি আহিব লাগিব।

অসম সাহিত্য সভা পত্ৰিকাই বৰ্তমান অৱস্থা পোৱাত যি সকল সম্পাদকে বিভিন্ন সময়ত পত্ৰিকা সম্পাদনা কৰিছিল তেওঁলোককো সুঁৱৰিব লাগে। তলত পত্ৰিকাৰ সম্পাদকসকলৰ এখন তালিকা দিয়া হ'ল।

১ম, ২য়, ৩য়, ৬ষ্ঠ বছৰ—চন্দ্ৰধৰ বৰুৱা, সাহিত্য-ৰত্ন
৪ৰ্থ বছৰ—দেৱানন্দ ভৰালী
৫ম ,, —শ্ৰীপূৰ্ণানন্দ শৰ্মা পাঠক আৰু ডিম্বেশ্বৰ নেওগ
৭ম, ৮ম, ১১শ বছৰ—ডিম্বেশ্বৰ নেওগ
৯ম, ১০ম বছৰ—ৰামেশ্বৰ বৰুৱা
নতুন প্ৰকাশ—১৮৭৪—কেশৱনাৰায়ণ দত্ত
১৩শ, ১৫শ বছৰ—শ্ৰীৰজনীকান্ত দেৱশৰ্মা
১৪শ বছৰ—প্ৰেমধৰ ৰাজখোৱা
১৬শ, ১৭শ, ১৮শ, ১৯শ বছৰ—ডঃ সত্যেন্দ্ৰনাথ শৰ্মা
২০শ, ২১শ, বছৰ (১ম, ২য় সংখ্যা) শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
২১শ বছৰ (৩য় সংখ্যা),—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী
২২শ বছৰ—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী
২৩শ, ২৪শ, বছৰ—শ্ৰীযোগেশ দাস
২৫শ বছৰ—ডঃ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী
২৬শ " —শ্ৰীদুৰ্গেশ্বৰ শৰ্মা
২৭শ (১ম সংখ্যা)—ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য
২৭শ, (২য়, ৩য় সংখ্যা) শ্ৰীযতীন গোস্বামী (গুৱা)
২৮শ, (১ম সংখ্যা)—শ্ৰীযতীন গোস্বামী (গুৱাহাটী)
২৮শ, ,, (২য়, ৩য় সংখ্যা) শ্ৰীআব্দুছ ছত্তাৰ
২৯শ, (১ম সংখ্যা) শ্ৰীআব্দুছ ছত্তাৰ
১৯শ, (২য়, ৩য় সংখ্যা) শ্ৰীপৰেশ মল্লবৰুৱা।

অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে পত্ৰিকাখন ত্ৰিংশ বছৰৰ প্ৰথম সংখ্যাৰ পৰা মাহেকীয়া কৰাৰ যি এটা সিদ্ধান্ত লৈছে সেই সিদ্ধান্ত কাৰ্যকৰী কৰাত যেন লেখক আৰু পাঠকৰ সম্পূৰ্ণ সহানুভূতি লাভ কৰিব পাৰে এয়ে ভৰসা। ৰাইজে মন কৰিলে এখন মাহেকীয়া কাকত চলাত একো অসুবিধা হ'ব নেলাগে।

---

"প্ৰকৃত সাহিত্যৰ প্ৰধান লক্ষণ মুক্তি। যি সাহিত্যৰ ভিতৰত স্বাধীনভাৱ প্ৰেৰণা, মুক্তিৰ বন্ধন-বিহীনতা, স্বচ্ছন্দে লিখিবৰ শক্তি নাই, সেই সাহিত্য মৃতবৎ।"

—বেজবৰুৱা।

---

# অসম সাহিত্য সভাৰ ৰঙিয়া অধিবেশন

( এটি সমীক্ষা )

শ্ৰীডিম্বেশ্বৰ শৰ্মা

অসম সাহিত্য সভাৰ চত্বাৰিংশ মুকলি অধিবেশন দহ, এঘাৰ, বাৰ ফেব্ৰুৱাৰী ( ১৯৭৩ চন ) তাৰিখে শনি, দেও আৰু সোমবাৰে ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত নগৰত অতি উলহ মালহেৰে বিপুল জন সমাবেশৰ মাজত শুচাৰুৰূপে সম্পন্ন হয়। অধিবেশনৰ দুদিন আগৰে পৰা অসমৰ বিভিন্ন সাংস্কৃতিক দল আৰু অসমৰ বিভিন্ন ঠাইৰ প্ৰতিনিধিসকলৰ উপৰিও মেথালয়, নগাৰাজ্য আদিৰ পৰাও প্ৰতিনিধিৰ সোঁত বৰলৈ ধৰে। তাৰ আগৰে পৰাই অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীপ্ৰাণেশ্বৰ শৰ্মা, উপ-সভাপতিসকল ( সৰ্ব্বশ্ৰী ) দুৰ্গাদত্ত আগৰৱালা, কামিনীমোহন শৰ্মা, ৰাহাৰুদ্দিন আহমেদ, নিকুঞ্জ চৌধুৰী, হৰিকান্ত সিং, প্ৰধান সম্পাদক অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰনাথ বৰদলৈ আদি কৰ্মকৰ্তা সকল দিনে-ৰাতিয়ে অত্যন্ত কৰ্মব্যস্ত হৈ পৰিছিল।

৯ ফেব্ৰুৱাৰী শুক্ৰবাৰে সন্ধিয়া ৬ বজাৰ পৰা বিদায়ী বছৰটোৰ শেষ কাৰ্যনিৰ্বাহক সমিতি শ্ৰীহেম বৰুৱাৰ সভাপতিত্বত বহে। সমিতিয়ে মূলসভাৰ বাবে প্ৰধান সম্পাদকৰ প্ৰতিবেদন গ্ৰহণ কৰে আৰু বিভিন্ন শাখা সভাৰ পৰা অহা বহু সদস্যৰ প্ৰস্তাৱ জুকিয়াই মূল সভাত উত্থাপনৰ বাবে কেইটিমান প্ৰস্তাৱ যুগুত কৰিবলৈ এখনি উপসমিতি গঠন কৰি দিয়ে।

## পতাকা উত্তোলন

১০ ফেব্ৰুৱাৰী শনিবাৰে পুৱা ৮ বজাত মূল সভাৰ মণ্ডপ প্ৰাঙ্গণত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰি বিদায়ী সভাপতি শ্ৰীহেম বৰুৱাই অসম সাহিত্য সভাৰ পতাকাৰ তলত থিয় হৈ ঐক্য আৰু সম্প্ৰীতিৰ বান্ধোনেৰে বান্ধ খাবলৈ সদৌ অসম বাসীকে আহ্বান জনায়।

## প্ৰদৰ্শনী আৰু স্মৃতিগ্ৰন্থ উন্মোচন

পুৱা ৯ বজাত প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰি প্ৰসিদ্ধ কলাবিদ্ শ্ৰীযুগল দাসে অসমৰ বাহিৰত অসমীয়া সংস্কৃতি আৰু কলাৰ উপযুক্ত প্ৰচাৰৰ বাবে আহ্বান জনায়। অসমৰ প্ৰাচীন কলা সম্পদৰ উপযুক্ত ৰক্ষণাবেক্ষণৰ বাবে শ্ৰীদাসে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। উল্লেখযোগ্য যে সভাৰ তিনিদিনৰ ভিতৰত প্ৰায় দুইলাখ লোকে প্ৰদৰ্শনী দৰ্শন কৰে। অসম সাহিত্য সভাৰ উপৰিও অসম প্ৰকাশন পৰিষদ আদিয়েও প্ৰদৰ্শনীত বেহাই মূল্যত পুথি বিক্ৰী কৰে।

প্ৰদৰ্শনী উদ্বোধনৰ আগে আগে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীয়ে অভ্যৰ্থনা সমিতিৰ ফালৰ পৰা শ্ৰীনীলকান্ত মহন্ত আৰু





শ্ৰীপদ্মৰাম শালৈৰ সম্পাদনাত প্ৰকাশ পোৱা এখনি উন্নত মানদণ্ডৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰি কয় যে এনে স্মৃতিগ্ৰন্থ সমূহে একোটি শুভ আৰু জাতীয় সংস্কৃতিৰ উন্নতি সাধক ক্ষণৰ স্মৃতি চিৰস্থায়ী কৰি ৰাখে আৰু এই স্মৃতিগ্ৰন্থসমূহো সাহিত্যৰ এক বিশেষ অঙ্গ।

## কবি সম্মিলন

১০ ফেব্ৰুৱাৰী শনিবাৰে গধূলি ৬ বজাত বহা কবি সম্মিলনত সভাপতিত্ব কৰে কবিতা-কোঁৱৰ শ্ৰীঅম্বেশ্বৰ চেতীয়া ফুকনে। শ্ৰীচেতীয়া ফুকনৰ ছন্দোবদ্ধভাৱে ৰচনা কৰা ছপা ভাষণটি অভিনৱ আৰু মনোগ্ৰাহী হৈছিল। ভাষণটিৰ শেষৰ শাৰী কেইটি—

অজি ৰঙিয়াৰ ৰঙ্ মহলত<br>
ভাষা-জননীৰ মান মন্দিৰত<br>
জিলিকি উঠক সোণৰ কলচী অলক প্ৰেমৰ<br>
প্ৰদীপ ধুপ,<br>
বাণী-বন্দনাৰে জ্যোতি-মণ্ডলত চাওঁ জননীৰ<br>
মোহিনী ৰূপ।<br>
সকলোতে দেখো সুন্দৰৰ ছবি, নাই কলঙ্কৰ<br>
কালিমা ক'তো,<br>
জয় হক আজি মানৱ জাতিৰ "সৰ্বে সত্তা<br>
সুখিতা ভৱন্তু।"

কবি সম্মিলনত স্বৰচিত কবিতা আবৃত্তি কৰোঁতাসকলৰ ভিতৰত আছিল—পদ্মশ্ৰী নলিনীবালা দেৱী ( এওঁৰ কবিতাটি ডঃ মহেশ্বৰ নেওগে আবৃত্তি কৰে ) ধ্বনি কবি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা, ডঃ মহেশ্বৰ নেওগ, শ্ৰীশ্ৰীৰাম চন্দ্ৰ দাস, শ্ৰীপৰেশমল্ল বৰুৱা, এম-ইব্ৰাহিম আলি, শ্ৰীহীৰেন ভট্টাচাৰ্য, শ্ৰীনিত্যা দত্ত, শ্ৰীনাৰায়ণ বেজবৰুৱা, শ্ৰীঅৱনীন্দ্ৰ চন্দ্ৰ বৰা, শ্ৰীভুৱনেশ্বৰ শৰ্মা, শ্ৰীসিদ্ধেশ্বৰ তামুলী, শ্ৰীৰাম গোস্বামী, শ্ৰীআনন্দ চন্দ্ৰ শৰ্মা, ডঃ সত্যনাথ কাকতি, শ্ৰীৰোহিণী শৰ্মা, শ্ৰীমতী প্ৰেমময়ী দাস, শ্ৰীমতী ফাতেমা খাতুন, শ্ৰীমতী এলি আহমেদ, শ্ৰীমতী কমলিনী বৰবৰা, শ্ৰীমতী চিত্ৰলতা ফুকন প্ৰমুখ্যে প্ৰায় ৪০ জন কবি।

## আলোচনা চক্ৰ

১১ ফেব্ৰুৱাৰী দেওবাৰে পুৱা ৮ বজাৰ পৰা ১১ বজালৈ অনুষ্ঠিত আলোচনা-চক্ৰৰ বিষয়বস্তু আছিল—"বৰ্তমান সমাজ ব্যৱস্থাত সাহিত্যিকসকলৰ ভূমিকা কেনে হোৱা উচিত"। সভা উদ্বোধন কৰি অসমৰ প্ৰাক্তন শিক্ষাধিকাৰ শ্ৰীদিবাকৰ গোস্বামীয়ে কয়—সমাজৰ ঐক্য আৰু শান্তি অটুত ৰখাত সাহিত্যিকে প্ৰধান ভূমিকা গ্ৰহণ কৰিব লাগিব। সমাজৰ দুৰ্নীতি, ব্যভিচাৰ আদি আঁতৰাই সাহিত্যিকসকলেই নিকা সমাজ প্ৰতিষ্ঠাত আগ স্থান ল'ব লাগিব। সাহিত্যিক সকলৰ চিন্তাধাৰাই সমাজক প্ৰভাৱান্বিত কৰি আহিছে আৰু কৰিব লাগিব। সাহিত্য সভাৰ ওপৰত হোৱা সমালোচনাৰ খণ্ডন কৰি শ্ৰীগোস্বামীয়ে কয় যে এনে ধৰণৰ আলোচনা চক্ৰই সাহিত্য সভাৰ উদ্দেশ্য সাধনত যথেষ্ট সহায় কৰিব।

আলোচনা চক্ৰত সভাপতিত্ব কৰি শ্ৰীছগনলাল জৈনে দিয়া সুলিখিত ভাষণটিয়ে শ্ৰোতাসকলক মুগ্ধ কৰে। স্থানাভাৱত শ্ৰীজৈনৰ ভাষণৰ মাত্ৰ তিনিটা বাক্য তলত দিলোঁ।

"সাহিত্য জীৱনৰ কেৱল অনুকৃতি বা পুনৰ্নিৰ্মিতিয়ে নহয়, ই জীৱনৰ ক্ষতিপূৰ্তিও। আমাৰ জীৱন এনেকুৱা, মাত্ৰ সেইখিনি দেখুৱাই দিয়াই তাৰ উদ্দেশ্য নহয়; আমাৰ জীৱন এনেকুৱা হোৱা উচিত তাৰো ইঙ্গিত প্ৰকৃত সাহিত্য সভাই দিব লাগিব। সেই কাৰণে দৈনন্দিন জীৱনত ঘটা ঘটনাৰ বাহিৰেও যি সাহিত্যত আমাৰ ভৱিষ্যৎ জীৱনৰ আশা-আকাঙ্ক্ষা আৰু সংকল্পও প্ৰতিফলিত হয়, সেই সাহিত্যকে আমাৰ জীৱনৰ আচল সাহিত্য।"

আলোচনাত অংশ গ্ৰহণ কৰি অধ্যক্ষ শ্ৰীশৰৎ চন্দ্ৰ গোস্বামীয়ে কয় যে সমাজৰ আশা-আকাংক্ষা দাঙি ধৰাটোৱে সাহিত্যিকৰ প্ৰধান ভূমিকা হ'ব লাগে। সাহিত্যিক হ'ব লাগিব দিক্ নিৰ্ণয়কাৰী আৰু সাহিত্য হ'ব লাগিব যুগধৰ্মী। দুৰ্নীতি মখিমুৰ কৰিবলৈ আৰু

সমাজক সামগ্ৰিক উন্নতিৰ পথত সহায় কৰিবলৈ সাহিত্যিকে প্ৰেৰণা দিব লাগিব। ক্ষমতা লোভ আৰু ধৰ্মৰ গোড়ামি এই দুটাই আমাৰ ডাঙৰ ব্যাধি। সাহিত্যিকে এই দুটা ব্যাধি দূৰ কৰিবলৈ আৰু মানুহৰ প্ৰকৃত ৰূপ দিবলৈ চেষ্টা কৰিব লাগিব। প্ৰাক্তন শিক্ষাধিকাৰ শ্ৰীউমাকান্ত শৰ্মাই কয় যে জনসাধাৰণৰ জীৱনৰ আশা উত্তলা আকাংক্ষাক-ৰূপ দিয়াত সাহিত্যিক সকল যত্নবান হ'ব লাগিব। বৰ্তমান শিক্ষাধিকাৰ ডঃ কালীনাথ শৰ্মাই আলোচনাত অংশ গ্ৰহণ কৰি কয় যে আমি অসমীয়া জাতিটো বৰ্তমান সন্ধিক্ষণত আছোঁ এই কাৰণেই যে আমাৰ ভাষাৰ ওপৰত কিছুমান আক্ৰমণ চলি আছে। আমাৰ সাহিত্য উন্নত কৰিব পাৰিলেহে আমি এই আক্ৰমণ প্ৰতিহত কৰিব পাৰিম। অধ্যক্ষ আকুল জেলিলে কয় যে শান্তি আৰু সংহতি ৰক্ষা সাহিত্যৰ অন্যতম লক্ষ্য। সাহিত্যিকে মৌলিক চিন্তাৰে সামাজিক স্বাধীনতাবোধৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত আৰু সেইধাৰে অশ্লীল ৰচনা পৰিত্যাগ কৰা সাহিত্যকৰ কৰ্তব্য। সৌন্দৰ্যবোধৰ দীপ্তিৰে সাহিত্য মহীয়ান কৰিব লাগে আৰু বিশ্বৰ জীৱনৰ লগত সম্পৰ্ক ৰাখিব লাগে। অধ্যাপক শ্ৰীশশী শৰ্মাই কয় যে আমাৰ দেশত শতকৰা ৭০ ভাগ লোক নিৰক্ষৰ—এই সকলক বুৰ্জোৱা শ্ৰেণীয়ে, সুবিধাবাদীয়ে বৰ্বৰতাৰ ফালে ঠেলি দিছে। বিপ্লৱৰ মাজেদি মানবীয় মৰ্যাদা লাভত জনসাধাৰণক সহায় কৰিব পাৰিলেহে সাহিত্যিক সকলে প্ৰকৃত দায়িত্ব গ্ৰহণ কৰা হ'ব। হেকিম এ আহমদ আৰু অধ্যাপক শ্ৰীদিলীপ চৌধুৰীয়ে আলোচনাত অংশ গ্ৰহণ কৰি সমাজৰ লগত সাহিত্যৰ অঙ্গাঙ্গী সম্বন্ধৰ কথা ব্যক্ত কৰে। সভাত ডাঃ সত্যনাথ কাকতিয়ে শ্বহীদ অনিল বৰাৰ স্মৃতিত এটি কবিতা পাঠ কৰে।

### বুৰঞ্জী সন্মিলন

১২ ফেব্ৰুৱাৰী সোমবাৰে পুৱা ৮ বজাৰ পৰা ১১ বজালৈ বহা বুৰঞ্জী সন্মিলনত সভাপতিত্ব কৰে বুৰঞ্জীবিদ শ্ৰীমুৰাৰিচৰণ দাসে। শিক্ষামন্ত্ৰী শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰে সন্মিলন উদ্বোধন কৰি দিয়া ভাষণত কয়—"সাহিত্যৰ লগত বুৰঞ্জী ওতঃপ্ৰোত ভাৱে জড়িত। বুৰঞ্জী হৈছে ভাষা জননীৰ ভূষণ স্বৰূপ। জাতিৰ জাতীয় জীৱনৰ প্ৰকৃত মানদণ্ড নিৰূপণ কৰিবলৈ বুৰঞ্জী চৰ্চা নিতান্ত প্ৰয়োজন। অকল কাব্য, উপন্যাস, গল্প, প্ৰবন্ধ আদিৰে সাহিত্যৰ কলেৱৰ বৃদ্ধি কৰিব নোৱাৰি। ইয়াৰ লগতে ইতিহাস, বিজ্ঞান, দৰ্শন, ৰাজনীতি, সমাজনীতি, কলা, শিল্প প্ৰভৃতি ভিন ভিন দিশত আমি সমৃদ্ধিশালী হোৱা নিতান্ত প্ৰয়োজন।

সভাত বক্তৃতা দি প্ৰসিদ্ধ বুৰঞ্জীবিদ, শ্ৰীবেণুধৰ শৰ্মাই বুৰঞ্জীমূলক তথ্য উদ্ঘাটনৰ গুৰুত্বৰ কথা কয়। বক্তৃতা প্ৰসঙ্গত শ্ৰীমুনীন বৰকটকীয়ে কয় যে অসমৰ এখন পূৰ্ণাঙ্গ বৈজ্ঞানিক বুৰঞ্জী অসমীয়া ভাষাত প্ৰণয়ন কৰাৰ প্ৰয়োজন। ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যই আলোচনাত অংশ গ্ৰহণ কৰি কয় যে কোনো কোনো লোকে গাৰ বলেৰে ঐতিহাসিক হবলৈ হৈ উদ্দেশ্য প্ৰণোদিত ভাৱে কিতাপ লিখি কছাৰী ভাষাক অসমীয়া ভাষাৰ পৰা বেলেগ কৰাত সহায় কৰিছে। ডঃ ভট্টাচাৰ্যই আৰু কয়, যে সংগ্ৰহালয়, বিশ্ববিদ্যালয় আৰু পুৰাতত্ত্ব বিভাগৰ সংগ্ৰহ একেলগ হ'ব লাগে। ডঃ ভট্টাচাৰ্যই আৰু কয়, গোৱালপাৰাৰ গোলোকগঞ্জৰ দৈমাৰী শিলালিপি আৰু মানকাছৰৰ মৃন্ময় লিপি হেৰাই যোৱাটো বৰ আক্ষেপৰ কথা হৈছে আৰু তেওঁ নিজে জমা দিয়া মৃন্ময় মূৰ্তিৰ সংগ্ৰহালয়ত প্ৰদৰ্শনৰ দিহা হ'ব লাগে। চৰকাৰ এই বিষয়ত সজাগ হোৱা উচিত! অসমৰ বুৰঞ্জীত জনজাতি সকলৰ প্ৰকৃত ভূমিকা নিৰ্ণয়ৰ কাৰণে অসমৰ জনজাতীয় বুৰঞ্জী এখন প্ৰনয়ণৰ আৱশ্যক। অসমীয়া মানুহৰ ইতিহাস ৰচনা কৰিবলৈ প্ৰকাশন পৰিষদৰ জৰিয়তে যি আঁচনি লৈছে সেয়া অন্ততঃ দহ বছৰ কাল লাগিব; কিয়নো অসমৰ পৰ্বতে-ভৈয়ামে থকা জনগণৰ সঠিক, প্ৰকৃত আৰু বৈজ্ঞানিক বুৰঞ্জী এখন লিখিবলৈ হ'লে অসমৰ সকলো শাখা সাহিত্য



সভা আৰু নানা বিষয়ৰ পণ্ডিতৰ সহযোগ লাগিব। সভাত তথ্যগধূৰ ভাষণ দি বুৰঞ্জীৰ বিভিন্ন দিশ মুকলিকৈ আলোচনা কৰে শ্ৰীশিৱানন্দ শৰ্মা, শ্ৰীঅম্বিকা চৰণ চৰকাৰ আৰু শ্ৰীশ্ৰীৰাম চন্দ্ৰ দাসে।

### প্ৰথম দিনৰ মুকলি অধিবেশন

অসম সাহিত্য সভাৰ চত্বাৰিংশ অধিবেশনৰ সভাপতি শ্ৰীগিৰিধৰ শৰ্মাক আগত লৈ ১১ ফেব্ৰুৱাৰী দেওবাৰে দুপৰীয়া এটি বিৰাট শোভাযাত্ৰাই ৰঙিয়া নগৰ পৰিভ্ৰমণ কৰে। কামত কলহ লৈ সমদলৰ আগে আগে যোৱা কিশোৰীৰ দলটোৱে সমদলৰ শোভা আৰু গাম্ভীৰ্য বৃদ্ধি কৰে। দুপৰীয়া এক বজাত মূল অধিবেশন হৰদত্ত-বীৰদত্ত নগৰৰ মূল সভা মণ্ডপৰ তলত অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মাৰ সভাপতিত্বত আৰম্ভ হয়। সভা উদ্বোধন কৰি অসমৰ মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই অসমৰ সাহিত্য-সংস্কৃতিলৈ অসম সাহিত্য সভাই আগ বঢ়োৱা অৱদানৰ কথা সোঁৱৰে আৰু অসমীয়া ভাষাৰ মৰ্যাদা ৰক্ষাৰ ক্ষেত্ৰত এই সভাই আগ বঢ়াই অহা সাহসী প্ৰচেষ্টাৰ কথাত গুৰুত্ব দিয়ে। শোক প্ৰস্তাৱ গ্ৰহণ কৰাৰ পিছত প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীয়ে অসম তথা ভাৰতৰ বিশিষ্ট লোক সকলৰ শুভেচ্ছা বাণীসমূহ পাঠ কৰে। তাৰ পিছতে শ্ৰীগোস্বামীয়ে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। উক্ত প্ৰতিবেদনত কোৱা হয়—উচ্চ শিক্ষাৰ মাধ্যম আন্দোলনত সদৌ অসম ছাত্ৰ সন্থাই যি অদম্যত সাহস আৰু ধৈৰ্য দেখুৱালে সি অত্যন্ত প্ৰশংসনীয়। শ্ৰীগোস্বামীয়ে মাধ্যম আন্দোলনত শ্বহীদ হোৱা ছাত্ৰ-নেতাসকল—মোজম্মিল হক, অনিল বৰা, প্ৰমোদ বৰা, বলেন ৰাজখোৱা আৰু সাহিত্য সভাৰ নিষ্ঠাবান কৰ্মী নৰেন্দ্ৰনাথ মহন্তলৈ শ্ৰদ্ধা তৰ্পণ কৰে। প্ৰধান সম্পাদকে কয় যে যোৱা বছৰটোত এইখন কাৰ্যনিৰ্বাহক সমিতিয়ে মাত্ৰ দহ মাহহে সময় পাইছে (ধুবুৰী অধিবেশন এপ্ৰিল মাহত বহিছিল) আৰু উচ্চ শিক্ষাৰ মাধ্যম আন্দোলনত নিয়মীয়া কাম পৰিচালনাত যথেষ্ট বাধা পৰে যদিও এই দহমহীয়া বছৰটোত ৪৪ খন নতুন শাখা গঠন হোৱা কাৰ্যই অসম সাহিত্য সভাৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তাৰ কথাই সূচনা কৰে। বছৰটোৰ ভিতৰত দুজন কৃতবিদ্য প্ৰাক্তন সভাপতি বেণুধৰ ৰাজখোৱা আৰু কনকলাল বৰুৱাৰ শতবাৰ্ষিকী উৎসৱ পালন কৰাৰ উপৰিও সুবিস্তৃত অসমীয়া গ্ৰন্থপঞ্জী আৰু অসম সাহিত্য সভাৰ চৈধ্যজন প্ৰাক্তন সভাপতিৰ ভাষণাৱলী ইতিমধ্যে ছপাশালত দিয়া হৈছে। গুৱাহাটীৰ কনকলাল বৰুৱা শতবাৰ্ষিকী উদযাপন সমিতিয়ে কনকলাল বৰুৱাৰ ইংৰাজী আৰু অসমীয়া প্ৰবন্ধসমূহ গোটাই দুখনি গ্ৰন্থ প্ৰকাশ কৰি এটি উল্লেখযোগ্য কাম কৰিছে। সভাৰ মঞ্চত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সকল (সৰ্বশ্ৰী) বাগ্মীবৰ নীলমণি ফুকন, শ্ৰীমতী নলিনীবালা দেৱী, ত্ৰৈলোক্য নাথ গোস্বামী, অতুল চন্দ্ৰ হাজৰিকা, বিনন্দ চন্দ্ৰ বৰুৱা, হেম বৰুৱা, শাখা সন্মিলনৰ প্ৰাক্তন সভাপতি সকল—(সৰ্বশ্ৰী) খনীন্দ্ৰচন্দ্ৰ বৰুৱা, ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, ডঃ মহেশ্বৰ নেওগ আদি আৰু ৰঙিয়া অধিবেশনৰ বিভিন্ন শাখা সন্মিলনৰ সভাপতি সকল উপস্থিত থাকি সভাৰ গাম্ভীৰ্য বৃদ্ধি কৰিছিল। প্ৰাক্তন সভাপতি অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই 'ৰঙিয়া", নামে স্বৰচিত কবিতা এটি পাঠ কৰি সমজুৱা সকলক অনুপ্ৰাণিত কৰে। অভ্যৰ্থনা সমিতিৰ সভাপতিৰ প্ৰধান শিক্ষাবিদ শ্ৰীপ্ৰাণেশ্বৰ শৰ্মাই পাঠ কৰা অভিভাষণত ৰঙিয়াৰ ঐতিহ্যৰ কথা আৰু অসমৰ ভাষা সাহিত্য সংস্কৃতিৰ মৰ্যাদা ৰক্ষাত অসম সাহিত্য সভাৰ ভূমিকাৰ কথা ব্যক্ত কৰে।

সভাপতি শ্ৰীগিৰিধৰ শৰ্মাই পাঠ কৰা প্ৰায় দহ হেজাৰ শব্দৰ ওজস্বী ভাষণত অসমীয়া ভাষা-সাহিত্য, সংস্কৃতিৰ বিভিন্ন সমস্যা সমূহৰ ওপৰত আলোকপাত কৰে আৰু অসম সাহিত্য সভা তথা অসমবাসী ৰাইজৰ কৰ্তব্য আৰু দায়িত্বৰ কথা সোঁৱৰাই দিয়ে। সভাপতিয়ে সভাৰ ভৱিষ্যৎ কাৰ্যপন্থা সম্পৰ্কে এখনি বাৰদফীয়া আঁচনিও দাঙি ধৰে। বিৰাট জনতাই বিস্ময় বিমুগ্ধভাৱে

এই ভাষণ শুনাৰ পিছতে প্ৰথম দিনৰ মুকলি অধিবেশনৰ সামৰণি পৰে।

### দ্বিতীয় দিনৰ মুকলি অধিবেশন

১২।২।৭৩ তাৰিখে দ্বিতীয় দিনৰ মুকলি অধিবেশন অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মাৰ সভাপতিত্বত বহে। এই সভাত প্ৰাক্তন সভাপতি বাগ্মীবৰ শ্ৰীনীলমণি ফুকনে অসমীয়া জাতিৰ সংহতিৰ বাবে আহ্বান জনাই কয় যে অসমত বাস কৰা সকলো অনা-অসমীয়া লোকেই অসমীয়া ভাষা শিকিব লাগে—অসমত বাস কৰি অসমীয়া ভাষা নজনাটো অন্যায় আৰু বিদ্বেষমূলক কথা। কাছাৰৰ পলুৱা বাইজে অসমীয়া ভাষাৰ বাবে কৰা আন্দোলনক শ্ৰীফুকনে পূৰ্ণ সমৰ্থন জনায় আৰু অসমীয়া ভাষাৰ বিৰুদ্ধে বহিৰাগত ষড়যন্ত্ৰকাৰীসকলে কৰা অপচেষ্টাক তীব্ৰ নিন্দা কৰে। ৯৩ বছৰীয়া বৃদ্ধ সাহিত্যিকজনাৰ ওজস্বী আৰু প্ৰাণস্পৰ্শী বক্তৃতাই শ্ৰোতাসকলক মুগ্ধ কৰা দেখা গৈছিল। শ্ৰীফুকনৰ বাহিৰেও সভাত প্ৰাক্তন সভাপতি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা, শ্ৰীধনীন্দ্ৰ চন্দ্ৰ বৰুৱা, অধ্যাপক ৰায়হান খাহ আদিয়ে বক্তৃতা দিয়ে। কাছাৰৰ প্ৰতিনিধি সকলৰ পৰা মহম্মদ চাহাবুদ্দিন, শ্ৰীবীৰেন্দ্ৰ সিং, আব্দুল কাহেৰ লস্কৰ, শ্ৰীৰায়মণি ৰাজবংশী, মইমুদ্দিন ভূঞা, শ্ৰীকুমাৰ মেধি, শ্ৰীবিপিন ৰাজবংশী, ছশিয়াৰৰ সম্পাদক মুছলিমুদ্দিন বৰলস্কৰ আদিয়ে বক্তৃতাত কয় যে কাছাৰৰ পলুৱা লোক সকল অসমৰ মুখ্যমন্ত্ৰীৰ ১১ নবেম্বৰৰ ঘোষণাত অতিশয় সুখী হৈছে আৰু অসমৰ দুয়োটা বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম একমাত্ৰ অসমীয়া হোৱাটো তেওঁলোকে সৰ্বান্তঃকৰণে সমৰ্থন কৰে।

সভাত শিক্ষামন্ত্ৰী শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰে বিশিষ্ট অতিথি হিচাবে ভাষণ দিয়ে। অন্যান্য বক্তাসকলৰ ভিতৰত আছিল—শ্ৰীকামাখ্যা প্ৰসাদ গঙ্গোপাধ্যায়, শ্ৰীনাৰায়ণ ঘাটোৱাৰ, শ্ৰীলালন কুমাৰ সিং, শ্ৰীমেৰা সিং, শ্ৰীপৰেশ চৌধুৰী আদি। সভাত এই বছৰৰ সাহিত্য একাডেমীৰ বঁটা লাভ কৰোঁতা 'অধৰা আত্মাৰ কাহিনী'ৰ লিখক বিখ্যাত কথা-সাহিত্যিক চৈয়দ আব্দুল মালিকক ওলাগ জনাই প্ৰধান সম্পাদক শ্ৰীগোস্বামীয়ে একোষাৰ কয়। প্ৰত্যুত্তৰত শ্ৰীমালিকে এটি মনোগ্ৰাহী বক্তৃতা দিয়ে। সভাত শ্ৰীফাইজনুৰ আলিক তেওঁৰ 'জীৱজগতৰ সাধু' নামৰ শিশু-গ্ৰন্থৰ বাবে প্ৰেমধৰ দত্ত বঁটা প্ৰদান কৰা হয়। ইতিমধ্যে বিষয় বাছনী সভাত গৃহীত প্ৰস্তাৱ কেইটি সভাপতিৰ অনুমতি ক্ৰমে সহকাৰী সম্পাদক শ্ৰীডিম্বেশ্বৰ শৰ্মাই পাঠ কৰে আৰু সৰ্বসন্মতিক্ৰমে গৃহীত হয়।

অহা বাৰলৈ অসম সাহিত্য সভাৰ একচত্বাৰিংশ অধিবেশন মঙ্গলদৈলৈ প্ৰতিনিধি শ্ৰীমুক্তিনাথ গোস্বামীয়ে নিমন্ত্ৰণ জনায় আৰু সভাই সৰ্বসম্মতি ক্ৰমে নিমন্ত্ৰণ গ্ৰহণ কৰে। প্ৰতিনিধি সকলৰ হৈ ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যই আৰু অভ্যৰ্থনা সমিতিৰ হৈ সভাপতি শ্ৰীপ্ৰাণেশ্বৰ শৰ্মা আৰু উপসভাপতি শ্ৰীদুৰ্গা দত্ত আগৰৱালাই শলাগৰ শৰাই আগ বঢ়ায়।

### সাংস্কৃতিক সন্মিলন

অধিবেশনৰ তিনিও দিন সন্ধিয়া সাংস্কৃতিক সন্মিলনে দুই লক্ষ জনতাৰ মানসিক তৃপ্তি সাধন কৰিছিল। ২৭ মাঘ শনিবাৰে ৰাতি ৮ বজাৰ পৰা জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' নাটকখনি স্থানীয় শিল্পীসকলে সফলতাৰে অভিনয় কৰে। তাৰ পাছত নাগৰা নাম অনুষ্ঠিত হয়।

২৮ মাঘ দেওবাৰে সন্ধিয়া ৭ বজাত সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰি শোণিত কোঁৱৰ শ্ৰীগজেন বৰুৱাই অসমীয়া সংস্কৃতিৰ অতীত, বৰ্তমান আৰু ভবিষ্যতৰ ওপৰত আলোকপাত কৰি এটি তত্ত্বগধুৰ ভাষণ দিয়ে।

২৯ মাঘ সোমবাৰে সন্ধিয়া ৭ বজাত সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰে বিখ্যাত সঙ্গীতজ্ঞ শ্ৰীৰুদ্ৰ বৰুৱাই। এই দুইদিনৰ সাংস্কৃতিক সন্মিলনত অসমৰ বিভিন্ন ঠাইৰ পৰা অহা সাংস্কৃতিক দলসমূহে যোগদান কৰি সন্মিলনৰ সৌষ্ঠৱ বৃদ্ধি কৰে।



### বিষয় বাছনি সভা

উল্লেখযোগ্য যে অসম সাহিত্য সভাৰ বুৰঞ্জীত ৰঙিয়া অধিবেশনতে প্ৰতিনিধি আৰু দৰ্শক প্ৰতিনিধিৰ সংখ্যা সৰ্বাধিক হৈছিল। দৰ্শক প্ৰতিনিধি আদিৰ সংখ্যা বাদ দি অকল প্ৰতিনিধিৰ সংখ্যাই আঠশ জন। কাছাৰ জিলাৰ পৰা এই বাৰেই সৰ্বাধিক প্ৰতিনিধি (৪০জন) আহিছিল। প্ৰতিনিধি সভা ১০ ফেব্ৰুৱাৰী শনিবাৰে দিনৰ দুই বজাৰ পৰা মাজত অলপ বিৰতিৰে সৈতে ৰাতি ১১ বজালৈ আৰু ১১ ফেব্ৰুৱাৰী দেওবাৰে ৰাতি ৮ বজাৰ পৰা ১২-৩০ বজালৈ বহিছিল। নৱনিৰ্বাচিত সভাপতি শ্ৰীগিৰিধৰ শৰ্মাৰ সভাপতিত্বত হৰদত্ত বীৰদত্ত ভৱনত বহিছিল আৰু গোটেই ভৱনটো প্ৰতিনিধি সকলেৰে ঠাহ খাই পৰিছিল। প্ৰতিনিধিৰ সংখ্যা বেছি হোৱা বাবে এইবাৰ ভোট গ্ৰহণ আৰু গণনাত বহুত সময় লৈছিল।

### ৰঙিয়া আলোচনী সভাৰ ভৱন উদ্ঘাটন

২৮ মাঘ দেওবাৰে ৰঙিয়া সাহিত্য সভাৰ এটি সুনিৰ্মিত স্থায়ী ভৱন উন্মোচন কৰে বাগ্মীবৰ শ্ৰীনীলমণি ফুকনে। ৯৩ বছৰীয়া বয়োবৃদ্ধ সাহিত্যিক গৰাকীৰ প্ৰাণমন উখলোৱা সবল প্ৰাণৰ কথা কেইটিয়ে শ্ৰোতা সকলক মুগ্ধ কৰে। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিশিষ্ট ৰাজনীতিজ্ঞ শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীয়ে উক্ত ভৱন উন্মোচন সভাত বিশিষ্ট অতিথি হিচাবে এটি ভাষণ দিয়ে।

### বৈশিষ্ট্য

ৰঙিয়া অধিবেশনৰ মূলসভা মণ্ডপৰ সন্মুখৰ তোৰণখনি শিৱসাগৰৰ ৰংঘৰৰ আৰ্হিত কৰা হৈছিল। মূল মণ্ডপস্থানৰ নাম দিয়া হৈছিল হৰদত্ত বৰিদত্ত নগৰ। মূল তোৰণৰ ওচৰতে নিৰ্মিত শ্বহীদ স্তম্ভটি আছিল অধিবেশনৰ সৰ্বশ্ৰেষ্ঠ আকৰ্ষণ। পাঁচ হেজাৰ টকাৰ ব্যয়ত এই স্তম্ভ নিৰ্মাণ কৰোৱায় ৰঙিয়া আঞ্চলিক পঞ্চায়ত আৰু সহযোগী সকলে। স্তম্ভৰ পৰিকল্পনা কৰিছিল উদীয়মান শিল্পী শ্ৰীঅমূল্য বৰুৱাই আৰু নিৰ্মাণ কৰিছিল শ্ৰীঅমূল্য বৰুৱা, শ্ৰীঅনিলকুমাৰ চৌধুৰী আৰু শ্ৰীনবকুমাৰ চৌধুৰীয়ে। তৈল চিত্ৰ অঙ্কন কৰিছিল শ্ৰীঅমূল্য বৰুৱাই। শিক্ষাৰ মাধ্যম আন্দোলনৰ শ্বহীদ সকলৰ তৈলচিত্ৰৰ তলত সুন্দৰ স্পষ্ট আখৰেৰে লিখা হৈছিল :

১। মোজাম্মিল হক—

আই অ' কিহেৰে পূজিম তোক  
আই অ' জীৱন দি পূজিম তোক।

২। অনিল বৰা—

লুইতৰ পাৰৰে আমি ডেকা লৰা  
মৰিবলৈ ভয় নাই।

৩। প্ৰমোদ বৰা—

মৰে অসম জীয়ে কোন!  
জীয়ে অসম মৰে কোন!

৪। বলেন বাঙখোৱা—

আমি আগে বাঢ়ি  
ডিভি পাতি পাতি  
তেজেৰে বলিশাল গামে বোলাই

৫। নৰেন্দ্ৰনাথ মহন্ত—

চিৰ চেনেহী মোৰ ভাষা জননী।

স্মৃতিফলকখনিত লিখা আছিল

"কলিজাৰ কেঁচা তেজ ঢালি  
ভাষা জননীৰ ধুৱালোঁ চৰণ  
সাৰ্থক হওক জাতিৰ আশা  
সাৰ্থক হওক আমাৰ মৰণ॥"

এই স্মৃতিস্তম্ভৰ উপৰিও নগৰখনিৰ বিভিন্ন চৌপথত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা প্ৰমুখ্যে কেবা গৰাকীও অসমীয়া কলা সাধকৰ নামত তোৰণ নিৰ্মাণ কৰা হৈছিল।

# গোহালি দেও

**শ্ৰীজ্ঞানশঙ্কৰ থাখলাৰী**

নামনি অসমৰ জনজাতি লোক ৰাভা-কছাৰী-বড়ো সকলে চ'তৰ সংক্ৰান্তিৰ দিনা (গৰু বিহুৰ দিনা) 'গোহালি দেও' পূজা কৰি গো সেৱা কৰা প্ৰথা ৰৰ্তমানেও চলি থকা দেখা যায়। গো সেৱা কৰা হিন্দু ধৰ্মৰ এটি পবিত্ৰ কাৰ্য। অসমৰ জনজাতি বড়ো-ৰাভা সকলে বহাগৰ গৰু-বিহুৰ দিনা পুৱাই গোহালিৰ পৰা গৰু উলিয়াই আৰু দীঘলতী-মাখিয়তীৰ পাতেৰে কোবাই কোনো নদী বা বিলত গা ধুৱাই ঘৰৰ পৰা সজাই নিয়া লাউ বেঙেনাৰে—"লাউ খা—বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা" বুলি দলিয়াই পথাৰত এৰি আহে। দিনত গৃহস্থই গোহালি, পদুলি, ঘৰদুৱাৰ আদি সাৰি-মচি নিকা কৰে। গধূলি হ'লে গৰু বিচাৰি আনি নতুন পঘাৰে বান্ধে; ৰাতি গোহালি ঘৰৰ সন্মুখত 'গোহালি দেও' পূজাৰ আয়োজন কৰে।

'গোহালি দেও' পূজাৰ আগতে নতুনকৈ অস্থায়ী থাপনা (বেদী) সাজে। এই বেদীত, ভিটে, তিতা আৰু ইকৰা বন তিনি ভাগ কৰি পোতা হয়। বেদী মচি-কাচি তাত পিঠাগুৰিৰে আয়তক্ষেত্ৰ আকাৰৰ তিনিটা ভাগ কৰে আৰু তাত কলপাত পাৰি চাউল, তামোল-পান আদিৰে পূজা কৰা হয়। 'গোহালিদেও' পূজা কৰাত 'ডেকেৰা চৰে' (মতা কুকুৰা চৰাই) বলি দিয়াৰ প্ৰথা আছে। ডেকেৰা চৰেটো সাধাৰণতে গোহালি দেওৰ বাবে মাননি কৰি থোৱা হয়। ইয়াৰ যাতে কোনো অপায়-অমঙ্গল নহয় তাৰ বাবে গৃহস্থ সদায় সাৱধান হৈ থাকে। গোহালিদেও পূজাত মদ অতি আৱশ্যক। গোহালিদেও পূজাৰ এটা বিশেষত্ব যে, বলি দিয়া ডেকেৰা চৰেৰ মাংসৰে পিঠাগুৰি দি বিশেষ ধৰণৰ 'ভোগ' ৰন্ধা আৰু পূজা কৰা হয়। পূজা শেষ হলে গৃহস্থৰ লোকে সেৱা কৰে। পূজাৰ শেষত পূজাৰ সম্ভাৰসমূহ তুলি নি কোনো নিৰ্জন ঠাইত পেলাই দিয়ে আৰু পানীত পিঠাগুৰি গুলি খেতিৰ সঁজুলিবিলাকত (বিশেষকৈ নাঙল-যুৱলী-মৈ-দাকুৰা) চটিয়াই দিয়ে। বহাগবিহুৰ গৰু বিহুৰ দিনাই 'গোহালি দেও' পূজা কৰা হয়। কেতিয়াবা কেতিয়াবা কোনো কোনো লোকে মাঘ বিহুৰ গৰু-দোমাহীৰ দিনাও 'গোহালি দেও' পূজা কৰা বুলি জনা যায়।

'গোহালি দেও' পূজাৰ প্ৰধান তাৎপৰ্য গো সেৱাই বুলি ক'ব পাৰি। গাৱঁলীয়া খেতিয়ক-ৰাইজৰ গৰুৱেই হ'ল ঘাই সম্বল। আনহাতে বহাগ মাহ পৰাৰ লগে লগে খেতিৰ বতৰ আহি পৰে। খেতিয়ক ৰাইজে



কান্ধত নাঙল, আগত গৰু হাল লৈ পথাৰলৈ বুলি আগ বাঢ়ে। সেই কাৰণে এই জনজাতি লোকসকলে নতুন বছৰৰ লগে লগে গোহালিৰ গৰুৰ যাতে কোনো বেমাৰ-আজাৰ নাইবা অপায়-অমঙ্গল নহয় তাৰ বাবে 'গোহলি দেও' পূজা কৰে ডেকেৰা চৰে কাটি। ভোগালী বিহুত 'গোহালি দেও' পূজা কৰাৰ কাৰণ এইটোৱে হ'ব পাৰে যে—ভোগালী বিহুত গৰু বিহুৰ দিনা গৰুক তেল ঘঁহি গৰু এৰি দিয়া হয় তিনি চাৰি মাহৰ বাবে। গৰুৰ যাতে হানি বিঘিনি নহয় সেই বাবে পূজা কৰা হয়। বহাগৰ লগে লগে নতুন বছৰৰ বাবে আকৌ গৰু আদৰি গোহালিলৈ অনা হয়।

'গোহালি দেও' পূজা কৰাৰ পিছত পিঠাগুৰি পানীৰে মিহলাই খেতিৰ সঁজুলিত চটিওৱা অৰ্থ হয়তো এইটোৱে হ'ব পাৰে যে খেতিৰ বাবে সঁজুলিসমূহ নতুন বছৰৰ কাৰণে শুচি কৰা হ'ল। এতিয়াৰ পৰা এইবোৰ ব্যৱহাৰৰ উপযোগী হৈ পৰিল।

গোহালি ঘৰ যেন তেওঁলোকৰ গোঁসাই ঘৰ! সেই বাবে নতুন বছৰৰ লগে লগে লক্ষ্মীগৰুক তেওঁলোকে 'অমাতা ধন' বুলি পূজা কৰি আদৰণি জনায়।

লোক বিশ্বাস মতে 'গোহালিদেও' পূজাত ল'ৰা-ছোৱালীয়ে দৌৰা দৌৰি কৰি "ভোগ" খাবলৈ আহিলে হেনো গৃহস্থৰ গৰুগাইৰ সংখ্যা বাঢ়ে। সেই কাৰণে লৰা-ছোৱালীক দৌৰি অহাটোকে গৃহস্থই কামনা কৰে।

ইয়াৰ বাহিৰেও অন্য ধৰণেও গৰু সেৱা কৰা দেখা যায়। আঘোণ-পুহ মাহত নবান্ন খোৱাৰ দিনা মানুহে খোৱাৰ আগতে গৰুক ভাত এসাজ খাবলৈ দিয়ে আৰু কিছুমানে শান্তি পানী চটিয়াই ধান খাবলৈ দিয়ে। ইয়াক সাধাৰণতে "গৰুক ভাত দিয়া" বা "গৰুক ধান দিয়া" বুলি কোৱা হয়।

আজি কালি ডেকেৰাচৰে কাটি 'গোহালি দেও' পূজা কৰা প্ৰথা ক্ৰমে কমি যাবলৈ ধৰিছে। কিছুমানে চাকি-বন্তি জ্বলাই এই পূজা সমাপন কৰে। গৰুৰ মঙ্গলাৰ্থে কৰা 'গোহালি দেও' পূজা ৰাভা-কছাৰীসকলৰ এটি জাতীয় উৎসৱৰ দৰে যদিও ই প্ৰধানকৈ ব্যক্তি কেন্দ্ৰিক। গৰুৰ নিচিনা ধন খেতিয়কৰ মানত অতি মূল্যবান সেয়ে হয়তো তেওঁলোকৰ মুখত শুনা যায় 'যাৰ নাই গৰু সি সৱাতকৈ সৰু।'

---

"সাহিত্যৰ সৌন্দৰ্যই কবিতা, কল্পনাৰ স্বাভাৱিকতাই কবিতা; জীৱন প্ৰৱাহত অসংযত ভাৱে উঠা ভাব-তৰঙ্গৰ উচ্ছ্বাসেই কবিতা। মানুহে যেতিয়া গভীৰ নিৰাশাত ডুব গৈ সংসাৰৰ অসাৰতা অনুভৱ কৰে, মৰ্মভেদী বেদনাৰ কৰুণ সুৰত মানুহৰ হৃদয় উদ্বেলিত হয়, দুৰ্জয় আকাঙ্ক্ষাৰ প্ৰবল ধুমুহাত যেতিয়া জীৱনৰ আঁত হেৰুৱায়; আশা-মৰীচিকাত পৰি বাসনাৰ তীব্ৰ পিয়াহত কণ্ঠাগত হৈ প্ৰাণে যেতিয়া সান্ত্বনাৰ শীতল ছায়া চিদানন্দৰূপ 'ওৱেচিছ' বিচাৰিবলৈ প্ৰয়াস পায়; তেতিয়াহে ভাৱ-ৰাজ্যত কৱিতাৰ সৃষ্টি হয়। অন্তৰৰ হ্লাদিনী শক্তিয়েই কবিতা।"

—ৰঘুনাথ চৌধাৰী।

# বাল্মীকি ৰামায়ণৰ বিভিন্ন পাঠ আৰু কন্দলি ৰামায়ণৰ মূল

অধ্যাপক **শ্ৰীৰামচৰণ ঠাকুৰীয়া**

ৰামায়ণ ভাৰতীয় সভ্যতাৰ প্ৰাচীনতম ইতিহাস আৰু চিন্তা-সাধনা-সংস্কৃতিৰ প্ৰতীক। ভাগৱত মহাগ্ৰন্থৰ প্ৰথম শ্লোকৰ 'তেনে ব্ৰহ্মহৃদা য আদি কবয়ে' বাক্যাংশত পৰম-ব্ৰহ্ম ঈশ্বৰে ব্ৰহ্মাৰ হৃদয়তে পোনতে বেদ প্ৰকাশ আৰু তেওঁৰ দ্বাৰাই পৃথিবীত প্ৰচাৰ কৰোঁৱা অৰ্থত হিৰণ্য-গৰ্ভ ব্ৰহ্মাকেই আদি কবি বোলা হৈছে যদিও ভাৰতীয় বিশ্বাস আৰু লোক পৰম্পৰামতে বাল্মীকিহে ভাৰতৰ প্ৰথম কবি আৰু ৰামায়ণেই আদি কাব্য ( এই লেখকৰ 'বাল্মীকি ৰামায়ণৰ প্ৰচাৰ আৰু প্ৰসাৰ' দ্ৰষ্টব্য )। এই সম্পৰ্কে 'বৃহদ্ধৰ্ম পুৰাণ'ত কোৱা হৈছে,—

"ৰামায়ণং মহাকাব্যমাদৌ বাল্মীকিনা কৃতম্।
তন্মূলং সৰ্বকাব্যানামিতিহাস পুৰাণয়োঃ॥"

অৰ্থাৎ 'বাল্মীকিকৃত মহাকাব্য ৰামায়ণেই আদিকাব্য আৰু সকলো কাব্য, ইতিহাস, পুৰাণৰ মূল'। স্বয়ং বাল্মীকি ৰামায়ণতো এই কথাৰ উল্লেখ আছে,

ধন্য যশস্যমায়ুষং ৰাজ্ঞাং চ বিজয়াবহম্।
আদি কাব্যমিদং ত্বাৰ্ষং পুৰা বাল্মীকিনা কৃতম্॥"

( যুদ্ধকাণ্ড )

ৰচনাৰ সময় নিৰূপণ আৰু কাব্যৰ পূৰ্ণৰূপায়ণৰ কালৰ পৰা বৰ্তমান প্ৰচলিত বাল্মীকি ৰামায়ণকেই ভাৰতৰ আদি কাব্য বোলাত কাৰোবাৰ কিবা আসোঁৱাহ থাকিলেও ৰামকাব্যৰ মূল প্ৰবাহ আৰু ৰামাখ্যান সম্বন্ধীয় 'গাথা নাৰাংশংসী' ( ঋক্‌বেদ : ১০,৮৫,৬ ) ভাৰতত যে অতি প্ৰাচীনকালৰে পৰা মুখে মুখে চলি আহিছিল, বৈদিক সাহিত্যত তাৰ স্পষ্ট প্ৰমাণ আছে। 'হৰিবংশ'ৰ এটা শ্লোকত কোৱা হৈছে,—

গাথা অপ্যত্ৰ গায়ন্তি যে পুৰাণবিদো জনাঃ।
ৰামে নিবদ্ধতত্বাৰ্থা মহাত্ম্যং তস্য ধীমতঃ॥"

( অধ্যায় ৪১,১৪৯ )

বাল্মীকিৰ পূৰ্বেই চ্যৱন নামৰ জনৈক মহৰ্ষিয়ে এই বীৰত্ব-ব্যঞ্জক গাথাসমূহক লৈ ৰাম-কাব্য ৰচনাৰ প্ৰয়াসৰ কথা অশ্বঘোষৰ 'বুদ্ধ-চৰিত'ত উল্লেখ আছে।

'বাল্মীকিৰাদৌ চ সসৰ্জ পদ্যং।
জগ্ৰন্থ যন্ন চ্যৱনো মহৰ্ষিঃ॥

( বুদ্ধ-চৰিত : ১,৪৩ )



অৰ্থাৎ 'যি কাব্য ৰচনা কৰিবলৈ মহৰ্ষি চ্যৱন সমৰ্থ নহ'ল, বাল্মীকিয়ে তাক সৃষ্টি কৰিলে'। ইয়াৰ দ্বাৰা এইটো সহজতে প্ৰতীয়মান হয় যে, ৰামাখ্যান সম্বন্ধীয় গাথাবোৰ মৌখিকৰূপত চলাৰ বহুকালৰ পিছতহে ইয়াক ঐক্যৰ যোগ-সূত্ৰেৰে গাঁথি' কাব্যিক ৰূপ দিবলৈ লোৱা হয়; আৰু ভিন্ন ভিন্ন পৰম্পৰাই প্ৰভাৱ পেলোৱা হেতুকেই হয়তো ইয়াৰ একাধিক পাঠ দেখিবলৈ পোৱা যায়।

বাল্মীকি কৃত ৰামায়ণৰ বৰ্তমান তিনিটা পাঠৰ প্ৰচলন আছে : (ক) গৌড়ীয় পাঠ, (খ) পশ্চিমোত্তৰীয় পাঠ আৰু (গ) দাক্ষিণাত্য পাঠ ( ডঃ বুল্কেৰ 'ৰামকথা' দ্ৰষ্টব্য )। তিনিওটা পাঠেই বৰ্তমান একাধিক ঠাইৰ পৰা প্ৰকাশিত হৈছে, আৰু ইহতৰ ভিতৰত দাক্ষিণাত্য পাঠৰ প্ৰচলনেই ভাৰতত সৰ্বাধিক আৰু ব্যাপক। অযোধ্যাৰ পাৰিবাৰিক জীৱন আৰু লঙ্কা ধ্বংসৰ কাহিনী সম্বলিত ৰামায়ণৰ মূল কথা-বস্তুৰ ক্ষেত্ৰত তিনিও পাঠৰ প্ৰভেদ বিশেষ নাথাকিলেও বহুতো আনুষাঙ্গিক ঘটনাৰ বৰ্ণন আৰু শ্লোক-সৰ্গ ব্যৱহাৰত পৰম্পৰৰ মাজত ভালেখিনি পাৰ্থক্য দেখা যায়। একমাত্ৰ আদি আৰু উত্তৰাকাণ্ডৰ বাহিৰে ( এই দুটাতো একেবাৰে এক নহয় ) কোনোটি কাণ্ডতে অধ্যায় সৰ্গৰ ক্ৰমত দুটি পাঠৰ সম্পূৰ্ণ মিল নাই। শ্লোক-সংখ্যা, শব্দ-প্ৰয়োগ আদিৰ কথা বাদ দিলেও প্ৰত্যেক পাঠতে এনেকুৱা স্বকীয়া বৃত্তান্ত কিছুমানৰ বৰ্ণনা পোৱা যায়, যিবোৰ আন পাঠত পাবলৈ নাই। উদাহৰণ স্বৰূপে, গৌড়ীয় পাঠ মতে, ৰাৱণে পদাঘাত কৰি ৰাজসভাৰ পৰা উলিয়াই দিয়াৰ পিছত বিভীষণে মাক নিকষাৰ পৰা বিদায় লৈ পোনতে কৈলাসত জ্যেষ্ঠ ভাতৃ কুবেৰক লগ ধৰে আৰু শিৱ-কুবেৰৰ পৰামৰ্শ মতেহে উভতি আহি পিছত শ্ৰীৰামচন্দ্ৰৰ শৰণ লয়। কিন্তু দাক্ষিণাত্য আৰু পশ্চিমোত্তৰীয় পাঠত বিভীষণ কুবেৰৰ ওচৰলৈ যোৱাৰ কোন উল্লেখেই নাই। তদুপৰি ৰাৱণিৰ শৰত সম্মোহিত ৰাম-লক্ষ্মণৰ প্ৰাণ ঘূৰাই আনিবলৈ হনুমানে হিমালয়লৈ যাত্ৰা কৰোঁতে বাটত ভৰতৰে সৈতে সাক্ষাৎ আৰু সীতা-হৰণৰ পূৰ্বে জটায়ু-ৰাম সংবাদ আৰু নিজৰ সম্বন্ধীয় সকলৰ ওচৰলৈ যাবলৈ ৰামচন্দ্ৰৰ ওচৰত জটায়ুৰ অনুজ্ঞা গ্ৰহণৰ কথাও কেৱল গৌড়ীয় পাঠতহে পোৱা যায়। সেইদৰে পশ্চিমোত্তৰীয় পাঠত বৰ্ণিত ৰাম-লক্ষ্মণলৈ সমুদ্ৰৰ কৱচ আৰু অস্ত্ৰদান, ইন্দ্ৰজিতৰ নগাপাশত পৰি থকা ৰামৰ ওচৰলৈ নাৰদৰ আগমন, মন্দোদৰীৰ চুলিত ধৰি ৰাৱণৰ যজ্ঞস্থলীত অঙ্গদৰ প্ৰবেশ, শ্ৰীৰামচন্দ্ৰৰ পক্ষ লোৱাৰ বাবে বনভূমিত কুম্ভকৰ্ণৰ দ্বাৰা বিভীষণৰ দূৰদৰ্শিতাৰ প্ৰশংসা, সংগ্ৰামত নিজৰ পতিক ৰক্ষা কৰিব পৰাকৈ জনৈক ব্ৰাহ্মণৰ পৰা কৈকেয়ীৰ পৰম বিদ্যাবল লাভ, আদি আখ্যানসমূহ দাক্ষিণাত্য অথবা গৌড়ীয় কোনোটি পাঠতে পাবলৈ নাই! তাৰ উপৰি পশ্চিমো-ত্তৰীয় পাঠ অনুযায়ী ৰাৱণৰ ওচৰত অপমানিত হৈ বিভীষণ প্ৰথমে মাক নিকষাৰ ওচৰলৈ যায় আৰু ৰাজ-সভাত ঘটা সকলো কথাৰ আদ্যোপান্ত বিবৰি কয়। গৌড়ীয় পাঠত ইয়াৰ সাধাৰণ যেনিবা উল্লেখ আছেই; দাক্ষিণাত্য পাঠত কিন্তু নাম গোন্ধেই নাই। হনুমানৰ বীৰত্ব প্ৰকাশক 'হনুমন্নল' সৰ্গটিও একমাত্ৰ পশ্চিমোত্তৰীয় পাঠৰেহে নিজস্ব কীৰ্তি।

আনহাতে আকৌ পশ্চিমোত্তৰীয় পাঠৰ বালকাণ্ডত থকা শিৱ-পাৰ্বতীৰ বিবাহৰ বৰ্ণনা আৰু অৰণ্যকাণ্ডত ৰামে সীতাৰ অন্বেষণ কৰোঁতে অত্যন্ত শোকাতুৰ হৈ বিভিন্ন গছ-গছনি আৰু পশু-পক্ষীসমূহক সম্বোধন কৰি সীতাৰ বাতৰি সোধাৰ বিৱৰণ দাক্ষিণাত্য পাঠতো দেখিবলৈ পোৱা যায়। কিন্তু গৌড়ীয় পাঠত তেনেদৰে পাবলৈ নাই। দাক্ষিণাত্য আৰু পশ্চিমোত্তৰীয় উভয় পাঠতে সীতাক বিচাৰি লঙ্কাত প্ৰৱেশ কৰা হনুমানে অশোক-বনত সোমাই পোনতে ৰাম-লক্ষ্মণ-সীতা আৰু ৰুদ্ৰাদি দেৱতাসকলক স্তুতি কৰিছে :

"নমোঽস্তু ৰামায় সলক্ষ্মণায় দেব্যৈ চ তস্যৈ
জনকাত্মজায়ৈ!
নমোঽস্তু ৰুদ্ৰেন্দ্ৰযমানিলেভ্যো নমোঽস্তু
চন্দ্ৰাগ্নিমৰুদ্‌গণেভ্যঃ।"

আৰু দুয়োটি পাঠৰে ফলশ্রুতি অংশত ৰামচন্দ্ৰ আৰু বিষ্ণুৰ অভিন্নতা মানি লোৱা হৈছে :—

"প্ৰিয়তে সততং ৰামঃ স হি বিষ্ণুঃ সনাতনঃ।
আদি দেৱো মহাবাহুৰ্হৰিৰ্নাৰায়ণঃ প্ৰভুঃ ॥"

কিন্তু গৌড়ীয় পাঠত এই দুয়োটা শ্লোকৰে কোনো উল্লেখ নাই। সেইদৰে দাক্ষিণাত্য আৰু গৌড়ীয় পাঠৰ বালীবধৰ পিছত শোকাতুৰা তাৰাক হনুমানৰ সান্ত্বনা দান আৰু কপি সৈন্যৰ আগমনৰ বিবৰণটিৰ সম্পূৰ্ণ অভাৱৰ প্ৰসঙ্গটোও পশ্চিমোত্তৰীয় পাঠত মন কৰিব লগীয়া কথা।

তিনিওটা পাঠৰ ভিতৰত দাক্ষিণাত্য পাঠৰ প্ৰচলন যিদৰে ব্যাপক, তাৰ নিজস্ব বৈশিষ্ট্যও সেইদৰে সৰ্বাধিক। ইয়াৰ প্ৰধান প্ৰধান বিশেষত্ব সমূহ হ'ল : যমুনাৰ ওচৰত সীতাৰ প্ৰাৰ্থনা, বালিবধৰ পিছত সুগ্ৰীৱৰ অনুশোচনা, বাল্মীকিৰ সৈতে ৰাম-লক্ষ্মণ আৰু সীতাৰ সাক্ষাত, লঙ্কাদেৱীৰে সৈতে হনুমানৰ যুদ্ধ, ৰামৰ ওচৰত হনুমানৰ ভাষা-জ্ঞান লাভ আৰু ব্যাকৰণ অধ্যয়ন, সেতুৰ ওপৰত শিৱ-লিঙ্গ প্ৰতিষ্ঠা, সুগ্ৰীৱ-ৰাৱণৰ দ্বন্দ্ব আৰু অঙ্গদ-বজ্ৰদ্ৰংষ্ট্ৰৰ যুদ্ধ, প্ৰস্ৰৱণ গিৰিৰ বৰ্ণনা, ত্ৰিষ্টুভত শৰৎ বৰ্ণন ইত্যাদি। বালকাণ্ডৰ অনেক কাহিনী; যেনে, কশ্যপৰ তপস্যা, বিষ্ণুৰ কুৰ্ম অৱতাৰৰ বৰ্ণনা, মোহিনী ৰূপ ধৰি বিষ্ণুৰ অমৃত হৰণ, জহ্নুমুনিৰ গঙ্গাপান, নলৰ জন্ম কাহিনী আদি একমাত্ৰ দাক্ষিণাত্য পাঠতহে দেখিবলৈ পোৱা যায়। দাক্ষিণাত্য পাঠৰ বিস্তৃত সৰ্গ 'হনু-ৰাৱণ সংবাদৰ বেছিখিনি অংশৰেই আন দুটি পাঠত অভাৱ দেখা যায়। অধ্যায়-সৰ্গ-ক্ৰম, বাক্য, শ্লোক আৰু শব্দৰ অমিলৰটো কথাই নাই, আনকি যিবোৰ শাৰীৰ আন দুটি পাঠৰ লগত কিছু পৰিমাণে মিল আছে, সিবোৰৰো বেছিভাগতে ভাৱগত অৰ্থৰ পাৰ্থক্য সততে পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে, দাক্ষিণাত্য পাঠৰ অৰণ্য-কাণ্ডত লক্ষ্মণে ৰামৰ দিব্য তথা মানবীয় পৰাক্ৰমৰ কথা উল্লেখহে কৰিছে : "দিব্যং চ মানুষং চৈৱমাত্মনশ্চ পৰাক্ৰমম্"। কিন্তু পশ্চিমোত্তৰীয় আৰু গৌড়ীয় পাঠত ৰামৰ দিব্য তথা মানবীয় অস্ত্ৰৰ কথা কোৱা হৈছে : "দিব্যং ত্বং মানুষং চাস্ত্ৰমাত্মনশ্চ পৰাক্ৰম্" (গৌড়ীয় ৰামায়ণ)। আন দুটি পাঠৰ লগত এনেকুৱা প্ৰভেদৰ নমুনা দাক্ষিণাত্য পাঠৰ পৰা অনেক দেখুৱাব পাৰি।

অৱশ্যে এইখিনিতে এটা কথা মন কৰিব লগীয়া যে স্বকীয় বৈশিষ্ট্য আৰু কাহিনীৰ সমাৱেশত গৌড়ীয় আৰু পশ্চিমোত্তৰীয় পাঠ পৰস্পৰ ভিন্ন হলেও ইহঁত পৰস্পৰৰ মাজত কিন্তু ভালেখিনি সাদৃশ্যও আছে। উদাহৰণ হিচাবে, "জনৈক ব্ৰাহ্মণৰ দ্বাৰা 'পাপ-দোষ-মোহিতা' হৈহে কৈকেয়ী মন্থৰাক বিশ্বাস কৰিবলৈ লয়,"—এই কথাখিনি দাক্ষিণাত্য পাঠত পাবলৈকেই নাই, কিন্তু পশ্চিমোত্তৰীয় আৰু গৌড়ীয় উভয় পাঠতে ইয়াক একেদৰে দেখা যায়। সেইদৰে গৌড়ীয় ৰামায়ণত বৰ্ণিত কেশৰীৰ দিক্‌গজ ধৱল বধ, দশৰথ আৰু সাগৰৰ মিত্ৰতা ৰাৱণক বুজাবলৈ নিকষাৰ বিভীষণক অনুৰোধ, সীতা-সৰমা সংবাদ, হনুমান কালনেমীৰ বৃত্তান্ত আৰু গন্ধৰ্বৰ সৈতে হনুমানৰ যুদ্ধ, সম্পাতিৰ সুপাৰ্শ্বক আহ্বান প্ৰভৃতি দাক্ষিণাত্য পাঠত নথকা আখ্যান সমূহতো পশ্চিমোত্তৰীয় পাঠৰ সৈতে প্ৰায় হুবহু মিল দেখা যায়। গৌড়ীয় আৰু পশ্চিমোত্তৰীয় উভয় পাঠতে ভৰত আৰু শত্ৰুঘ্নৰ যাত্ৰা আৰু ৰাজগৃহত বাসৰ কথা দুবাৰকৈ বৰ্ণনা দিয়া হৈছে; কিন্তু দাক্ষিণাত্য পাঠত কেৱল এবাৰহে ইয়াৰ উল্লেখ আছে। বিষয় বস্তুৰ ইঙ্গিত থকা পশ্চিমোত্তৰীয় পাঠৰ তৃতীয় উপক্ৰমাণিকাটিও গৌড়ীয় পাঠৰ প্ৰায় একেদৰেই বৰ্ণিত হৈছে।

প্ৰচলিত বাল্মীকি ৰামায়ণৰ তিনিওটা পাঠৰ প্ৰধান প্ৰধান বিশেষত্ব আৰু পাৰ্থক্য-সমূহৰ বিষয়ে ওপৰত থূলমূল আলোচনা এটি দাঙি ধৰা হল; আৰু তিনিও পাঠৰ তুলনামূলক আলোচনা আৰু বিশ্লেষণৰ পৰা এইটো স্পষ্টকৈ দেখা গ'ল যে স্বকীয় বৈশিষ্ট্য আৰু কিছু আনুষঙ্গিক কাৰণত পৰস্পৰ ভিন্ন হলেও গৌড়ীয় আৰু পশ্চিমোত্তৰীয় পাঠৰ পাৰ্থক্য দাক্ষিণাত্য পাঠৰ তুলনাত অনেক কম; আৰু দাক্ষিণাত্য পাঠত নথকা অথচ এই দুটি পাঠত সন্নিবিষ্ট সৰহখিনি কাহিনীৰ ক্ষেত্ৰতে দুয়ো



পাঠৰ মিল আছে। শ্লোকত বাক্য শব্দৰ প্ৰভেদ আৰু ভাষাত আৰ্ষ প্ৰয়োগৰ পৰিমাণো উভয় পাঠতে দাক্ষিণাত্য পাঠৰ তুলনাত অপেক্ষাকৃতভাৱে কম। এইবোৰ কাৰণলৈ দৃষ্টিৰাখিয়েই ডঃ বুল্কে অনুমান কৰে যে পৰৱৰ্তীকালত বাল্মীকি ৰামায়ণৰ তিনিটা ভিন ভিন পাঠ পোৱা গ'লেও আৰম্ভণিতে আদি ৰামায়ণ দুটি শাখাতহে বিভক্ত আছিল,—দাক্ষিণাত্য আৰু উদীচ্য! কালক্ৰমত এই উদীচ্য ৰামায়ণৰ পৰাই পশ্চিমোত্তৰীয় আৰু গৌড়ীয় ৰামায়ণৰ উদ্ভৱ হয়। ডঃ লেভিৰ মতে খৃঃ পূঃ প্ৰথম শতিকামানৰ পৰাই উদীচ্য আৰু দাক্ষিণাত্য পাঠ পৰস্পৰ ভিন্ন হৈ পৰে আৰু খৃষ্টীয় পঞ্চম শতিকামানৰ পিছত গৌড়ীয় আৰু পশ্চিমোত্তৰীয় পাঠৰ উদ্ভৱ হয়। এইখিনিতে উল্লেখ কৰিব লগীয়া যে ৰামায়ণৰ আদি আৰু উত্তৰাকাণ্ডৰ বিষয়-বস্তুৰ বিকাশ আৰু ৰচনা যিহেতু আন কাণ্ড কেইটিৰ ভালেখিনি পিছৰ, তিনিওটি পাঠতে এই কাণ্ড দুটিৰ আখ্যান ভাগ আৰু আনুষঙ্গিক পাৰ্থক্যও স্বাভাৱিকতে বাকী কাণ্ড কেইটিৰ তুলনাত অনেক কম।

এতিয়া আমাৰ বিচাৰ্য বিষয় হ'ল, অপ্ৰমাদী কবি মাধৱ কন্দলিৰ ৰামায়ণৰ মূল নিৰ্ণয়। উত্তৰ ভাৰতৰ আন কোনো প্ৰাদেশিক ভাষাত ৰামায়ণ ৰচনা নৌ হওঁতেই বৰাহী ৰজা মহামাণিক্যৰ অনুৰোধ আৰু পৃষ্ঠপোষকতাত ত্ৰয়োদশ শতিকাৰ শেষভাগত কবি কন্দলিয়ে বাল্মীকি ৰামায়ণৰ পৰা 'সংক্ষেপ,' অসমীয়া পদ কৰাৰ কথা তেওঁৰ ৰামায়ণৰ একাধিক ঠাইত ঘোষণা কৰিছে।—

"বাল্মীকি ৰচিলা শাস্ত্ৰ গদ্য-পদ্য ছন্দে।
তাহাক বিচাৰি আমি কৰিয়া প্ৰবন্ধে ॥
আপোনাৰ বুদ্ধি অৰ্থ যিমন্ত বুঝিলোঁ।
সংক্ষেপ কৰিয়া তাক পদ বিচাৰিলোঁ ॥"
(কিষ্কিন্ধ্যা কাণ্ড)

বাল্মীকিয়ে মহাঋষি, ৰামায়ণ প্ৰকাশিলা,
সংসাৰক স্ৰজিলা অমৃত।
মহামাণিক্যৰ বোলে পদবন্ধে নিবন্ধিলোঁ।
দুগ্ধক মথিলে যেন ঘৃত ॥
(সুন্দৰা কাণ্ড)

কিন্তু প্ৰশ্ন হ'ল—কোনো ঠাইতে তেওঁ বাল্মীকি ৰামায়ণৰ একাধিক পাঠ থকাৰ কথা অথবা কোন পাঠক ভিত্তি কৰি ৰামায়ণৰ ভাঙনি কৰিলে, তাৰ কোনো উল্লেখ কৰা নাই। গতিকে এনেস্থলত ৰামায়ণৰ বিভিন্ন পাঠৰে সৈতে কন্দলি ৰামায়ণৰ ভাঙনি মিলাই চাই এটা সমিধানত উপনীত হোৱাৰ বাহিৰে আমাৰ এই প্ৰশ্নৰ মীমাংসাৰ কোনো নিভুৰ্ল পন্থাও নাই।

ইতিমধ্যেই উল্লেখ কৰি অহা হৈছে যে ৰাম, লক্ষ্মণ সীতাৰে সৈতে বাল্মীকিৰ সাক্ষাত, অয়োমুখী ৰাক্ষসীৰ বৃত্তান্ত, লঙ্কাদেৱীৰে সৈতে হনুমানৰ যুদ্ধ; সুগ্ৰীৱ-ৰাৱণৰ দ্বন্দ্ব আৰু অঙ্গদ-বজ্ৰ-দ্ৰংষ্টৰ যুদ্ধ, বালিৰ বধৰ পিছত সুগ্ৰীৱৰ অনুশোচনা, ত্ৰিষ্টুভত শৰৎ বৰ্ণন, প্ৰস্ৰৱণ গিৰিৰ বৰ্ণনা আদি দাক্ষিণাত্য পাঠৰ নিজস্ব কাহিনী। কন্দলি ৰামায়ণৰ পদ বিচাৰি চাই দেখা যায় যে ওপৰোক্ত কাহিনীসমূহৰ এটিও তেওঁৰ ৰামায়ণত পাবলৈ নাই। দাক্ষিণাত্য পাঠৰ পৰাই কন্দলিয়ে তেওঁৰ ৰামায়ণ অনুবাদ কৰাহেঁতেন, উক্ত বৃত্তান্ত সমূহৰ অন্ততঃ দুই এটিৰ বিৱৰণ নিশ্চয় তেওঁৰ ৰামায়ণত থাকিলেহেঁতেন। সেইদৰে সমুদ্ৰৰ পৰা ৰাম-লক্ষ্মণৰ ৰক্ষা-কৱচ আৰু অস্ত্ৰ লাভ, নাগপাশত আবদ্ধ থকা ৰামচন্দ্ৰৰ ওচৰলৈ নাৰদৰ আগমন, মন্দোদৰীৰ কেশত ধৰি ৰাৱণৰ যজ্ঞস্থলীত অঙ্গদৰ উপস্থিতি, বিভীষণ-নিকষা সংবাদ, বিভীষণৰ দূৰদৰ্শিতাৰ বাবে ৰণভূমিত সাক্ষাত প্ৰসঙ্গত বিভীষণলৈ কুম্ভকৰ্ণৰ প্ৰশংসা-বচন, আদি পশ্চিমোত্তৰীয় ৰামায়ণৰ স্বকীয় কাহিনীসমূহৰো এটিও কন্দলি ৰামায়ণত দেখিবলৈ পোৱা নাযায়। গতিকে কন্দলি ৰামায়ণৰ মূল যে দাক্ষিণাত্য অথবা পশ্চিমোত্তৰীয় পাঠ নাছিল, এইবোৰে তাৰ স্পষ্ট প্ৰমাণ দাঙি ধৰে।

আনহাতে গৌড়ীয় পাঠৰ নিজস্ব আৰু উল্লেখযোগ্য কাহিনী তিনিটা হ'ল : বিভীষণ-কুবেৰ সংবাদ, সীতা-হৰণৰ পূৰ্ব্বে জটায়ুৰ সৈতে ৰামৰ পৰিচয় আৰু ইন্দ্ৰজিতৰ শৰত সম্মোহিত ৰামল-ক্ষণৰ প্ৰাণ ঘূৰাই আনিবলৈ ঔষধৰ কাৰণে হিমালয়লৈ যাত্ৰা কৰোঁতে বাটত ভৰত-হনুমানৰ সাক্ষাত। আন কোনো পাঠত নথকা গৌড়ীয় ৰামায়ণৰ এই তিনিটি বিবৰণৰ প্ৰথম দুয়োটিৰ বৰ্ণনাই কন্দলি ৰামায়ণত প্ৰায় হুবহুভাবে একে দেখা যায়। উদাহৰণ স্বৰূপে, আমি আগতেই উল্লেখ কৰিছোঁ যে,—গৌড়ীয় পাঠমতে, ৰাজসভাত অপমানিত হৈ বিভীষণ পোনতে মাক নিকষাৰ ওচৰলৈ যায় আৰু তাৰ পৰা হিত পৰামৰ্শৰ কাৰণে নিজ ভাতৃ কুবেৰক লগ ধৰিবলৈ কৈলাসলৈ যাত্ৰা কৰে। কৈলাসত শিৱ-কুবেৰক লগ ধৰি তেওঁলোকৰ পৰামৰ্শমতেহে উভতি আহি পিছত ৰামচন্দ্ৰত শৰণ লয়। কন্দলি ৰামায়ণৰ বৰ্ণনাও ইয়াৰ ঠিক অনুৰূপ :

> "প্ৰণাম কৰিলা গৈয়া মাৱৰ চৰণ ॥
> যত অবিবেক কৰ্ম কৰিলা ৰাৱণে।
> নৈকষীত সমস্তে কহিলা বিভীষণে ॥
> .... ... ... ... ... ... ...
> অনেক প্ৰকাৰে পাইল মাৱত মেলানি।
> অন্তৰীক্ষে গৈলা পৱনৰ বেগ টানি ॥
> কৈলাস গিৰিক লাগি ধৰিলেক পথ।
> সুধিবেক হিতবিমৰিসি কুবেৰত ॥
> মহাদেৱে কুবেৰে আছন্ত পাশা খেলি।
> অনন্তৰে ধনেশ্বৰে চাইলা চক্ষু মেলি ॥
> ... .... ... ... ...
> অনাদি পুৰুষ তেহো জগত কাৰণ।
> সুৰ নৰ মুনিজন সবে নিস্তাৰণ ॥
> নিজৰূপে সত্ত্বগুণ জানিয় যাহাৰ।
> হেনৰামে প্ৰতিকাৰ সাধিবে তোমাৰ ॥"
>
> ( সুন্দৰা কাণ্ড )

সেইদৰে গৌড়ীয় পাঠৰ ৰাম-জটায়ুৰ সাক্ষাৎ কাহিনীটোও কন্দলি তেওঁৰ ৰামায়ণত অবিকৃত ভাৱে দাঙি ধৰিছে।—

> "ৰঙ্গে তিমি হন্তে পঞ্চবটীক চলন্ত।
> পথত জটায়ু গৃধ্ৰৰাজে দেখিলন্ত ॥
> ৰামক বোলন্ত দশৰথৰ তনয়।
> বাপাহাৰ মিত্ৰ মই চয়ো পৰিচয় ॥
> পিতৃহেন জানি ৰাম মহা তুষ্ট মনে।
> তাঙ্ক বহুমান কৰিলন্ত তেতিক্ষণে ॥"
>
> ( অৰণ্য কাণ্ড )

তদুপৰি দাক্ষিণাত্য পাঠত নথকা অথচ গৌড়ীয় আৰু পশ্চিমোত্তৰীয় উভয় পাঠত বৰ্ণিত কেশৰীৰ দিক্‌গজ ধবল বধ আৰু ফলস্বৰূপে হনুমানক পুত্ৰৰূপে লাভ, সম্পাতিৰ পুত্ৰ সুপাৰ্শ্বক আহ্বান, ৰাৱণক বুজাবলৈ বিভীষণলৈ নিকষাৰ অনুৰোধ, হনুমান-কালনেমীৰ বৃত্তান্ত আদি আখ্যান সমূহ কন্দলি ৰামায়ণত হুবহুভাৱে দেখিবলৈ পোৱা যায়। হনুমানৰ লঙ্কা দাহনৰ পিছত কন্দলি ৰামায়ণৰ সীতা-সৰমা সংবাদ, উদীচ্য পাঠৰ 'সৰমা সৰ্গ'ৰ অবিকৃত ভাঙনি।—

> "লঙ্কাৰ দগধ দেখি সৰমা ৰাক্ষসী।
> সীতাৰ পাশক গৈয়া কৌতুহলে বসি ॥
> হাস্য কৰি বোলে সীতা শুন প্ৰাণসখী।
> তোহোৰ সম্পদ কাল আমি আছোঁ লখি ॥
> তোমাৰ বানৰে লঙ্কেশ্বৰে বন্দী পাইল।
> লাঙ্গুলত অগনি দিয়া নগৰী পুৰাইল ॥
> পৰ্বত সমান হুয়া মায়াৱী বানৰ।
> ডেৱ দিয়া চড়িল ৰাজাৰ দোলিঘৰ ॥
> ধৱলিঘৰত পৰি লাঙ্গুলৰ জুই।
> সবে লঙ্কা পুৰি যাই ভস্মীভূত হুই ॥
> চালে চালে ডেৱ পাৰি ফুৰিলা লঙ্কাৰ।



> সবে লঙ্কা পৰয় অগনি একাকাৰ ॥
> ঊনপঞ্চাশত বায়ু লঙ্কাত বহিল।
> নিশেষ কৰিয়া সবে নগৰী দহিল ॥"
>
> ( সুন্দৰা কাণ্ড )

ওপৰৰ আলোচনাৰ পৰা এইটো সহজেই প্ৰতীয়মান হয় যে বাল্মীকিকৃত ৰামায়ণৰ বৰ্তমান প্ৰচলিত গৌড়ীয় পাঠেই হৈছে মাধৱ কন্দলি ৰামায়ণৰ মূল। কন্দলি অনুবাদৰ নিজস্ব ৰীতি—'লঙ্ঘা পৰিহৰি সাৰোদ্ধৃত'ৰ কাৰণে হয়তো ঠায়ে ঠায়ে মূলৰ দুই এটি আখ্যানৰ উল্লেখ মাত্ৰহে তেওঁৰ ৰামায়ণত দেখা যায়; আৰু কেতিয়াবা দুই এটি একেবাৰে বাদ দিয়াৰ প্ৰমাণো নথকা নহয়। কিন্তু মন কৰিব লগীয়া যে কাহিনীৰ ৰূপদান ক্ষেত্ৰত কন্দলি কোনো ঠাইতে মূলৰ পৰা সম্পূৰ্ণ আঁতৰি যোৱা নাই। বাল্মীকি ৰামায়ণৰ গধুৰ দাৰ্শনিক তত্ত্ব সমূহৰ পাৰ্যমানে পৰিহাৰ আৰু তাৰ ঠাইত সৰ্ব-সাধাৰণৰ বোধগম্য কথাৰ সমাৱেশ কন্দলি ৰামায়ণৰ উল্লেখযোগ্য বিশেষত্ব। *


* সহায়ক গ্ৰন্থ-পঞ্জী :

অসমীয়া সাতকাণ্ড ৰামায়ণ : শ্ৰীপ্ৰসন্নলাল চৌধুৰীৰ দ্বাৰা সম্পাদিত
ৰাম কথা : ডঃ কামিল বুল্কে
হিন্দী সাহিত্য কোষ : জ্ঞানমণ্ডল লিমিটেড
স্নাতকোত্তৰ মহলাৰ আলোচনী : গুৱাহাটী বিশ্ববিদ্যালয়
বাল্মীকীয়ং ৰামায়ণম্ : গৌড়ীয় পাঠ
বাল্মীকীয় ৰামায়ণম্ : পশ্চিমোত্তৰীয় পাঠ
শ্ৰীমদ্বাল্মীকি ৰামায়ণম্ : দাক্ষিণাত্য পাঠ


---

"সাহিত্য বস্তুটো জীৱনৰ প্ৰতিবিম্ব। যি জীৱনৰ যেনে ৰূপ, তাৰ লিখাত তেনে প্ৰতিবিম্বই পৰে। জীৱনত আত্মজ্ঞান, আত্ম বিশ্বাস, আত্মশ্ৰদ্ধা, আত্মমৰ্যাদাৰ অনুভূতিটো যিমানেই স্পষ্ট, প্ৰখৰ আৰু সতেজ হৈ বৰ্তিব, সেই জীৱনৰ বিৰাট উজ্জ্বল প্ৰতিবিম্ব বুকুত লৈ তিমানেই মহান সাহিত্যৰ সৃষ্টি হ'ব। সেই সাহিত্যইহে মনোজগতত একচ্ছত্ৰী অধিকাৰ থাপি, মানৱৰ সকলো দুৰ্বলতা, অপূৰ্ণতা, কলুষ, ক্লেদ, গ্লানি, নীচতা, ভীৰুতা, ক্লেশ, দৈন্য ধ্বংস কৰি তাক নিখুঁত মানৱীয় ৰূপত প্ৰকৃতিস্থ কৰি তুলিব। সেয়ে বিশ্ব-মানবীয় সাহিত্য।"

—অম্বিকাগিৰী ৰায়চৌধুৰী।

---

# সাহিত্য-সংবাদ

(এই শিতানত বিশ্বৰ বিভিন্ন সাহিত্যিকৰ জীৱনৰ আভাস অথবা বিশ্বৰ কোনো উল্লেখযোগ্য গ্ৰন্থৰ চমু পৰিচয় দিয়া হ'ব। তদুপৰি সাহিত্য সম্পৰ্কীয় বিশেষ বা-বাতৰিও প্ৰকাশ কৰা হ'ব। —পত্ৰিকা সম্পাদক)

## পাৰ্ল এচ বাক

॥ ১৮৯২-১৯৭৩ ॥

অধ্যাপক শ্ৰীনাৰায়ণ শৰ্মা

জীৱনপ্ৰেমী প্ৰতিভা এটিৰ জীৱনাৱসান ঘটিল; এটি শক্তিশালী আৰু সংবেদনশীল লেখনী স্তব্ধ হ'ল। পাৰ্ল এচ বাক—বিশ্বৰ সাহিত্যৰসিক সমাজৰ মুখে মুখে বাগৰি ফুৰা নামটিৰ অধিকাৰিণী, সৰ্বজন সন্মানিতা মহিলা গৰাকী অশৰীৰী হ'ল; এৰি গ'ল, সহজ সৰল অথচ অপূৰ্ব ৰসোত্তীৰ্ণ ৰচনা-ৰীতিৰ অমৰ সাহিত্যৰাজিৰ মহিমামণ্ডিত ঐতিহ্য। প্ৰাণ-চঞ্চল, ধনাঢ্য মাৰ্কিন সমাজত জন্মলাভ কৰিলেও তেওঁৰ স্বাভাৱিক ৰতি আছিল সহজ সৰল আৰু সাধাৰণ জীৱনতহে। এই লেখিকাৰ জীৱন আৰু চৰিত্ৰৰ ভেটিত "দি গুড আৰ্থ" কে ধৰি বিশিষ্ট ঔপন্যাস সৃষ্টি কৰিছিল। জটিল ঘটনাবিন্যাস, তাতোকৈ জটিল মনোবৈজ্ঞানিকৰ অন্তৰ্ৰ্কহিয়নিপূৰ্ণ দৃষ্টিৰে কৰা চৰিত্ৰ বিশ্লেষণ, গধুৰ দাৰ্শনিক তত্ত্ব বা তথ্য, নাইবা কোনো বিশেষ মতবাদ প্ৰতিষ্ঠাৰ প্ৰচেষ্টা তেওঁৰ উপন্যাসত নাই। অতি সাধাৰণ ঘটনা, সহজ সৰল জীৱন, তাতোকৈ সহজ আৰু সাৱলীল প্ৰকাশ ভঙ্গীৰে বিশ্বজনীন আবেদনক্ষম সাহিত্য সৃষ্টি—এয়ে পাৰ্ল বাকৰ সাহিত্যৰ বৈশিষ্ট্য।

তেওঁৰ যশস্যা, সন্মান আৰু প্ৰতিভাৰ স্বীকৃতি আহিছিল অতি স্বাভাৱিক ভাৱে। ১৯৩২ চনত "দি গুড আৰ্থৰ" বাবে তেওঁক পুলিৎজাৰ পুৰস্কাৰ দিয়া হ'ল। লগে লগে পৃথিৱীৰ প্ৰায় ডেৰকুৰি ভাষালৈ অনূদিত হল তেওঁৰ এই উপন্যাস। "দি ফাইটিং এঞ্জেল" (The Fighting Angel)। "দি এক্জাইল" (The Exile) পুথি দুখনত ক্ৰমে দেউতাক আৰু মাকৰ জীৱন-বৃত্তান্ত আলোচনা কৰি সাহিত্যৰ জীৱন-চৰিত বিভাগলৈকো তেওঁ লেখৰ বৰঙনি যোগালে। ১৯৩৮ চনত "চীন দেশীয় কৃষক জীৱনৰ বৰ্ণাঢ্য আৰু নিভাঁজ, মহাকাব্যোচিত ৰূপায়ণ আৰু উৎকৃষ্ট জীৱন-চৰিত"ৰ বাবে ("for rich and genuine epic portrayal of chinese peasant life and for masterpieces of biography") তেওঁক সাহিত্যৰ নবেল বঁটা দিয়া হয়।

জীৱনৰ কোনো আহকাল বা সমস্যাই তেওঁৰ লেখনী বন্ধ কৰিব পৰা নাছিল: কৰ্মই তেওঁৰ ধৰ্ম আছিল। মৃত্যুৰ সময়ত ৮০ বছৰ বয়সতো তেওঁ চাৰিখন উপন্যাস ৰচনাত লাগি থকা কথাই ইয়াৰ প্ৰকৃষ্ট উদাহৰণ। বছৰেকত অন্ততঃ ২।৩ খন তেওঁৰ ৰচিত পুথি প্ৰকাশ হৈছিল। ২৯ খন উপন্যাস, ৩ খন চুটি গল্পৰ সংকলন,



পিতৃ-মাতৃৰ জীৱন-চৰিত, এখন আত্মজীৱনী, আৰু বহুতো সৰু সৰু পুথিৰে তেওঁৰ বিৰাট সাহিত্য সৌধ সৃষ্টি। তেওঁৰ "The Children Next Door" পুথিখন পণ্ডিত জৱাহৰলাল নেহৰুৰ ইমান প্ৰিয় আছিল যে তেওঁ হেনো গান্ধীজী নবিয়া পাটীত থকা সময়ত সেই পুথিখন পাঠ কৰি গান্ধীজীক শুনাই আনন্দ লভিছিল।

পাৰ্ল বাকৰ জীৱন কৰ্ম আৰু ঘটনা বহুল। তেওঁ নানকিং বিশ্ববিদ্যালয়ত অধ্যাপনা কৰা সময়ৰ পৰাই সাহিত্য চৰ্চাত লাগে। স্বামী জন এল্ বাকৰ মতে বিবাহ-বিচ্ছেদ ঘটাৰ পিছত নিউইয়ৰ্কৰ প্ৰখ্যাত প্ৰকাশক ৰিচাৰ্ড জে, ওৱালছৰ সতে পুনৰ বিবাহ পাশত আবদ্ধ হৈ নিউইয়ৰ্কত বাস কৰিবলৈ লয়। পুনৰ্বিবাহৰ পিছতো তেওঁ পূৰ্বৰ উপাধি সলনি নকৰি সেই নামতেই লিখিবলৈ লয়। এই সময়তে তেওঁলোকে ৫টি শিশুক তুলি ডাঙৰ-দীঘল কৰে। দ্বিতীয় স্বামীৰ মৃত্যুৰ পিছত তেওঁ বিভিন্ন জাতিৰ আৰু ৪টা শিশুক তুলি লয়। তেওঁৰ বহু প্ৰকাশিত সাহিত্য ৰাজিৰ পৰা যি বিপুল অৰ্থ লাভ হৈছিল তাৰে তেওঁ "Pearl S. Buck Foundation" নামৰ শিশু সাহায্য পুঁজি খোলে। এই অনুষ্ঠানৰ যোগে এচিয়া মহাদেশৰ বিভিন্ন জাতিৰ প্ৰায় দুহেজাৰ অভাৱগ্ৰস্ত, নিৰাপত্তাহীন বৰ্ণ-সংকৰ শিশুক সাহায্য দিয়া হৈছিল বুলি শুনা যায়।

ভাৰত-প্ৰীতি আৰু ভাৰতীয় জীৱনৰ সতে হৃদ্যতা—পাৰ্ল বাকৰ চৰিত্ৰৰ মন কৰিব লগীয়া বৈশিষ্ট্য। তেওঁ একাধিকবাৰ এই দেশ পৰিভ্ৰমণ কৰিছিল। ১৯৩৪ চনত কলিকতাৰ বুদ্ধিজীৱী যুৱক সমাজৰ সান্নিধ্যলৈ আহি, গাৱেঁ-ভুঞে ঘূৰি-পকি স্থানীয় ৰীতি-নীতি, আচাৰ-বিচাৰ সম্পৰ্কে যি অভিজ্ঞতা অৰ্জন কৰিছিল তাৰে ফলত সৃষ্টি হয় "Come, My Beloved" পুথি। R. K. Narayan ৰ "The Guide" নামৰ উপন্যাসৰ ভেটিত নিৰ্মিত একে নামৰ চিনেমাৰ চিত্ৰনাট্য ৰচনা কৰিছিল পাৰ্ল বাকে। স্বৰাজোত্তৰ কালত ভাৰতীয় মানুহে কৰ্মৰ ক্ষেত্ৰত দেখুওৱা নতুন উদ্যম আৰু প্ৰেৰণাই তেওঁক আকৰ্ষণ কৰিছিল বুলি তেওঁ বহুবাৰ মুকলি ভাৱেই কৈছিল। ইণ্ডো-মাৰ্কিণ সম্প্ৰীতি আৰু সদ্ভাৱ বৃদ্ধি আৰু উৎকৰ্ষণৰ ক্ষেত্ৰত তেওঁ যথেষ্ট উৎসাহী আছিল। তেওঁৰ ভাৰত-হিতৈষণা তথা প্ৰাচ্য মহাদেশখনৰ প্ৰতি থকা আন্তৰিকতাপূৰ্ণ দৃষ্টি ভঙ্গীলৈ লক্ষ্য কৰিয়েই বোধ হয় আমেৰিকাৰ প্ৰেচিডেণ্ট মিঃ নিক্সনে কৈছিল "In life Pearl Buck was a human bridge between the civilization of the East and the West…"—"জীৱনকালত পাৰ্ল বাক্ প্ৰাচ্য আৰু পাশ্চাত্য সভ্যতাৰ শৰীৰী-সেতু আছিল।"

তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক! এই স্বাৰ্থ-বিধ্বস্ত পৃথিৱীত তেওঁৰ উদ্যম, কৰ্ম প্ৰেৰণা, আদৰ্শ আৰু মানৱতাবোধ সমাজ বান্ধোনৰ আৰু পাৰস্পৰিক বুজা পৰাৰ বুনিয়াদ হওক।

## ডঃ বিশ্বনাথ সত্যনাৰায়ণ

অধ্যাপক শ্ৰীকমলেশ্বৰ শৰ্মা

তেলুগু ভাষাৰ কবি বিশ্বনাথ সত্যনাৰায়ণে ১৯৭০ চনত ভাৰতীয় জ্ঞানপীঠ বঁটা লাভ কৰে। ভাৰতীয় সাহিত্যিকৰ কাৰণে আমাৰ দেশত এয়ে সৰ্বোচ্চ সন্মান। বিশ্বনাথ সত্যনাৰায়ণ এই সন্মান লাভ কৰোঁতা প্ৰথম তেলুগু কবি।

বিজয়াড়াৰপৰা কুৰি মাইল দূৰৰ নান্দাম্‌ গাৱঁত ১৮৯৪ চনত এওঁৰ জন্ম হয়। সৰু কালতেই তেওঁৰ অন্তৰ দেশপ্ৰেমত উদ্বুদ্ধ হৈছিল। তেওঁ ওৰে জীৱন অধ্যাপনা কামত আত্মনিয়োগ কৰে। প্ৰথমতে "অন্ধ্ৰ জাতীয় কলাশালত" আৰু তাৰ পাছত বিজয়াড়াৰ কলেজ এখনত ক্ৰমে ২০ আৰু ২১ বছৰ কাল অধ্যাপক হিচাপে কাম কৰি কৰ্মক্ষেত্ৰৰ পৰা তেওঁ অৱসৰ গ্ৰহণ কৰে; কিন্তু কৰ্মময় জগতত কৰ্মীমানুহৰ অৱসৰ কত? শিক্ষকতাৰ পৰা অৱসৰ লোৱাৰ লগে লগে তেওঁ প্ৰাদেশিক লেজিচ-লেটিভ কাউন্সিলৰ সদস্য হিচাপে নিৰ্বাচিত হয়। তাৰ লগে লগে তেওঁক কৰিম নগৰৰ কলেজ এখনৰ অধ্যক্ষৰ পদো দিয়া হয়। শিক্ষাব্ৰতী সত্যনাৰায়ণে ৰাজনীতিৰ

কাম এৰি দি অধ্যক্ষৰ পদ গ্ৰহণ কৰে। ডঃ সত্যনাৰায়ণৰ কৰ্মজীৱনৰ লগত ভাৱজীৱনৰ সম্বন্ধ অতি নিবিড়। বয়সত চাৰিকুৰি বছৰৰ দেওনা পাৰ নৌ হওঁতেই তেওঁৰ ৰচিত কিতাপৰ সংখ্যা চাৰিকুৰিৰ সীমা চেৰাই গৈছে। ইয়াৰ ভিতৰত আছে তিনিকুৰি উপন্যাস, বাৰখন কাব্য, পাঁচখন সমালোচনা গ্ৰন্থ আৰু কেবাখনো নাটক। ইয়াৰ ভিতৰত "শ্ৰীমৎৰামায়ণ কল্পবৃক্ষ" নামৰ প্ৰসিদ্ধ কাব্যখনৰ কাৰণে তেওঁক জ্ঞানপীঠ বঁটাৰে সন্মানিত কৰা হৈছে। এই সন্মান দিওঁতে তেওঁৰ বিষয়ে এইদৰে কোৱা হৈছিল—"৭৬ বছৰ বয়সতো তেওঁৰ জীৱনৰ এনে দুটা মাহ পাৰ হৈ যোৱা নাই যি সময়ত তেওঁ এখন উপন্যাস বা এখন কাব্য লিখি উলিওৱা নাই।" এই বিপুল কৰ্মশক্তি আৰু গভীৰ মননশীলতাৰ কাৰণেই ডঃ বিশ্বনাথ সত্যনাৰায়ণ অকল তেলুগু সাহিত্যৰেই নহয় ভাৰতীয় সাহিত্যৰো এজন উচ্চমানবিশিষ্ট কবি আৰু সাহিত্যিক। পৰম্পৰা প্ৰীতি আৰু আধুনিকতাৰ সমন্বয় সাধনেই তেওঁৰ ৰচনাৰ প্ৰধান বৈশিষ্ট্য।

### ৰাষ্ট্ৰীয় বঁটা

এই বছৰৰ ভাৰত চৰ্কাৰৰ সমূহীয়া উন্নয়ন আৰু সমবায় দপ্তৰে আয়োজন কৰা প্ৰথম সৰ্বভাৰতীয় ৰচনা-প্ৰতিযোগিতাত সুপৰিচিত উপন্যাস লিখক শ্ৰীকুমাৰ কিশোৰে তেওঁ ৰচনা কৰা 'পোণজুলিৰ হাঁহি' নামৰ পুথিখনৰ বাবে প্ৰথম বঁটা লাভ কৰিছে। এই বঁটাৰ মূল্য নগদ এহেজাৰ টকা, তদুপৰি গ্ৰন্থৰ স্বত্বদানৰ বাবে আৰু এহেজাৰ টকা লিখকক দিয়া হ'ব।

গুৱাহাটী কামৰূপ একাডেমিৰ শিক্ষক শ্ৰীনন্দ শইকীয়াযো শিশুসকলৰ বাবে তেওঁ লিখা 'দেশ-বিদেশৰ অকণি' নামৰ পুথিখনিৰ বাবে এই বছৰ ভাৰত চৰ্কাৰৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছে। এই বঁটাৰো মূল্য এহেজাৰ টকা।

আমি দুয়োজন লিখকৰে উজ্জলতৰ ভৱিষ্যত কামনা কৰিলোঁ।

### ৰঘুনাথ চৌধাৰী বঁটা

এই বছৰ অসম সাহিত্য সভাই সভাৰ বিভিন্ন ন্যাস পুঁজিবোৰৰ কাৰ্য্যকৰী ৰূপ দিবলৈ ব্যৱস্থা হাতত লৈছে বুলি জনা গৈছে। উগ্ৰতাৰা ন্যাস পুঁজিৰ পৰা প্ৰতি দুবছৰৰ অন্তত সৰ্বশ্ৰেষ্ঠ অসমীয়া কবিতা-পুথিৰ বাবে 'ৰঘুনাথ চৌধাৰী বঁটা, দিবলৈ সিদ্ধান্ত লোৱা হৈছে। এই বছৰ ১৯৭১ আৰু ১৯৭২ চনৰ ভিতৰত প্ৰকাশিত কিতাপৰ বাবে এই বঁটা সভাৰ অহা মঙ্গলদৈ অধিবেশনত প্ৰদান কৰা হ'ব।

### বিষ্ণুৰাম মেধি ন্যাস পুঁজি

বিষ্ণুৰাম মেধি ন্যাস পুঁজিৰপৰা 'ভাৰত-ৰত্ন গ্ৰন্থমালা' নামৰ এলানি শিশু-সাহিত্যৰ পুথি উলিয়াবলৈ আঁচনি লোৱা হৈছে। এই গ্ৰন্থমালাত ভাৰত বৰেণ্য ব্যক্তিসকলৰ জীৱনী সামৰি লোৱা হ'ব। সম্প্ৰতি উলিয়াবলৈ হাতত লোৱা পুথি দুখনি হৈছে—(১) অকণিৰ দেশভক্ত তৰুণৰাম ফুকন আৰু (২) অকণিৰ চক্ৰৱৰ্ত্তী ৰাজগোপালাচাৰী।

# এৰা বোটলা যৎকিঞ্চিৎ

অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

### প্ৰকাশন পৰিষদলৈ ওলগ

আজিৰ বহুতে হয়তো নেজানে যে অসম প্ৰকাশন পৰিষদ অসম সাহিত্য সভাৰেই মানস-পুত্ৰ। আমি সম্পাদকৰ ৰাবত থকাৰ প্ৰথম বছৰতে এনে এখন প্ৰকাশন পৰিষদ চৰকাৰী প্ৰচেষ্টাত কৰিবলৈ অসম ৰাজ্যিক চৰকাৰৰ ওচৰত প্ৰস্তাৱ দি লগতে বিস্তৃত আঁচনিও দাখিল কৰা হৈছিল। সভাপতি ডঃ সূৰ্যকুমাৰ ভূঞা ডাঙৰীয়া প্ৰস্তাৱৰ গুৰিত থকা বাবে আৰু তেতিয়াৰ অসমৰ আটাইকেইখন কাকতে জোৰেৰে সমৰ্থন জনোৱাত অসম সাহিত্য সভাৰ সেই প্ৰস্তাৱ ৰাজ্যচৰকাৰৰ কটাকাকতৰ পাচিলৈ যাব নোৱাৰিলে আৰু অলপ দিন বস্তা কিটাৰ মেৰপাকত থাকিলেও মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহা দেৱে তাৰ কাৰ্যকৰী ৰূপ দি আধা চৰকাৰী অসম প্ৰকাশন পৰিষদ গঠন কৰি এটা সজ কামেৰে অসমীয়া ভাষা-সাহিত্যৰ যাউতি যুগীয়া উপকাৰৰ বাট মোকোলাই থৈ গ'ল। এতিয়া সেই প্ৰকাশন পৰিষদেই দোপত দোপে উন্নতি লাভ কৰা দেখি আমি আনন্দিত হৈছোঁ, অসম সাহিত্য সভাৰো পৰম সন্তোষ। সম্প্ৰতি সচিব শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়াৰ কৰ্ম তৎপৰতা আৰু ৰাজ্যিক শিক্ষামন্ত্ৰী দপ্তৰৰ পৃষ্ঠপোষকতাত এই পৰিষদে একাধিক মহৎ কৰ্ম সম্পাদন কৰিব পাৰিছে। তাৰ ভিতৰত পণ্ডিত আনন্দৰাম বৰুৱাদেৱৰ অমূল্য গ্ৰন্থৰাজিৰ পুনৰ্মুদ্ৰন, অসমীয়া বিশ্বকোষ প্ৰণয়নৰ প্ৰচেষ্টা, গোহাঞি-বৰুৱা গ্ৰন্থাৱলী প্ৰকাশ আৰু বিভিন্ন ৰাছকৰনীয়া গ্ৰন্থৰ অনুবাদ আদি কামৰ দ্বাৰা প্ৰকাশন পৰিষদ আমাৰ বিশেষ শলাগৰ ভাগী হৈছে।

যোৱা মাৰ্চ মাহত এই পৰিষদে ভাৰত নেছনেল ট্ৰাষ্ট নামৰ প্ৰতিষ্ঠানৰ লগত যুটীয়াভাৱে গুৱাহাটী আৰু ডিবুৰুত দুখন গ্ৰন্থমেলাৰ আয়োজন কৰি এটা আদৰ্শনীয় কাম কৰা বুলি আমি নকৈ নোৱাৰোঁ। এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে সাহিত্য একাডেমী, নেছনেল বুক ট্ৰাষ্ট, সঙ্গীত নাটক একাডেমী, ললিতকলা একাডেমী আদি ভাৰত চৰকাৰৰ পৃষ্ঠপোষকতাত গা-কৰি উঠা কেইবাটাও জাতীয় অনুষ্ঠান আছে সঁচা, কিন্তু সেইবোৰৰ লগত অসমীয়া জনসমাজৰ সম্পৰ্ক লোলোকচোলোক। অসমীয়া সাহিত্যিকে কোনো বছৰ সাহিত্য একাডেমীৰ বঁটা পায়, কোনো বছৰ নেপায়। অসমত একাডেমীৰ উপদেষ্টা সমিতি এখন আছে যদিও সাধাৰণ অসমীয়া ৰাইজে আৰু সাহিত্যিকে তাৰ কাৰ্যকলাপৰ বৰ বেছি ভু নেপায়। আচৰিত কথা এই সমিতিৰ বছৰেকীয়া অধিবেশনো অসমৰ লোকচকুৰ আঁৰত কলিকতাতহে অনুষ্ঠিত হৈছিল। নেছনেল ট্ৰাষ্ট নামৰ অনুষ্ঠানটো আমাৰ মনত আৰু বেছি বিজতৰীয়া। ইয়াৰ কাৰ্য-নিৰ্বাহক সমিতিত আজি পৰ্যন্ত অসমৰ কোনো সদস্য নথকাটো তাৎপৰ্যপূৰ্ণ কথা। আনন্দৰ বিষয় এইবাৰ ট্ৰাষ্টে নিজাকৈ অকলে নোৱাৰিলেও

প্ৰকাশন পৰিষদৰ গাত আউজি অসমত গ্ৰন্থ-মেলা আৰু অনুবাদ-শিবিৰ পাতি অসমীয়া শিক্ষিত আৰু সাহিত্যানুৰোগী লোকসকলৰ লগত সৌহাৰ্দ্দ স্থাপন কৰিল। লগতে অসমীয়া ভাষাৰ গ্ৰন্থ আৰু আন আন ভাৰতীয় ভাষাৰ গ্ৰন্থৰ অনুবাদৰ বিস্তৃত কাৰ্যসূচী লোৱা বুলিও শুনাই গৈছে। এই কাৰ্যসূচী সোনকালে বাস্তৱত ৰূপায়িত হলে নিশ্চয় বৰ ভাল কথা হব। ফাল চাচোঁতে যাতে মাহৰ বতৰ নেযায় তাকেই আমি কামনা কৰোঁ।।

গ্ৰন্থমেলাৰ ভিতৰ-চ'ৰাত এচুকীয়াকৈ সজাই থোৱা অসম ৰাজ্যিক গ্ৰন্থালয়ত থকা থনচেৰেক দুষ্প্ৰাপ্য ইংৰাজী গ্ৰন্থই দৰ্শকসকলৰ বিশেষ ভাবে মনোযোগ আকৰ্ষণ কৰিছিল। আজিৰপৰা প্ৰায় এক শতাব্দী আগতে ইংৰাজ লিখকে ৰচনা কৰা এই পুথিবোৰ সঁচাকৈয়ে আমাৰ এক অমূল্য সম্পদ। এই পুথিবোৰক অসম দেশ, অসমীয়া জাতি আৰু অসমৰ দাঁতি-কাষৰে থকা জনজাতি সম্পৰ্কে বহু জানিব লগীয়া বিৱৰণ আৰু তথ্যপাতি থুপখাই থকা যেন আমাৰ অনুমান হৈছিল। এই গ্ৰন্থমালাৰ ভিতৰত শ্ৰীবেণুধৰ শৰ্মাই নকৈ ছপোৱা ডঃ গেডৰ ইংৰাজী অসম বুৰঞ্জীখনৰ প্ৰথম সংস্কৰণ দেখা পোৱা গৈছিল। এই দুষ্প্ৰাপ্য পুথিবোৰ দেখি আমাৰ মনত এনে ধাৰণা জন্মিছিল যে প্ৰতিখন পুথিৰে বিষয়বস্তু সামৰি লৈ একোটা তথ্য বহুল আলচ লিখিব পাৰি। অৱশ্যে তাকে কৰে কোনে? দুৰ্ভাগ্যৰ কথা এইটোৱে যে ইমান দিনে এই আপুৰুগীয়া কিতাপবোৰ কোনো পণ্ডিতৰ হাত লাগিবৰ সুবিধা নোপোৱাকৈ ছিলঙৰ টিংখোপত থকা চৰকাৰী পুথি ভঁৰালত এলাগী হৈ পৰি আছিল। দৰাচলতে এইবোৰ ৰাখিব লাগিছিল গুৱাহাটীৰ অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত নাইবা গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুথি ভঁৰালতহে। সেয়ে হোৱা হলে ইয়াৰ ওপৰত অনুসন্ধিৎসু সকলৰ দ্বাৰা আলোচনা-বিলোচনা কৰিবলৈ সুচল মিলিলহেঁতেন। সন্তোষৰ কথা এইটোৱে যে সহজে হাকুটি জোৰাই পোৱা নহলেও ছিলঙৰ এই গ্ৰন্থৰাজিয়ে ইমানদিনে অক্ষত দেহে জীৱন ধাৰণ কৰি আছিল। তৈয়ামত যেন সেইবোৰৰ কোনো এখনৰে বিলুপ্তি ঘটাই জাতীয় সৰ্বনাশ সাধন কৰা নহয়। এইবোৰৰ ওপৰত পণ্ডিতসকলে আলোকপাত কৰাটোও বাঞ্ছনীয়।

গ্ৰন্থমেলাৰ লগতে ডঃ শ্ৰীমহেশ্বৰ নেওগ-দেৱৰ পৰিচালনাত অনুষ্ঠিত হোৱা 'অনুবাদ শিবিৰে'ও আমাৰ মনত আশাৰ বেঙুনি দেখুৱালে। এনে শিবিৰৰ আৱশ্যকতা আমি কেতিয়াও দুই নকৰোঁ। শিক্ষাৰ্থীসকলে অনুবাদৰ পদ্ধতি, কিটিপ-কাটাপবোৰ জনাটো নিঃসন্দেহে প্ৰয়োজনীয় কথা; কিন্তু যাইশাক মৰলীয়া অৰ্থাৎ অনুবাদ কৰোঁতাই যদি অধ্যয়ন, অনুশীলন, অভ্যাসৰ উপৰিও যি দুটা ভাষাত অনুবাদ কৰিবলৈ কাপ হাতত তুলি লয়, তাৰে এটা সম্পূৰ্ণকৈ আৰু আনটো কাম চলাব পৰাকৈ দখলাধীন কৰিব নোৱাৰে তেন্তে সকলো গালো বালো খোলাকটিৰ ভাল হ'ব।

• • •

আৰু এটা ভাল বতৰা বাতৰি কাকতৰপৰা জনা গৈছে। যোৱা ১৯৭২ চনৰ ১ এপ্ৰিলৰপৰা ১৯৭৩ চনৰ ১ মাৰ্চলৈকে অসম প্ৰকাশন পৰিষদৰ এক লাখৰো বেছি টকাৰ কিতাপ বিক্ৰী হৈছে। ইয়াৰে ৮২,৭৬০ টকা নগদ বিক্ৰী হিচাপে পৰিষদে পাইছে আৰু বাকী প্ৰায় কুৰি হেজাৰ টকাৰ বিল দিয়া হৈছে। কলেজ, বিশ্ববিদ্যালয়, চৰ্কাৰী পুথি ভঁৰালৰপৰা এইখিনি টকা পাব লগীয়া হৈ আছে। নগদ বিক্ৰীৰ ভিতৰত সাহিত্য সভাৰ ৰঙিয়া অধিবেশনত ১০,৮৬৪ টকাৰ, গুৱাহাটীৰ গ্ৰন্থমেলাত ৪,২২০ টকাৰ আৰু ডিব্ৰুগড়ৰ গ্ৰন্থমেলাত ১৩,৮৭৪ টকাৰ কিতাপ বিক্ৰী হয়। এয়া অসম প্ৰকাশন পৰিষদৰ পক্ষে আন এটা কৃতিত্বৰ বিষয়।

সদৌ শেষত এনেবোৰ কৃতিত্ব আৰু ভাল কাম কৰাৰ বাবে আমি প্ৰকাশন পৰিষদলৈ ওলগ জনাই ইয়াকে আশা কৰিছোঁ যে গ্ৰন্থ প্ৰকাশৰ লগতে গ্ৰন্থমেলাৰ দৰে প্ৰচাৰ আৰু লোক-সংগ্ৰহৰ অভিযান আগলৈকে যেন অব্যাহতভাৱে চলাই থকা হয়।



## 'দীপক'ৰ আত্মহত্যা

আজিৰপৰা আঠেকুৰি বছৰৰো আগতে 'জোনাকী'ৰ আত্মকথাত 'প্ৰতিমা'ৰ থনিকৰ চন্দ্ৰকুমাৰে লিখিছিল বোলে অসমত আলোচনীৰ জীৱন কচুপাতৰ পানীৰ নিচিনা। অতি পৰিতাপৰ বিষয়, অত বছৰে সময়ৰ সোঁতত দেশৰ ভাগ্যত কিমান সালসলনি ঘটিল; কিন্তু আগৰবালাৰ সেই দুখলগা কথাষাৰৰ মূল্য একেদৰে সঁচা হৈ থাকিল। সেই বিষয়ে প্ৰতিকাৰ কৰিবলৈ কাৰো কাণসাৰ নাই। ইখনৰ পিছত সিখন অসমীয়া আলোচনী ওলাই আছে, মৰি আছে, ই যেন মানুহৰ হাত নথকা এক স্বাভাৱিক নিয়ম। কোনোবাখন কাকত মৃত্যু হোৱাৰ ফলত যদি জনচেৰেক ছপাশালৰ কৰ্মী কৰ্মচ্যুত হয় যাইকৈ সেই বাবেহে কেইদিনমান কন্দাকটা আৰু মালিকক দোষাৰোপ কৰি বাদ-প্ৰতিবাদ চলে। কাকতখন নোহোৱা হোৱাৰ বাবে যি জাতীয় ক্ষতি হয় সেই দিশটোৰ প্ৰতি লক্ষ্য কৰি কোনেও জোৰকৈ মাত নেমাতে। ইয়াৰ যাই কাৰণ হৈছে, অসমীয়া ৰাইজৰ জাতীয় চৈতন্যৰ অভাৱ। কমলাকান্ত, অম্বিকাগিৰীৰ দৰে জাতিৰ দুখ-শোকত জৰ্জৰিত হৈ কান্দিব পৰা মানুহ আমাৰ দেশত নোহোৱা নহয়, আছে কিন্তু তাকৰ। বেছি দিন আগৰ কথা নহয়, আজি এবছৰমান আগতে—উচ্চমানবিশিষ্ট মাহেকীয়া 'অসমীয়া' আলোচনীখনৰ অপমৃত্যুত কাৰো গা বেজবেজাই নগ'ল, সামান্য দুখবেদনাৰ বুৰবুৰণি এটাও মুঠিল। ই কিহৰ লক্ষণ?

সিদিনা মাথোন আৰু এখন পুৰণি অসমীয়া আলোচনী 'দীপকে' মনৰ দুখে-বেজাৰে আত্মহত্যা কৰিলে—ৰজা আৰু ৰাইজৰ পৰা পাব লগীয়া তেল-শলাকাণিৰ অভাৱত জৰ্জৰিত হৈ। এই 'দীপক'ৰ প্ৰতিষ্ঠাতা আৰু এযুগৰ সম্পাদক আছিল স্বদেশহিতৈষী গৌৰীকান্ত তালুকদাৰ ডাঙৰীয়া। তেওঁৰ পুত্ৰ শ্ৰীমান পৱিত্ৰকুমাৰ তালুকদাৰে দেউতাকৰ পৰলোকৰ পিছতো সুদিন আহিব বুলি ভাৱসা কৰি আৰু সাত বছৰমান কাকতখন জীয়াই ৰাখিছিল। যাইকৈ নিজৰ এটা ছাপাশাল (লাৱণ্য প্ৰেছ) থকা বাবেহে 'দীপক' ইমান দিনে নিয়মিতভাৱে প্ৰতিমাহে ওলাই আছিল। 'দীপক'ৰ জীৱনৰ কেবাটাও বিশেষত্বৰ ভিতৰত এটা আছিল—অৰুণাচল অঞ্চলত ইয়াৰ প্ৰভাৱ বিস্তাৰ। সম্প্ৰতি সেই অঞ্চলত অসমীয়া ভাষা-সাহিত্যৰ বাবে দুৱাৰ-খিড়িকীবোৰ বন্ধ হৈ যোৱাৰ লগে লগে তাত দীপকৰো প্ৰৱেশ-নিষেধ ঘটিল। 'দীপকে' অৰুণাচলত এচাম নলিখাকৰ পৰা ঠুনুকঠানাক মাত উলিয়াবলৈ যত্ন কৰি আহিছিল আৰু কিছুপৰিমাণে কৃতকাৰ্যও হৈছিল। গৌৰী তালুকদাৰে কেতিয়াবাই আমাক এৰি থৈ গ'ল আৰু তেওঁৰ মৰমৰ 'দীপকেও' উপয়াস্তৰ হৈ একে বাটৰে বাটৰুৱা হ'ল। 'দীপক'ৰ এই অপমৃত্যু সহজভাৱে লব লগীয়া কথা নহয়। ইয়াৰ বাবে জগৰীয়া কোন? বেটুপাতত শোকৰ কলা দাগেৰে ছপোৱা 'দীপক'ৰ অন্তিম-সংখ্যাতে (১৯ বছৰ—৩য় সংখ্যা) তাৰ সমিধান আছে। তলত আমি দীপকৰ সেই অন্তিমবাণীকে হুবহু তুলি দিছো। আমাৰ মন্তব্য নিষ্প্ৰয়োজন। অন্তিম-বাণীৰ 'দীপকে' বিভিয়াই বিভিয়াই কৈ গৈছে এইদৰে :

"অসমীয়া আলোচনী মৰে কিয়?

ই অসমীয়া ৰাইজৰ অভিশাপ নহয় নে?

কাৰণ ১ : গ্ৰাহকে নিয়মিত ৰৰঙণি নিদিয়ে।

২ : এজেণ্টে কাকত বিক্ৰী হোৱাৰ পিছতো ধন নিদিয়ে।

৩ : স্কুল-কলেজ লাইব্ৰেৰীয়ে অনাঅসমীয়া আলোচনী আদি লওঁতে অসমীয়া আলোচনীৰ বাবে ধন নৰয়।

৪ : চৰকাৰী লাইব্ৰেৰী মঞ্জুৰী ধন অনা-অসমীয়া কাকতৰ বাবে খৰচ হয়।

৫ : চৰকাৰে বিজ্ঞাপন দিয়োঁ অসমীয়া আলোচনী আদি বাছি থকাটো নিবিচাৰে। যি দুই এটা বিজ্ঞাপন পুঙাই-বিছৰে দিয়ে তাৰো ধন আদায় দিওঁতে বহু পলম কৰে।

৬ : আমি ভাষাৰ মাধ্যম কৰাত ব্যস্ত; কিন্তু অসমীয়া কাকত এখন কিনি নপঢ়োঁ।

৭ : অৰুণাচলৰ পৰা অসমীয়া আলোচনী কাকত আদি বহিষ্কাৰ কৰিলে। বাইজে, সাহিত্য সভাই কিবা প্ৰতিকাৰ কৰিলে নে ?

৮ : দুই এজনৰ বাহিৰে লব্ধপ্ৰতিষ্ঠ লিখক লিখিকাই প্ৰবন্ধ-পাতি লিখি সৰু সৰু কাকতবোৰক জীয়াই ৰাখি সাহিত্য-সেৱা কৰিব নোখোজে, আৰু জাতিৰ প্ৰতি তেওঁলোকৰ কৰ্তব্য বুলিও নাভাবে।

৯ : নতুন চাম লিখক-লিখিকাই ধনৰ বিনিময়-হে লিখে। আকৌ ধন দিলেও সৰু সৰু কাকতত লিখিলে হেনো সন্মান যায়।

১০ : যি সকল সাহিত্যিক, কবি, বুৰঞ্জীবিদ আদিক আজি অত বছৰে বিনামূলীয়াকৈ আমাৰ কাকত দি থকা হ'ল তেওঁলোকৰ বেছি ভাগেই আলোচনীখনৰ বাবে কিবা এটি লিখা দূৰৈৰ কথা—প্ৰাপ্তিস্বীকাৰ নতুবা কাকতখনৰ বিষয়ে ভাল বেয়া দুআষাৰ লিখিও নজনালে।

১১ : আমি সাহিত্য সভা পাতোঁ ; কিন্তু অসমীয়া কাকতবোৰক ৰক্ষাৰ ব্যৱস্থা নকৰোঁ।

১২ : আমি বোধেৰ আলোচনীৰ দৰে নগ্ঠা বা অশ্লীল কথা দিব নোৱাৰাৰ বাবেই অসমীয়াই অসমীয়া কাকতৰ মূল্য নিদিয়ে।

বহুতো লোকচান ভৰি মোৰ পূজনীয় দেউতা গোবীকান্ত তালুকদাৰৰ স্মৃতি-হিচাপে 'দীপক'খন উলিয়াই আছিলোঁ। এতিয়া লোকচানৰ মাত্ৰা পাৰ হৈ যোৱা বাবে বাধ্য হৈ দীপকৰ ১২শ বছৰৰ তৃতীয় সংখ্যাৰ পৰা প্ৰকাশ বন্ধ কৰিবলগীয়া হোৱাত আমি সচাকৈয়ে দুঃখিত।"—শ্ৰীপবিত্ৰ তালুকদাৰ

## তিনিটুপি চকুলো

এই বছৰৰ শেষৰ ফালে তিনি গৰাকী বয়োজ্যেষ্ঠ-লোক স্বৰ্গী হোৱাত আমি বহুতে আত্মীয় বিয়োগ ব্যথাৰ নিচিনা শোক অনুভৱ কৰিছোঁ। সেই তিনিজনৰ ভিতৰত জয়জয়তে স্মৰণ কৰিছোঁ আমাৰ পৰম শ্ৰদ্ধাভাজন পণ্ডিৎ গৌৰীদত্ত মিশ্ৰ বিদ্যাভূষণ দেৱক। চাৰি কুৰি ধোল বছৰ বয়সত স্বৰ্গগামী হোৱা মিশ্ৰদেৱৰ অন্তৰ্ধানত এখন প্ৰাচীন চলন্ত অসম বুৰঞ্জী লোপ পালে বুলি কব পৰা যায়। অসমৰ আৰু বঙ্গদেশৰ সংস্কৃত পণ্ডিতমণ্ডলীৰ মাজত মিশ্ৰদেৱে নিজ যোগ্যতাৰে এখন সন্মানৰ আসন আৰ্জি লব পাৰিছিল। তেওঁ অসম সংস্কৃত-বোৰ্ডৰ লগত আজীৱন সক্ৰিয়ভাবে জড়িত হৈ আছিল আৰু এবাৰ বোৰ্ডৰ বছৰেকীয়া অধিবেশনত সভাপতিৰ আসনো অলংকৃত কৰিছিল। অসমৰ পুৰণি চাম লোকৰ আৰু কেইবাটাও পুৰণি পৰিয়ালৰ বহুত কথাই তেওঁ জানিছিল। কামৰূপ অনুসন্ধান সমিতি আৰু অসম সাহিত্য সভাৰ লগতো সম্বন্ধ ৰাখিছিল। তেওঁ পুৰণি অসমীয়া আলোচনীত দুই এটা প্ৰবন্ধও লিখিছিল আৰু খনচেৰেক পুৰণি ফলিৰ পাঠ উদ্ধাৰ কৰি আলোচনীত প্ৰকাশ কৰিছিল। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য—

(১) নামতী দলৰ ৺জয়দুৰ্গা আৰু ৺হৰিহৰ মন্দিৰৰ তামৰ ফলি [ জয়ন্তী, ১ বছৰ ]

(২) অপৰিচিত পুৰণি অসমীয়া সাহিত্য-সেৱক [ জয়ন্তী, ১৮শ বছৰ ]

(৩) মোমাই তামুলী বৰবৰুৱা [ জোনাকী, ২য় বছৰ ]

(৪) তামৰ ফলি, [ বাঁহী, ৩য় বছৰ ]

(৫) প্ৰাগ্‌জ্যোতিষাধিপতি মহাৰাজ বৰ্মদেৱৰ তামৰ ফলি [ বাঁহী, ৩য় বছৰ ]

(৬) কামৰূপাধিপতি মহাৰাজ ভাস্কৰ বৰ্মাৰ তামৰ ফলি [ বাঁহী, ৫ম বছৰ ]

(৭) হাজো দেৱালয়ৰ মাধৱৰ তামৰ ফলি [ বাঁহী, ৫ম বছৰ ]



(৮) গুৱাহাটীৰ ৺উমানন্দ দেৱালয়ৰ তামৰ ফলি [ বাঁহী, ৫ম বছৰ ]

গোবিন্দ বেজবৰুৱা, দুলাল চন্দ্ৰ চৌধুৰী, হেম গোস্বামী প্ৰমুখ্যে অনেক অসমীয়া ডা-ডাঙৰীয়াৰ উপৰিও বঙ্গদেশৰ হৰপ্ৰসাদ শাস্ত্ৰী, আশুতোষ মুখাৰ্জি প্ৰভৃতি শীৰ্ষস্থানীয় লোকসকলৰ লগতো মিশ্ৰদেৱৰ ঘনিষ্ঠ সম্পৰ্ক আছিল, কৰ্নেল গৰ্ডন, বেন্টিংক প্ৰভৃতি চাহাব চুহবকো তেওঁ সংস্কৃত শ্লোক মাতি আপ্যায়িত কৰিছিল। বিদগ্ধ পণ্ডিত নহলেও সংস্কৃত আৰু অসমীয়া ভাষাত তেওঁৰ ভাল অধিকাৰ আছিল। পণ্ডিত সমাজত তেওঁ সদায় আগশাৰীত বহিছিল আৰু বাক্যালাপেৰে ডাঙৰ সৰু সকলোকে সমানে আকৰ্ষণ কৰিব পাৰিছিল। বন্ধুবৰ অধ্যাপক শ্ৰীৰজনীকান্ত দেৱশৰ্মাৰ মুখত শুনা আমোদী সঁচা সাধু এটা এইখিনিতে কৈছোঁ।

এবাৰ হেনো কলিকতাত ব্ৰাহ্মণ বিধবাৰ পুনৰ্বিবাহ সম্পৰ্কে বিচাৰ কৰিবলৈ এখন বৰ ডাঙৰ পণ্ডিতৰ মেল বহিছিল। বঙ্গবাঘ আশুতোষ মুখাৰ্জিৰ সম্পৰ্কীয়া বাল-বিধবা ছোৱালী এটাৰ দ্বিতীয় বিবাহেই আছিল সেই সভাৰ আলোচ্য বিষয়। সেই মেলত বঙ্গদেশৰ মুধাকুটা সংস্কৃত পণ্ডিতসকলৰ লগতে গৌৰীদত্ত মিশ্ৰও তাত উপস্থিত আছিল। প্ৰস্তাবিত বিবাহৰ সপক্ষে বিপক্ষে তুমুল তৰ্ক-বিতৰ্ক চলি ছিল। আশু বাবুৰ দল পুনৰ্বিবাহৰ সপক্ষে আৰু মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীৰ দল আছিল এনে বিয়াৰ বিৰোধী। বিপক্ষ দলে ঘাইকৈ যুক্তি দেখুৱাইছিল যে এবাৰ এজনী ছোৱালীৰ হোম, অগ্নি, বেদমন্ত্ৰ সাক্ষী কৰি অভিভাৱকে সম্প্ৰদান দিয়াৰ পিছত সেই একেজনী ছোৱালীকে দ্বিতীয়বাৰ সম্প্ৰদান দিবৰ কাৰো অধিকাৰ নাই। সেই যুক্তিৰ উত্তৰত গৌৰীদত্ত মিশ্ৰই বোলে কোনো শাস্ত্ৰৰ মত উদ্ধৃত নকৰাকৈয়ে কৈছিল যে সেই বিধবাক পূৰ্বৰ অভিভাৱকে দ্বিতীয়বাৰ সম্প্ৰদান কৰিবৰ অধিকাৰ নাই সচা ; কিন্তু বিধবাজনীয়ে নিজকেতো সম্প্ৰদান কৰিব পাৰে। তেতিয়া দেখোন মিতিৰো বৰ চাউঁলো সিজে অৰ্থাৎ শাস্ত্ৰৰ বচনৰো অমৰ্যাদা কৰা নহয় আৰু বিধবা বিবাহো হব পাৰে। মিশ্ৰৰ কথাশুনি আশুতোষৰ দলৰ পৰা জাউৰিয়ে জাউৰিয়ে হাততাপৰি পৰিল আৰু বিৰোধিতা কৰা শাস্ত্ৰীৰ দলৰ মুখৰ মাত হৰিল। মিশ্ৰদেৱৰ উপস্থিত বুদ্ধিয়ে গুটি ধৰিলে। এইজনেই আছিল পণ্ডিৎ গৌৰীদত্ত মিশ্ৰ বিদ্যাভূষণ। অসম সংস্কৃত পৰিষদে এখনি স্মৃতিগ্ৰন্থ আৰু মিশ্ৰদেৱৰ দুজন কৃতীপুত্ৰ অধ্যাপক শ্ৰীনলিনীকুমাৰ মিশ্ৰ আৰু যশস্বী শিল্পী শ্ৰীহেমন্তকুমাৰ মিশ্ৰই তেওঁলোকৰ যশস্বী পণ্ডিত পিতৃৰ এখনি তথ্যবহুল জীৱনালেখ্য আমাক দিব নোৱাৰিবনে ?

* * * *

আন এগৰাকী স্বৰ্গগামী পুৰুষ গুৱাহাটীৰ অন্যতম প্ৰসিদ্ধ নাগৰিক বিদ্যোৎসাহী কেশবকান্ত বৰুৱা ডাঙৰীয়া। বৰুৱা আছিল বিখ্যাত অসমীয়া সাউদ ভোলানাথ বৰুৱা ডাঙৰীয়াৰ শেষ উত্তৰাধিকাৰী। কিন্তু সেয়েই তেওঁৰ একমাত্ৰ পৰিচয় নহয়। তেওঁ আমাৰ শিক্ষা, সাহিত্য আৰু বিবিধ জনহিতকৰ কামৰ এগৰাকী নীৰৱ পৃষ্ঠ-পোষক আছিল। তেওঁ নগাওঁ জিলাৰ পুৰণিগুদামত জন্মলাভ কৰি কলিকাতাত উচ্চশিক্ষা আৰু দদায়েক বি-বৰুৱাৰ লগত থাকি বেহাবেপাৰৰ আঙভাপ শিকিবুজি লৈ গুৱাহাটীৰ চেনিকুঠীত স্থায়ী ভাবে থাকিবলৈ লৈছিল আৰু তাতেই সিদিনা ৭৮ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰিলে।

বৰুৱাদেৱে তাহানি গুৱাহাটী বৰাৰ পাত্ৰিত জয়ন্তী প্ৰেছ নামে এখন প্ৰথম শ্ৰেণীৰ ছপাশাল পাতি লৈ তাৰপৰা 'জয়ন্তী' নামৰ এখনি ওপ থাপৰ অসমীয়া আলোচনী প্ৰকাশ কৰিছিল। জয়ন্তীৰ প্ৰতিষ্ঠাতা আছিল বৰুৱা নিজেই আৰু প্ৰথম সম্পাদক আছিল বিহগী কবি ৰঘুনাথ চৌধাৰী ডাঙৰীয়া। চৌধাৰীৰ পিছত জয়ন্তীৰ সম্পাদকসকল আছিল গিৰিশচন্দ্ৰ বৰুৱা, কমলনাৰায়ণ দেৱ, আৰু শুক্লেশ্বৰ বৰা প্ৰভৃতি। বৰুৱাৰ নিজৰ সম্পাদনাতো কেইসংখ্যামান জয়ন্তী ওলাইছিল। সেই-সকলৰ এজনো আজি জীৱিত নাই। নকলেও হব যে জয়ন্তীয়ে অসমীয়া আলোচনী সাহিত্যত এক উজ্জ্বল

অভিলেখৰ সৃষ্টি কৰিছিল। কালক্ৰমত জয়ন্তী কাকত মৰিল—জয়ন্তী ছপাশালো বিলুপ্ত হল। 'জয়ন্তী' বৰুৱাদেৱৰ প্ৰথমভাৰ্যা আৰু কনকলাল বৰুৱা ডাঙৰীয়াৰ ৰৰজীয়াৰীৰ নাম। বৰুৱা নিজেও এজন সাহিত্য সেৱক আৰু দাৰ্শনিক ভাবাপন্ন লোক আছিল। তেওঁ 'জয়ন্তী', 'আলোক' আৰু 'অজন্তা'ত মাজে সময়ে দুই চাৰিটা তত্ত্বগধুৰ প্ৰবন্ধ লিখিছিল আৰু ইংৰাজীত ভগৱৎ গীতা সম্পৰ্কে এখনি আলোচনা পুথি লিখি আমাৰ বাহিৰে ভিতৰে প্ৰচাৰ কৰি পণ্ডিত সমাজৰ পৰা সমাদৰ পাইছিল!

অসমৰ শিক্ষাৰ ক্ষেত্ৰতো বৰুৱাদেৱে আগভাগ লৈছিল। তেওঁৰ এটা শকত দানেৰেই দদায়েকৰ নামত গুৱাহাটীত বি, বৰুৱা কলেজ প্ৰতিষ্ঠিত কৰা হৈছিল। লোকপ্ৰিয় বৰদলৈ দেৱৰ পিছতে তেওঁ কামৰূপ একাডেমীৰো পৰিচালনা সমিতিৰ সভাপতি হৈ গুৰি ধৰিছিল। দৰাচলতে তেওঁৰ দিনৰেপৰা এই স্কুলখনে অসমৰ এখন প্ৰথম শ্ৰেণীৰ বিদ্যালয় হিচাপে প্ৰতিষ্ঠা লাভ কৰে। আজিকালি নবীন উদ্যোগপতি নামলৈ এচাম অসমীয়া ডেকাই অসমৰ ব্যৱসায়-বাণিজ্যত কুৰুংকাবাং কৰা দেখা গৈছে। এইটো এটা শুভ লক্ষণ। আজিৰপৰা একুৰি ডেৰকুৰি বছৰ আগতে কেশৱকান্ত বৰুৱাই তেওঁৰ জনচেৰেক অন্তৰঙ্গ বন্ধুৰ সহযোগত এই নিচিনা ব্যৱসায়-বাণিজ্যত হাত দি অসমীয়া শিক্ষিত ডেকাসকলক কৰ্মমুখী হবলৈ বাট দেখুৱাইছিল। বৰুৱাৰ সহযোগী আৰু সহায়ক সকলৰ ভিতৰত আছিল—উমেশ চন্দ্ৰ চৌধাৰী, লক্ষ্মীনাথ দাস, গিৰিশচন্দ্ৰ বৰুৱা, কৃষ্ণকান্ত বৰুৱা, শ্ৰীপূৰ্ণচন্দ্ৰ ভঁৰালী প্ৰভৃতি। এওঁলোকে চৰকাৰৰ পৰা ডাকি কৈ গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ মাজত ফেৰীজাহাজৰো চলাচল কৰাইছিল।

বৰুৱাই কোনো দলীয় ৰাজনীতিত গা-দেখাকৈ যোগ দিয়া নাছিল যদিও তেওঁ এজন জাতীয়তাবাদী অসমীয়া প্ৰেমী লোক আছিল। তেওঁ শংকৰী ধৰ্ম, অসমীয়া সাহিত্য, অসমৰ শিক্ষা, বেহাবেপাৰ আৰু অসমীয়া জাতিৰ কেনেকৈ সৰ্বাঙ্গীন উন্নতি হয়, সেই বিষয়ে চিন্তাচৰ্চা কৰিছিল, নিজে পৰাখিনিও কৰিছিল। তেওঁৰ মৃত্যুত অসমে এজন গুণী, মাতৃবৎসল পুত্ৰ হেৰুৱালে।

* * *

আন এজন নীৰৱ নিৰামহীয়া অসমীয়া সাহিত্য-সংস্কৃতিৰ সেৱক নিত্যানন্দ বৰদলৈ। এই লিখকৰ আৰু বহুতৰ তেওঁ অন্তৰঙ্গ বন্ধু, বিশ্বাসভাজন। যি এবাৰ তেওঁৰ সংস্পৰ্শলৈ আহিছিল সি তেওঁক কেতিয়াও পাহৰিব নোৱাৰে। তেওঁৰ পুৰণি ঘৰ তেজপুৰৰ ডিপোটা গাৱঁত আৰু কৰ্মজীৱন অতিবাহিত হয় গুৱাহাটীত। সিদিনা (৩১-৩-৭৩) গুৱাহাটীৰ সৰ্বোদয় আশ্ৰমৰ কাষত নিত্যানন্দ বৰদলৈয়ে চকু মুদি নিত্যানন্দ ধামলৈ গুচি গল। যি সকলে জানিলে গভীৰ শোক অনুভৱ কৰিলে। চেমনীয়া কালতে হাইস্কুলৰ শেষ শিক্ষা শেষ নহওঁতেই ১৯২১ চনৰ অসহযোগ আন্দোলনত তেওঁ গা ঢালি দিছিল। এসময়ত গুৱাহাটীৰ প্ৰখ্যাত হোমিওপেথিক ডাক্তৰ কদ্ৰকান্ত শৰ্মাদেৱৰ (ৰেণুকাদেৱী বৰকটকীৰ দেউতাক) সোঁহাত স্বৰূপে তেওঁ তেজপুৰৰ ওচৰৰ গাৱে-ভুঞে মহাত্মাৰ বাণী বিলাই ফুৰিছিল আৰু মাদক দ্ৰব্য বৰ্জনৰ বাবে বিশেষভাৱে চেষ্টা কৰিছিল। তাৰ পৰিমাণ স্বৰূপে তেওঁ তেজপুৰ জেলত এবছৰ কাল ৰাজআলহী হৈ থাকিব লাগিছিল। জেল-জীৱনত তেওঁ গোৱীকান্ত তালুকদাৰ, ৰোহিণীকুমাৰ চৌধুৰী প্ৰমুখ্যে সেই সময়ৰ ভালেমান আগশাৰীৰ অসহযোগী দেশনেতাৰ সান্নিধ্যলৈ আহি তেওঁলোকৰ মৰমৰ পাত্ৰ হৈছিল। ত্যাগবীৰ হেমবৰুৱা আৰু অমিয় কুমাৰ দাস-দেৱৰ জীৱনাদৰ্শই বৰদলৈকওৱে জীৱনে অনুপ্ৰাণিত কৰিছিল। এই সকলোবোৰ কথা তেও 'পুৰণি দিনৰ ৰেঙণি" নামৰ পুথিত নিজেই বেহা লগাই লিখি থৈ গৈছে।

জেলৰ পৰা ওলাই কিছুদিন (সথা 'লম্বোদৰ'ৰ লগত) স্বাধীনভাৱে খেতি-বাতি কৰি তাৰ পিছত খুজি-মাগি বাটখৰচ গোটাই গয়া কংগ্ৰেছ চাই আহেগৈ। তাৰ পিছত তেওঁ জীৱিকাৰ সন্ধানত তেজপুৰীয়া মায়া এৰি গুৱাহাটীত



থিতাপি লাগিছিল। কৰ্মযোগী চন্দ্ৰকুমাৰ আগৰৱালা-দেৱে হাতে-কামে শিক্ষা দি যি কেইজন নিপুণ ছাপাশালৰ কৰ্মী গঢ়ি তুলিছিল সেইসকলৰ ভিতৰত নিত্যানন্দ বৰদলৈও আছিল অন্যতম। চন্দ্ৰকুমাৰ আৰু তেওঁৰ পুত্ৰ তৰুণকুমাৰৰ ডেউকাৰ ছাঁত আশ্ৰয় লৈ নিত্যানন্দ বৰদলৈয়ে পেটে-ভাতে জীৱিকা নিৰ্বাহ কৰাৰ উপৰিও বাতৰি-কাকত আৰু আলোচনী সেৱাৰ যোগেদি স্বৰ্গতো অধিক জনমভূমিক সেৱা কৰিছিল। নিউ প্ৰেছৰ পৰা প্ৰকাশ হোৱা সাদিনীয়া অসমীয়া, তিনিদিনীয়া অসমীয়া, দৈনিক অসমীয়া, মাহেকীয়া অসমীয়া, ধাৰী আদি আটাইকেইখন কাকতকে তেওঁ তুলিতালি কোলাত লৈছিল, আৰু নিয়মিত সময়ত বৰঙণি আদায় কৰি নিদিয়া গ্ৰাহক-এজেণ্টৰ বাবে ভয়ৰ কাৰণো হৈছিল। মোৰ দৰে কাৰোবাক লাগ বুলিলেই তেওঁৰ ছাপাশালাত যতনকৈ ৰখা পুৰণি কাকত-পত্ৰ খুচৰি খুচৰি চাই উলিয়াই দি সহায় কৰিছিল। কোনো কামতে ফাঁকি ফুকা নিদিয়াটো বৰদলৈৰ চৰিত্ৰৰ বৈশিষ্ট্য আছিল। এই লিখক সম্পাদক হৈ থকা কাল ছোৱাত তেওঁ অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ দায়িত্বত আছিল, সেই দায়িত্ব তেওঁ নিষ্ঠাৰে পালন কৰিছিল। মোৰ আৰু অনেকৰ কেইবাখনো কিতাপৰ 'কাকতী গণেশ'ৰ নিচিনাকৈ পাণ্ডুলিপি যুগুত কৰি দিছিল। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ ভিতৰ-চ'ৰাতো থাকি কেইবাবছৰো তেওঁ নিতৌ গধূলি 'গঞা ৰাইজৰ মেল'ত জনপ্ৰিয় 'পাঠক'ৰ ভূমিকাত অৱতীৰ্ণ হৈ অসমৰ চুকে কোনে থকা অগণন অনাতাঁৰ শ্ৰোতাক সন্তোষ দিব পাৰিছিল। তেওঁলোকে পাঠকক নিজৰে এজন বুলি ধৰি লৈছিল আৰু অনাতাঁৰ কেন্দ্ৰলৈকে কোনো কোনো পাঠকক নিজ চকুৰে চাবলৈ আহিছিল। তেজপুৰ ৰাণমঞ্চ, গুৱাহাটী সন্ধিয়া সম্মিলনী আৰু গুৱাহাটী কুমাৰ ভাস্কৰতো নিত্যানন্দ বৰদলৈয়ে এজন সৰৱৰহী অভিনেতা (আজি-কালিৰ ভাষাৰে শিল্পী) হিচাপে সাক্ষাৎ লাভ কৰিছিল। গাৱঁলীয়া মাইকী মানুহৰ চৰিত্ৰ ফুটাই তোলাত তেওঁৰ সমকক্ষ কমেই ওলাব। গঞা তিকতাৰ সাজত বৰদলৈক যি এবাৰ দেখিছে তেৱেঁই স্বীকাৰ কৰিব যে সেই বেশত বৰদলৈক গাৱঁলীয়া আইসকলৰ মাজত মেলি দিলে তেওঁক বিচাৰি উলিওৱাটো সহজ নহ'ব।

আমাৰ একেষাৰ কথা আছে বোলে জীয়াই থাকোঁতে নেপালে ফটাকাণি, মৰিলে দিব ছিৰি আঙঠি। বৰদলৈৰ জীৱনতো সেয়ে হৈছিল। তেওঁ ওৰে জীৱন দুখ-দাৰিদ্ৰ্যৰ লগত যুঁজ বাগৰ কৰি কেৰেয়া ঘৰত বাগৰি ফুৰোঁতেই গ'ল, ৰাজ্য চৰকাৰলৈ অনেক আবেদন-নিবেদন কৰিও এটা বৃত্তি আৰু এডোখৰ জুপুৰী পজা সাজি লবলৈ এচমকা চৰকাৰী মাটি লাভ কৰিবলৈ সমৰ্থ হোৱা নাছিল। কিন্তু সুখৰ বিষয় মৃত্যুৰ আগে আগে কেন্দ্ৰীয় চৰকাৰৰ সুদৃষ্টি লাভ কৰি তেওঁ মুক্তি-যুঁজাৰু হিচাপে পৰিগণিত হৈ তাম্ৰ পত্ৰ আৰু এটা দুশটকীয়া পেঞ্চনৰ মুখ দেখা পাইছিল। মৃত্যুৰ আগে আগে পেঞ্চনৰ টকাকেইটা হাতলৈ আহিছিল যদিও তাকে ভোগ কৰি যাব নোৱাৰিলে। সি যি নহওক সেয়াই আছিল সোলাৰ মুখত মাখি।

ওপৰত নাম লোৱা তিনিজনৰ পুণ্যস্মৃতিত আমি একোটুপিকৈ তিনিটুপি চকুলোৰ তৰ্পণ আগ বঢ়ালো।

# উপনিষদ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ

অধ্যাপক শ্ৰীসুধেন্দুমোহন ভদ্ৰ

সাকাৰ কৃষ্ণৰ ৰূপৰ মাধ্যমেৰে নিৰাকাৰৰ সাধনা শ্ৰীমন্ত শঙ্কৰদেৱৰ অমৃতময় বাণীত দেখিবলৈ পোৱা যায়। উপনিষদৰ মাজতো বহুতো সম্প্ৰদায়গত উপনিষদ আছে, যিবোৰত একো একোজন অৱতাৰৰ ৰূপৰ মাধ্যমেৰেই অনুসন্ধান কৰা হৈছে সেই 'শিৱম্' 'অদ্বৈতম্' 'নিষ্কলং' 'দিব্যম্' পৰম সত্তাৰ। কঠোপনিষদ্, মুণ্ডক, মাণ্ডুক্য, ঐতৰেয়, বৃহদাৰণ্যক, শ্বেতাশ্বতৰ ইত্যাদি উপনিষদত কোনো সাকাৰৰূপে ঠাই পোৱা নাই।

প্ৰত্যেক জীৱ-জন্তুৰ, প্ৰাণীৰ হৃদয়-গুহাত সততে বিৰাজ কৰিছে সেই দিব্য অমৃতময় পৰম পুৰুষ। কঠোপনিষদত যেনেকৈ ঘোষণা কৰা হৈছে–"অঙ্গুষ্ঠমাত্ৰঃ পুৰুষঃ মধ্য আত্মনি তিষ্ঠতি"··(কঠোপনিষদ ৪।১২) কীৰ্তনতো শঙ্কৰদেৱৰ অনুভূতি একেটা সুৰেৰেই প্ৰকাশ পাইছে···"সমস্ত ভূতৰ তুমি আছা হৃদয়ত। তত্ব নাপাই তোমাক বিচাৰে বাহিৰত।" ইয়াত তুমি শব্দটিৰ দ্বাৰা শঙ্কৰদেৱে ব্ৰহ্মস্বৰূপ শ্ৰীকৃষ্ণক বুজাইছে। ব্ৰহ্মস্বৰূপ সেই শ্ৰীকৃষ্ণ আমাৰ প্ৰত্যেকৰে হৃদয়ত বিৰাজিত, কিন্তু অজ্ঞ মানুহে তেওঁৰ সন্ধান ভিতৰত নাপাই চৰ্মচক্ষুৰে বাহিৰত বিচাৰে। যি পুৰুষে পৰম জ্ঞান লাভ কৰিছে তেওঁৰ বাবে পাৰ্থিব পদাৰ্থৰ পৰা জ্ঞান আহৰণ কৰাৰ কোনো প্ৰয়োজন নাই, তেওঁ তেওঁৰ হৃদয়তেই পৰম সত্তা (সৎ), অপাৰ জ্ঞান (চিৎ), অপাৰ আনন্দৰ সন্ধান পায় তেতিয়া সেই আত্মজ্ঞানী পুৰুষ পৰমানন্দত বিভোৰ হৈ উঠে, নিজতে তেওঁ সন্তুষ্ট থাকে, গীতাত তেনেকুৱা পুৰুষকেই স্থিতপ্ৰজ্ঞ বুলি কোৱা হৈছে—("আত্মন্যেবাত্মনা-তুষ্টঃ স্থিতপ্ৰজ্ঞস্তদোচ্যতে"–গীতা) ৰাম ৰহস্যোপনিষদত যেনেকৈ ৰামৰ মাধ্যমেৰে পৰমসত্তাৰ অনুভৱ কৰা হৈছে, ইয়াত শ্ৰীকৃষ্ণৰ মাধ্যমেৰেও তেনেকুৱা অনুভূতিৰ সঞ্চাৰ কৰিছে শ্ৰীমন্ত শঙ্কৰদেৱে। শঙ্কৰী সাহিত্যত কৃষ্ণ, ৰাম আৰু পৰম ব্ৰহ্মৰ অভেদ ঘোষণা কৰা হৈছে।

অদ্বৈত বেদান্তৰ প্ৰৱৰ্তক বা কৰ্ণধাৰ নৱম শতিকাৰ শঙ্কৰাচাৰ্যই ব্ৰহ্মকেই কেৱল 'সত্য" বুলি অভিহিত কৰিছে, অৱশ্যে শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদ, ৰামানুজৰ 'বিশিষ্টাদ্বৈতবাদ', নিম্বাকাচাৰ্যৰ 'ভেদাভেদবাদ' আদিৰ মাজত মতভেদ থাকিলেও সেইবিলাক আমাৰ ইয়াত আলোচ্য বিষয় নহয়। আনহাতে শ্ৰীমন্ত শঙ্কৰদেৱৰ মতৰ লগত শঙ্কৰাচাৰ্যৰ মতৰ বহু মিল পোৱাৰ কাৰণেই শঙ্কৰাচাৰ্যৰ মতটোহে আমি ইয়াত দাঙি ধৰিম। শঙ্কৰাচাৰ্যই যেনেকৈ 'ব্ৰহ্মসত্যং জগন্মিথ্যা' বাণী প্ৰচাৰ কৰিছে, শ্ৰীমন্ত শঙ্কৰদেৱেও সেই একেটা তত্ব আমাক শুনাইছে—"তুমিসে কেৱল সত্য মিছা সবে আন"—(কীৰ্তন—৫২৩); আনহাতে ভক্তি-ৰত্নাকৰৰ ১১১ তো মহাপুৰুষ জনাই আৰু অধিকতৰ স্পষ্ট ভাষাৰেই আমাক সোঁৱৰাই দিছে যে সেই ব্ৰহ্মস্বৰূপ নাৰায়ণেই একমাত্ৰ সত্য; আন সকলোবিলাক মায়াময়—('তুমিসে কেৱল সত্য সবে মায়াময়। তুমি বিনে সত্য আন বস্তু



নাহিকয়' ॥ ভক্তি-ৰত্নাকৰ—১১১)।

এই জগতৰ যিজন পৰম নিয়ন্তা, তেওঁ নিৰাকাৰ, তেওঁৰ কোনো আকাৰ নাই, তেওঁ সৰ্বব্যাপী, তেওঁ অশৰীৰী, নিৰ্গুণ আৰু নিত্য, মুক্ত, শুদ্ধ, অপাপবিদ্ধ (অকায়মব্ৰণমস্নাবিৰং শুদ্ধম পাপবিদ্ধম্"—ঈশোপনিষদ্—৮)। শঙ্কৰদেৱেও গাইছে—

"নাহি দেহেন্দ্ৰিয় সমস্ত কৰ্তাৰ
শক্তিক ধৰা অকলে।
তুমিসে সৰ্বজ্ঞ তুমি সৰ্বকৰ্তা
তোমাক সেৱে সকলে ॥"
—(কীৰ্তন—১৬৫৫)।

যিজনে কায়মনোবাক্যে নৰনাৰায়ণক ভজে, তেওঁৰ স্তুতি-নতি সেই দিব্যসত্তাৰ ধামলৈ যায়, যেনেকৈ নদীসমূহ গতি কৰে সমুদ্ৰলৈ। গীতাত ভগবান শ্ৰীকৃষ্ণ ব্ৰহ্মৰূপী, সনাতন, তেওঁ ব্যক্ত আৰু অব্যক্ত, চিন্ত্য আৰু অচিন্ত্য ৰূপেৰে গোটেই ব্ৰহ্মাণ্ড বিয়পি আছে। তেওঁ কৈছে, যিজনে যেনেকৈ যি নামেৰে তেওঁৰ স্তুতি কৰে তাতেই তেওঁ সন্তুষ্ট হয়। শ্ৰীকৃষ্ণৰ বাণীৰ লগত পৰমহংসদেৱৰ বাণীৰ হুবহু মিল দেখা পোৱা যায়। "যত মত তত পথ"। মতভেদে পথ ভিন্ন হ'ব। কিন্তু গন্তব্য-স্থল এক, লক্ষ্য এক। গতিকে যিজনে যি ৰূপৰ মাধ্যমেৰে নহওক কিয় প্ৰাৰ্থনা কৰে, তেওঁৰ সেই স্তুতি পৰিশেষত দিব্যপুৰুষৰ স্থান পায়।

যি সকলে দিব্যৰ সন্ধান লাভ কৰিব পাৰিছে তেওঁলোকৰ বাবে আকাৰৰ প্ৰয়োজন নাই। তেওঁলোকৰ বাবেই কেৱল আকাৰৰ প্ৰয়োজন যিসকলে নিৰাকাৰ, নিৰ্গুণ দিব্যৰ অনুভৱ কৰা নাই। শঙ্কৰদেৱে পশু, তৃণ, সুৰাসুৰ আদি সকলোতে সেই দিব্যৰ স্পন্দন অনুভৱ কৰিব পাৰিছে আৰু মুক্তকণ্ঠে ঘোষণা কৰিছে যে, অজ্ঞানবশতঃহে মূঢ়সকলে ভিন্ন পদাৰ্থ দেখিবলৈ পায়। "তুমি পশুপক্ষী সুৰাসুৰ তৰুতৃণ। অজ্ঞানত মূঢ়সৱে দেখে ভিন ভিন"—(কীৰ্তন)।

নামৰূপ আদি হ'ল পৰম সত্তাৰ বাহ্যিক ৰূপ, সেই নাম আৰু ৰূপক বাদ দিলে, সেই একক ব্ৰহ্মৰ অনুভূতি হৃদয়ত সঞ্চাৰিত হয়। ছান্দোগ্যোপনিষদত 'আৰুণিয়ে' পুত্ৰ শ্বেতকেতুক বিভিন্ন উদাহৰণেৰে এই ব্ৰহ্মবিদ্যাৰ কথাই বিশদভাৱে ব্যাখ্যা কৰিছে। ঘট-পটাদিৰ নাম আৰু ৰূপ বিভিন্ন; কিন্তু 'মৃত্তিকা'ই আচল বস্তু—(মৃত্তিকা ইত্যেৱ সত্যম্)। যেতিয়ালৈকে জ্ঞান-পিপাসুৰ মৃত্তিকাজ্ঞান নহয়, তেতিয়ালৈকে ঘট-পদাদি হৈ থাকিব, অৰ্থাৎ তেওঁৰ অন্তৰত একৰ অনুভূতি সঞ্চাৰিত নহ'ব। গীতাতো ভগৱান শ্ৰীকৃষ্ণই কৈছে যে, অজ্ঞানতা-বশতঃ মূঢ় ব্যক্তিসকলে তেওঁক নানাৰূপে দৰ্শন কৰে, তেওঁলোকে ব্ৰহ্মৰ একত্ব দৰ্শন কৰিব নোৱাৰে। যি জ্ঞানী-পুৰুষে বহুতৰ মাজত পৰিব্যাপ্ত সেই এক পৰমসত্তাৰ উপলব্ধি কৰিব পাৰে, তাৰ দৰ্শনেই হ'ল সাত্বিক দৰ্শন। (গীতাত শ্ৰীভগৱানৰ উক্তি–১৮।২০-গীতা)। শঙ্কৰদেৱৰ ভাষাতো একৰ ধ্বনি স্পষ্টভাৱে বিকশিত হৈছে ('যেন ঘট মাটি ব্যতিৰেকে আন নাই')।

এই জগতৰ উৎপত্তি ব্ৰহ্মৰ পৰাই হৈছে, অন্তত ব্ৰহ্মতেই লয় পাব। মুণ্ডকোপনিষদত ব্ৰহ্মক জগতৰ উপাদান আৰু নিমিত্ত কাৰণ বুলি কোৱা হৈছে। ('যথোৰ্ণনাভিঃ সৃজতে গৃহ্নতে চ যথা পৃথিব্যামোষধয়ঃ সম্ভৱন্তি। যথা সতঃ পুৰুষাৎ কেশলোমানি। তথা ক্ষৰাৎ সম্ভৱতীহ বিশ্বম্—১।১।৭)।

মৃত্তিকাৰ বিকাৰেই যেনেকৈ ঘট-পদাদি বিভিন্ন নাম আৰু ৰূপ, তেনেকৈ ব্ৰহ্মৰ মায়া-শক্তিৰ যোগে ব্যাকৃত ৰূপৰ বাবেই প্ৰপঞ্চময়, জগতত উপাধি, ৰূপ আদি প্ৰকাশ পাইছে। মাটিতেই যেনেকৈ ঘটৰ বিলয়, তেনেকৈ ব্ৰহ্মত জগতৰ বিলয়। ('ঘটৰ পূৰ্বত মাটি থাকে নিৰন্তৰে। সেই মতে তুমি প্ৰভু ইটো জগতৰে"—ভক্তি-ৰত্নাকৰ)। পদুমৰ পাতত পানী পৰিলেও সেই পানী তাত লাগি ধৰিব নোৱাৰে, বিকৃত কৰিব নোৱাৰে–তেনেকুৱা গুণ-গন্ধৰত থাকিও ব্ৰহ্ম নিৰ্গুণ ('নিৰ্গুণং গুণগন্ধৰে')।

ভক্তি-ৰত্নাকৰতো ব্ৰহ্মস্বৰূপ নাৰায়ণক স্পষ্টকৈ নিৰ্গুণ বুলিয়ে ঘোষণা কৰা হৈছে—('তুমিসি নিৰ্গুণ প্ৰভু আনন্দ স্বৰূপ')। তেওঁ আনন্দ স্বৰূপ। তৈত্তিৰীয়োপনিষদতো আনন্দকেই ব্ৰহ্ম বুলি কোৱা হৈছে—(আনন্দং ব্ৰহ্ম, আনন্দাদ্ধ্যেৱ খল্বিমানি ভূতানি জায়ন্তে—ইত্যাদি) এই জড় জগতৰ প্ৰতিটো পদাৰ্থতেই 'চিৎ' স্বৰূপ অনুস্যূত। এই জড় জগতৰ প্ৰতিটো পদাৰ্থতেই যে সচ্চিদানন্দৰ আভাস আছে, সেইটো ঋষি জৈমিনিয়ে তেখেতৰ পূৰ্ব মীমাংসাদৰ্শনৰ 'অভিমানিব্যপদেশস্তু বিশেষানুগতিভ্যাম্' নামৰ সূত্ৰত ব্যক্ত কৰিছে। জগতৰ এনেকুৱা এটা বস্তু বাদ পৰা নাই যত পৰম সত্তাৰ স্পন্দন পৰা নাই। কীৰ্তন দশমত শ্ৰীমন্ত শঙ্কৰদেৱেও সেই সুৰতেই গাইছে—'ইটো জড় জগত চৈতন্য তুমি দেৱ'।

সেই সচ্চিদানন্দ পৰমব্ৰহ্ম সংসাৰৰ দোষ-গুণ আদিৰ ওপৰত। সেইবোৰে তেওঁক স্পৰ্শ কৰিব নোৱাৰে। ভাগৱতৰ দ্বিতীয়স্কন্ধত শঙ্কৰদেৱে গাইছে—'ময়ো সেহি মতে আছো জগতকে ব্যাপি। তাৰ দোষগুণে মোক নোছোৱে তথাপি॥" সেই সচ্চিদানন্দ, পৰমব্ৰহ্ম—গোটেই জগততে পৰিব্যাপ্ত ; কিন্তু এই পাৰ্থিৱ জগতৰ দোষগুণে তেওঁক স্পৰ্শ কৰিব পৰা নাই।

সেই আত্মা অজৰ, অমৰ ! ভাগৱতৰ দ্বাদশ স্কন্ধত এই ভাব পৰিস্ফুট হৈছে। "নাহি জন্ম পূৰ্বতো অদ্যাপি নোহো জাত। অজৰ অমৰ তুমি আত্মাতে সাক্ষাত॥" শ্ৰীমদ্ভগৱদ্ গীতাতো আত্মাক 'অজ' অৰ্থাৎ জন্মৰহিত বুলি কোৱা হৈছে।—'অজোনিত্যঃ শাশ্বতোঽয়ং পুৰাণঃ'। আত্মা জন্ম আৰু মৰণ ধৰ্মবৰ্জিত (জনম মৰণ একো নাহিকে আত্মাৰ'—দ্বাদশ)।

উপনিষদত 'অবিদ্যা' আৰু বিদ্যা'ৰ বিষয়ে বহুতো প্ৰৱচন শুনিবলৈ পোৱা যায়। অবিদ্যাৰ দ্বাৰা মৃত্যুক অতিক্ৰম কৰি, বিদ্যাৰ দ্বাৰা অমৃতত্ব লাভ হয়। ("অবিদ্যয়া মৃত্যুং তীৰ্ত্বা বিদ্যয়া ঽমৃতমশ্নুতে"—শ্ৰুতি)। মুণ্ডকোপনিষদত 'ঋক্, যজুঃ, সাম, অথৰ্ব আৰু বেদাঙ্গ আদি বিদ্যাক অবিদ্যা বুলি অভিহিত কৰা হৈছে আৰু যাৰ দ্বাৰা সেই অব্যক্ত, সনাতন পৰম সত্তাৰ অনুভৱ হয় তাকেই 'বিদ্যা' বুলি কোৱা হৈছে। উপনিষদত ঠায়ে ঠায়ে 'বিদ্যা' আৰু 'অবিদ্যা'ক 'পৰা' আৰু 'অপৰা' সংজ্ঞাৰেও বুজোৱা হৈছে। ছান্দোগ্যোপনিষদৰ সপ্তম অধ্যায়তো 'নাৰদ—সনৎকুমাৰ' সংবাদত পাৰ্থিৱ সকলো বিদ্যাকেই 'অপৰা' বিদ্যা বুলি কোৱা হৈছে। পুথিগত আক্ষৰিক জ্ঞানকেই 'অপৰা' বা 'অবিদ্যা' বুলি অভিহিত কৰিব পাৰি। আৰু শব্দজ্ঞানৰ অতীত আত্মজ্ঞান বা ব্ৰহ্মজ্ঞান যাৰ দ্বাৰা লাভ হয় তাকেই 'পৰা' বিদ্যা বোলা হয়। "অথ পৰীযয়া তদক্ষৰমধিগম্যতে"। সেই পৰা বিদ্যা লাভৰ বাবে 'ধ্যান' বো প্ৰয়োজন। সেই কাৰণেই বোধহয় বৃহদাৰণ্যকোপনিষদত কোৱা হৈছে—"আত্মা বা অৰে দ্ৰষ্টব্যঃ, মন্তব্যঃ নিদিধ্যাসিতব্যঃ" অৰ্থাৎ শ্ৰৱণ, মনন আৰু নিদিধ্যাসনৰ দ্বাৰাইহে পৰমতত্ত্ব সম্যক্ উপলব্ধি সম্ভৱপৰ হয়।

ঋষি অৰবিন্দই তেখেতৰ 'The Life Divine' নামৰ প্ৰখ্যাত গ্ৰন্থত 'বিদ্যা' আৰু 'অবিদ্যা'ৰ শুৱলা ব্যাখ্যা দাঙি ধৰিছে। তেখেতৰ মতে বিদ্যা (The knowledge of oneness) হৈছে একত্বানুভূতিৰ জ্ঞান আৰু অবিদ্যা হৈছে জ্ঞানৰ বহুত্ব (Multiple of consciousness)। অবিদ্যাৰ আৱৰ্ত্তত পৰি মনুষ্যই বাৰে বাৰে পৃথিৱীৰ বুকুত জন্ম লয় আৰু বিদ্যাৰ সহায়ত পৰম ব্ৰহ্মতে বিলীন হয়। বিদ্যাৰ দ্বাৰা যি জ্ঞানৰ স্ফুৰণ ঘটে, তাৰ দ্বাৰাই তাৰ ব্ৰহ্মত্ব প্ৰাপ্ত হয়, পুনৰ্জন্ম নহয় 'ব্ৰহ্মবিৎ ব্ৰহ্মৈৱ ভৱতি' এই শ্ৰুতি-প্ৰৱচন ইয়াৰ প্ৰমাণ। 'নিমিনৰসিদ্ধ'তো কোৱা হৈছে যে অবিদ্যাই মানৱৰ পুনৰ্জন্মৰ ঘাই কাৰণ। যেতিয়ালৈকে মানৱৰ হৃদয়ৰ 'বিদ্যা'ৰ পৰমজ্ঞানৰ চাকি প্ৰজ্বলিত নহয়, তেতিয়ালৈকে অবিদ্যাৰ ফল ভোগ কৰিবলগীয়া হয়। ('সিকালতো থাকয় অবিদ্যা বিদ্যমান'—নিমিনৰসিদ্ধ)। যেতিয়া বিদ্যাৰ সহায়ত অপৰোক্ষানুভূতি বা স্বানুভূতি ওপজে তেতিয়া শ্ৰেয়. লাভ হয় আৰু প্ৰেয়ৰ স্পৃহা বিদূৰিত হয় ! নচিকেতাই শ্ৰেয়ক পাবলৈ বা উপলব্ধি কৰিবলৈ গৈ জাগতিক প্ৰেয়



সম্পদাদিক কাতি কৰি থলে। ব্ৰহ্মৰ আৰাধনাত প্ৰেয় বা কামনা বাধাস্বৰূপ, সেয়েহে শঙ্কৰদেৱে 'অথিৰ ধন-জন, জীৱন-যৌৱন' বুলি কৈছে। ধন-জন জীৱন-যৌৱন এইবোৰ তেনেই ক্ষন্তেকীয়া। এই নশ্বৰ বস্তুৰ প্ৰতি স্পৃহা থাকিলে শাশ্বত সনাতনৰ সাধনা হব নোৱাৰে।

বিদ্যাৰ সহায়ত ধ্যাতাৰ মনত 'সোঽহম্', 'অহং ব্ৰহ্মাস্মি' এই অনুভূতিৰ উদয় হয় আৰু তেতিয়াই তেওঁৰ মনৰ পৰা ভয় বিদূৰিত হয়। তেতিয়া তেওঁ তীৰ্থ, স্নান, জ্ঞান, বন্ধ, পাপ, পুণ্য, জন্ম আদিৰ বহু ওপৰত অৱস্থান কৰে—অৰ্থাৎ এনেবোৰত তেওঁ সীমিত হৈ নাথাকে। (ন মে তীৰ্থং ন মে স্নানং ন মে সেৱা, ন মে জ্ঞানং, ন মে পদম্। ন মে বন্ধঃ, ন মে জন্ম ন মে বাক্যং ন মে ৰবিঃ॥ ন মে পুণ্যং ন মে পাপং ন মে কাৰ্যং ন মে শুভম্। ন মে জীৱ ইতি স্বাত্মা ন মে কিঞ্চিজ্জগৎত্ৰয়ম্॥ (তেজোবিন্দুপনিষদ—৪।১৩-১৪)। এই অনুভূতিক জীৱব্ৰহ্ম—ঐক্য বোলা হয়। এই প্ৰপঞ্চময় জগতৰ উৎপত্তিৰ পূৰ্বে আত্মাই কেৱল বিদ্যমান আছিল। তেওঁ প্ৰয়াস কৰিলে সৃষ্টিৰ (ওঁ আত্মা বা ইদমেক এবাগ্ৰ আসীৎ। নান্যৎকিঞ্চন মিষৎ। স ঈক্ষত লোকান্নু সৃজা ইতি'—ঐতৰেয়োপনিষদ—১।১।১)। সৃষ্টিৰ আদিতে সেই আত্মা অব্যাকৃত অৱস্থাত আছিল। 'অব্যাকৃত ব্ৰহ্ম'ক অসৎ অৰ্থাৎ অব্যাকৃত সৎ বা অব্যক্ত সৎ' বুলি কোৱা হৈছে। গীতাতো কোৱা হৈছে যে অসতৰ পৰা কোনো বস্তুৰ উৎপত্তি সম্ভৱ নহয় আৰু সতৰ কেতিয়াও অভাৱ নহয়—অৰ্থাৎ সৎ যিটো সেইটো সদায় থাকিব, তাৰ ধ্বংস নহয়। ('নাসতো বিদ্যতে ভাৱঃ নাভাৱো বিদ্যতে সতঃ'—গীতা)। গীতাত আৰু স্পষ্ট ভাষাত ভগবান শ্ৰীকৃষ্ণই অৰ্জ্জুনক কৈছে যে—'হে অৰ্জ্জুন তুমি নাভাবিবা যে জন্মৰ আদিত আমি নাছিলোঁ, আৰু তুমি নাভাবিবা যে ইয়াৰ পাছত অৰ্থাৎ মৃত্যুৰ পাছত আমি নাথাকিম'।—('নত্বেৱাহং জাতু নাসং ন ত্বং নেমে জনাধিপাঃ॥ ন চৈৱ ন ভৱিষ্যামঃ সৰ্বে বয়মতঃপৰম্'—গীতা—২।১২)। ইয়াৰ তাৎপৰ্য্য এয়ে যে জন্মৰ আগতেও আমাৰ আত্মা আছিল আৰু মৃত্যুৰ পাছতো আত্মা বিদ্যমান থাকিব। আত্মা শাশ্বত, অবিনশ্বৰ, অদৃশ্য। 'সৎ' 'চিৎ' আনন্দস্বৰূপ আত্মাৰ প্ৰকাশ বিভিন্ন বস্তুৰ মাধ্যমেৰে উপলব্ধি হয়। এই বিশ্বব্ৰহ্মাণ্ড, বিশ্ব, অণ্ড, পিণ্ড আদি সকলোতে আত্মা বিদ্যমান।—('চৈতন্যং খেলতি অণ্ডে, খেলতি পিণ্ডে, খেলতি ব্ৰহ্মাণ্ডে')! সেই আত্মা এক, অদ্বিতীয়। সেই অদ্বিতীয় আত্মাই বহুৰূপে প্ৰকাশ পাবলৈ প্ৰয়াস কৰিলে—('তদৈক্ষত বহুস্যাং প্ৰজায়েয়'; 'একোঽহং বহুস্যাম্")। অগ্নি যেনেকৈ ভূলোকত প্ৰৱেশ কৰি ৰূপ-প্ৰতিৰূপ ধাৰণ কৰিলে আত্মাও তেনেকৈ বিভিন্ন ৰূপেৰে প্ৰকাশ পালে। ('অগ্নিৰ্যথৈকো ভুৱনং প্ৰবিষ্ট ৰূপং ৰূপংপ্ৰতিৰূপো বভূৱ'—কঠোপনিষদ)। সেই আত্মাই প্ৰপঞ্চ জগতৰ সৃষ্টি কৰিলে। আৰু তাতেই তেওঁ প্ৰৱেশ কৰিলে (তৎসৃষ্ট্বাৰ তদেবানুপ্ৰাবিশৎ—)। কিন্তু এই পাৰ্থিৱ ভোগাদিৰ প্ৰতি তেওঁ তেনেই উদাসীন, নিৰ্বিকাৰ আৰু নিৰ্লিপ্ত। মাধৱদেৱে সেই পৰম সত্তাৰ অনুভূতিৰে উদ্বেলিত হৈ গাইছে। "প্ৰজিয়া জগত সদা থাকা তাতে অতি উদাসীন ভাৱে"। শ্ৰীমন্ত শঙ্কৰদেৱেও পৰমসত্তা সকলোৰে হৃদয়ত বিদ্যমান বুলি কৈছে, 'সমস্ত ভূতৰে তুমি আছা হৃদয়ত'। যেতিয়া স্বানুভূতিৰ সঞ্চাৰ হয় তেতিয়া জীৱন মধুময় হৈ উঠে। জীৱাত্মাৰ মাজতেই অদৃশ্য অচিন্ত্য, অবিকাৰ্য পৰমসত্তাৰ ধ্বনি শুনিবলৈ পায়। কবীন্দ্ৰ ৰবীন্দ্ৰনাথ ঠাকুৰেও তেখেতৰ মনৰ আনন্দত গাইছে—('আমাৰ মধ্যে তোমাৰ প্ৰকাশ তাই এত মধুৰ')। ইয়াত 'আমাৰ' শব্দৰ দ্বাৰা জীৱাত্মা আৰু 'তোমাৰ' শব্দৰ দ্বাৰা পৰমাত্মা অনুবোধিত হৈছে। সেই একৰ অনুভূতি হলে এই প্ৰপঞ্চ গোটেইবোৰ জ্ঞাত হৈ পৰে—('একবিজ্ঞানেন সৰ্ববিজ্ঞানম্, তস্মিন্ জ্ঞাতে সৰ্বমিদং বিজ্ঞাতং ভৱতি'—ছান্দোগ্যোপনিষদ)।

য'ৰ পৰা জগতৰ উৎপত্তি আৰু য'ত জগতৰ লয়

সেই পৰম ব্ৰহ্ম পৃথিৱীৰ সকলোতে ওতপ্ৰোতৰূপে বিৰাজিত, এনে একখণ্ড ঠাই নাই য'ত তেওঁৰ সত্তাৰ অৱস্থিত নাই। ঋগ্‌বেদৰ 'অধঃ স্বীদাসীদ্ উপৰি স্বীদাসীৎ'—এই মন্ত্ৰত পৰম ব্ৰহ্মৰ সৰ্বব্যাপিত্ব প্ৰতিপাদিত হৈছে। মুণ্ডকোপনিষদৰ দ্বিতীয় মুণ্ডকৰ বাৰ নম্বৰ মন্ত্ৰতো কোৱা হৈছে যে—ব্ৰহ্মই সকলো, ব্ৰহ্মই অমৃত, সন্মুখৰ ফালে, পাছফালে, দক্ষিণ আৰু উত্তৰ দিশত, অধঃ আৰু উৰ্দ্ধ আদি সকলোতে তেওঁৰ অৱস্থিতি, তেওঁৰ দ্বাৰা গোটেই বিশ্ব পৰিপূৰ্ণ—( "ব্ৰহ্মৈবেদমমৃতম্, পুৰস্তাদ্‌ব্ৰহ্ম পশ্চাদ্‌ব্ৰহ্ম দক্ষিণতশ্চোত্তৰেণ। অধশ্চোৰ্দ্ধঞ্চ প্ৰসৃতং ব্ৰহ্মৈবেদং বিশ্বমিদং বৰিষ্ঠম্"—মুণ্ডকোপনিষদ—২।১২)। শঙ্কৰদেৱৰ ভাষাতো ব্ৰহ্মৰ সৰ্বব্যাপিত্ব প্ৰকাশ পাইছে। তেওঁ কৈছে যে সকলো প্ৰাণীতেই পৰম সত্তা বিয়পি আছে, তেওঁ ভিতৰে বাহিৰে ওতপ্ৰোতভাৱে বিৰাজিত—( 'সমস্ত প্ৰাণীক ব্যাপি আছাহা অনন্ত। বাহিৰে ভিতৰে সমস্ততে ভগৱন্ত'—কুৰুক্ষেত্ৰ—২৪৮ )। ঈশোপনিষদতো পৰম সত্তাৰ সৰ্বব্যাপিত্ব সুৰলা ভাষাৰে প্ৰকাশ পাইছে—'তদন্তৰস্য সৰ্বস্য তদু সৰ্বস্যাস্য বাহ্যতঃ'—ঈশোপনিষদ—৫ )। অৰ্থাৎ এই ব্ৰহ্ম সকলোৰে ভিতৰত আৰু বাহিৰত ( Immanent and Transcendent)।

একশৰণ ধৰ্মই শঙ্কৰদেৱৰ ধৰ্মৰ মূল বাণী। গীতাত যেনেকৈ ভগবান শ্ৰীকৃষ্ণই 'সৰ্বধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ। অহং ত্বাং সৰ্ব পাপেভ্যো মোক্ষয়িষ্যামি মাশুচঃ" বুলি কৈছে, তেনেকৈ শঙ্কৰদেৱেও ভগৱান শ্ৰীকৃষ্ণৰ চৰণযুগলতেই কায়মনোবাক্যে শৰণ লবলৈ ভক্তবৃন্দক উপদেশ দিছে। শ্ৰীমন্ত শঙ্কৰদেৱে—শ্ৰীকৃষ্ণৰ দিব্য ৰূপ বেদ, বেদান্তবিহিত বুলি অভিহিত কৰিছে। সেই কাৰণেই অলৌকিক, ব্ৰহ্মস্বৰূপ শ্ৰীকৃষ্ণৰ নাম জপিবলৈ ভক্তবৃন্দক উপদেশ দিছে। 'মহানাৰায়ণোপনিষদ', 'ৰামৰহস্যোপনিষদ" ইত্যাদিত যেনেকৈ নাৰায়ণ, ৰাম আদিৰ মাজেৰেই ব্ৰহ্মস্বৰূপ প্ৰকাশ পাইছে, তেনেকৈ শ্ৰীমন্ত শঙ্কৰদেৱৰ মৌচাক স্বৰূপ কীৰ্তন-দশমৰ মাজতো শ্ৰীকৃষ্ণৰ নাম-জপৰ মাধ্যমেৰে সেই অদ্বিতীয় ( 'একমেৱা-দ্বিতীয়ম্' ) পৰম সত্তাৰ স্বৰূপ ৰূপায়িত হৈছে। সেই ফালৰ পৰা কীৰ্তনক আমি কৃষ্ণৰ চৰিত্ৰৰ মাজেৰে ব্ৰহ্মৰসসিক্ত দ্বিধাৰহিত অদ্বৈতমত প্ৰকাশক উপনিষদ বুলিও ভাবিব পাৰোঁ। তেওঁৰ মতে অকল শ্ৰীকৃষ্ণৰ নাম জপেই মোক্ষদায়ক। জগত, পুত্ৰ, পৌত্ৰাদি সকলো শঙ্কৰদেৱৰ মতে অসাৰ, কেৱল কৃষ্ণৰ নাম জপেই ভৱ নদীৰ তৰণি-স্বৰূপ একমাত্ৰ সাৰবস্তু। ব্ৰহ্মাদ্বৈতবাদৰ প্ৰবৰ্ত্তক শ্ৰীশঙ্কৰাচাৰ্যৰো তেনেকুৱা অনুভৱ হৈছিল। "কা তব কান্তা, কস্তে পুত্ৰঃ"—অৰ্থাৎ তোমাৰ পত্নীয়েৰাই বা কোন আৰু তোমাৰ পুত্ৰই বা কোন? তেনেকুৱা অনুভূতি মহাপুৰুষজনাৰ হৃদয়তো উদয় হৈছিল আৰু তাৰ প্ৰকাশ হৈছে—'কীৰ্তন-দশম'।

# পোৱা পুথিৰ চিনাকি

( এই শিতানত আমাৰ হাতত পৰা কিতাপৰ চমু আলোচনা দুই এটিকৈ আগবঢ়োৱা হ'ব। পুথিৰ চিনাকিৰ কাৰণে দুকপিকৈ গ্ৰন্থ পত্ৰিকা সম্পাদকলৈ পঠিয়াব লাগে।—পত্ৰিকা সম্পাদক )

## কামৰূপ ৰত্নমালা

সম্পাদনা : অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্মা

প্ৰকাশক : ৰাধা প্ৰকাশন, দশম ভৱন, গুৱাহাটী-৮

পৃষ্ঠা—১৮৬ + জ

দাম—পাঁচ টকা

বহুতে আক্ষেপ কৰে যে অসমীয়া সাহিত্যত জনচনো নাই, বচ'ৰেলো নাই। কথাষাৰ সঁচা; কিন্তু তাৰ বাবে আমাৰ কৰিব লগীয়াও বহুত আছে। মহৎ লোক আৰু মহৎ সাহিত্য প্ৰকৃততে জন্মেহে, তাক তৈয়াৰ কৰিব নোৱাৰি। সৃষ্টিৰ এই ৰহস্য স্বীকাৰ কৰিলৈও মানুহে নিজৰ মনোবল আৰু কৰ্মশক্তিৰ সুপৰিচালনা কৰি যিখিনি কাম সম্পন্ন কৰিব পাৰে সেয়ে নিজৰ আৰু নহৰ জীৱন ধন্য কৰি তুলিবলৈ যথেষ্ট হয় আৰু জাতি গঠনৰ মহান দায়িত্ব পালনৰ ক্ষেত্ৰত প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে নিজ নিজ বৰঙণি আগবঢ়াবলৈ সক্ষম হৈ উঠে। যি সমাজৰ বুনিয়াদ এই দায়িত্ববোধ আৰু কৰ্তব্য-পৰায়ণতাৰ ওপৰত প্ৰতিষ্ঠিত সেই সমাজতে জনচন-বচ'ৰেলৰ নিচিনা মণি-কাঞ্চনৰ সংযোগ হয়। যি জাতিৰ অতীত অন্ধকাৰ তাৰ ভৱিষ্যতো অনিশ্চিত। যি সমাজ ভৱিষ্যতৰ প্ৰতি উদাসীন সেই সমাজ বৰ্তমানৰ প্ৰতিও নিৰ্বিকাৰ।

অসমীয়া জাতিৰ ভূত, ভৱিষ্যত আৰু বৰ্তমানৰ কথা চিন্তা কৰিয়ে আৰু জাতীয় জীৱনৰ নৈৰাশ্য আৰু হতাশা আংশিক পৰিমাণে হলেও দূৰ কৰাৰ উদ্দেশ্যে কামৰূপ সাহিত্য পৰিষদে "কামৰূপ ৰত্নমালা" প্ৰকাশৰ পৰিকল্পনা গ্ৰহণ কৰিছে। আজি কামৰূপ, কালিলৈ গোৱালপাৰা, পৰহিলৈ লখীমপুৰ, এঠাইত সুহুঁৰি মাৰিলে আন ঠাইতো

গুণ-গুণনি উঠে। আঞ্চলিক ভিত্তিত অধ্যয়ন, আলোচনা আৰু সংৰক্ষণৰ কাম আৰম্ভ হলে এদিন হয়তো গোটেই অসমৰে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান সমূহে এনেকুৱা কামত হাত দিব আৰু ফলত অসমৰ জাতীয় জীৱনৰ বিস্তৃত ইতিহাস ৰচনা কৰাৰ বাট সুগম হৈ উঠিব, এয়ে আশা। ইয়াৰে ফল স্বৰূপে "কামৰূপ ৰত্নমালা"ৰ প্ৰথম খণ্ড প্ৰকাশিত হৈ ওলাইছে। কিতাপৰ "আগকথাত" আশাতীতৰূপে আশাবাদী সভাপতি শ্ৰীগিৰিধৰ শৰ্মাদেৱে লিখিছে, "যি সকলে আমাৰ দেশৰ, আমাৰ তথা আমাৰ সমাজৰ বিভিন্ন প্ৰকাৰে সেৱা কৰি গৈছে, সেই সকলৰ প্ৰতি শ্ৰদ্ধা দেখুৱাই সমাজত তেওঁলোকৰ স্মৃতি জাগৰূক কৰি ৰাখিলে পৰৱৰ্তী কালতো তেনেকুৱা সেৱক আৰু সাধকৰ সৃষ্টি হোৱাৰ আশা কৰিব পাৰি। ইয়ে মানুহক নিস্বাৰ্থ কাম কৰাৰ প্ৰেৰণা দিয়ে আৰু জাতিৰ পক্ষে ই অতি মঙ্গলদায়ক।" সম্পাদনা সমিতিৰ তৰফৰ পৰা অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে তেখেতৰ স্বভাৱ সুলভ বিনয় আৰু কৌতুক মিহলি কথাৰে কৈছে, 'পিচে প্ৰস্তাৱ এটা গ্ৰহণ কৰা যিমান উজু, তাক কাৰ্য্যকৰী কৰাটো সিমান টান।...তথাপি শুভমুৰ যাত্ৰা বুলি কৰে বিধাতা বুলি কামত হাত দিলোঁ। খৰখেদাকৈ হাকুটি জোৰাই যি কেইটা প্ৰবন্ধ পোৱা গায় তাৰেই গ্ৰন্থৰ প্ৰথম বস্তু উলিয়াই দিবলৈ চেষ্টা চলালোঁ আৰু তাৰ ফলত মুৰামুৰিকৈ হলেও জোখাৰে যোগাৰ হ'ল; দুই চাৰিটা দ্বিতীয় খণ্ডলৈ ৰাহিও থাকিল।" আমি ভাবোঁ প্ৰবন্ধ সংগ্ৰহৰ নিচিনা দুৰূহ কাম এটা ইমান কম সময়ৰ ভিতৰতে সুপৰিকল্পিত ভাবে সমাধা কৰি সম্পাদনা সমিতিয়ে কৰ্ম-কুশলতাৰ পৰিচয় দিছে।

কামৰূপ পুৰাণ-প্ৰসিদ্ধ ঠাই। আবহমান কালৰেপৰা কত যোগী-ঋষিয়ে এই ঠাইতে জ্ঞান-বিজ্ঞানৰ চৰ্চা কৰি গ'ল তাৰ খতিয়ান সময়ৰ বুকুতে লীন হৈ গ'ল। সৌভাগ্যৰ কথা যে, নীলাচলৰপৰা সন্ধ্যাচললৈ, অশ্বক্ৰান্তৰপৰা শুক্ৰেশ্বৰলৈ বা বশিষ্ঠাশ্ৰমৰপৰা নৱগ্ৰহলৈ এই পূত-পবিত্ৰ পীঠস্থানসমূহ আজিলৈকে কোনো ভৌগোলিক বা ভূতাত্ত্বিক বিপৰ্যয়ৰ সন্মুখীন হবলগীয়া হোৱা নাই; আৰু সেই কাৰণেই এই কৌটিকলীয়া কীৰ্তিচিনসমূহ আজিও বিলুপ্ত হৈ যোৱা নাই। ভাব হয় যে দূৰ ভৱিষ্যতৰ কোনোবা মাহেন্দ্ৰ ক্ষণত কোনো এক ৰূপদক্ষ ভাস্কৰৰ হাতত কামৰূপৰ অতীত গৌৰৱৰাশি পুনৰ সঞ্জীৱিত হৈ উঠিব—মহাদেৱৰ কোপানলত ভস্মীভূত হোৱা কামদেৱে পুনৰ্জীৱন লাভ কৰাৰ দৰে। দূৰ অতীতৰ কথা বাদ দিলেও আজি প্ৰায় এযুগ আগৰ কথাকে আমাৰ মাজত এশ বছৰ আগৰ কথা যেন লগা হৈছে। অসমৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ হলিৰাম ডেকাৰ মৃত্যু হোৱাৰ মাত্ৰ দহ বছৰ হ'ল। তেখেতৰ নিচিনা সভা-শুৱনী, বাকচতুৰ, বুদ্ধিদীপ্ত মনৰ মানুহ যি কোনো সমাজতে পাবলৈ টান। তেখেতৰ হাস্যৰসিক গল্পসমূহ "আৱাহন"ৰ প্ৰাণ স্বৰূপ আছিল। "চিত্ৰসেন যথবীয়া"ৰ উপনামত তেওঁ "আৱাহন"ৰ সংখ্যাই সংখ্যাই যি "আত্মবিবৃতি" লিখি থৈ গৈছে সি অসমীয়া সাহিত্যত বসৰাজ বেজবৰুৱাৰ কৃপাবৰী ধাৰা অব্যাহত ৰাখিছে। হৰিনাৰায়ণ দত্তবৰুৱাই কেনেকৈ আশাশুধীয়া ভাবে কিতাপৰ ব্যৱসায়ত হাত দি পাঠ্যপুথিৰপৰা অসমীয়া মহাভাৰত, শ্ৰীমদ্ভাগৱতলৈকে সকলোধৰণৰ কিতাপ প্ৰকাশ কৰাৰ গুৰুভাৰ বহন কৰি দেশমাতৃৰ মুখ উজ্জ্বল কৰিছিল তাক অসমীয়া জাতিয়ে সদায় কৃতজ্ঞতাৰে স্বীকাৰ কৰিব লাগিব। অসমৰ শিক্ষা, সাহিত্য আৰু সাংস্কৃতিক নৱজাগৰণৰ ক্ষেত্ৰত শৰৎ চন্দ্ৰ গোস্বামীৰ যি অবিহণা তাক সময়ে (অকৃতজ্ঞতাৰ কাৰণে) মুই কৰিব পাৰে; কিন্তু ম্লান কৰিব নোৱাৰে। শ্বেকছ্পিয়েৰৰ কথাৰে কবলৈ হলে, গোস্বামীৰ অশৰীৰী আত্মাই যেন শ্বেকছ্পিয়েৰৰ ভাষাৰে কৈছে, "মই ভাঙি পৰিব পাৰোঁ, কিন্তু আঁঠু লব নোৱাৰোঁ" ("I will break, but I will not bend." শিক্ষক ধনেশ্বৰ শৰ্মাৰ তলত যি সকল ছাত্ৰই পঢ়া শুনা কৰাৰ সুযোগ পাইছিল তেওঁলোকে এই শিক্ষকজনৰ অসীম নিষ্ঠা আৰু গভীৰ জ্ঞানৰ কথা





কেতিয়াও পাহৰিব নোৱাৰে। লগতে, তেওঁ অভিনয়ৰ উপযোগীকৈ অসমীয়া নাটক ৰচনা কৰি অসমীয়া নাট্য সাহিত্যৰ আৰু মঞ্চ অভিনয়ৰ বিবৰ্ত্তনত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। সময়ৰ লগে লগে বিভিন্ন ক্ষেত্ৰত এই নিচিনা কৃতী পুৰুষসকলৰ যশমান লোপ পাওঁ পাওঁ হৈছে। তাৰে অন্ততঃ একৈশজন পুৰুষৰ থলুৱা জীৱন কাহিনী 'কামৰূপ ৰত্নমালা'ৰ ১ম খণ্ডত প্ৰকাশ হৈ ওলোৱাটো বৰ সুখৰ কথা। এনেকুৱা আৰু বহুলোকৰ কাহিনী সময়ৰ বোৱতী সুঁতীয়ে ধুই নৈ যোৱাৰ আশঙ্কাই দেখা দিছে। মহামহোপধ্যায় ধীৰেশ্বৰাচাৰ্যৰপৰা আৰম্ভ কৰি দৰ্শনৰ সুপণ্ডিত প্ৰথম শাৰীৰ বুদ্ধিজীৱী ভবানন্দ দত্তলৈকে এই জ্ঞানদীপ্ত প্ৰতিভাশালী ব্যক্তিসমূহৰ জীৱন কাহিনী যিমান সোনকালে উদ্ধাৰ কৰিব পাৰি সিমানেই মঙ্গল।

ৰত্নমালা গহীণ শাস্ত্ৰ। ব্যাকৰণৰ মূল। এই নামটোৱে "অকাৰাদি ক্ষ কাৰান্ত বৰ্ণমালা"ৰ কথা মনত পেলাই দিয়ে। "কামৰূপ ৰত্নমালা"ৰ পৰিসৰ অৱশ্যে কিমান বহল হয় কব নোৱাৰি; তথাপি আমাৰ এষাৰ কথা আছে, "বৰি মাটিৰ কালা, কোবাই ধোৱাই যি পালা।" সাগৰৰ তলিত কিমান মাণিক পৰি থাকে তাৰ ইয়ত্তা নাই; জালুৱৈৰ জালত তাৰে যি দুই চাৰিটা ধৰা দিয়ে সেয়ে বহুত। প্ৰথম খণ্ড "ৰত্নমালা"ই যে পাঠকৰ সন্মুখত একৈশজন মানুহৰ জীৱন কাহিনী উপস্থাপিত কৰিব পাৰিছে সেয়ে বৰ আনন্দৰ বিষয়। প্ৰবীণ-নবীন ছয়ো চাম লেখকৰ ৰচনাই ইয়াৰ সৌষ্ঠৱ বঢ়াইছে। ৰচনাসমূহ বেলেগ বেলেগ দৃষ্টি কোণৰ পৰা সংগৃহীত হৈছে। মীৰা জেলিলে দেউতাক মৌলানা তৈয়াবুল্লাৰ ৰাজনৈতিক জীৱনৰ অন্তৰালত লুকাই থকা সুকোমল ভাবৰাশিয়ে কেনেকৈ অন্তঃসলিলা ফল্গু দৰে তেওঁৰ "কাৰাগাৰৰ চিঠিত" ধৰা দিছিল সেই কথাৰ বিচাৰ কৰিছে। মঞ্জুমালা দাসে শহুৰেক হৰমোহন দাসৰ জীৱনী আলোচনা কৰি দেখুৱাইছে কেনেকৈ তেওঁ "জীৱনৰ প্ৰতিটো কাম ঘড়ীৰ কাটা ধৰি" কৰিব পাৰিছিল। প্ৰফুল্ল দত্ত গোস্বামীয়ে দেখুৱাইছে কেনেকৈ দেউতাক সিংহ দত্ত দেৱ অধিকাৰীয়ে "দেড় কুৰি বছৰীয়া চমু জীৱনতে...গাওঁৰ পৰা ওলাই আহি চহৰত খোপনি পুতি লৈ জাতীয় জীৱন নিয়ন্ত্ৰণ কৰিবলৈ" সমুচিত ৰঙণি যোগাইছিল। কিতাপৰ অইন এটা অংশত আমি ঘৰুৱা পৰিবেশৰ পৰা বাহিৰ ওলাই আহি মুকলিভাবে পৰিচিত জনৰ মুখত গুণী পুৰুষসকলৰ গুণ গান শুনিবলৈ পাইছোঁ। উদাহৰণ স্বৰূপে গিৰিধৰ শৰ্মাই হলিৰাম ডেকাৰ, অতুল চন্দ্ৰ হাজৰিকাই দৈৱ তালুকদাৰৰ, আৰু হেমন্ত শৰ্মাই গৌৰী তালুকদাৰৰ জীৱনী আলোচনা কৰিছে। কিতাপখনৰ আটাইতকৈ আকৰ্ষণীয় কাহিনীটো হ'ল পুৰণি "মিলন"ৰ পাতৰ পৰা বুটলি উলিওৱা জ্ঞানদাভিৰাম বৰুৱাৰ হাতৰ লেখনি। লিখিছে (লিখিছিলে!) ৰাধিকাৰাম ঢেকিয়াল ফুকনৰ বিষয়ে। জীৱন বৃত্তান্ত (memoirs) কিমান ৰসাল আৰু হৃদয়গ্ৰাহী হব পাৰে তাৰে ই এক উজ্জ্বল চানেকি। জ্ঞানদাভিৰাম বৰুৱা ভোলানাথ পুৰুষ। সোণ বৰণীয়া দেহ, মৌ বৰষা মাত। নিৰ্ম্মল অন্তৰ। নিভাঁজ মৰম। যেনে মানুহ তেনে কাম। ঢেক-ঢকাই হাঁহিব পাৰে, হুহুৱাব পাৰে। ফেকুৰি ফেকুৰি কান্দিব পাৰে, কন্দুৱাব পাৰে। তেওঁৰ কথাৰ সাবলীল গতি। স্মৃতিৰ মধুৰ পৰশ। আঁত নলগা বাক্য-বিন্যাস। হিলদল ভাঙি অহা শব্দৰ সম্ভাৰ। লানি নিচিঙা ঘটনা-প্ৰবাহ আৰু আপোন্ ভুলা যোজনা আৰু পটন্তৰ। কথাই কথাই স্বকীয় সৃষ্টি ধৰ্মী ব্যক্তিত্বৰ স্ফুৰণ। এই সকলোবোৰ গুণৰ সমাবেশে ৰচনাখনক এটি আপোন সুৰ (A note of intimacy) আৰু মাধুৰ্য্য গুণ দান কৰিছে। অসমীয়া গদ্য ৰীতি আৰু জীৱন বৃত্তান্তৰ ই এটি উৎকৃষ্ট নিদৰ্শন। ৰচনা মাত্ৰেই সাহিত্য নহয়। কিন্তু সামাজিক প্ৰস্তুতিৰ আৱশ্যকতাৰ পিনলৈ চাই "কামৰূপ ৰত্নমালা"ৰ উত্তৰোত্তৰ খণ্ড সমূহৰ প্ৰতি ৰাইজে আগ্ৰহেৰে বাট চাই থাকিব।

তদুপৰি অসমৰ আন আন জিলা বা মহকুমাৰপৰা এনে-ধৰণৰ ৰত্নমালা সংগৃহীত সম্পাদিত হৈ ওলালে আৰু আনন্দৰ কথা হ'ব।

শ্ৰীকমলেশ্বৰ শৰ্মা

## আধুনিক অসমীয়া গল্প-সংগ্ৰহ

সংকলন আৰু সম্পাদনা : ত্ৰৈলোক্যনাথ গোস্বামী
প্ৰকাশক : সাহিত্য একাদেমী, পৃষ্ঠা ৩৪৪ দাম দহটকা।

অসমীয়া গল্প সংগ্ৰহৰ প্ৰচেষ্টা নতুন নহয়। পুৰণি। ইয়াৰ আগতে দুই-এখন গল্প সংগ্ৰহ প্ৰকাশ হৈছিল। ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাৰ দৰে লোকেও এনে সংগ্ৰহ পোহৰলৈ উলিয়াইছিল। তথাপিও বৰ্ত্তমান সংগ্ৰহটিৰ এক সুকীয়া মূল্য আছে। আধুনিক অসমীয়া গল্প সাহিত্যৰ বিষয়ে সমালোচনাৰ মৌলিক গ্ৰন্থ লিখি সাহিত্য একাডেমিৰ বঁটা পোৱা শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীৰ দেৱৰ সংগ্ৰহ বাবেই নহয়, এজন প্ৰতিষ্ঠিত গল্প-লেখকৰ দ্বাৰা নিৰ্বাচিত সংগ্ৰহ-ৰূপেও ইয়াৰ গুৰুত্ব অপৰিসীম।

সৰ্বাচলতে সংগ্ৰহ আৰু সম্পাদনা কাৰ্য সহজ নহয়। সংগ্ৰাহকৰ ব্যক্তিগত ৰুচি-অভিৰুচি আৰু মূল্যায়ন ক্ষমতাৰ ওপৰত একোটি সংগ্ৰহৰ মূল্য নিৰ্ভৰ কৰে। ব্যক্তিগত ৰুচিয়ে নিৰ্বাচিত গল্পসমূহৰ মাজত কেনেদৰে পাৰ্থক্য আনিব পাৰে তাৰ প্ৰমাণ ডঃ বৰুৱাৰ সংগ্ৰহ আৰু আলোচ্য সংগ্ৰহেই সাৰ্থকভাৱে দাঙি ধৰিব।

অসমীয়া গল্প-সাহিত্যৰ ইতিহাস বৰ পুৰণি নহয়। লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত অসমীয়া চুটি গল্পৰ জন্ম। বিশালতা আৰু গভীৰতাৰ দিশৰ পৰা অসমীয়া চুটি গল্পই সৰ্ব-ভাৰতীয় সাহিত্যৰ লগত সমানে ফেৰ মাৰিব পাৰে। সমকালীন অসমীয়া সাহিত্যৰ কবিতাইহে মাথোন গল্প—সাহিত্যৰ দৰে এনে দাবী কিছু কৰিব পাৰে বুলি মোৰ বিশ্বাস।

'আধুনিক অসমীয়া গল্প সংগ্ৰহ'ত মুঠতে আঠাইশ গৰাকী কম-বেছি সুপ্ৰতিষ্ঠিত গল্পকাৰৰ গল্প আছে। ঐতিহাসিক দৃষ্টিকোণৰ প্ৰতি লক্ষ্য ৰাখি সময়ৰ ওপৰত গুৰুত্ব দি গল্প লেখকৰ বয়স অনুযায়ী গল্পবোৰ সজোৱা হৈছে। এনে কৰাৰ ফলত অসমীয়া গল্পৰ ঐতিহাসিক বিবৰ্ত্তনৰ ধাৰা বুজাত সহায়ক হব। কিন্তু গল্পবোৰৰ ৰচনা-কাল নিদিয়া বাবে যুগ-প্ৰভাৱে আমাৰ গল্পৰ আঙ্গিকত অনা পৰিবৰ্ত্তনৰ কথা অনুধাৱন কৰাত কিছু বাধাৰ সৃষ্টি কৰিব কৰিব পাৰে বুলি আশংকা হয়।

সংগ্ৰাহক গোস্বামী নিজে সমাজ সচেতন লেখক। সেইবাবেই বোধকৰো সংগ্ৰহৰ বাছনিত উঠা গল্পবোৰো কল্পনা-বিলাস আৰু আবেগ উচ্ছ্বাস-বৰ্জিত। সৰু সৰু মানুহৰ প্ৰতি থকা সহানুভূতি, মানবীয় উজ্জ্বল দিশ আদি গল্পবোৰত স্পষ্ট ৰূপত প্ৰতিভাত হৈছে। বেজবৰুৱাৰ "ভদৰী" নাই যদিও "জয়ন্তী" আছে, ৰাধিকামোহন গোস্বামীৰ 'ষ্টেট ট্ৰেন্সপোৰ্ট' নাই যদিও "চক্ৰবাত" আছে। অৱশ্যে "ষ্টেট ট্ৰেন্সপোৰ্ট" তকৈ 'চক্ৰবাত'ৰ চৰিত্ৰ চিত্ৰন কিছু দুৰ্বল। বীৰেন্দ্ৰ ভট্টাচাৰ্যৰ 'মিগ্ৰা থনচুৰ', হোমেন বৰগোহাঞিৰ "শিশুৰ হাঁহি" লক্ষ্মীনন্দন বৰাৰ "সখা দামোদৰ"ৰ দৰে সাৰ্থক সৃষ্টি সংকলনত আছে।' আমি পাহৰি যাব খোজা গোবিন্দ চন্দ্ৰ পৈৰা, প্ৰবোধ গোস্বামী, উমাকান্ত শৰ্মাৰ গল্প কেইটিও পঢ়ি সোৱাদ লগা হৈছে। কিন্তু লক্ষ্মীনাথ ফুকনৰ "মাটিৰ দাম" বা যোগেশ দাসৰ "গৰাখহনীয়া"তকৈ উচ্চ মান বিশিষ্ট গল্প আছিল। একে কথা বীণা বৰুৱা সম্পৰ্কেও কব পাৰি। কিন্তু, আগতেই কৈছোঁ, একোটি সংগ্ৰহত সংগ্ৰাহকৰ ব্যক্তিগত ৰুচি আৰু পৰিকল্পনাইহে কাম কৰে। কথাষাৰ সেইদৃষ্টি কোণৰ পৰাহে বিচাৰ কৰা উচিত হব। আৱাহন যুগৰ শ্ৰেষ্ঠ গল্পলিখকবোৰৰ ভিতৰত শ্ৰীহৰিপ্ৰসাদ গোৰ্থাৰাই, শ্ৰীমুনীন বৰকটকী, শ্ৰীধনকান্ত গগৈ, শ্ৰীঈশ্বৰ প্ৰসাদ চৌধুৰী, চিত্ৰভানু চৌধুৰী প্ৰভৃতি জনচেৰেক জনপ্ৰিয় গল্প লিখক বাদ পৰি গ'ল।



তদুপৰি, আধুনিক অসমীয়া গল্প সংগ্ৰহ'ত সৌৰভ চলিহাৰ গল্প নথকাটো অবিশ্বাস্যই নহয়,—অনুচিতো। "পুথিৰ কলেবৰ যথাসম্ভৱ সৰু কৰিবলৈ বাধ্য হোৱাত" চলিহাৰ গল্প দিব নোৱাৰা বাবে "আমি দুঃখিত" বুলি ভূমিকাত কৈ থলেই বোধকৰো দায়িত্বৰ হাত সৰা টান। সৃষ্টিশীল সাহিত্যৰ প্ৰকৃত মাপ-কাঠি হ'ল সময়। অস্থায়ী জনপ্ৰিয় সাহিত্য আপোনাআপুনি সময়ৰ "ডাষ্টবিনত" থুপ খায়। কিন্তু সমকালীন সাহিত্য-সংগ্ৰহত সাময়িক বিচাৰত শ্ৰেষ্ঠ আৰু জনপ্ৰিয়তাৰ উচ্চ শিখৰত অৱস্থান কৰা লেখকৰ সৃষ্টিয়ে স্থান নোপোৱাটো দুৰ্ভাগ্যৰ কথা।

সংকলনটিৰ নাম "অসমীয়া গল্প-সংগ্ৰহ—১৯৬০ চনলৈ" হলেহে ভাল আছিল নেকি ?

তথাপিও 'আধুনিক অসমীয়া গল্প সংগ্ৰহ, এক সুন্দৰ সংকলন। অসমীয়া চুটি গল্পৰ গতি প্ৰবাহ আৰু মূল্যায়নৰ ক্ষেত্ৰত এই সংকলনটিয়ে সচেতন পাঠকক সহায় কৰিব বুলি নিশ্চিতভাৱে কব পাৰি। সংগ্ৰহৰ লগতে থকা সুদীৰ্ঘ ভূমিকাখনৰ গুৰুত্বৰ কথা নকলোৱেই যেনিবা। এই ভূমিকাখনিত সংগৃহীত গল্পসমূহৰ বৈশিষ্ট্যৰ উপৰিও ১৯৬০ চনৰ পৰবৰ্ত্তী গল্পকাৰৰ বিষয়েও পাণ্ডিত্যপূৰ্ণ আলোচনা সংগৃহীত গল্পবোৰৰ বিষয়ে সুকীয়াকৈ ইয়াত আলোচনা কৰা নহল।

ৰমেশ পাঠক

অহা সংখ্যাত অসমীয়া গ্ৰন্থপঞ্জীৰ
একাংশ প্ৰকাশ হ'ব।

# মেট্ৰিক পদ্ধতিৰ ওজন আৰু জোখ-মাখ।

ঠগ প্ৰৱঞ্চনাৰ হাত সাৰিবলৈ কাপোৰ--কানি কেৱল—

১। মেট্ৰিক জোখ মিটাৰ, চেন্টিমিটাৰত কিনিব।

২। মিটাৰৰ হাৰতহে দাম দিব।

৩। কাপোৰৰ বেপাৰীক মেট্ৰিক জোখত কাপোৰৰ দাম কবলৈ আৰু বেচিবলৈ দাবী কৰিব।

কাৰণ—

১। মেট্ৰিক জোখ-মাখ ব্যৱহাৰ কৰাটোহে বৰ্ত্তমান আইন সঙ্গত।

২। কাপোৰৰ মিলত মিটাৰৰ জোখত হে কাপোৰ তৈয়াৰ হয়।

৩। ব্যৱসায়ীয়ে মিটাৰৰ জোখতহে আইন মতে বেচিব লাগে।

৪। মিটাৰৰ দাম লৈ ব্যৱসায়ীয়ে গজৰ জোখত কাপোৰ দিলে প্ৰতি টকাত আপোনাৰ ৯ পইচাকৈ লোকচান হব।

গজৰ জোখত কোনো ব্যৱসায়ীয়ে কাপোৰ বেচিলে তত্‌ক্ষণাত্‌ স্থানীয় জোখ-মাখ পৰিদৰ্শকক খবৰ দিয়ক।

( ওজন আৰু জোখ-মাখ নিয়ন্ত্ৰকৰ দ্বাৰা প্ৰচাৰিত )।

# সম্পাদকৰ চ'ৰা

## নতুন বছৰৰ ওলগনি

জয়জয়তে নতুন বছৰৰ বাবে ৰাইজলৈ ওলগ জনাইছো। যোৱা বছৰটিত অসমীয়া ভাষাৰ মৰ্যাদা ৰক্ষা আৰু উচ্চ শিক্ষাৰ মাধ্যমৰ কাৰণে অসমত নানা বিপৰ্যয় ঘটিল; এটি এটিকৈ পাঁচটি নিৰীহ প্ৰাণী শ্বহীদ হ'ব লগীয়া হ'ল; কিন্তু তথাপিও সেই বিপৰ্যয়ৰ আজি পৰ্য্যন্ত উপশম নঘটিল। এতিয়াও বিৰোধী শক্তিসমূহে অসমৰ ভিতৰে বাহিৰে নানা চক্ৰবেহ ৰচনা কৰিয়েই আছে। নতুন বছৰত এই চক্ৰবেহ ভেদ কৰিবলৈ অসম চৰকাৰ আৰু জনসাধাৰণ শক্তিমন্ত হৈ উঠক—ভেদাভেদ পাহৰি, ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰি সকলো অসমীয়া এক হৈ পৰক—ইয়াকেই আজি কামনা কৰিছো।

## স্মৃতি তৰ্পণ

### ॥ হৰিপ্ৰসাদ নেওগ ॥

যোৱা ১৯ ফেব্ৰুৱাৰী ১৯৭৩ তাৰিখে অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক আৰু অসমীয়া ভাষা-সাহিত্যৰ এগৰাকী নিষ্ঠাবান সেৱক শ্ৰীহৰিপ্ৰসাদ নেওগদেৱৰ পৰলোকপ্ৰাপ্তি হয়। কুৰি চাৰি বছৰ পূৰ নৌ-হওঁতেই এটা বিশাল কৰ্ম-জীৱনৰ আকস্মিকভাৱে ওৰ পৰাটো অসমীয়া জাতিৰ কাৰণেই অতি দুৰ্ভাগ্যজনক আৰু গভীৰ বেদনাদায়ক। অসম সাহিত্য সভাৰ এজন অক্লান্ত কৰ্মী হিচাপে তথা অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য আৰু প্ৰধান সম্পাদক হিচাপে প্ৰায় এক দশক কাল থাকি সভাৰ সংগঠন, বিভিন্ন গ্ৰন্থ সম্পাদন আৰু কেবাজনো সাহিত্যিকৰ জন্ম শতবাৰ্ষিকী উৎসৱ পাতি অসম সাহিত্য সভাক গৌৰৱমণ্ডিত কৰি তোলে। বিশেষকৈ বেজবৰুৱা শতবাৰ্ষিকী উৎসৱে অসমৰ সকলো ঠাইতে আনি দিছিল এক অভূতপূৰ্ব জাগাৰণ, তদুপৰি এই উৎসৱেই দিল্লী, কলিকতা আনকি বেজবৰুৱাৰ প্ৰধান কৰ্মভূমি সম্বলপুৰতো এক আলোড়নৰ সৃষ্টি কৰিছিল আৰু ভাৰতবাসীক পৰিচয় কৰাই দিছিল যে অসমতো এগৰাকী আগশাৰীৰ ভাৰতীয় সাহিত্যিক আছে। নেওগে সাহিত্য সভাৰ কেইবাখনি স্মৃতিগ্ৰন্থ সম্পাদনা কৰাৰ উপৰিও গতি নামৰ এখন মাহেকীয়া আলোচনীও সম্পাদনা কৰিছিল। তদুপৰি তেওঁ 'ৰাধাকান্ত সন্দিকৈ', 'পদ্মনাথ গোহাঞি বৰুৱা' আৰু 'চন্দ্ৰকুমাৰ আগৰৱালা, (যুটীয়াভাৱে) নামৰ গ্ৰন্থ তিনিখনি প্ৰণয়ন কৰিছিল। প্ৰথমে হাইস্কুল আৰু শেষত কলেজত শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰি শেষত নিজৰ যোগ্যতাৰ গুণত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰণয়ন সমন্বয় সমিতিৰ সচিব হয়। অলপ দিনৰ ভিতৰতে তাতো নিজৰ যোগ্যতা প্ৰতিপন্ন কৰিব পাৰিছিল।

নেওগৰ অকাল বিয়োগত আমাৰ অপূৰণীয় ক্ষতি হ'ল। তেওঁৰ স্বৰ্গত আত্মাই শান্তি লাভ কৰক এয়ে ভগবানৰ ওচৰত আমাৰ প্ৰাৰ্থনা।

(পত্ৰিকাৰ পিছৰ সংখ্যাটো হৰিপ্ৰসাদ নেওগ-দেৱৰ স্মৃতিত 'নেওগ সোঁৱৰণী সংখ্যা' হিচাপে উলিয়াবলৈ দিহা কৰা হৈছে। সেই সংখ্যাত আমি তেওঁলৈ পুনৰ স্মৃতি-তৰ্পণ আগ বঢ়াম।)

এই বছৰতে আমি অসমৰ প্ৰসিদ্ধ সংস্কৃত পণ্ডিত শ্ৰীগোৰীদত্ত মিশ্ৰ, 'জয়ন্তী' কাকতৰ প্ৰতিষ্ঠাতা শ্ৰীকেশৱকান্ত বৰুৱা আৰু সাহিত্য-সংস্কৃতিৰ সেৱক শ্ৰীনিত্যানন্দ বৰদলৈ দেৱক হেৰুৱালো। এই তিনিগৰাকী ব্যক্তিৰ বিষয়ে অন্য এটি আলোচনাত বিবৰি কোৱা হৈছে। তেওঁলোকৰ বিদেহ আত্মালৈ আমাৰ সশ্ৰদ্ধ স্মৃতি-তৰ্পণ আগ বঢ়ালোঁ।

## ॥ পাল এছ বাক ॥

যোৱা ৬ মাৰ্চ, ১৯৭৩ তাৰিখে নবেল বঁটা আৰু পুলিৎজাৰ বঁটা বিজয়িনী শ্ৰীমতী পাল এছ বাকৰ দানবি (ভাৰ্মণ্ট)ৰ নিজা বাসভৱনত ৮০ বছৰ বয়সত পৰলোক হয়। পাৰ্লবাকৰ মৃত্যুত বিশ্বই এগৰাকী প্ৰথম শ্ৰেণীৰ ঔপন্যাসিকাক হেৰুৱালে। এই ঔপন্যাসিকা গৰাকীক শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে সাহিত্য-সংবাদ শিতানত লিখিকাৰ সাহিত্য-কৃতিৰ এটি চমু আভাস দিয়া হৈছে।

।লিখিকাৰ স্বৰ্গত আত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আগ বঢ়ালোঁ।

## অসমৰ ৰাজধানী

অৱশেষত এশ বছৰ পিছত অসমৰ ৰাজধানী শৈলশিখৰৰ পৰা ভৈয়ামলৈ—নিজৰ ৰাজ্যলৈ নামি আহিল! অসমৰ বৰ্তমান মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহদেৱে পূৰ্বৰ ঘোষণাক্ৰমে যোৱা ১৬ মাৰ্চ (১৯৭৩) তাৰিখৰ পৰা ৪ এপ্ৰিললৈ অসমৰ অস্থায়ী ৰাজধানী গুৱাহাটীত প্ৰথম বাৰৰ কাৰণে বিধান সভা বহুৱালে। ইয়াৰ বাবে মুখ্যমন্ত্ৰী দেৱক অভিনন্দন জনাওঁ। বৃটিছ আমোলৰ দিনৰে পৰা স্বাধীনোত্তৰ ২৫ বছৰৰো অধিক কাল ব্যাপী অসমৰ ৰাজধানী এনেকুৱা এডোখৰ ঠাইত পতা হৈছিল যি ঠাই অসমীয়া জনসাধাৰণে সহজে ঢুকি পাব নোৱাৰে আৰু বিশেষকৈ যি ঠাইত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ অনুকূল পৰিৱেশ কোনো দিনেই সৃষ্টি হোৱা নাছিল। জাতিৰ ৰাজনৈতিক জীৱনৰ লগত ৰাজধানীৰ যেনে ওতপ্ৰোত সম্বন্ধ, জাতিৰ সাহিত্যিক-সাংস্কৃতিক জীৱনৰ লগতো ৰাজধানীৰ তেনে ওচৰ সম্বন্ধ। দিল্লী, কলিকতা, বোম্বাই, মাদ্ৰাজ, মহীশূৰ আদিলৈ চালেই এই কথা ফটফটীয়াকৈ ওলাই পৰে। আমি আশা কৰো ৰাজধানী স্থানান্তৰৰ লগে লগে অসমৰ ভাষা-সংস্কৃতি আদিৰ ক্ষেত্ৰতো নতুন ভাগ্য-ৰবিৰ উদয় হ'ব। যি দৃঢ়তাৰে সিংহ চৰকাৰে নিৰ্দিষ্ট দিনতেই গুৱাহাটীত বিধান সভা পাতিলে, সেই দৃঢ়তাৰেই অসমীয়া ভাষাৰ প্ৰতিকূল শক্তি সমূহক ধ্বংস কৰি অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ আশু সমৃদ্ধিৰ কাৰণে যথোপযুক্ত অৰিহণা যোগাব। অতি শীঘ্ৰে পৰিকল্পিতভাৱে স্থায়ী ৰাজধানী নিৰ্মিত হোৱাটোও বাঞ্ছনীয়। এই বিষয়ত সিংহ চৰকাৰে অসমৰ ৰাজনৈতিক বুৰঞ্জীৰ এটি উজ্জ্বল কীৰ্তি ৰাখিব পাৰিব বুলি আমি আশা কৰিছোঁ।



## আঞ্চলিক গ্ৰন্থমেলা

অসমত প্ৰথম বাৰৰ কাৰণে ভাৰতৰ ৰাষ্ট্ৰীয় গ্ৰন্থনিধি (নেশ্যনেল বুকট্ৰাষ্ট, ইণ্ডিয়া) আৰু অসম প্ৰকাশন পৰিষদৰ যুটীয়া প্ৰচেষ্টাত গুৱাহাটীত ৮ মাৰ্চৰ পৰা ১২ মাৰ্চলৈ (১৯৭৩) আৰু ডিব্ৰুগড়ত ২৪ মাৰ্চৰ পৰা ২৭ মাৰ্চলৈ আঞ্চলিক গ্ৰন্থমেলা অনুষ্ঠিত হয়। প্ৰাপ্ত বাতৰি মতে ৩ হাজাৰৰো বেছি অসমীয়া, ১২০০ খন হিন্দী, ১০০০ খন বঙলা, ২০০ খন উৰিয়া, ১২০০ খন ইংৰাজী আৰু ১০০ খন সংস্কৃত গ্ৰন্থ প্ৰদৰ্শিত হয়। ইয়াৰ উপৰি গুৱাহাটীত ৯ মাৰ্চৰ পৰা ১৩ মাৰ্চলৈ ডক্টৰ মহেশ্বৰ নেওগ দেৱৰ পৰিচালনাত অনুবাদ শিবিৰ আৰু প্ৰতিদিনে একোখনকৈ আলোচনা চক্ৰ বহে। আলোচনা চক্ৰত সৃজনীমূলক সাহিত্যৰ সমস্যা' 'অসমীয়া গদ্য সাহিত্যত সমাজ-বিবৰ্তনৰ ধাৰা' 'বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা সম্পৰ্কীয় বিষয় অনুবাদৰ সমস্যাৰ, 'অসমীয়া গ্ৰন্থৰ প্ৰকাশ, বিক্ৰী আৰু বিতৰণৰ সমস্যা', 'তথ্য, প্ৰচাৰ আৰু সংবাদধৰ্মী ৰচনা অনুবাদৰ সমস্যা,' শিশু-সাহিত্য অনুবাদৰ সমস্যা' আৰু 'এটা ভাৰতীয় ভাষাৰপৰা আন এটা ভাৰতীয় ভাষালৈ অনুবাদৰ সমস্যা' সম্পৰ্কে কেইবাগৰাকী অভিজ্ঞ ব্যক্তিয়ে অংশ গ্ৰহণ কৰে। গ্ৰন্থমেলা, অনুবাদ শিবিৰ আৰু আলোচনা চক্ৰৰ প্ৰয়োজনীয়তাৰ কথা ব্যাখ্যা কৰা নিষ্প্ৰয়োজন। আমি আশা কৰোঁ এনেকুৱা অনুষ্ঠান প্ৰতি বছৰে সম্ভৱ নহলেও অন্ততঃ দুবছৰৰ মূৰে মূৰে অনুষ্ঠিত হ'ব। ইয়াৰ বাবে উদ্যোক্তাসকল ধন্যবাদৰ পাত্ৰ। কিন্তু এইখিনিতেই উল্লেখ কৰিব পাৰি যে প্ৰথম বাৰৰ কাৰণেই হওক নাইবা অন্য কাৰণেতেই হওক অনুষ্ঠানটিৰ দুই এটি সৰুসুৰা ত্ৰুটি আমাৰ চকুত পৰিছে যেনে, গ্ৰন্থমেলাত ১৯৪৭ চনৰ পৰা বৰ্তমানলৈকে প্ৰকাশ পোৱা সমস্ত অসমীয়া গ্ৰন্থ ৰখাৰ কথা আছিল ; কিন্তু ১৯৬০ চনৰ পিছৰ প্ৰকাশিত ভালেমান গ্ৰন্থও চকুত নপৰিল। দ্বিতীয়তে, একাডেমী বঁটা প্ৰাপ্ত আটাই কেইখন অসমীয়া পুথি একেলগে প্ৰদৰ্শিত হোৱা হলে ভাল আছিল। আঞ্চলিক গ্ৰন্থমেলা যেতিয়া পূৰ্বাঞ্চলৰ প্ৰধান ভাষা অসমীয়া, বঙলা আৰু উৰিয়াৰ উপৰিও বড়ো, খাচী, গাৰো, মিকিৰ, মণিপুৰী আদি ভাষাত ৰচিত পুথিসমূহৰো প্ৰদৰ্শনৰ ব্যৱস্থা কৰিলে ভাল হলহেঁতেন। ইচ্ছা থকা সত্বেও ভালেমান ইচ্ছুক লোকে অনুবাদ শিবিৰত যোগ দিয়াৰ সুবিধা নাপালে। আমি আশা কৰোঁ ভৱিষ্যতে অসম প্ৰকাশন পৰিষদ, অসমৰ কেউখন বিশ্ববিদ্যালয়, অসম সাহিত্য সভা প্ৰমুখ্যে অসমৰ শিক্ষা-সাহিত্য বিষয়ক অনুষ্ঠানসমূহে পাৰস্পৰিক সহযোগিতাৰ দ্বাৰা সময়ে সময়ে এনে প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰি অসমত এদল উপযুক্ত অনুবাদকৰ সৃষ্টি কৰিবলৈ যত্ন ল'ব।

## অসমীয়া পঞ্জিকা

বৰ আনন্দৰ কথা যে বহুবছৰ বিৰতিৰ পিছত এইবাৰ নতুন বছৰৰ (১৮৯৫ শক) অসমীয়া পঞ্জিকা ওলাল। প্ৰাচীন জ্যোতিষৰ চৰ্চাৰ কেন্দ্ৰস্থান প্ৰাগ্‌জ্যোতিষ-কামৰূপৰপৰা এখন পঞ্জিকা নোলোৱাটো অকল লাজৰ কথাই নহয় পৰিতাপৰ কথাও। আমি অসমীয়া পঞ্জিকাৰ উদ্যোক্তাসকলক এই প্ৰচেষ্টাৰ বাবে অভিনন্দন জনাইছো আৰু আশা কৰিছো—অসমৰ ৰাইজ আৰু চৰকাৰে পঞ্জিকাখন আদৰি ল'ব। উদ্যোক্তা আৰু ৰাইজৰ সহযোগত অসমীয়াৰ গৌৰৱ স্বৰূপ পঞ্জিকাখন চিৰজীৱী হওক ইয়াকেই কামনা কৰিলোঁ।

## পত্ৰিকাৰ কথা

অসম সাহিত্য সভাৰ পত্ৰিকাখন ইতিপূৰ্বে তিনিমহীয়াকৈ আৰু সম্ভৱ নহলে চাৰিমহীয়াকৈও উলিয়াই অহা হৈছিল। সাহিত্য সভাৰ যোৰা ৰঙিয়া সন্মিলনৰ ( ফেব্ৰুৱাৰী ১৯৭৩ ) সভাপতিয়ে পত্ৰিকাখন মাহেকীয়াকৈ উলিয়াব লাগে বুলি দিয়া যোৱনাৰ প্ৰতি প্ৰতিনিধি বৰ্গই সমাদৰ জনোৱাত কাৰ্যনিৰ্বাহক সমিতিয়ে পত্ৰিকাখন মাহেকীয়াকৈ উলিওৱাৰ সিদ্ধান্ত লয়। সেই মৰ্মে ১৮৯৫ শকৰ বহাগৰপৰা আলোচনীখন মাহেকীয়াকৈ উলিয়াবলৈ স্থিৰ কৰা হয়।

সাহিত্য সভাই পত্ৰিকাখন উলিওৱাৰ দায়িত্ব এই নিঃকিনৰ ওপৰত ন্যস্ত কৰিছে। নিজৰ অযোগ্যতাৰ কথা জানিও অসম সাহিত্য সভাৰ সকলো হিতকাঙ্ক্ষীলোক আৰু জাতি-বৰ্ণনিৰ্বিশেষে সমূহ অসমীয়া ৰাইজৰপৰা সৰ্বতোভাৱে সহায়-সহযোগ পাম বুলি ভাৰসা ৰাখি এই গুৰু দায়িত্ব বহন কৰিবলৈ আগ-বাঢ়িছো। আশা কৰো অসমীয়া জাতিৰ বৃহত্তম অনুষ্ঠান অসম সাহিত্য সভাৰ মুখপত্ৰৰ প্ৰতি পাঠক আৰু লিখক সমাজে 'সহৃদয়তাৰ দৃষ্টিৰে চাব। 'অসমীয়া আলোচনীলৈ লিখক'লিখিকাই প্ৰবন্ধ নিলিখে আৰু অসমীয়া পাঠক সমাজে অসমীয়া কিতাপ আৰু আলোচনীতকৈ অন্যভাষাৰ কিতাপ আৰু আলোচনীহে অধিক পঢ়ে।' আমাৰ এই অপবাদটো আঁতৰাবলৈ সমূহ লিখক-লিখিকা আৰু পঢ়ুৱৈ সমাজক সানুনয়ে অনুৰোধ জনালোঁ।!


# ৰঙালী বিহুৰে

আপোনাৰ পৰিয়ালত আনন্দ লহৰ তোলক

ক্ষুদ্ৰ সঞ্চয় আঁচনিত টকা সঞ্চয় কৰি

আপোনাৰ আৰু আপোনাৰ পৰিয়ালৰ
ভৱিষ্যত জীৱন মধুময় কৰি তোলক

আৰু লগতে

মাতৃ ভূমিৰ মঙ্গল সাধক।

বিশদ বিৱৰণৰ কাৰণে আপোনাৰ ওচৰত
ডাকঘৰ বা জাতীয় সঞ্চয়ৰ জিলা সঞ্চয়
বিষয়াৰ ওচৰত খবৰ কৰক।

( গুৱাহাটীত থকা অসম চৰকাৰৰ ক্ষুদ্ৰ সঞ্চয় আঁচনি বিভাগৰ সঞ্চালকৰ দ্বাৰা প্ৰচাৰিত )

নতুন বছৰৰ লগে লগেই

অসম কৃষি পাম নিগমৰ শুভাৰম্ভ হৈছে

প্ৰতিটো মাটিহীন কৃষক পৰিয়ালৰ আৰ্থিক উন্নয়ন নিৰাপত্তা, কৰ্মসংস্থান

আৰু

আগত দিনৰ সুখ-সমৃদ্ধিৰ বাবে কৃষি-পাম নিগমে

সকলো ব্যৱস্থা গ্ৰহন কৰিছে।

মাটিহীন প্ৰতিটো পৰিয়ালকে

নিৰ্দ্ধাৰিত পৰিমাণৰ

খেতি-মাটি

যান্ত্ৰিক কৃষিৰ ব্যৱস্থা

সাৰ

ঔষধ

পানী-যোগান

পশুপক্ষীপালন

আদিৰ সুবিধা দিয়া হ'ব।

সেইবাবেই অসম কৃষি-পাম নিগম খেতিয়িক ৰাইজৰ

সৰ্বাঙ্গীন উন্নতিৰ বুনিয়াদ প্ৰতিস্থাত এক দৃঢ় পদক্ষেপ

অসম কৃষি বিভাগৰ প্ৰচাৰ শাখাৰ দ্বাৰা প্ৰচাৰিত

★ ★ ★


## ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকাৰ বছৰ বহাগৰ পৰা আৰম্ভ হ'ব আৰু প্ৰতি মাহে এখনকৈ ওলাব। সাধাৰণতে সকলো গ্ৰাহকে প্ৰথম সংখ্যাৰ পৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছৰেকীয়া বৰঙণি ২০·০০ টকা আৰু ছমহীয়া বৰঙণি ১০·০০ টকা আগ ধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ২·০০ টকা।


৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি **এপিঠিত ফট্‌ফটীয়াকৈ** লিখি "অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১"—এই ঠিকনাত পঠাব। আখৰ জোঁটনিত দ্বিত্ব বৰ্জন কৰে যেন।

৪। পত্ৰিকাত উচ্চমান-বিশিষ্ট জীৱনী, ভ্ৰমণ কাহিনী, ভাষা-সাহিত্য, কলা-সংস্কৃতি, ইতিহাস, দৰ্শন, বিজ্ঞান আদি বিষয়ক প্ৰবন্ধ, মৌলিক আলোচনা আদিয়ে ঠাই পাব।

৫। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা নহয় আৰু সেই প্ৰসঙ্গৰ কোনো উত্তৰ দিয়াও নহয়।

৬। সকলো টকাকড়ি, বিজ্ঞাপন আৰু কাকত সম্পৰ্কীয় চিঠি "সহকাৰী সম্পাদক অসম সাহিত্য সভা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন গুৱাহাটী-১"—এই ঠিকনাত পঠাব।





"পৰিচালিত ভ্ৰমণৰ" আয়োজনৰে ওলগ জনাওঁ।

মিতিব্যয়ী অথচ আৰামদায়ক মিনি বাচেৰে এই ভ্ৰমণৰ সুযোগ লওক।
প্ৰতি শনিবাৰে কাজিৰঙা যাত্ৰা আৰু দেওবাৰে গধূলি প্ৰত্যাবৰ্তন।
নিৰিখ ( অহা-যোৱা, থকা-খোৱা আৰু অভয়াৰণ্য ভ্ৰমণৰ অন্তৰ্ভুক্তিৰে)
প্ৰাপ্ত বয়স্ক :—টঃ ৫৯.২০ পঃ মাত্ৰ।
ল'ৰা-ছোৱালী ( ১২ বছৰ বয়সলৈকে ) টঃ ৩২.৮৫ পঃ মাত্ৰ।

একেদিনাই প্ৰত্যাবৰ্তনৰ আয়োজনেৰে যোৰহাটৰ পৰা কাজিৰঙালৈ নিৰিখ ( অহা-যোৱা আৰু অভয়াৰণ্য ভ্ৰমণৰ অন্তৰ্ভুক্তিৰে) প্ৰাপ্ত। বয়স্ক টঃ ২৭.০০
ল'ৰা ছোৱালী ( ১২ বছৰ বয়সলৈকে ) টঃ ১৫.০০ পঃ মাত্ৰ।

বিশেষ অগ্ৰিম আবেদন অনুসৰি মানস অভয়াৰণ্য, চান্দুবি আদি ঠাই ভ্ৰমণৰো সুবিধা আছে।

নিৰিখঃ—প্ৰতি কিলোমিটাৰত গাইপতি আঠ পইচা মাত্ৰ।



অসম চৰকাৰৰ পৰ্যটন বিভাগৰ দ্বাৰা প্ৰচাৰিত।


অসম সাহিত্য সভাৰ হৈ অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় যোৰহাটৰ পৰা প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াৰ দ্বাৰা প্ৰকাশিত, গুৱাহাটীৰ পূৰ্বদেশ মুদ্ৰণত শ্ৰীপ্ৰশান্তকুমাৰ শৰ্মাৰ দ্বাৰা মুদ্ৰিত আৰু পত্ৰিকা সম্পাদক শ্ৰীহেমন্তকুমাৰ শৰ্মাৰ দ্বাৰা সম্পাদিত।

মূল্য : ২.০০ টকা

# অসম সাহিত্য সভা পত্ৰিকা

ত্ৰিংশ বছৰ
১৮৯৫ শক

দ্বিতীয় সংখ্যা
জেঠ




সম্পাদক : হেমন্তকুমাৰ শৰ্মা

## ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকাৰ বছৰ বহাগৰ পৰা আৰম্ভ হ'ব আৰু প্ৰতি অসমীয়া মাহৰ প্ৰথম সপ্তাহত এখনকৈ ওলাব।

২। ইয়াৰ বছৰেকীয়া বৰঙণি ২০'০০ টকা আৰু ছমহীয়া বৰঙণি ১০.০০ টকা আগ ধৰি দিব লাগিব। প্ৰতি সংখ্যাৰ বেচ ২'০০ টকা।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি **এপিঠিত ফট্‌ফটীয়াকৈ লিখি** "অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১"—এই ঠিকনাত পঠাব। আখৰ জোঁটনিত দ্বিত্ব বৰ্জন কৰে যেন।

৪। পত্ৰিকাত উচ্চমান-বিশিষ্ট জীৱনী, ভ্ৰমণ-কাহিনী, ভাষা-সাহিত্য, কলা-সংস্কৃতি, ইতিহাস, দৰ্শন, বিজ্ঞান আদি বিষয়ক প্ৰবন্ধ, মৌলিক আলোচনা আদিয়ে ঠাই পাব।

৫। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা নহয় আৰু সেই প্ৰসঙ্গৰ কোনো উত্তৰ দিয়াও নহয়।

৬। সকলো টকাকড়ি, বিজ্ঞাপন আৰু কাকত সম্পৰ্কীয় চিঠি "সহকাৰী সম্পাদক অসম সাহিত্য সভা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন গুৱাহাটী-১"—এই ঠিকনাত পঠাব।